

# কলহী

## ছয়গাওঁ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

অষ্টম আৰু নৱম যুগ্ম সংখ্যা

॥ ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ ইং চন ॥

তত্ত্বাৱধায়ক ঃ
অধ্যাপক, নগেন কলিতা

সম্পাদনাত
পুষ্প কুমাৰ [illegible]

প্ৰকাশক :
১৯৯৩-৯৪ ইং চনৰ ছয়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হৈ
পুষ্প কুমাৰ সাউদ ।

সম্পাদনা সমিতি :
শ্ৰীযুত উপেন কুমাৰ, সভাপতি
শ্ৰীযুত নগেন কলিতা, তত্বাৱধায়ক
শ্ৰীযুত ভূষণ কলিতা, সদস্য
শ্ৰীযুত ৰঞ্জিত চক্ৰৱৰ্তী, সদস্য
শ্ৰীপুষ্প কুমাৰ সাউদ, সম্পাদক
শ্ৰীপংকজ কুমাৰ ঠাকুৰীয়া, সদস্য
শ্ৰীৰঞ্জিত ঠাকুৰীয়া, সদস্য
শ্ৰীবুবুল দাস, সদস্য
শ্ৰীজয়ন্ত মেধী, সদস্য ।

অংগ সজ্জা আৰু পৰিকল্পনা :
সম্পাদক ।

বেটুপাত :
চিতাৰাম নাথ
পুষ্প কুমাৰ সাউদ ।

মুদ্ৰক :
বেউলা প্ৰিণ্টাৰ্ছ, ছয়গাঁও ।

# উচৰ্গা



অপ্ৰত্যাশিতভাৱে আমাৰ মাজৰ পৰা
আতঁৰি যোৱা উঃ মাঃ ১ম বৰ্ষৰ ছাত্ৰী
প্ৰতিভাসম্পন্ন বিহুৱতী ৺ আল্পনা কাকতিৰ
স্মৃতিত—
এই সংখ্যা 'কলহী' উচৰ্গা কৰিলোঁ।

—সম্পাদক।

## ॥ অশ্ৰু অঞ্জলী ॥

বিগত সময়ছোৱাত মৃত্যুৱে আমাৰ মাজৰ পৰা কাঢ়ি নিয়া ড° সত্যজিৎ ৰয়, ৰাম গগৈ, মুনীন বৰকটকী, বিনন্দ চন্দ্ৰ বৰুৱা, ড° সুভাষ সাহা, ড° প্ৰফুল্ল দত্ত গোস্বামী, ড° লীলা গগৈ, পুৰুষোত্তম দাস, অনু বৰুৱা, অমল প্ৰভা দাস, থানেশ্বৰ শৰ্মা, ডলী তালুকদাৰ, ড° ভি. ভেংকট ৰাও চাৰ, পিটাৰ ব্ৰুক, মনমোহন দেশাই, আৰ. ডি. বৰ্মণ, ডি. বি. দেওধৰ, ৰবী মুৰ, জে. আৰ. ডি. টাটা, জ্ঞানী জাইল সিং প্ৰমুখ্যে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ সুধী সকলৰ পৰলোকগত আত্মাৰ শান্তি কামনা কৰিছোঁ।

আকৌ মাতৃভূমিৰ স্বাধীনতা সংগ্ৰামৰ জ্ঞাত অজ্ঞাত বীৰ শ্বহীদ, ৰাজনৈতিক চক্ৰান্তেৰে ভাতৃঘাটী সংঘৰ্ষত মৃত্যুবৰণ কৰা সৈনিক, আৰক্ষী আৰু অসামৰিক ব্যক্তিসকল, চৰকাৰী সন্ত্ৰাসত প্ৰাণ হেৰুৱা সকলৰ লগতে সন্ত্ৰাসবাদীৰ হাতত মৃত্যু ঘটা ব্যক্তিসকল আৰু অবাঞ্ছিতভাৱে প্ৰাকৃতিক দুৰ্যোগৰ বলি হোৱা সকলৰ আত্মাৰ সদ্গতি কামনা কৰিছোঁ।

# কৃতজ্ঞতা জ্ঞাপন

যি সকল মহান ব্যক্তিয়ে দৈনন্দিন ব্যস্ততাৰ মাজতো মোক নানা ধৰণে দিহা পৰামৰ্শৰ লগতে সহায়-সহযোগ আগবঢ়াই আলোচনীখন পোহৰলৈ অনাৰ বাবে প্ৰেৰণা দিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। মোক দিহা পৰামৰ্শ আগবঢ়োৱা শিক্ষাগুৰু সকলৰ ভিতৰত তত্বাৱধায়ক শ্ৰীযুত নগেন কলিতা, অধ্যাপক পৰেশ অধিকাৰী, যোগেন্দ্ৰ কুমাৰ দাস, ৰঞ্জিত চক্ৰৱৰ্ত্তী, ভূষণ কলিতা, অধ্যাপিকা অনুপমা ডেকা বাইদেউৰ লগতে সমূহ অধ্যাপক / অধ্যাপিকা কৰ্মচাৰী বৃন্দলৈ মই কৃতজ্ঞতা জনাইছোঁ। লগতে ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উপেন কুমাৰ দেৱ মহোদয়ে ইমান বেমেজালিৰ মাজতো আলোচনীখনৰ দায়িত্ব লোৱাৰ বাবে তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ।

জ্যেষ্ঠ ভাতৃস্বৰূপ ছাত্ৰ ককাইদেউ ক্ৰমে: পুলিন ৰাজেন যাদৱ, ভবেন, ভদ্ৰেশ্বৰ আটাই কেইজনে মোক পৰামৰ্শ দি সহায় কৰাৰ বাবে কৃতজ্ঞতা জনাইছোঁ।

যি সকলে লিখনিসমূহ দি আলোচনীখন প্ৰকাশ কৰাত সুবিধা দিলে তেওঁলোকলৈ আৰু সহায় সহযোগ আগবঢ়োৱা ছাত্ৰ বন্ধু/বান্ধৱী ক্ৰমে—সৰ্বশ্ৰী ভূষণ, বিচিত্ৰ, গৌতম, জোন, নিপন, মাধৱ, পবিত্ৰ, বিদ্যুৎ, চিৰঞ্জন পংকজ দেৱ প্ৰভাত, কুমুদ, সুভাষ, বিমল, মনোজ, হিতেশ, উজ্জ্বল, বুবুল, তপন, জিতু, সুনীল, চন্দ্ৰ, মুকুট, দিলিপ, বৰ্ণালী, দিপ্তী, উজ্জলা, জিতু, সাবিত্ৰী, জোনালী, অঞ্জু, ৰুণু, তুলু, ধৰিত্ৰী, মিণ্টু চন্দ্ৰলেখা মনিমা, তৰুলতা, কৰবী, মিনা, ললিতা আদি ইলৈকে মই কৃতজ্ঞতা জনাইছোঁ। লগতে ছয়গাওঁ মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ গুৰু দায়িত্বত মোক নিৰ্ব্বাচন কৰি মহাবিদ্যালয়খনত সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞতা জনাইছোঁ।

-- সম্পাদক।

# সূচীপত্ৰ

| 'কৰহীঁৰ পাতে পাতে— | যিসকলে আগবঢ়াইছে ঃ | পৃষ্ঠা |
|---|---|---|
| সম্পাদকীয় | | |
| প্ৰবন্ধ— | | |
| ৰাভা জনজাতি আৰু সংস্কৃতিত এভুমুকি | ঃ নবেশ্বৰ ৰাভা | ১ |
| অসমৰ সাম্প্ৰতিক পৰিস্থিতিত যুৱ সমাজৰ ভূমিকা | ঃ ভবেন কুমাৰ সাউদ | ৬ |
| বৰ্ত্তমান শিক্ষা ব্যৱস্থা আৰু নিবনুৱা সমস্যা | ঃ মনোজ কুমাৰ কলিতা | ৯ |
| যুৱ বিশৃংখলতাৰ বাবে সমাজ আৰু অভিভাৱকৰ সমস্যা | ঃ ভদ্ৰেশ্বৰ দাস | ১২ |
| সাম্প্ৰতিক সময়ঃ সংশয় আৰু সম্ভাৱনা | ঃ অধ্যাপক, যোগেন্দ্ৰ কুমাৰ দাস | ১৬ |
| শংকৰদেৱৰ সাহিত্যত নাৰীৰ স্থান | ঃ বৰ্ণালী গোস্বামী | ২১ |
| সাম্প্ৰদায়িকতাৰ বিষবাষ্প নাশি সুস্থিৰ সমাজ গঠনত যুৱ ছাত্ৰৰ ভূমিকা | ঃ কমল ঠাকুৰীয়া | ২৩ |
| সুস্থ যুৱ মানসিকতা গঢ়াত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ভূমিকা | ঃ অধ্যাপক, বানেশ্বৰ দাস | ২৭ |
| কবিতা— | | |
| ভাইৰ মৃত্যুৰ পিছত | ঃ নৱজিৎ দাস | ৩৩ |
| ব্যাথা | ঃ ৰুণু মেধী | ৩৫ |
| অস্পৃশ্যতা | ঃ বুবুল দাস | |
| বিৰাগ | ঃ অচ্যুত কলিতা | ৩৬ |
| তুমি | ঃ মিণ্টু কলিতা | |
| স্বপ্নভংগ কবিতা | ঃ সায়ামণি দাস | ৩৭ |
| মহাবিদ্যালয়ৰ বাছ গাড়ী | ঃ পূৰ্ণ ৰাম দাস | ৩৮ |
| জন্মভূমি | ঃ সনাতন কলিতা | |
| এজাক কুকুৰ | ঃ ছামচুল আলম | ৩৯ |
| প্ৰতিশ্ৰুতি | ঃ অৰূপ কুমাৰ মেধি | |
| মানৱতাৰ উচুপনি | ঃ প্ৰভাত চন্দ্ৰ দাস | ৪০ |
| অপেক্ষাত নতুন দিনৰ বাবে | ঃ কমল ঠাকুৰীয়া | |
| প্ৰতিবিম্ব | ঃ জোন কলিতা | ৪১ |
| ভঙা বাঁহৰ সুৰ | ঃ মাধৱ প্ৰসাদ বাভা | |

প্ৰৱঞ্চনা : নগেন দাস ৪২
ব্যৰ্থ : পুষ্প কুমাৰ সাউদ
কবিতা : দেৱ কুমাৰ মেধি ৪৩
বেশ্যাৰ চিন্তা : ৰঞ্জিত ৰাভা
প্ৰেমৰ কবিতা : ভূষণ কলিতা ৪৪
এমুঠি কবিতা : পংকজ কুমাৰ ঠাকুৰীয়া ৪৫
গীত : জয়ন্ত মেধি ৪৫

গল্প—

মুক্তি : তপন চন্দ্ৰ দাস ৪৭
চকুলোৰ শেষ সীমা : হেমন্ত কুমাৰ শালৈ ৫০
তেজৰ ৰং : অধ্যাপক নগেন কলিতা ৫৩
তুটোপা তেজ : মিণ্টু কলিতা ৫৯
জীৱনৰ শেষ পৃষ্ঠা : জ্যোতি শংকৰ শালৈ ৬৩
অপেক্ষা : পুলিন কলিতা ৬৮
প্ৰত্যাখ্যান : অনুভা দেৱী ৭৩
দুঃস্বপ্নৰ পাৰে পাৰে : অধ্যাপক. প্ৰদীপ দাস ৭৭
আৱৰ্জনা : পংকজ কুমাৰ ঠাকুৰীয়া ৮১

বিবিধ প্ৰসংগ

জানি থোৱা ভাল : অৰূপ কলিতা ( সংগ্ৰাহক )
সাক্ষাৎকাৰ
ৰম্য ৰচনা : দীপ্তি চৌধুৰী
১৯৯২-৯৩ ইং চনৰ বিভাগীয় সম্পাদকীয় প্ৰতিবেদন -
১৯৯২-৯৩ ইং চনৰ মহাবিদ্যালয় সপ্তাহৰ ফলাফল -
১৯৯৩-৯৪ ইং চনৰ মহাবিদ্যালয় সপ্তাহৰ ফলাফল—
তত্বাৱধায়কৰ দু যাৰ : অধ্যাপক নগেন কলিতা
১৯৯৩-৯৪ ইং চনৰ বিভাগীয় সম্পাদকীয় প্ৰতিবেদন—



# সম্পাদকীয়

## ১৯৯৩-৯৪ ইং চন

কুলু-কুলু ঝংকাৰেৰে সদাপ্ৰতিধ্বনিত হৈ থাকে কলহী নৈ। সেউজীয়া বৰণেৰে শস্য শ্যামলা হৈ থাকে কলহীৰ দুয়োপাৰ। পানীৰ সোঁতে-সোঁতে উটি আহে ভাবাৰ সুবাস। কলহীৰ বালিচৰত জিলিকি উঠে সোণ, ৰূপৰ মুকুটাবোৰ। বাৰিষাৰ ভৰানৈৰ পানীয়ে আল্ফুল্ কৈ দি যায় দুয়োপাৰে উৰ্বৰা পলস। বৃহত্তৰ ছয়গাওঁ অঞ্চলৰ বুকুৰ মাজেৰে যুগ যুগ ধৰি বৈ আছে এই কলহী নৈ।

কিম্বদন্তীত আছে যে-এই কলহীৰ বুকুৰেই সৌ তাহানিৰ চম্পকনগৰৰ চান্দ সদাগৰে বেহা-বেপাৰ কৰিছিল। এই কলহীনৈৰ পাৰৰ বাইজৰ ‹হু আশাৰে এদিন গঢ় লৈ উঠিছিল উচ্চ শিক্ষানুষ্ঠান ছয়গাওঁ মহাবিদ্যালয়। কিন্তু আজি কুৰি বছৰত ভৰি দিয়া এই মহৎ শিক্ষানুষ্ঠানটি ৰাজনৈতিক কু চক্ৰান্তৰ বলি হ'বলগা হ'ল। কলহীৰ বুকুৰে বেহা কৰিবলৈ যোৱা চান্দ সদাগৰ, কলহী পাৰৰ সহজ-সৰল চম্পকবাসী আজি ছয়গাওঁ অঞ্চলত নাই; আৰু কলহীৰ পানীত জিল-মিলকৈ লুকা ভাকু খেলি থকা সেই ৰূপালী মাছবোৰো এতিয়া নাই। এতিয়া আছে মাথোঁন সভ্যতাৰ মুখা পিন্ধা ভদ্ৰলোকৰ অধিকাংশ। শোষক শ্ৰেণীৰ ধূৰ্ত্তালি, ছাত্ৰ বিভাজন নীতি, ৰাজনীতিৰ ঘৃনণীয় অমানষিকতাৰ বৰ্ব্বৰতা।

সাহিত্যই মানুহক অমৰ কৰে। অসমী আইৰ কোলাত যি সকল সুযোগ্য সন্তান জন্মগ্ৰহণ কৰিছিল তেওঁলোকৰ জীৱনাদৰ্শলৈ চালে আমি দেখিবলৈ পাওঁ যে অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ বাবে অশেষ ত্যাগ স্বীকাৰ কৰি সাহিত্য প্ৰতিভাৰেই অমৰত্ব লাভ কৰিছে। সাহিত্যিক সকলৰ সাহিত্য প্ৰতিভাই বিকাশ লাভ কৰে প্ৰথমতে নানা ধৰণৰ আলোচনীৰ যোগেদিহে। সেয়ে আলোচনীয়ে সাহিত্যৰ ক্ষেত্ৰত বিশেষ আদৰ পাই আহিছে।

সাহিত্য জাতীয় জীৱনৰ দাপোন। সাহিত্যত সমাজৰ জ্ঞান-বিজ্ঞান, বিদ্যা-বুদ্ধি, ৰীতি-নীতি, বিধি-ব্যৱস্থা, ধৰ্ম অধৰ্ম, ঐশ্বৰ্য্য বিভূতি আৰু সভ্যতা-সংস্কৃতি প্ৰতিফলিত হয়। কোনো এটা জাতীয়ে সাহিত্য অবিহনে জীয়াই থাকিব নোৱাৰে। যি সাহিত্যৰ ওপৰত আমাৰ জাতীয় জীৱন

নির্ভৰ কৰে, যি সাহিত্যই জ্ঞানীলোক বিকীৰ্ণ কৰি দেশ উন্নত কৰে, সেই সাহিত্যক লৈ এচাম সাহিত্যিকে কোনোবা ৰাজনৈতিক দালালৰ অনুগ্ৰহত সাহিত্য সৃষ্টি কৰি সাহিত্যৰ নামত কলংকহে কৰিছে বুলি মোৰ ধাৰণা হয়।

আজি অসমৰ চৌদিশ তমসাচ্ছন্ন। মৃত্যু-আতংকই জনজীৱনলৈ আনি দিছে স্থবিৰতা এনে এক পৰিস্থিতিত মুক্তিৰ স্বপ্ন দেখা সংগ্ৰামী সশস্ত্ৰ-সন্ত্ৰাসী কাৰ্য্য-কলাপক ৰোধ কৰাৰ নামত নিৰীহ জনগণৰ ওপৰত নিৰ্বিচাৰে অত্যাচাৰ চলাবলৈ নিয়োগ কৰিছে সহস্ৰ বাহিনী। ৰাষ্ট্ৰ-যন্ত্ৰই টাডাৰ দৰে অমানৱীয় কলা আইনৰ সহায়ত জনগণৰ নুন্যতম গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰি স্বাধীনতাৰ সাৰ্থকতাকেই অসাৰ কৰি তুলিছে। একেদৰে প্ৰতিবাদী জনসাধাৰণৰ বাক্‌স্বাধীনতাক পংগু কৰি শাসন-তন্ত্ৰৰ ফেচিষ্ট মনোভাৱকেই উদঙাই দেখুৱাইছে। আকৌ বিভাজন নীতিৰে বিভিন্ন জনগোষ্ঠীৰ মাজত বিৰাজ কৰি থকা ভ্ৰাতৃত্ববোধৰ অৱসান ঘটাই কায়েমী স্বাৰ্থ পূৰণ কৰিবলৈ উঠিপৰি লাগিছে। জাতীয় জীৱনৰ এনে সন্ধিক্ষণত এক ফলপ্ৰসু আৰু গ্ৰহণযোগ্য ব্যৱস্থা গ্ৰহণৰ বাবে আমি জনসাধাৰণলৈ আহ্বান জনাইছোঁ।

আকৌ অসমৰ সাম্প্ৰতিক পৰিস্থিতিত প্ৰতিখন মহাবিদ্যালয়তেই যি লেতেৰা ৰাজনীতিয়ে শিপা মেলিছে, সেইবোৰৰ বিৰুদ্ধে আমি যুৱ-সমাজে প্ৰতিবাদ জনাবই লাগিব। শিক্ষানুষ্ঠানৰ পবিত্ৰতা ৰক্ষাৰ স্বাৰ্থতেই হওঁক বা ছাত্ৰ-ছাত্ৰীৰ নৈতিকতাৰ খাতিৰতেই হওঁক। অসমৰ ভিতৰত লেতেৰা ৰাজনীতিয়ে শিপোৱা শিক্ষানুষ্ঠানবোৰৰ ভিতৰত ছয়গাওঁ মহাবিদ্যালয়ো এখন আজি আমাৰ মহাবিদ্যালয়ৰ বিতৰ্কিত অধ্যক্ষ শ্ৰীঅনিল বৰাকলৈ নতুন নতুন ৰাজনীতিৰ অধ্যায় সূচনা কৰিছে, আৰু তাৰেই বলি হবলগা হৈছে নিৰীহ ছাত্ৰ ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰীসকল। শোষক শ্ৰেণীৰ অৱহেলাত পুলিচ বাহিনীৰ অবাধ প্ৰৱেশ; ৰাজনৈতিক দালালহঁতৰ ফোঁচ্‌-ফোঁচ্‌নি আদিয়ে মহাবিদ্যালয়খন ক্ষমতা প্ৰদৰ্শনীৰ থলি হৈ পৰিছে। এইবোৰ বাৰু আমি চাই থাকিমনে? এইবোৰ অত্যাচাৰৰ বিৰুদ্ধে মাত-মাতিবলৈ যাওঁতেই আমি বহু ছাত্ৰই জেল-হাজোতত বাৰে বাৰে যাবলগা হৈছে। তথাপিও আমি যুক্তিৰ পোহৰত যিটো সত্য বুলি প্ৰতিষ্ঠিত; মানৱতাৰ মানদণ্ডত যিটো মহান বুলি স্বীকৃত তাক অস্বীকাৰ কৰিব নোৱাৰোঁ। মাৰ্কচিত জালিয়াতি কৰা ব্যক্তি এজনৰ তলত থাকি বাৰু ছাত্ৰ-ছাত্ৰীয়ে কি নৈতিক শিক্ষা লভিব? আজি ৭ বছৰ অধ্যক্ষৰ খেলিমেলি হৈ থকা সত্বেও শিক্ষা বিভাগে কোনো ক্ষেত্ৰতে গুৰুত্ব নিদিয়াৰ ফলতে এই অৱস্থা। তাৰ উপৰিও বৰ্ত্তমান যিখন মহাবিদ্যালয়ৰ পৰিচালনা সমিতি আছে তেওঁলোকৰ সভাপতি হেনো স্বৰ্গৰ ৰজা ইন্দ্ৰ। তেওঁ স্বৰ্গৰাজ্য চলাওঁতেই মহাবিদ্যালয়ৰ খবৰ লবলৈ পাহৰিয়েই গৈছে। দেৱতাসকলৰ কথাত ব্যস্ত হৈ থাকোতে মহাবিদালয়ত তিনিবছৰ ধৰি পদধূলি পেলাব পৰা নাই।

১৯৯২-৯৩ ইং চনৰ আলোচনীখনৰ সম্পাদক আছিল বন্ধুবৰ সত্য পাঠক; কিন্তু সম্পাদনা সমিতিৰ কোনোখবৰ নোহোৱাত আলোচনীখনৰ উক্ত সংখ্যাৰ প্ৰকাশ বাদ পৰি যোৱাৰ উপক্ৰম

হোৱাত ১৯৯৩-৯৪ ইং চনৰ আলোচনীখনৰ সন্দৰ্ভত ছাত্ৰ-একতা সভাৰ কাৰ্য্যালয়ত ৩০।৮।৯৪ ইং তাৰিখে আলোচনা হয় আৰু ২।৯।৯৪ ইং তাৰিখে ছাত্ৰ একতা সভাক মহাবিদ্যালয় কৰ্তৃপক্ষই আগৰ আলোচনীখনৰো প্ৰকাশৰ দায়িত্ব দিয়ে। সেই মৰ্মে ৮ম আৰু নৱম দুয়োটা সংখ্যা হিচাপে ছাত্ৰ একতা সভাৰ হৈ আমি আলোচনীখন প্ৰকাশৰ ব্যৱস্থা কৰিলো।

আলোচনীখন প্ৰথম অৱস্থাত যিভাৱে উলিয়াই দিম বুলি ভাৱিছিলো ; কিন্তু আটক ধুনীয়া লিখনিৰ অভাৱ আৰু অন্যান্য অসুবিধাৰ কাৰণে ভৱামতে উলিয়াব পৰা নহ'ল। ছাত্ৰ ছাত্ৰী সকলৰ ক্ৰমনবৰ্দ্ধমান সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি ভিন্নসুৰীয়া মনোগ্ৰাহী লিখিনিৰ, কলা, আলোকচিত্ৰ আদি আশা কৰাৰ যথেষ্ট থ'ল থাকি গল। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত যিসকল ব্যক্তিয়ে মোক বিভিন্ন ধৰণে দিহা পৰামৰ্শ দি সহায় সহযোগ আগবঢ়ালে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। বেউলা প্ৰেছৰ সত্বাধিকাৰী শ্ৰীমতী জয়া দাস বাইদেউলৈ আৰু সমূহ কৰ্মীবৃন্দ লৈ মই শলাগ লৈছো। সদৌ শেষত অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে মাৰ্জনা বিছাৰি লগতে ছয়গাওঁ মহাবিদ্যালয়ৰৰ ভৱিষ্যৎ উন্নতি কামনা কৰি সম্পাদকীয়ৰ সামৰণি মাৰিলোঁ।

বিনম্ৰভাৱে

শ্ৰীপুষ্প কুমাৰ সাউদ

সম্পাদক/কলহী

# ৰাভা জনজাতি আৰু সংস্কৃতিত এভুমুকি

নৰেশ্বৰ ৰাভা
উঃ মাঃ প্ৰথম বাৰ্ষিক

ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যেৰে ভৰপূৰ সেউজীয়া প্ৰকৃতিৰ লীলাভূমি চিৰ চেনেহী অসমী আই। এইখনেই অসম দেশ, য'ত বিভিন্ন জাতি উপজাতিৰ সমন্বয়ত গঢ় উঠিছে অসমীয়া জাতি আৰু য'ত বিভিন্ন জন-গোষ্ঠীৰ বাবে ৰহনীয়া সংস্কৃতিৰ সমন্বয়ত গঢ়ি উঠিছে বৃহৎ অসমীয়া জাতিৰ সংস্কৃতি। অসমৰ জাতীয় সংস্কৃতি বিশ্লেষণ কৰিলে দেখা যায় যে অসমৰ প্ৰতিটো জন গোষ্ঠীৰ প্ৰতিটো সংস্কৃতিয়ে অসমীয়া সংস্কৃতিৰ বৰ পথাৰত যেন একোপাহি কুসুম।

অসমত বাস কৰা বিভিন্ন জন-জাতীয় লোকসকলৰ দৰে ৰাভাও মংগোলীয় ফৈদৰ বড়ো গোষ্ঠীৰেই এটা জন-জাতি বুলি বিভিন্ন পণ্ডিত-মণ্ডলীৰ দ্বাৰা স্বীকৃত। এই গোষ্ঠীৰ আন আন জাতিবোৰ হ'ল— গাৰো, কছাৰী, লালুং, মেচ্ছ ইত্যাদি। এই বড়ো গোষ্ঠীৰ মানুহবোৰ আহি অসমত কেতিয়াৰপৰা নিগাজীকৈ থাকিবলৈ ললে. কেনেকৈ ক'ৰপৰা আহিল, সঠিকভাৱে কোনোৱে জানিব পৰা নাই। এইটো ঠিক যে এই গোষ্ঠীৰ মানুহবোৰ একে সময়তে একে বাটেৰে অসমত সোমোৱা নাছিল। তেওঁলোকে দলে দলে এটাৰ পিছত এটাকৈ অসমৰ উত্তৰ পশ্চিম কোণৰপৰা আহিছিল। এনে ক্ষেত্ৰত প্ৰকৃততে ৰাভা সকলনো কোন, অসমৰ কোন কোন জনজাতিৰ লগত তেওঁলোকৰ ঘনিষ্ঠ সম্বন্ধ আছে ইত্যাদি বিষয়ে নানা পণ্ডিতে নানাভাৱে মত দি জাতিভেদৰ সৃষ্টি কৰিছে।

লেঃ কৰ্ণেল ৱাডেলৰ মতে—"ৰাভাসকল কছাৰীৰে এটা শাখা। তেওঁলোক হিন্দু শ্ৰেণীত পৰিছে।" হাড্‌ছনৰ মতে—"ৰাভাসকল গৰিষ্ঠ বড়ো পৰিয়ালৰ লোক।" হেমিলটনে কৈছে যে সামাজিক ধাৰ্মিক আৰু দৈহিক জীৱনত পানীকোঁচৰ লগত ৰাভাসকলৰ যথেষ্ট পৰিমাণে সামঞ্জস্য আছে। আনহাতে ডেণ্টনে মত প্ৰকাশ কৰিছে যে ৰাভা আৰু হাজংসকল কছাৰী জাতিৰ শাখা আৰু গাৰোসকলৰ লগত সম্বন্ধিত। ড° গ্ৰিয়াৰ্চনৰমতে—"ৰাভাসকল কছাৰীৰে হিন্দু নাম।"

গেইটে কছাৰীসকলক টোটলা বা দাতিয়াল কছাৰী নামেৰেও অভিহিত কৰিছে। তেখেতে আকৌ কৈছে—"প্ৰচুৰ পৰিমাণে সন্দেহ দেখা যায় যে প্ৰকৃততে এই ৰাভাসকল কোনে ? নামনি অসমৰ ৰাভাসকলক গাৰোসকলৰ প্ৰশাখা বুলি চিহ্নিত কৰা হয় আৰু কামৰূপ আৰু দৰঙৰ ৰাভাসকলক হিন্দু-নীতিৰ ফালৰপৰা কছাৰী বুলি অনুমান হয়। তেওঁলোক যে বড়ো ফৈদৰ ই নিশ্চিত। কিন্তু এইটো স্পষ্ট নহয় যে ৰাভাসকল আন শাখাবিলাকৰ লগত পাৰস্পৰিকভাৱে অতি ওচৰ সম্বন্ধযুক্ত। যদিও কিছুমান গাৰো-কছাৰীয়ে ৰাভা হৈছে, আনফালে কোঁচও হৈছে।" আকৌ প্লেফেয়াৰে মত প্ৰকাশ কৰিছে যে অতি প্ৰাচীন কালত এই জাতিৰ মানুহবিলাকৰ অভিপ্ৰয়ান হৈছিল—তিৰ্ব্বতীয় অঞ্চলৰ পৰা ব্ৰহ্মপুত্ৰ উপত্য-কালৈ আৰু তাৰপৰা অসমৰ পাহ'ৰীয়া অঞ্চল সমূহলৈ। বৰ্তমানে গাৰো পাহাৰৰ গাৰোসকলৰ আগমনৰ বহু পূৰ্বেই গাৰোপাহাৰ ৰাভা আৰু কোঁচসকলৰ অধিকৃত আছিল, য'ৰপৰা তেওঁলোক ভৈয়ামলৈ নামি আহিছে। এইটো স্পষ্ট যে ৰাভা, গাৰো আৰু কছাৰীসকলৰ অভিপ্ৰয়ান হৈছিল আনুক্ৰমিক সোঁতত। গাৰো আৰু কছাৰীৰ শাৰীৰিক আৰু ভাষাগত সাদৃশ্য আছে। এই দুই জাতিৰ মানুহ মূলতঃ একেধৰণে গঠিত; পৰৱৰ্তী কালত নিজে নিজে বেলেগ বেলেগ হৈ পৰে। কছাৰীসকল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত আৰু গাৰোসকল দক্ষিণ পাৰত বিস্তৃত হৈ পৰে। এইটো খুব সম্ভৱ যে গাৰো আৰু কছাৰীসকলৰ ৰাভাসকলৰ পিছত অধিবাসী হয়। গাৰোসকলৰ অনুমানমতে তেওঁলোক গোৱালপাৰাৰ ভৈয়ামৰ পৰা পাহাৰলৈ গৈছিল। এইটো অনুমান কৰা হয় যে তেওঁলোক প্ৰথম আগমনকাৰী নহয়। সেই একে পৰিয়ালৰ শাখা এটাই পাহাৰবোৰত বসবাস কৰি আছিল আৰু নতুনকৈ অহাসকলে আদিম বাসীসকলক খেদি পঠালে। তেতিয়া পাহাৰৰ প্ৰথম অধিবাসী ৰাভাসকল আচাৰ ব্যৱহাৰত বেলেগ বেলেগ ভাগত বিভক্ত হ'ল—যিসকলক পশ্চিমৰ পৰা উত্তৰলৈ খেদি দিলে আৰু আন দলবিলাকে পূৱৰপৰা দক্ষিণলৈ গতি কৰিলে ; যিসকলৰ প্ৰথমে বিদেশী আৰু সু-সভ্য মানুহৰ সংস্পৰ্শ ঘটিল আৰু তেওঁলোকৰ ধৰ্ম আৰু ৰাজনীতি গ্ৰহণ কৰিলে ; লগতে স্বাতন্ত্ৰ্য হেৰুৱাই পেলালে। আন সকলে অতি প্ৰাচীন ভাষা আৰু আদিম নীতিকে ধৰি ৰাখিলে।

বৰ্তমান অসমৰ কামৰূপ, গোৱালপাৰা, দৰং আৰু মেঘালয়ৰ গাৰোপাহাৰত ৰাভা লোকৰ সংখ্যা অধিক। পাহাৰ-ভৈয়ামৰ বিস্তৃত অঞ্চলত তেওঁলোকে সমাজ পাতি বসবাস কৰি চলি আহিছে।

ৰাভাসকলক কেবাটাও ভাগত ভাগ কৰা হয়। যেনে—ৰংদানীয়া, পাতি, মাইটৰীয়া, বিট-লীয়া, হানা, চোঙা, টোটলা, দাহৰী, মদাহী, কোচছা ইত্যাদি। বৰ্তমান প্ৰথমে উল্লেখ কৰা তিনি ভাগৰ ৰাভা লোকহে অধিক পৰিমাণে দেখা যায় আৰু তেওঁলোকৰ দ্বাৰাই বৰ্তমান টনকিয়াল প্ৰকৃত ৰাভা সমাজ।

সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ প্ৰভৃতিলৈ লক্ষ্য কৰিলে দেখা যায় যে বৰ্তমানে

ৰাভাসকলৰ ভিতৰত ৰাংদানী আৰু মাইটোৰী সকলেহে নিজস্ব ভাষা আৰু ৰীতি-নীতিৰ অধিকাংশ বজাই ৰাখিছে। পাতি ৰাভাসকলে পূৰ্বৰ ৰীতি নীতি বহুলাংশে এৰি পেলাইছে। তেওঁলোকে নিজা ভাষা তেনেই পাহৰি গৈছে। তথাপিও মানুহৰ ভাব প্ৰকাশৰ বাহন হৈছে ভাষা। ভাষা সংস্কৃতিৰ এটা অংগ। ভাষা জীয়াই নাথাকিলে এটা জাতিৰ সংস্কৃতি জীয়াই থাকিব নোৱাৰে। সকলো যুগৰ বাবেই ভাষা-সংস্কৃতি এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। ভাষাৰ মাধ্যমেৰেহে মানুহে পাৰস্পৰিক ভাৱৰ আদান-প্ৰদান কৰিব পাৰে। ৰাভাসকল বৃহৎ মংগোলীয় গোষ্ঠীৰ এটি প্ৰাচীন জনজাতি বুলি স্বীকৃত। এই ৰাভা ভাষাৰ বিজ্ঞানসন্মত ভাৱে সম্যক গৱেষণা নহ'লেও ই যে ব্যাকৰণসন্মত, এইটো নিশ্চিত। এই ভাষাই বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, অব্যয়, শব্দৰূপ, ধাতুৰূপ, প্ৰত্যয়াদি ব্যাকৰণৰ নিয়ম মানি চলে। ই অসমৰ কোনো জনজাতিৰেই অপভ্ৰংশ ভাষা নহয়। এই ভাষাৰ এটা নিজস্বতা আছে। কিন্তু গৱেষণা আৰু অনুশীলনৰ অভাৱত বিস্মৃতিৰ অটল গৰ্ভত লুপ্তপ্ৰায়। ৰাভা ভাষাই যে ব্যাকৰণৰ নিয়ম মানি চলে তাৰেই কেইটামান নিয়ম উল্লেখ কৰা হ'ল—

(১) **বিশেষ্য**—

| একবচন | বহুবচন |
|---|---|
| ছাত্ৰা (ল'ৰাটো) | ছাত্ৰা-টাং (ল'ৰাবিলাক) |
| মাছু (গৰুটো) | মাছু-বিজান (গৰুবিলাক) |

(৩) **ক্ৰিয়া পদ**—

টোৱা- হয় বা আছে।

টো-জো—আছিল।

(৩) **লিংগ**—

| স্ত্ৰীঃ | পুঃ |
|---|---|
| আয়া (আই) | বাৱা (দেউতা) |
| মাজং (জেঠী) | ফাজং (জেঠা) |

উচ্চাৰণৰ তাৰতম্য ঘটাই অলিখিত অসমীয়াকে ব্যৱহাৰ কৰে। পাতি, দাহৰী আৰু অন্য ৰাভাসকলৰ বেছিভাগেই কম-বেছি পৰিমাণে হিন্দু ধৰ্মৰ আচাৰ-নীতিৰ ফালে আগবাঢ়ি আহিছে।

বৈদিক যুগত কৰ্মভেদে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ জাতিৰ সৃষ্টি হোৱাৰ দৰে ৰাভাসকলৰো দল বা খেলৰ সৃষ্টি হয়। আদিতে ৰাভাসকল দলভুক্তিহীন আছিল। পোনতে এই দল বা খেলৰ সৃষ্টি হয় তেওঁলোকৰ আৰাধ্য শ্ৰেষ্ঠ দেৱতা 'খোকচি' বা 'বায়খো' পূজাৰ পৰাই। এই পূজাৰ সামুহিক কাম-কাজবোৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ কৰ্ম বিভাজন কৰি লোৱা হয় আৰু সেই মৰ্মেই বিভিন্ন কৰ্ম অনুসৰি ওপৰত উল্লেখ কৰা দল বা খেল সমূহৰ সৃষ্টি হয় বুলি বিশ্বাস কৰা হয়। খোকচি পূজাত দেৱতাৰ থাপনা পতা আৰু মানুহ বহাৰ কাৰণে শিল কঢ়িয়াই অনা মানুহবোৰক ৰংদনীয়া, সামূহিক ভোজনৰ বাবে দায়িত্বত থকা সকলক মায়টৰীয়া, বন্ধন শাললৈ অহা চৰাই-চিৰিকতি খেদিবলৈ ন্যস্ত কৰা মানুহক দাহৰী, মদ আৰু পানী ল'বৰ

কাৰণে পাহাৰৰ পৰা বাঁহৰ চুঙা কাটি আনি-বলৈ ন্যস্ত কৰা মানুহক পাতি, ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানত ধেমেলীয়া কথা কৈ ৰাইজক আনন্দৰ খোৰাক যোগাওঁতা সকলক বিটলীয়া আৰু ৰাভা জাতিৰ আদি পুৰুষ "কোচ্চে"ৰ পৰাই অৱশেষত "কোচ" এটা ফৈদ হোৱা বুলি কোৱা হয়।

প্ৰাচীন মানৱ সমাজত কিদৰে ধৰ্মৰ উৎপত্তি হৈছিল, তাৰ প্ৰকৃত সন্ধান সাংস্কৃতিক নৃতত্বৰ বাহিৰে ধৰ্মতত্বই দিব নোৱাৰে। পৃথিৱীত মানু-হৰ সৃষ্টি কেনেকৈ হৈছিল, আদিম মানৱ সমাজখন কেনে আছিল, ভাষাৰ উৎপত্তি কেনেকৈ হৈছিল, আদিম মানৱ সমাজে খাদ্য সংগ্ৰহ আৰু উৎপাদন কিদৰে কৰিছিল ইত্যাদি বিষয়সমূহ নৃতাত্বিক জ্ঞান বিনে জনা নাযায়। ধৰ্মক এটা সামাজিক উপাদান বুলিহে ধৰিব পাৰি। এই ধৰ্ম আৰু মানৱ ইতিহাস এটা সনাতন বস্তু নহয়। কিয়নো এটা ধৰ্মীয় চেতনা লৈ মানুহ পৃথিৱীত আৱিৰ্ভাৱ হোৱা নাছিল।

পুৰণি কালৰেপৰা ৰাভাসকলে পৰম্পৰাগত ভাৱে শিল, বৃক্ষ, খেৰৰ মূৰ্ত্তি প্ৰভৃতিত তেওঁ-লোকৰ কাল্পনিক দেৱ দেৱী, ভূত প্ৰেত প্ৰভৃতিৰ সাকাৰ ৰূপত পূজা কৰি আহিছে। ৰাভাসকলৰ মুখ্য উপাস্য দেৱতা শিৱ বা মহাদেৱ। মহাদেৱক লাঙা লাঙমাৰ আদি বিভিন্ন ৰূপেৰে পুৰণি কালৰে পৰা ৰাভাসকলে পূজা কৰি আহিছে। ৰাভাসকলে স্বয়ং ভগৱতীক "কেচাইখাতী" বা "কাচাইখাইতী" ৰূপত পূজা কৰে দেৱ-দেৱী ভূত-প্ৰেত, ডাইনী-যখিনী, বাঘদেও প্ৰভৃতিৰ পূজাও ৰাভাসমাজত প্ৰচলিত। বৰ্তমানে আধু নিক চিকিৎসা শাস্ত্ৰমতে ৰোগ-ব্যাধিৰ নিৰাময়ৰ কাৰণে বিজ্ঞানসন্মত চিকিৎসা-ব্যৱস্থা আছে যদিও পাহাৰত বা নামনিত বসবাস কৰি থকা ৰাভা সকলৰ সৰহ সংখ্যকেই দেও-ভূতৰ ওপৰত বিশ্বাস ৰাখি বা তেওঁলোকৰ মাজত প্ৰচলিত জন-বিশ্বাস অনুসৰি পূজা পাতাল কৰি জ্বৰ-বেমাৰ আদিৰ পৰা নিবৃত্তি পাবলৈ বাঞ্ছা কৰে।

ধৰ্মীয় দিশত অধ্যয়ন কৰিলে দেখা যায় যে ৰাভাসকল স্বভাৱতঃ ধৰ্মপৰায়ণ জাতি। দেৱ-দেৱী, ভূত প্ৰেত, ডাইনী-যখিনী, হিংস্ৰ তথা বিষাক্ত জীৱ-জন্তুক বলি-বিধান আৰু পূজা অৰ্চনাৰ জৰিয়তে সন্তুষ্ট ৰাখিব পাৰিলেহে সেই বোৰৰ কোপ দৃষ্টিৰপৰা হাত সাৰিব পৰা যায় আৰু ৰাইজৰ উপকাৰ সাধন হোৱাৰ লগতে অভীষ্ট সাধনো হ'ব। এয়ে হৈছে তেওঁলোকৰ মজ্জাগত বদ্ধমূল ধাৰণা।

বিবাহ, পূজা পাৰ্ব্বন, মৃতকৰ সৎকাৰ, কাম শ্ৰাদ্ধাদিত ৰাভাসকলৰ সহায় সহযোগিতা, একতাৰ বান্ধোন সঁচাকৈয়ে প্ৰশংসনীয়। যথাসময়ত তেওঁ লোক আটায়েই লগ লাগি আলোচনাৰ মাধ্য-মেৰে প্ৰত্যেকেই কাম ভগাই লয় আৰু নিজ নিজ দায়িত্বত পৰা কাম সুচাৰুৰূপে সম্পন্ন কৰে। বিশেষকৈ মৃতকৰ সৎকাৰ, কাম কাজ, শ্ৰদ্ধাদিত মৃতকৰ পৰিয়ালে শাৰীৰিক, মানসিক, আৰ্থিক আদি দিশত ৰাভাসকলে কষ্ট ভোগ কৰিব নালাগে। ৰাভা সমাজত গাহৰি, কুকুৰা মাছ, মদ প্ৰভৃতি অপৰিহাৰ্য্য। স্বভাৱতে ৰাভা মানুহ অল্পভাষী, মৃদু স্বভাৱৰ। মদ তেওঁলোকৰ

সমাজত নিয় পানীয়। কোনো উৎসৱ আদিত নাইবা সাধাৰণ অৱস্থাত যেতিয়া তেওঁলোকে মদ্যপান কৰে, তেতিয়া তেওঁলোকৰ তামচা-স্ফূৰ্তি বাঢ়ে; গীত গায়, নাচে। ৰাভাসকল সহজ সৰল শান্তিপ্ৰিয় লোক। পিন্ধন উৰণত তেনেই সাধাৰণ। অৱশ্যে ৰাভা সমাজত মদ অপৰিহাৰ্য্য যদিও ৰৰ্তমানে শিক্ষিত সমাজত এই প্ৰথা প্ৰায় নোহোৱা হৈ গৈছে। শিক্ষিত-অশিক্ষিত, জেষ্ঠ-কনিষ্ঠ যিয়েই নহওঁক, ঘৰুৱা পৰিবেশত তেওঁলোকে তেনেই সাধাৰণ পোচাক পিন্ধে। প্ৰকৃতিৰ কোমল কোলাত পাহাৰীয়া নৈ-জুৰিৰ পাৰত, হাবি-বননিৰ নিবৱ-নিস্তব্ধতাৰ মাজত বসবাস কৰি তেওঁলোকে ভাল পায়। নগৰীয়া হাই-উৰুমি, কোলাহলৰ পৰা আঁতৰি থাকিবলৈ তেওঁলোকে ভাল পায়।

প্ৰত্যেক জাতিৰেই জীৱনৰ আদিম কালৰে পৰাই কৃষ্টি-সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে সম্বন্ধ ঘটি আহিছে। আচলতে অসমীয়া কৃষ্টি বুলিলে খাচী, জয়ন্তীয়া, গাৰো, ৰাভা, কছাৰী, লালুং, মিকিৰ, দেউৰী, চুতীয়া মৰাণ আদি জনজাতি সকলৰ কৃষ্টিকে বুজায়। অসমীয়া জাতি যেনেকৈ কেবাটাও জাতি-উপজাতিৰ সংমিশ্ৰণ, তেনেকৈ অসমীয়া সংস্কৃতিও বিভিন্ন জাতি উপজাতিৰ বিভিন্ন কৃষ্টি-সংস্কৃতিৰেই সংমিশ্ৰণ। যদি বিশ্লেষণ কৰি চোৱা যায়, তেনেহলে অসমৰ জনজাতীয় লোকসকলৰ কৃষ্টি সংস্কৃতিক বাদ দিলে অসমীয়া সংস্কৃতিৰ একো অস্তিত্ব নাথাকে।

ৰাভাও এটা জনজাতি। অসমৰ আন আন জনজাতীৰদৰে এই জনজাতিৰো স্বকীয়া কৃষ্টি-সংস্কৃতি এতিয়াও বিদ্যমান। এই ক্ষেত্ৰত ৰাভা জনজাতিৰ অসমীয়া জন সংস্কৃতিলৈ বৰঙণি কি? আকৌ এই ৰাভাসকলৰ কৃষ্টি-সংস্কৃতিয়ে অসমীয়া জন সংস্কৃতিলৈ কি বৰঙণি আগবঢ়াব পাৰিছে? এইবোৰ বৰ্তমান বিশেষভাৱে আলোচ্য বিষয় হৈ পৰিছে। এই ৰাভা জাতিটো প্ৰাচীন আদিম বাসী। এই জাতিৰ লিখিত কোনো ইতিহাস নাথাকিলেও বৰ্তমানলৈকে জীৱিত হৈ থকা লোক-কৃষ্টি আৰু লোক-সংস্কৃতিয়ে প্ৰমাণ দিয়ে যে ৰাভাসকলৰ লোক কৃষ্টি আৰু লোক-সংস্কৃতি কিমান চহকী। অসমৰ আন আন জনজাতি সকলৰ দৰেই এই জাতিৰ লোক-কৃষ্টি আৰু লোক-সংস্কৃতিয়ে স্মৰণাতীত কালৰে পৰা এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে। বিশেষকৈ ৰাভাসকলৰ বিভিন্ন দেৱ-দেৱী, পূজা পাৰ্ব্বন নৃত্য-গীত সমূহেই তাৰ জলন্ত প্ৰমাণ। এইবোৰ গীতৰ লয়, সুৰ, ছন্দ, নৃত্য-ভংগিমা, বিচিত্ৰ সাজ-পোচাক আদিৰ বৈশিষ্ট্যই স্বকীয়া। এই গীতবোৰৰ স্বকীয়তা আছে। অৱশ্যে এই বোৰ কালৰ গতিত হেৰাই যাবলৈ উপক্ৰম হৈছে যদিও এতিয়াও বহু ৰাভা গাঁৱত এই বোৰৰ প্ৰকৃত ৰূপ প্ৰাঞ্জল হৈ আছে। উদাহৰণ স্বৰূপে খোকচি পূজাৰ গীত, অগ্নি পূজাৰ গীত বাৰমাহীৰ গীত, গৰখীয়া গীত, প্ৰণয়-মূলক গীত আদিয়ে প্ৰধান। এই গীতবোৰৰ অধিক সংখ্যকেই পাশ্চাত্য বেলাড (Ballad) শ্ৰেণীৰ তুল্য। এই সকলোবোৰ গীত সংগ্ৰহ হ'লেহে ৰাভা জাতিৰ প্ৰাচীন ঐতিহ্যৰ এখনি পূৰ্ণ ইতিহাস সংকলন হ'ব। লগতে অসমীয়া সাহিত্যৰ ভঁৰালো চহকী হ'ব।

# অসমৰ সাম্প্ৰতিক পৰিস্থিতিত যুৱ সমাজৰ ভূমিকা

ভবেন কুমাৰ ডাউক
স্নাতক ২য় বাৰ্ষিক

**স**মাজক বাদ দি কোনো মানুহেই জীয়াই থাকিব নোৱাৰে। ৰবিনচন ক্ৰুচোৱেও পৰা নাছিল আৰু আলেকজেণ্ডাৰ চেলকাৰ্কেও পৰা নাছিল। সেয়েহে নিঃসংগ জীৱনৰ ব্যথা-জ্বালাত চেলকাৰ্কে চিঞৰি উঠিছিল—

> "Society, Friendship and love,
> Divinely bestowed upon man ;
> Oh ! had I the wings of a lane,
> How soon would I lash you again !"

যুৱকসকল সমাজৰে এটা বৃহৎ অংশ। প্ৰত্যেকজনেই সমাজৰ একোজন সদস্য আৰু ভৱিষ্যত নাগৰিক ; জাতিৰ ভৱিষ্যত কৰ্ণধাৰ। সেয়েহে যুৱকসকলে সমাজক বাদ দি থাকিব নোৱাৰে আৰু সমাজেও যুৱকসকলক বাদ দি থাকিব নোৱাৰে। যিহেতু যুৱকসকল সমাজতে থাকিব লাগিব, গতিকে তেওঁলোকৰ সমাজৰ প্ৰতিও কৰিবলগীয়া বহুখিনি আছে।

যুৱ-শক্তি এক বিৰাট শক্তি। যুৱকসকলৰ কল্পনা-প্ৰৱণ মন অসীম উচ্ছাস আৰু উদ্যমেৰে ভৰপুৰ ; শক্তিৰ ভঁৰাল। উজ্জল দেহ, মনত অসীম বল, চকুত তীব্ৰ উজ্জল দৃষ্টি, বুকুত দিগন্ত-প্ৰসাৰি কল্পনাৰ ছবি। খোজত বিশ্ব-বিজয় কৰিব পৰা নজোৱানৰ দপ্-দপনি। এওঁলোক সমাজৰ সদা-জাগ্ৰত প্ৰহৰী।

সাম্প্ৰতিক অসমৰ পৰিস্থিতি বৰ ভয়ানক হৈ পৰিছে, নানা ধৰণৰ সমস্যাই অসমত দেখা দিছে। বৰ্তমান এনে সমস্যা-গধুৰ অসমৰ পৰিস্থিতি স্বাভাৱিক কৰিবলৈ হ'লে চৰকাৰ তথা অন্যান্য স্বেচ্ছাসেৱী সংগঠনৰ বাহিৰেও প্ৰধানতঃ যুৱ সমাজেই আগভাগ লব লাগিব।

আজিৰ অসমৰ এটা ডাঙৰ সমস্যা হৈছে অসমখনক ক্ষুদ্ৰ ক্ষুদ্ৰ অংশত বিভাজন কৰা। এদিনৰ বৰ অসম আজি ভাগ ভাগ হৈ মাত্ৰ এটা ক্ষুদ্ৰ অংশৰ দ্বাৰা অসমৰ মান ৰক্ষা কৰি থকা হৈছে

কিন্তু তাতেই এতিয়া আকৌ বড়োলেণ্ড, ৰাভা হাচং আদিৰ দাবী উত্থাপিত হৈছে আৰু বড়ো সকলৰ বাবে স্বকীয়া ৰড়ো স্বায়ত্ব শাসিত পৰিষদো গঠিত হৈছে। এই জনগোষ্ঠীসকল অসমত নাথাকে। তেওঁলোককো একোখন স্বাধীন ৰাজ্য লাগে। এনেকুৱা এটা জটিল আৰু গুৰুত্ব-পূর্ণ সমস্যা অকল চৰকাৰেই সমাধা কৰিব নোৱাৰে। ইয়াৰ বাবে লাগিব যুৱ শক্তিৰ সক্রিয় ভূমিকা। আজি অসমৰ যুৱ সমাজ আগবাঢ়ি আহি কব লাগিব—"পূর্বতে যি হ'ল হ'ল, এতিয়া আৰু অসমক ভাগ হ'বলৈ নিদিও।" লগতে তেওঁলোকে এইটোও নিশ্চিত কৰাৰ চেষ্টা কৰিব লাগিব, যাতে সকলো জনগোষ্ঠীয়েই সকলো দিশতে সমান সমান সা-সুবিধা পায়।

আকৌ আজি অসমত দেখা গৈছে যে নিচা-যুক্ত দ্রব্যৰ বজাৰ বৰকৈ বাঢ়ি গৈ আছে। যাৰফলত উঠি অহা কিছুমান যুৱক বিপথে যাব লগা হৈছে। আজি অসমৰ বহুতো উঠি অহা ল'ৰাই ড্রাগচ্ নামৰ নিচাযুক্ত দ্রব্য সেৱন কৰি নিজৰ ভৱিষ্যতক ধ্বংসৰ মুখলৈ ঠেলি দিছে আৰু 'এইড্চ্' নামৰ মাৰাত্মক বেমাৰৰ বীজাণু অসমলৈ কঢ়িয়াই আনিছে। যদিও এইবোৰ বন্ধ কৰা চৰকাৰৰ কাম, চৰকাৰ এই দিশত বিফল হৈছে। দুর্নীতি পৰায়ণ কিছুসংখ্যক প্রশাসনিক বিষয়াই ঘোচ্ লৈ এইবোৰ দ্রব্য বন্ধ কৰাৰ বিপৰীতে দেখদেখকৈ বজাৰত বিক্রী কৰিব দিছে। এনে-কুৱা পৰিস্থিতিত যুৱ সমাজে সক্রিয় ভূমিকা লৈ এই নিচাযুক্ত দ্রব্য বিক্রী কৰা প্রতিষ্ঠান সমূহ আইনৰ গণ্ডীৰ ভিতৰত থাকি উচ্ছেদৰ ব্যৱস্থা কৰি উঠি অহা চামক এনে ধ্বংসমুখী পথৰ পৰা আঁতৰাই আনিব লাগিব। তাৰোপৰি, বৰ্তমান অসমত দেখা যায়—চাকৰিৰ ক্ষেত্রত চলি থকা এক দুর্নীতি। যিজনৰ টকা আছে, তেৱেঁই আজি চাকৰি লব পাৰিছে; যাৰ টকা নাই, তাৰ অৰ্হতা থাকিলেও চাকৰি নাই। কর্ম-সংস্থানৰ ক্ষেত্রত চলি থকা এনেকুৱা এটা অবাঞ্ছিত ঘোৰ অন্যায়কাৰী অমানৱীয় পৰম্পৰা কেৱল মাত্র যুৱকসকলৰ জৰিয়তেই নির্মূলৰ আশা কৰিব পাৰি।

সাম্প্রতিক অসমৰ অর্থনৈতিক সমস্যাই এক প্রৱল ৰূপ ধাৰণ কৰিছে। আচলতে ইয়াৰ বাবে দায়ী বৰ্তমানৰ চৰকাৰ। আজি অসমৰ ৰাজ্য চৰকাৰখনে নিজৰ স্বার্থৰ কাৰণে আৰু নিজকে ভাল ধৰণে সুৰক্ষা দিয়াৰ অর্থে কেন্দ্রীয় চৰকাৰৰ পৰা এদল সৈন্য বাহিনীৰ জোৱান আনি অসম ৰক্ষা কৰিছে আৰু সিহঁতক পোহ-পাল দিওঁতেই অসমৰ এক বৃজন পৰিমাণৰ ধন খৰচ হোৱাত অসমত মুদ্রাস্ফীতিয়ে দেখা দিছে। ফলস্বৰূপে চাউল-দাইল-আটাৰ দাম বৃদ্ধি হৈ যোৱাত সাধাৰণ মানুহখিনিয়ে চকুৰে সৰিয়হৰ ফুল দেখিব লগা হৈছে। যুৱকসকল আগবাঢ়ি আহি চৰকাৰী প্রশাসনিক যন্ত্রৰ লগতে জন-সাধাৰণৰ দৃষ্টি আকর্ষণ কৰি এই সমস্যা সমাধানৰ পথ উলিয়াব লাগিব।

তাৰোপৰি অসম হৈছে বানপানীৰ লীলাভূমি। অসমৰ বিভিন্ন ঠাইত প্রতি বছৰে বানপানী হৈ লাখ লাখ মানুহ গৃহহীন হয়, লাখ লাখ মানুহ খাদ্য-সংকটৰ সন্মুখীন হৈ মৃত্যুৰ ক্ষণ গণে।

এনেকি বানপানীৰ ফলত উদ্ভূত খাদ্য-সংকটত খাবলৈ নাপাই মৃত্যুক আকোঁৱালি লোৱাৰ দৃষ্টান্তও অনেক আছে। এনে দুৰ্যোগৰ সময়ত যুৱকসকলে সেৱাৰ আদৰ্শেৰে দুৰ্গত সৰ্বহাৰা-নিঃস্বজনক নানা ভাৱে সহায় কৰিব পাৰে। তেওঁলোকে দলবদ্ধ ভাৱে গৈ বিপন্নসকলক উদ্ধাৰ কৰিব পাৰে।

বৰ্তমান নৱ বৈজ্ঞানিক যুগত যন্ত্ৰ ব্যৱহাৰ কৰি উপযুক্ত সাৰ আদি প্ৰয়োগ কৰি তাকৰীয়া মাটিতে সৰহ শস্য উৎপাদন কৰিব পাৰি। তাৰ মতেৰে যুৱসমাজে সমাজক উদ্বুদ্ধ কৰি তুলিব পাৰে।

বৰ্তমান অসমত চলা কু-সংস্কাৰ, অন্ধবিশ্বাস আদি দূৰ কৰাৰ ক্ষেত্ৰত যুৱসমাজে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে। পুৰণিক আঁতৰাই নতুনৰ আদৰ্শ দাঙি ধৰিব পাৰে। ইংৰাজীত এষাৰ কথা আছে–"old order change the yielding place to new"। খেতি-বাতি, বেহা-বেপাৰ আদিৰ ক্ষেত্ৰত সমবায়ৰ ভূমিকাৰ বিষয়ে যুৱসমাজে মানুহক বুজাই দি সন্মিলিত প্ৰচেষ্টাৰে উন্নতি সাধন কৰিব পাৰে। এই আদৰ্শ ছাত্ৰ সকলকে দেখুৱাব পাৰে।

মুঠতে যুৱশক্তি এক প্ৰবল শক্তি। যেতিয়া এই শক্তি একত্ৰিত হৈ প্ৰবল উৎসাহ উদ্দীপনা প্ৰেৰণা লৈ সমাজৰ গঠনমূলক কামত আগুৱান হ'ব, সেৱাৰ মনোভাৱেৰে মানুহৰ মাজলৈ আগবাঢ়ি যাব, তেতিয়া সমাজেও উৎসাহ-প্ৰেৰণা পাব আৰু যুৱ ছাত্ৰৰ সন্মিলিত শক্তিৰ নেতৃত্বতে মহৎ কাৰ্য্য সম্পাদনৰ পথত জীৱন উচৰ্গা কৰি সকলোৰে এক নতুন পদক্ষেপেৰে নতুন সমাজলৈ আগবাঢ়ি যাব। এইক্ষেত্ৰত বৰ্তমানে সমাজৰ পথ প্ৰদৰ্শক সকলৰ দায়িত্ব অসীম। সমাজক ভুল পথে পৰিচালিত কৰাৰ পৰিণাম গুৰুতৰ। গতিকে সমাজৰ স্বতঃস্ফুৰ্ত জীৱনী শক্তি—কৰ্ম-প্ৰেৰণা আৰু সৃজনী-প্ৰতিভাক অতিশয় সাৱধানে পৰিচালিত কৰা উচিত। ই অবাটে যাব লাগিলে সমাজ, জাতি আৰু দেশৰ বিৰাট অপূৰণীয় ক্ষতি হ'ব

—:—০—

পৃথিৱীৰ শ্ৰমিকসকল তোমালোক একগোট হোৱাঁ। তোমালোকক বান্ধি থোৱা শিকলিডাল হানি গোৱাৰ বাহিৰে তোমালোকৰ একো নাই আৰু ভাৱত স্ৰষ্টা মানুহ; মানুহক মই প্ৰণাম কৰোঁ। কাৰণ, মানুহৰ সৃষ্টি মুক্তি আৰু কল্পনাক বাদ দি মই এই পৃথিৱীৰ একো চাব নোৱাৰোঁ।

—গৰ্কী।

# বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থা আৰু নিবনুৱা সমস্যা

শ্ৰীমনোজ কুমাৰ কলিতা
স্নাতক তৃতীয় বৰ্ষ (কলা)

বৰ্ত্তমান আমাৰ দেশত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ মূল্যবোধবোৰৰ বিষয়ে আমাক বিজ্ঞান সন্মত ভাবে সজাগ কৰি দিয়াৰ ব্যৱস্থা নাই। কাৰণ আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থা এতিয়াও ঔপনিবেশিক প্ৰভাৱেৰে আচ্ছন্ন আৰু এই প্ৰভাৱেই এতিয়াও ইয়াৰ ভেটি। তাক নসলালে কোনো মৌলিক পৰিবৰ্ত্তনেই সম্ভৱ নহয়। কাৰণ ভেটি নসলোৱাকৈ উপনিসৌধ সলোৱা নাযায়।

ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনা কৰে যিবোৰ আশাক লৈ তাৰে এটা প্ৰধান আশা হ'ল ভৱিষ্যতৰ কৰ্মসংস্থান। কিন্তু আজি চাকৰিৰ বজাৰৰ অৱস্থা কি? চৰকাৰী হিচাব মতে অসমত ৩০ লাখৰো অধিক শিক্ষিত নিবনুৱা আছে। এই সংখ্যা বাঢ়ি গৈয়েই আছে। আন হাতেদি প্ৰতি বছৰে এই প্ৰদেশখনত চাকৰি পাঁচ হাজাৰো নোলায়। আমাৰ চাকৰিৰ পৰিমান শিক্ষিত নিবনুৱাৰ তুলনাত এচকু আঙ্গাত এটা জালুক দিয়াৰ দৰে নহয়নে? তাৰ ফলত হৈছে কি? আজিৰ চাকৰিৰ বজাৰত এটি শিক্ষকৰ পদৰ কাৰণে ৪০-৫০ হাজাৰ টকা ভেটি দিব লগা হৈছে। যি জনেই বেছি দিব পাৰিব তেৱেঁই চাকৰি পাব। ইয়াত কোনো মেধা বা অৰ্হতাৰ প্ৰশ্ন নুঠে। তাৰোপৰি যিখন বিদ্যালয়ত দুজন বা তিনিজন শিক্ষকেই হয় তাত ছয়-সাতজন শিক্ষক নিযুক্তি দিবলগা হৈছে, অন্যথা যে কোনো উপায় নাই। তথাপি জানো নিবনুৱা সমস্যাৰ ওৰ পৰিছে?

চাকৰিৰ সৃষ্টি হয় শিল্পোদ্যোগৰ বিকাশৰ জৰিয়তে। কিন্তু যিখন সমাজত শিল্পোদ্যোগৰ বিকাশেই পয়া লগা, সেই সমাজত চাকৰি বাঢ়িব কেনেকৈ? বৰ্ত্তমান আমাৰ সমাজত যি কৃষি পদ্ধতি বুলি আছে সেই কৃষি পদ্ধতিত চাকৰিৰ উদ্ভৱনদী হব নোৱাৰে। কিন্তু যিখন সমাজত মহাজনী শোষণৰ বাবে কৃষিত হোৱা বাহিৰে গঠন হবলগা পুঁজিৰ গঠন তেনেই দুৰ্বল আৰু শিল্পত যি বাহি পুঁজি হয় তাৰে বৃজন পৰিমান গ্ৰাস কৰে বিদেশী বৰ্বৰসমূহে তেনে সমাজত শিল্পোদোগৰ মুক্ত আৰু বিস্তৃত বিকাশ সম্ভৱ হ'ব ক'ৰ পৰা? আমাৰ দেশত প্ৰায় ৮০% মানুহ এতিয়াও গাওঁত বাস কৰে আৰু তাৰে প্ৰায় ৭৮% ভাগৰ শিল্পত তৈয়াৰী বস্তু কিনাৰ ক্ষমতা

তেনেই দুৰ্বল। এনে পৰিস্থিতিত শিল্পৰ বাবে বজাৰ ক'ত? য'ত বজাৰেই সীমিত তাত শিল্পৰ উন্নতি হ'বনো কিমান? তাতে আকৌ এই আয় ক্ষমতা বাঢ়ক চাৰি কমিছেহে। আনহাতেদি কৃষিৰ ক্ষেত্ৰতো সেই একেই কথা। আমেৰিকা, ৰাছিয়া আদি উন্নত ৰাষ্ট্ৰসমূহে এবিঘা মাটিত ধান বা গোম উৎপাদন কৰে ৩০-৪০ মোন (কুইন্টল) আৰু আমাৰ দেশত এবিঘা মাটি ধান উৎপাদন কৰে বৰ বেছি ৬-৭ মোন। এই পাৰ্থক্যটো হ'ল ক'ৰ পৰা উন্নত বীজ, সাৰ জলসিঞ্চন আদিৰ অভাৱত এই অৱস্থা হৈছে। শিক্ষিত যুৱকে যদি উন্নত কৃষি কৰিবলৈ আগ বাঢ়ি আহে চৰকাৰে জানো উপযুক্ত সুবিধাখিনি দিবলৈ সমৰ্থ হ'ব! তাৰোপৰি আমাৰ মানুহৰ কৃষি ভূমিনো কিমান? জনসংখ্যা বৃদ্ধিৰ লগে লগে কৃষি ভূমিও নোহোৱা হৈ আহিল।

সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ শেষত চাকৰি পোৱাৰ সমস্যা সমাধান হবলৈ হ'লে দেশৰ শ্ৰমিক কৃষকৰো সমস্যাৰ সমাধান হব লাগিব কাৰণ এই সকলো বোৰৰ সমস্যা একোটা সমীকৰণৰেই বিভিন্ন অংশ। এই সত্য বক্তব্যক কোনোবাই ৰাজনীতি বুলিও কলেও কব পাৰে। কাৰণ পানীত পৰিলে তিতিবই লাগিব। সমাজৰ উৎপাদন পদ্ধতি আৰু শ্ৰম সম্পৰ্কৰ পৰিবৰ্তন নকৰাকৈ এই সমস্যাবোৰৰ শেষ সমাধান সম্ভৱ নহয়। কাৰণ সমস্যাবোৰৰ সৃষ্টিয়েই হৈছে সেই স্থিতৱস্থাৰ পৰা। পৰিস্থিতিৰ সলনি কৰিবলৈ হ'লে উৎপাদনৰ আহিলাবোৰৰ মালিকীয় ইতিবাচকভাৱৰ সলনি কৰিবই লাগিব। ইতিহাসলৈ চালে দেখা যায় শোষিত শ্ৰেণীসমূহে শোষক শ্ৰেণীৰ বিৰুদ্ধে ঐক্যবদ্ধ আৰু নিৰবচ্ছিন্ন সংগ্ৰামৰ উগ্ৰ প্ৰয়োগেৰহে এই পৰিবৰ্তন আনিব পাৰে। প্ৰত্যেকখন সমাজৰ শিক্ষা ব্যৱস্থাই সেই সমাজৰ ব্যৱস্থাৰ প্ৰতিস্থিত উৎপাদন আৰু শ্ৰম সম্পৰ্কৰ বাবে যেনে ধৰণৰ বৌদ্ধিক অহৰ্তাৰ প্ৰয়োজন তাৰেই যোগান ধৰে। এই বৌদ্ধিকতাৰ ইতিবাচক পৰিবৰ্তন আনিবলৈ হ'লে সি যি ব্যৱস্থাত ভিত্তি কৰি গঢ় লয় তাৰো পৰিবৰ্তন হ'ব লাগিব। সেয়েহে আজি আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মৌলিক সমস্যাবোৰৰ সমাধান হবলৈ হ'লে বৃহত্তৰ জনগণৰো মৌলিক সমস্যাসমুহৰ সমাধান হবই লাগিব। "শ্ৰমিক, কৃষক যুৱক, ছাত্ৰ মধ্যবিত্তৰ ঐক্যৰ যি ধ্বনি তাৰ গূঢ়াৰ্থ ইয়াতেই নিহিত হৈ আছে। কাৰণ সকলো অংশৰ সমস্যাবোৰ ইটো-সিটোৰ সৈতে অঙ্গাগীভাৱে জড়িত।

এই সমস্যাসমূহৰ সমাধান জনগণৰেই বিভিন্ন অংশ সম্প্ৰদায়ে সম্প্ৰদায়ে, জাতিয়ে জাতিয়ে অথবা গোষ্ঠীয়ে গোষ্ঠীয়ে কাজিয়া কৰি কৰা নাযায়। ক্ষুদ্ৰ গোষ্ঠীগত চিন্তাৰে এইবোৰৰ সমাধান যে কৰিব ধৰি লোৱা হওক, অসমত সকলো চাকৰি মাথোন অসমীয়া মানুহকহে দিয়াৰ এটা নিয়ম কৰা হ'ল। আগেয়ে কোৱা হৈছে চৰকাৰী হিচাবমতেই অসমত শিক্ষিত নিবনুৱাৰ সংখ্যা প্ৰায় ত্ৰিশ লাখ। আন হাতেদি বছৰত চাকৰি ওলায় প্ৰায় ৫ (পাঁচ) হাজাৰ! ধৰি ললোঁ নিবনুৱা সকলৰ মাত্ৰ তিনি ভাগৰ এভাগ অৰ্থাৎ দহ লাখ অসমীয়া। এতিয়া কথা হ'ল দহ লাখ প্ৰাৰ্থীৰ মাজত পাঁচ হাজাৰ চাকৰি ভগা

কেনেকৈ ? এনেদৰে সমস্যা সমাধান কৰিব নোৱাৰি বাবেই "লোকেল" শব্দটোৰ অৰ্থৰ পৰিসৰ এতিয়া ঠেক হৈ আহি চুবুৰীত পৰিছেহি।

লাভৰ মূৰকত এনে ঠেক দৃষ্টিভংগীৰ ফলত জাতিয়ে জাতিয়ে কাজিয়া কৰি সম্প্ৰদায়ে সম্প্ৰদায়ে কাজিয়া কৰি আমি অসমবাসী বিভক্ত হৈ পৰিছোঁ। আজি সংকীৰ্ণ মতাদৰ্শৰ অবাটত খোজ দি আমাৰ ডেকা গাভৰুৰ জাকে জাকে চৰম আত্মত্যাগেৰে যুজিও নৃশংস বণিকৰ নিৰ্দয় চক্ৰান্তৰ আক্ৰমণত আত্মাহুতি দিবলগাত পৰিছে। এই বিভেদ নীতিৰ পৰা লাভবান হৈছে মাথোন শোষক শ্ৰেণী আৰু সিহঁতৰ দালালবোৰ।

জনগণৰ মৌলিক সমস্যা সমূহৰ বিজ্ঞানসন্মত সমাধানতহে যে ছাত্ৰ সমাজৰো মৌলিক সমস্যা সমুহ বিজ্ঞানসন্মত সমাধান নিৰ্ভৰ কৰিছে তাক আমাৰ ছাত্ৰ সমাজে বুজা উচিত। এই খিনিতে আহি পৰিছে ছাত্ৰ সমাজৰ সামাজিক দায়বদ্ধতাৰ প্ৰশ্নটো। ইয়াক মানি নোলোৱাৰ অৰ্থ হ'ল— ছাত্ৰ ছাত্ৰীসকলক সুন্দৰ ভৱিষ্যতৰ সঁচা কাঠি ক'ত আছে তাক জানিবলৈ নিদিয়া। যিসকলে ইয়াক স্থিতাৱস্থাৰ স্বাৰ্থসেৱী পৰম্পৰা দোহাই দি নুই কৰিব খোজে তেওঁ লগতে ইয়াকো স্বীকাৰ কৰা উচিত যে তেওঁৰ দৃষ্টিত ভাৰতৰ ছাত্ৰ সমাজে বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যি বীৰত্বপূৰ্ণ সংগ্ৰাম কৰিছিল সিও অনুচিত কাৰ্য্যহে আছিল। ইয়াত যদি কোনোবাই ৰাজনীতিৰ গোন্ধ পাই তেন্তে তেওঁ শিক্ষিত নিবনুৱাসকলে চাকৰিৰ বিজ্ঞাপনৰ সৈতে অহৰহ চলোৱা যুঁজতো ৰাজনীতিৰেই গোন্ধ পাব নিশ্চয়। এক কথাত কবলৈ গ'লে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী অৰ্থাৎ দেশৰ ভৱিষ্যত ধৰণী সকলৰ চকুৰ আগত সত্যক ঢাকি ৰখা উচিত নহয়। তেওঁলোকৰ সন্মুখত সকলোবোৰ ডাঙি দিয়াৰ আজি সময় আহিছে। ৰুক্ষ বৰ্ত্তমান আৰু অন্ধকাৰ ভৱিষ্যতৰ সলনি কেনেকৈ এটা সুন্দৰ ভৱিষ্যত গঢ়ি তুলিব পাৰি তাৰ বাস্তৱসন্মত ছবি তেওঁলোকৰ আগত তুলি ধৰা উচিত, যাতে তেওঁলোকৰ কৰ্মপন্থা কি হব তাক তেওঁলোকে সজ্ঞানেৰে বাছি লব পাৰে।

দৃষ্টিভংগীত প্ৰগতিশীলতাৰ প্ৰশ্নটো মাথোন ছাত্ৰ ছাত্ৰীৰ দৃষ্টিভংগীৰ প্ৰশ্নই নহয় ই শিক্ষক শিক্ষয়িত্ৰী সকলৰো। দৃষ্টিভংগীতেই সামাজিক দায়-বদ্ধতাৰ প্ৰকাশ নঘটে তেন্তে ছাত্ৰ-ছাত্ৰীৰ দৃষ্টি ভংগীত এই দায়বদ্ধতাৰ প্ৰকাশ ঘটিব নোৱাৰে। কাৰণ দায়িত্বশীল সঠিক পথ প্ৰদৰ্শকেহে বাটৰুৱাক সঠিক পথেৰে আগুৱাই আনি ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানসন্মত মতাদৰ্শেৰে উদ্বুদ্ধ কৰি তেওঁলোকৰ নিজা সামাজিক দায়বদ্ধতাক সতেজ কৰিব লাগিব।

আমাৰ শিক্ষা ব্যৱস্থা এতিয়াও বৃটিছে তৈয়াৰ কৰি যোৱা সাম্ৰাজ্যবাদী প্ৰভাৱৰ পৰা সম্পূৰ্ণ ৰূপে মুক্ত হব পৰা নাই। ফলত বহতীয়া মনোবৃত্তিৰ সৃষ্টিকাৰী সেই শিক্ষা ব্যৱস্থাই বেছি ক্ষেত্ৰতেই কিছু কেৰাণীসুলভ মনোবৃত্তিৰ শিক্ষিত ব্যক্তিৰহে জন্ম দিছে। তেনে ব্যক্তিৰ মনত প্ৰকৃত আধুনিকতাৰ উদ্যমেৰে নতুনক জিনাৰ উদ্যোগ নথকাই স্বাভাৱিক। শিক্ষা আমাৰ বাবে, সভ্যতাক অধিক বিকশিত কৰাৰ হাতিয়াৰ নহয়, বৈষয়িক স্বচ্ছলতাৰ পাৰপত্ৰহে। আমাৰ এই উদ্যমহীন মনোবৃত্তিৰ বাবে মূলতঃ দায়ী উপনিবেশিক প্ৰভাৱৰ পৰা আজিও মুক্ত হব নোৱাৰা আমাৰ শিক্ষা ব্যৱস্থা। এই পয়ালগা মনোবৃত্তিৰ সৃষ্টি কৰা শিক্ষা ব্যৱস্থাৰ বিৰুদ্ধে আত্মমৰ্যাদা থকা সকলো ছাত্ৰ-ছাত্ৰীয়ে সচেতন হোৱা উচিত। *

## যুৱ বিশৃংখলতাৰ বাবে
# সমাজ আৰু অভিভাৱকৰ সমস্যা

★ ভদ্ৰেশ্বৰ দাস
স্নাতক ৩য় বাৰ্ষিক

এখন কিতাপ পঢ়া মনত আছে। সকলোৱেই ৰতবৰ বিষয়ে আলোচনা কৰে, কিন্তু সেই বিষয়ে আচলতে কাৰো একো কৰাৰ সাধ্য নাই। সেই কাৰণে মানুহে বতৰৰ বিষয়ে কেৱল কথা পাতি ইজনে সিজনৰ পৰা সান্ত্বনা লবলৈ চেষ্টা কৰে। কিন্তু মানুহৰ এনেকুৱা বহুতো সামাজিক সমস্যা আছে যিবোৰৰ বিষয়ে কেৱল আলোচনা সমালোচনা কৰিয়েই মানুহ ক্ষান্ত হৈ থকা উচিত নহয়। সেইবোৰৰ সমাধানৰ কাৰণে সুচিন্তিত আৰু সুপৰিকল্পিতভাৱে কামত আগ-বঢ়া দৰকাৰ। তাকে নকৰিলে কেৱল— 'চিকুটি লাউ বুঢ়া কৰাৰ নিচিনা হব।" অৰ্থাৎ সমস্যাই অধিক জটিল ৰূপ ধাৰণ কৰিব।

বৰ্তমান এটা কথা বাতৰি কাগজ, আলোচনীৰ পাতত বা সঘনাই আলোচনা কৰা চকুত পৰে; আজিৰ যুৱ সমাজত শৃংখলতাবোধ হেৰাই গৈছে। উঠি অহা ডেকা-গাভৰুৰ মাজত নৈতিকতাৰ অভাৱ। মাদক দ্ৰব্য সেৱনৰ প্ৰচুৰতা, মান্যজনৰ প্ৰতি অশ্ৰদ্ধা চেমনীয়া লৰাৰ মাজত ক্ৰমাৎ বাঢ়ি অহা উশৃঙ্খলতা এতিয়া প্ৰধান সমস্যা হৈছে। চকুৰে চাই থাকোতেই এই সমস্যাই এনে ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিছে যে মানুহৰ বহু যুগৰ সাধনাৰ বলত গঢ়ি উঠা সভ্যতা সংস্কৃতিৰ অন্ত পৰিবলৈ বেছি দিন নাই। এতিয়াৰ তথা কথিত শিক্ষিত ডেকা সকলেও যিভাৱে কথাই কথাই চৰ, ভুকু, দা-কটাৰী আৰু বন্দুক-বাৰুদ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে তালৈ চাই ধাৰণা হয় যে আমাৰ সমাজখন এক নতুন বৰ্বৰ যুগৰ ফালে আগবাঢ়িছে।

বৰ্ত্তমান সময় বৰ দুঃসময়, বিশেষ ভাৱে অভিভাৱকবোৰৰ বাবে। চাৰিওফালে দৈনিক ঘটি থকা ঘটনাবোৰ দেখি শুনি নিজৰ লৰা-ছোৱালীবোৰৰ ওপৰত বিশ্বাস হেৰুৱাই পেলাইছে। আজিৰ পৰা কিছু বছৰ আগতে এনে হোৱা নাছিল। এতিয়া অভিভাৱকবোৰে অনবৰত লৰা-ছোৱালীকলৈ চিন্তা কৰি থাকিব লাগে। কেতিয়া কি সাংঘাতিক খবৰ পাওঁ, ক'ত কেনে ধৰণে লৰা-ছোৱালীৰ বাবে অপমানিত হওঁ। একবিংশ শতিকাত ভৰি দি এয়া আমি কি দেখিবলৈ পাইছো। বৰ্ত্তমান অজিত যুৱ চামে সৃষ্টি কৰা

অসুস্থ বাতাবৰণে সমাজখনত প্ৰদূষণ ঘটাইছে। যুৱ সমাজৰ একাংশৰ দুখজনক ভাৱে নৈতিক অৱনতি ঘটিছে। তেওঁলোকৰ ভ্ৰষ্টাচাৰে সমাজত বিশৃংখলতাৰ সৃষ্টি কৰিছে। কোমল বয়সীয়া লৰা চুৰি ডকাইতি ধৰ্ষণ ড্ৰাগছ সুৰা আদি অসামাজিক কাৰ্যত লিপ্ত হৈ অভিভাৱক আৰু সমাজৰ প্ৰতিজন ব্যক্তিকে ব্যতিব্যস্ত কৰিছে। এনে কামত জড়িত যুৱকসকলৰ বেছি ভাগেই নিঃসন্দেহে দুখীয়া ঘৰৰ নতুবা গাওঁ অঞ্চলৰ নহয়। এইবোৰ চহৰৰ সম্ভ্ৰান্ত শিক্ষিত পৰিয়ালৰ। এইবোৰ পৰিয়ালৰ শিক্ষিত আৰু সচেতন অভিভাৱকে লৰা-ছোৱালীৰ উজ্জ্বল ভবিষ্যত কামনা কৰি সুশিক্ষা দিবলৈ যত্ন কৰিছে। স্বাস্থ্যৰ যতন লৈছে, পঢ়া-শুনাত আগবাঢ়িবলৈকে ঘৰুৱা শিক্ষকৰ ব্যৱস্থা কৰিছে, সন্তানৰ আগ্ৰহ আৰু ৰুচি অনুযায়ী সংগীত কলা, নৃত্য খেলা-ধূলা আদিৰ সুবিধা কৰি দিছে। কিন্তু এচাম যুৱকে মূৰত চেচাঁ পানী ঢালি নিচ কামত জড়িত হৈছে।

সঁচা কথা, আজিৰ যুৱকৰ ওপৰত অভিভাৱক সমাজে শাসন হেৰুৱাইছে। পিছে এবাৰ জানো গভীৰ ভাৱে চিন্তা কৰি চোৱা হৈছে এই উশৃঙ্খলতাৰ কাৰণ কি? তেওঁলোকে বেয়া কাম কৰিবলৈ কৰ পৰা প্ৰেৰণা পাইছে? কোনে যোগান ধৰিছে সেইবোৰ সামগ্ৰী? যদি এওঁলোক সমাজৰে অংগ, এওঁলোকৰ চিন্তা ধাৰা ব্যৱহাৰত সমাজখনৰে প্ৰতিফলন হোৱা নাই জানো? মই ভাবো ইয়াক যুৱ উশৃঙ্খলতা বুলি নকৈ যুৱ বিদ্ৰোহ আখ্যা দিয়াহে উচিত হব। সমাজে হয়তো আজিৰ যুৱকক এক আদৰ্শবোধ দিব পৰা নাই। প্ৰৌঢ়জনৰ মাজত যেতিয়া নৈতিকতাৰ অভাৱ ৰাজনীতিহে, সমাজবিদ বুদ্ধিজীৱি সকলৰ মাজত যেতিয়া আত্মকেন্দ্ৰিক, স্বাৰ্থপৰতাৰে আৱৰি থাকে—তেতিয়া কাৰ আদৰ্শ আগত ৰাখি সুন্দৰ ভবিষ্যতৰ ৰঙীন জীৱনটোৰ ফালে আজিৰ যুৱক আগবাঢ়িব।

বৰ্ত্তমান ধ্বংসমুখী ৰাজনীতিৰ সাগৰত এওঁলোক শূন্যত ওপঙি ফুৰা লক্ষ্যহীন তুলাপাতৰ দৰে কঁপি উঠিছে। ক'লৈ যাব নেজানে। এফালে নৈতিকতাৰ সংঘাট, আনফালে আদৰ্শবোধৰ অভাৱ। "দাসত্বৰ শৃংখল চিঙি যেতিয়াই মানুহে স্বাধীন হবলৈ চেষ্টা কৰে তেতিয়াই ৰাষ্ট্ৰ নামৰ শোষকগোষ্ঠীটোৱে জনগনৰ বিপ্লৱী চেতনাক বধ কৰিবলৈ কিছুমান বস্তু জাপি দিয়ে— যিয়ে নেকি জনগণৰ চিন্তা শক্তিক ধ্বংস কৰিব পাৰে টি ভি, ড্ৰাগছ; লটাৰী চিনেমা আদিও জনগণৰ চিন্তা শক্তিক ধ্বংস কৰিব পৰা তেনে কিছুমান আহিলা। যাৰ প্ৰভাৱে আজি দুৰ্জয় যুৱ শক্তিক কৰি তুলিছে চেতনাহীন দিকভ্ৰান্ত, এনেবোৰ কাৰণৰ বাবে বৰ্ত্তমান ৰাজনীতি তথা ৰাজনৈতিক নেতাবোৰ জানো দায়ী নহয়? যুৱ চামক জানো তেওঁলোকেই বিপথে নিয়া নাই? অভিভাৱক সকলক চিন্তাত পেলোৱাৰ বাবে জানো বৰ্ত্তমানৰ ৰাজনীতি দায়ী নহয়?

আন এটা কথা হ'ল বৰ্ত্তমান যুৱ সমাজক বিপথে যোৱাত অৰিহনা যোগাইছে টকাই। আজি-কালি বেছিভাগ পিতৃ-মাতৃয়েই নিজৰ সন্তানক প্ৰকৃত অৰ্থত সংস্কৃতিৱান আৰু চৰিত্ৰৱান কৰি

তোলাতকৈ বেছি জোৰ দিয়ে সন্তান তথা বংশ-ধৰসকলৰ কাৰণে ধন সম্পত্তি কৰি থৈ যোৱাৰ ওপৰত। এই শ্ৰেণীৰ পিতৃৰ ভিতৰত দুৰ্নীতি-পৰায়ন চৰকাৰী-চাকৰীয়াল আৰু ৰাজনীতিকৰ সংখ্যাই বেছি। দুনীতিৰ সৰল অৰ্থ হ'ল ক্ষমতাৰ অপব্যৱহাৰ কৰি ৰাজহুৱা ধন-সম্পত্তি আত্মসাৎ কৰা' অৰ্থাৎ চুৰ কৰা। একে আষাৰে কবলৈ গলে সকলো দুৰ্নীতি পৰায়ন চাকৰিয়াল, ঠিকাদাৰ আৰু ৰাজনীতিকেই আচলতে চোৰ। চোৰৰ লৰা চোৰ নহৈ আন কি হব? তেনে ধৰণৰ সকলো লৰাই হয়তো হাতে কামে চোৰ নহব পাৰে। কিন্তু নীচ আৰু লোভী প্ৰকৃতিৰ পিতৃ-মাতৃৰ পৰা আহৰণ কৰা বিকৃত মূল্যবোধ আৰু অসৎ আদৰ্শৰ পৰিনাম স্বৰূপে তেনে পিতৃ-মাতৃৰ লৰা-ছোৱালীও একমাত্ৰ টকা ঘটা আৰু ভোগ বিলাসত মত্ত হৈ থকাবোৰ তেওঁলোকৰ চকুত হৈ পৰে কেৱল ব্যঙ্গ বিদ্ৰূপৰ বিষয়। আৰু লগ সংগ পাই আমাৰ সাধাৰণ ঘৰৰ লৰা-ছোৱালীবোৰেও বিলাসী জীৱন কটাব বিচাৰে। দুখীয়া অভিভাৱক সকলে দিব নোৱাৰাৰ ফলত ইহঁত কু-কামত জড়িত হয়। শেষত তাৰ ফল অভিভাৱকে ভোগ কৰিব লাগে। গতিকে আজি যিসকল লোকে যুৱ উশৃংখলতাৰ ভয়ঙ্কৰ ৰূপ দেখি আতংকিত হৈ উঠিছে, তেওঁলোকৰ সৰ্ব্ব প্ৰধান কৰ্তব্য হ'ল লৰা-ছোৱালীবোৰক সৎপথলৈ আনিবলৈ চেষ্টা কৰাৰ আগতে সিহঁত মাক-বাপেক বোৰক সৎপথলৈ আনিবলৈ চেষ্টা কৰা উচিত।

লৰা-ছোৱালী ভাল বা বেয়া হোৱাটো নিৰ্ভৰ কৰে ঘৰৰ লগতে পঢ়াশালিৰ ওপৰত। মানুহৰ জীৱনত এজন শিক্ষকৰ মঙ্গলময় প্ৰভাৱ চিৰস্থায়ী। গতিকে শিক্ষক পদৰ কাৰণে মানুহ বাছনি কৰোতে অতিশয় সতৰ্কতা অৱলম্বন কৰা দৰকাৰ। কিন্তু এতিয়াৰ চৰকাৰে শিক্ষানুষ্ঠানবোৰক মানুহ গঢ়াৰ কাৰখানা হিচাপে ব্যৱহাৰ কৰিবলৈ নোলোৱা ফলত শিক্ষা ক্ষেত্ৰলৈ দুঃদীন নামি আহিছে। আজি-কালি চৰিত্ৰ আৰু প্ৰতিভাক শিক্ষকৰ অহৰ্তা বুলি বিবেচনা কৰা নহয়। অতি আচৰিত, বৰ্ত্তমান শিক্ষকৰ পদ নীলাম বজাৰত বিক্ৰী কৰা হয়। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত অবাঞ্চনীয় ৰাজনৈতিক হস্তক্ষেপে সমগ্ৰ শিক্ষা ব্যৱস্থাটোকে কলুষিত কৰাত অভিভাৱক সকল বিপদত পৰিছে। কাৰণ বৰ্ত্তমান লৰাই কিছু পঢ়াৰ পিছত অভিভাৱকক দাবী কৰে যে টকা দি হলেও চাকৰি এটা দিব লাগে। বৰ্ত্তমান শিক্ষা-শিক্ষন মূখী হোৱা নাই। হৈছে হিচাপ মূখীহে।

অভিভাৱকক আন কেইটামান বস্তুৱে সমস্যাত পেলাইছে। সেয়া হ'ল—টি, ভি, ড্ৰাগছ, লটাৰী। কুৰি শতিকাৰ অন্যতম সৃষ্টি হ'ল দূৰদৰ্শন। মহান বিজ্ঞানী ''জন বেয়াৰ্ডে'' আৱিষ্কাৰ কৰোতে ভাবিছিল, ইয়াৰ দ্বাৰা মানৱ জাতিৰ উৎকৰ্ষ সাধন হব। কিন্তু আজি ভাৰতীয় শাসক গোষ্ঠীটোৱে দূৰদৰ্শনক ব্যৱহাৰ কৰিছে কেৱল শোষণৰ আহিলা হিচাপে; দেশৰ জনগন শিক্ষিত হলে শাসক গোষ্ঠী-টোৰ মুদ্ৰা মৰিব বুলি জানিয়েই দূৰদৰ্শনক শিক্ষাৰ বিৰুদ্ধে ব্যৱহাৰ কৰি আহিছে। ইয়াৰ কাৰ্য্যসূচীবো এনেকুৱা সময়ত প্ৰচাৰ কৰে যিটো সময়ত স্কুল কলেজ চলি থাকে। এনে কিছুমান কাৰ্য্যসূচী

দিয়ে যিবোৰ চোৰাৰ নামত বহু ছাত্ৰ ছাত্ৰী স্কুল কলেজত অনুপস্থিত থকা দেখা যায়। ইয়াৰ উপৰিও যৌনগন্ধীৰ বিকৃত কাৰ্য্যসূচী মেলি দি ছাত্ৰ-ছাত্ৰীক পাশ্চাত্য সমাজৰ নিচিনা তীব্ৰ যৌনচাৰী কৰি তোলা হৈছে। যাৰ বাবে আজি সমাজত ধৰ্ষণৰ নিচিনা অপৰাধ কৰিবলৈকে অলপো কুণ্ঠবোধ কৰা নাই।

দাসত্বৰ শৃংখল চিঙি যেতিয়াই মানুহে স্বাধীন হবলৈ চেষ্টা কৰে, তেতিয়াই ৰাষ্ট্ৰনামৰ শোষক গোষ্ঠীটোৱে জনগণৰ বিপ্লৱী চেতনাক ৰোধ কৰিবলৈ কিছুমান বস্তু জাপি দিয়ে। এনে এবিধ বস্তু হ'ল ড্ৰাগছ। যাৰ প্ৰভাবে আজি দুৰ্জেয় যুৱশক্তিক কৰিছে চেতনাহীন, দিকভ্ৰান্ত, মতলীয়া। ইয়াৰ ফলত যুৱ বিশৃংখলা দিনে দিনে বাঢ়ি গৈ আছে। ইয়াক ৰোধ কৰিব নোৱাৰি অভিভাৱকসকল বিমোৰত পৰিছে।

আনপিনে আজি ৰজাঘৰীয়া জুৱা, লটাৰী চাৰিওপিনে বাঢ়ি গৈ আছে। ইয়াৰ দ্বাৰা লাভ হৈছে এমুঠি শোষক আৰু দেউল্যীয়া হৈ পৰিছে সাধাৰণ জনগণ। লটাৰী খেলৰ লগত বৰ্ত্তমান উঠি অহা যুৱকবোৰ জড়িত হৈ পৰিছে। যাৰ ফলত যুৱবিশৃংখলা দিনে দিনে বাঢ়ি আহিছে। এনেবোৰ সমস্যাত আজি অভিভাৱকৰ চকুত টোপনি নোহোৱা হৈছে। কেৱল চিন্তা-যুৱবিশৃখলতা কেনেকৈ ৰোধ কৰা যাব।

যি মানুহ স্বাধীন আৰু বিবেকবান, তেওঁক ধ্বংস কৰি দিব পাৰি; কিন্তু তেনে মানুহক কেতিয়াও দাস বা অৰ্ধক্ৰীড়নকত পৰিণত কৰিব নোৱাৰি।"

—আইনষ্টাইন

সাম্প্ৰতিক সময়

# সংশয় আৰু সম্ভাৱনা

অধ্যাপক,
যোগেন্দ্ৰ কুমাৰ দাস

দেশে স্বাধীনতা পাবৰ ৪৭টা বছৰ ইতিমধ্যেই পাৰ হৈ গ'ল। বৃটিছ সাম্ৰাজ্যবাদী শাসনৰ অন্ত পৰাৰ পিছত স্বদেশী স্বাধীন চৰকাৰৰ নেতৃত্বত দেশৰ আৰ্থ-সামাজিক পৰিৱৰ্তন অনাৰ জোখাৰে প্ৰকৃততে ৪৭ টা বছৰ তেনেই কম সময় নিশ্চয় নহয়। কিন্তু দুখৰ কথা যে বিদেশী শাসক-শোষকৰ দল আঁতৰি যোৱাৰ পিছতো দেশখনে এই পৰ্যন্ত আৰ্থ সামাজিক দিশত আশানুৰূপভাৱে বিশেষ অগ্ৰগতিয়ে লাভ কৰিব নোৱাৰিলে। অকল সেয়াই নহয়, বিদেশী লাভখোৰ সাম্ৰাজ্যবাদৰ কবলৰ পৰা স্বাধীন (?) দেশখনে মুক্তি পাওক চাৰি বিদেশী বৃহৎ পুঁজিৰ আগ্ৰাসী বেহুত কাৰাৰুদ্ধ হৈ নিজস্বতাখিনিকো আনকি বিসৰ্জন দিব লগা হ'ল। আনহে নালাগে, আনকি দেশৰ জনগণ এই পৰ্যন্ত গণতন্ত্ৰৰ বাবেও সাজু হবলৈ নিশিকিলে। এটা পৰিকল্পিত অৰ্থনীতি আৰু সমাজনীতিৰ বাবে সজাগ সচেতন হ'বৰ জোখাৰে ইদেশৰ মানুহ আজি শিক্ষিত হৈ নুঠিল। অজ্ঞতা, নিৰ্বোদ্ধিতা, অশিক্ষা আৰু মূৰ্খামি—এয়াই স্বাধীন দেশৰ বৃহুজনসংখ্যক নাগৰিকৰ আজি মূল বৈশিষ্ট্য। শাসক শ্ৰেণীৰ চক্ৰান্তই আজি পাঁচ হেজাৰ বছৰীয়া পুৰণি সভ্যতাৰ দেশ ভাৰতৰ মানুহক কৰি তুলিছে পঙ্গু, ছিন্নমূল আৰু নিজৰ ঘৰতেই পৰাধীন।

দেশখনৰ সমগ্ৰ সমাজ ব্যৱস্থাটোক গ্ৰাস কৰিছে চৰম নৈতিক অৱনতি আৰু এক মনুষ্যত্বহীন হিংস্ৰতাই। এনে এক পৰিণতিৰ সময়তে স্বাধীন দেশৰ কংগ্ৰেছী চৰকাৰে সগৌৰৱে (?) জনগণৰ অলক্ষিতে যোৱাবেলি (১৯৯৩) ঐতিহাসিক '৪২ ৰ গণবিপ্লৱৰ (ভাৰত ত্যাগ) সোণালী জয়ন্তী উৎসৱ পালন কৰিলে। লক্ষ লক্ষ ধন বিত খৰচ কৰি জাকজমকতাৰে চৰম নৈতিক, সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক স্খলনৰ এক দুৰ্ভাগ্যজনক সময়ত কংগ্ৰেছ দল আৰু চৰকাৰে '৪২ ৰ বীৰ শ্বহীদসকলৰ আত্মবলিদানৰ সোঁৱৰণ কৰিলে! কিন্তু সেয়া আছিল কংগ্ৰেছৰ দলীয় প্ৰচাৰ মাথোন। উছৱৰ তেজস্বী বক্তৃতা আৰু নীতিবাক্যসমূহ আছিল নিতান্তই তৰল, অন্তঃসাৰশূন্য হতাশাগ্ৰস্ত ভাৰতীয় ৰাইজে সেই উছৱত অকণো গুৰুত্ব নিদিলে। 'ৰোম যেতিয়া জ্বলি আছিল নেৰোৱে তেতিয়া আনন্দত বাঁহী বজাইছিল

ভাৰত ত্যাগৰ সোণালী জয়ন্তী উছৱো তেতিয়াই হৈছিল। উনৈশ শ শতিকাৰ মাজভাগত দেশখনৰ চৰম দুৰ্যোগ, দুৰ্ভিক্ষ, দাৰিদ্ৰতা, অনাহাৰ, কৰ্মহীনতা আৰু নিপীড়নৰ দুঃসময়ত মহাআড়ম্বৰেৰে লক্ষ লক্ষ টকা খৰচ কৰি ৰাণী ভিক্টোৰিয়াই জাকজমক 'দিল্লী দৰবাৰ'ৰ মজলিছ পাতি নিজেই ভাৰতৰ সম্ৰাজ্ঞী হোৱাৰলেখীয়া ঘটনা। আজি নিঃসন্দেহে স্বাধীনতাৰ বাবে কৰা সংগ্ৰামৰ সেই গৌৰৱোজ্জ্বল অধ্যায়ৰ মধুৰ স্মৃতিবোৰে বিগত প্ৰতিটো ব্যৰ্থ বছৰলৈ পশ্চাৎ অপসাৰণ কৰিছে আৰু প্ৰতিজন বীৰ সংগ্ৰামী আজি মাথোন দাঁত নোহোৱা বীৰ্যহীন প্ৰাণীলৈ ৰূপান্তৰিত হৈছে, নিৰ্বোধৰ দৰে তেওঁলোক বহি আছে। শ্বহীদে চকুলো টুকিছে শ্মশানত! হয়, দেশখনত সঁচাকৈয়ে শ্মশানৰ বৈৰাগ্যতা।

দেশৰ হৃদযন্ত্ৰ আৰু বিবেক চৰম নৈতিক স্খলনত আজি বিকল। আনকি দেশৰ শাসক ৰাজনীতিকসকলে নিৰ্বিঘ্নে, অত্যন্ত কুশলীভাৱে ভাৰ-ভেটি আৰু উপঢৌকন ল'বলৈ আজি কুণ্ঠাবোধ নকৰে। এই কথা সম্প্ৰতি জল জল পট পট ভাৱে ওলাই পৰিছে যে অকল ৰাজহুৱা জীৱনতেই যে চূড়ান্ত দুৰ্নীতি চলিব লাগিছে তেনে নহয় ৰাজনীতিৰ খোলা বজাৰতো আজি দুৰ্নীতি, নীতি-নিষ্ঠতাৰ অপমৃত্যু আৰু ভীতি-শোষণ চলিছে। ৰাজনীতিত চলিব ধৰিছে হিংস্ৰতা আৰু আক্ৰোশী অপপ্ৰচাৰ। এই লৈও যেন আজি কোনো উদ্বিগ্ন হৈ নপৰে। সমাজৰ ওপৰত মহলতো দুৰ্নীতি আৰু হৰলুকিয়ে মানুহক লজ্জাবোধ আনি নিদিয়ে বৰং সংসদী সদস্যসকলৰ মাজতো ভেটি দিয়া আৰু ভেটি লোৱা অপকৰ্ম দলৈকে শিপাইছে আৰু এই অপযশে তেওঁবিলাকৰ ফিতাহী আৰু মইমতালিৰ অন্ত পেলোৱাতো নায়েই বৰং তেওঁলোকৰ ৰাজনৈতিক জীৱনতো মুক্ত দুৰ্নীতিয়ে যৎসামান্যতমো প্ৰভাৱ নেপেলায়। চৌৰাল্লিশ বছৰ পূৰ্বে জন্ম পোৱা ভাৰত প্ৰজাতন্ত্ৰৰ প্ৰতিটো সাধাৰণ নিৰ্বাচনৰ পিছতে নিৰ্বাচনত কোটি কোটি ক'লা টকা অপচয় কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হয়। বিশেষকৈ যোৱা দহ-বাৰ বছৰত এনে ধৰণৰ অভিযোগ সঘনাই উত্থাপিত হৈছে। কিন্তু ৰাজহুৱা গুৰুতৰ অভিযোগত চোৰাং ৰাজনীতিৰ অন্ত পেলাব পৰা নাই। চোৰাং বেপাৰীৰ চোৰাং টকাৰ ভেটি আৰু ভাৰতীয়া গুণ্ডা বাহিনীৰ বন্দুকৰ নলীৰ আগত নিৰ্বোধ ভাৰতীয় মানুহে ভোটদান কৰিহে প্ৰজাতন্ত্ৰৰ সংসদী জ'কাটো ধৰি ৰাখিব লগা হৈছে আৰু নিৰ্বাচনৰ পিছত পূৰা পাঁচ বছৰে নিৰ্বোধ জনগণে পাইছে মাথোন নিপীড়ন আৰু শাসকৰ অত্যাচাৰৰ শোষণ। নিৰ্বাচনত ব্যাপক ক'লা টকাৰ বেপৰোৱা প্ৰয়োগ ব্যাপক ৰিগিং, ভোট কেন্দ্ৰ বলপূৰ্বক দখল ইত্যাদি অপকৰ্মই ভোটাৰৰ গণতান্ত্ৰিক স্বাধীনতা খৰ্ব কৰাৰ লগতে এই ঘটনাই সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াকেই প্ৰহসনত পৰিণত কৰিছে।

কিন্তু অকল ধনবল আৰু বাহুবলেই যে আমাৰ গণতান্ত্ৰিক ব্যৱস্থাক ভীতিগ্ৰস্ত কৰিছে তেনে নহয়। উপাদান আৰু আছে। এইবোৰৰ উপৰি সাম্প্ৰদায়িক আৰু জাতিভেদবাদৰ নিৰ্লজ্জ আশ্ৰয়ত ভোট খুজিবলৈ যোৱাটো ৰাজনীতিৰ এটা প্ৰতিষ্ঠিত পৰম্পৰা হৈ পৰিছে। ১৯০৯ নৰ মৰ্লে মিণ্টো সংস্কাৰ আইনৰ সেই ভেদবাদী

সাম্প্ৰদায়িক ভিত্তিৰ নিৰ্ব্বাচনী ব্যৱস্থাক আজি স্বাধীনতাৰ পিছতো ক্ৰমান্বয়ে অধিক মুকলি আৰু নিৰ্লজ্জভাৱে বাহাল ৰখা হৈছে। এই-খিনিতেই মূল্যহীন হৈ পৰিছে গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতাৰ নীতি। জাতি, ধৰ্ম, গোষ্ঠীবাদ আৰু ভাষাৰ ভিত্তিত চলিব লাগিছে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু প্ৰশাসনিক দমনবাদ (Hegemony) ৰ অশুভ প্ৰতিযোগিতা। জাতিতান্ত্ৰিক, গোষ্ঠীতান্ত্ৰিক আৰু ধৰ্মতান্ত্ৰিক ৰাজনীতিৰে গঠিত শাসকশ্ৰেণীৰ আতিশয্যত অচল আৰু বিপন্ন হৈ পৰিছে গণজীৱন। কোৱা বাহুল্য যে আমাৰ দেশৰ প্ৰথমটো সাধাৰণ নিৰ্ব্বাচনৰ পৰাই কাৰ্যতঃ প্ৰায় প্ৰতিটো ৰাজনৈতিক দলেই নিৰ্ব্বাচন আৰু ৰাজনীতিত সাম্প্ৰদায়িক, গোষ্ঠীবাদী তথা জাতিভেদী নীতিক একপ্ৰকাৰ লুকঢাক নোহোৱাকৈ প্ৰয়োগ কৰি আহিছে আৰু অতি সাম্প্ৰদায়িকতাই মূল শলিতাগছিৰ দৰে কাম কৰিছে। এখন বেলেগ দেশৰ মানুহৰ বাবে এই পৰিঘটনা এক আশ্চৰ্যৰ বিষয় হ'ব পাৰে। কিন্তু ৰাজনৈতিক দৃশ্যপটৰ প্ৰতিগৰাকী সচেতন পৰ্যবেক্ষকে ভালদৰে জানে যে সম্প্ৰদায় (ভাষা, ধৰ্ম) আৰু জাতি আনুগত্য আমাৰ সমগ্ৰ নিৰ্ব্বাচন প্ৰক্ৰিয়াটোৰ হৃদযন্ত্ৰস্বৰূপ হৈ পৰিছে। এই অপসংস্কৃতি নিৰ্ব্বাচনী প্ৰক্ৰিয়াটোত এনেদৰে শি-পাইছে যে তাৰ আৰু মূলোচ্ছেদ কৰাটো অত্যন্ত জটিল হৈ পৰিছে। সন্দেহ নাই যে স্বাধীনোত্তৰ ভাৰত প্ৰজাতন্ত্ৰৰ শাসকৰ প্ৰথমটো জেনেৰেশ্যন আঁতৰি নোযোৱা পৰ্যন্ত অৱশ্যে কিছু পৰিমাণে স্বাধীনতা সংগ্ৰামৰ নেতৃত্বৰ মৰ্যাদা ৰক্ষিত হৈ আছিল। কিন্তু প্ৰথম জেনেৰেশ্যনটো ৰাজনীতিৰ মঞ্চখনৰ পৰা আঁতৰি যোৱাৰ পিছৰ পৰা ক্ৰমান্বয়ে ৰাজনীতি হৈ পৰিল হিংস্ৰ, ন্যস্তস্বাৰ্থ পূৰণৰ মাধ্যম। সম্প্ৰতি ৰাজনীতি ইমানেই কলুষিত হ'ল যে ই আমাৰ গণতন্ত্ৰৰ জাত-কুলতেই পৰ্যদস্থ কৰি পেলালে। আন কথাত আমি আজি এনে এক ভ্ৰষ্টাচাৰী প্ৰক্ৰিয়াত দ্বিধাগ্ৰস্ত হৈ পৰিছো। নিৰ্ব্বাচনী প্ৰক্ৰিয়া আৰু প্ৰয়োগ পদ্ধতিসমূহে দুৰ্ব্বল কৰক চাৰি সবল আৰু কটকটীয়াহে কৰিব লাগিছে। গতিকে ভাৰতৰ গণতন্ত্ৰৰ শলিতাগছি যে নুমাই যোৱাৰ উপক্ৰম কৰিছে তাক অন্ততঃ এটা সাধাৰণ নিৰ্ব্বাচনৰ প্ৰকৃতিৰ অভিজ্ঞতাৰ পৰাই বুজিব পাৰি। সাম্প্ৰদায়িকতাবাদ নিৰ্ব্বাচনত যিমানেই সক্ৰিয় হ'ব লাগিছে গণতন্ত্ৰও সিমানেই নিঃবীৰ্য হৈ পশ্চাদগামী হৈছে। এতিয়া আমাৰ সমুখত পথ কি? কৰণীয়ই বা কি? এনে এক ব্যৱস্থাত চকু মুদি হাত চাপৰিয়েই বজাই যাম নে ব্যৱস্থাটোৰ আমূল পৰিৱৰ্তনৰ বাবে কিবা এটা কৰিম? যদি আমূল পৰিৱৰ্তন আনিবলৈ হয় তেন্তে কিদৰে, তাৰ নেতৃত্ব বা ল'বই কোনে? ইত্যাদি প্ৰশ্নবোৰে সচেতন মহলক বিপাঙত পেলাইছে। সেয়েহে আমি আজি এক আলিদোমোজাত বেবেৰিবাং অৱস্থাত।

ইয়াৰ সলনি ভাৰত চৰকাৰে নিজৰ আত্ম-মৰ্যাদাৰ প্ৰতি অকণো গুৰুত্ব নিদি তথা ৰাইজৰ অনুভূতি বা ইচ্ছাৰ প্ৰতি কাণসাৰ নিদি বিদেশী বহুদেশীয় বৃহৎ লাভখোৰ পুঁজিৰ আঙুলিৰ ঠাৰত উঠা বহা কৰি এটা গ্লোবেলাইজড্ সংৰ্ক্ষণৰ সতে মোকাবিলা কৰাৰ আঁচনিত নিজকে উটুৱাই

দিলে। শ্ৰমকাৰী মানুহৰ মুৰত কঁঠাল ভাঙি খোৱা উক্ত উদাৰনৈতিক বজাৰ অৰ্থনীতিয়ে দেশৰ সামাজিক কাঠামো ভাগি ছিগি চুৰমাৰ কৰিব আৰু সামাজিক উত্তেজনাই গণজীৱন বিপন্ন কৰি তুলিব—এই কথাটো শাসকশ্ৰেণীয়ে অধুনাও উপলব্ধি কৰা নাই। শাসক গোষ্ঠীয়ে দেশী বৃহৎ পুঁজিৰ চক্ৰান্ত আৰু নিৰ্দেশত গণজীৱনৰ মৌলিক আশা আকাংক্ষাক মষিমূৰ কৰিবলৈ ওলোৱা উক্ত অবাস্তৱ অৰ্থনীতিৰ ফালে দেশখনৰ হাড় ভাগি ডিঙিত ৰছি লগাই চোঁচৰাই টানি নিব লাগিছে। তাৰ পৰিণতি কি ভয়াৱহ আৰু বিপজ্জনক তাক সচেতন মাত্ৰেই উপলব্ধি কৰিব পাৰিছে। এতিয়া প্ৰয়োজন এক ব্যাপক গণ আন্দোলনৰ। ব্যাপক অৰ্থনৈতিক বৈষম্য আৰু অসাম্যপূৰ্ণ এই দেশত সামাজিক উত্তেজনা আৰু হিংসা আজি প্ৰায় নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। হিংসা. অবিশ্বাস, সাম্প্ৰদায়িক দাঙ্গাই আজি ৰাষ্ট্ৰীয় সংহতিৰ মূল কাঠামোটোকেই ছিন্ন-ভিন্ন কৰি দিবলৈ ওলাইছে। পণা অৰ্থনৈতিক আত্মঘাতীৰ আৰম্ভণিৰে এইবোৰ প্ৰতিক্ৰিয়া। ইয়াৰ পৰিণতি আৰু অধিক শোচনীয় হোৱাৰ সম্ভাৱনাই এতিয়া প্ৰকট। গতিকে এই কথা স্পষ্ট যে চৰকাৰে প্ৰৱৰ্ত্তন কৰিব বিচৰা নতুন অৰ্থনৈতিক ব্যৱস্থাই আৰ্থ-সামাজিক বৈষম্য আৰু অধিক ব্যাপক কৰি তুলিব আৰু ইয়াৰ লগতে এই বৃহৎ দেশখনত সামাজিক অসংহতি, বৈষম্য ঘৃণা, অবিশ্বাস, শোষণ, দুৰ্নীতি, লুণ্ঠন আৰু ৰক্তপাত সংঘটিত হ'ব, যিয়ে নিঃশেষ কৰিব সামাজিক সম্প্ৰীতি আৰু সংহতিৰ বীৰ্য।

আশ্চৰ্যৰ বিষয় এয়াই যে যিস্থলত দেশৰ অৰ্থনীতিক অত্যাধুনিক কৰা হৈছে বা কৰিবলৈ বিচৰা হৈছে তেনেস্থলত আগতে কোনোকালে মূৰ দাঙি নুঠা বা ইতিমধ্যে নিষ্ক্ৰিয় হৈ থকা সাতামপুৰুষীয়া অন্ধবিশ্বাস আৰু কুসংস্কাৰকামী সমাজবিৰোধী শক্তিসমূহে বীভৎস ৰূপত সক্ৰিয়ভাৱে এতিয়া মূৰ দাঙি উঠিব লাগিছে। নিৰক্ষৰ গ্ৰাম্য সমাজৰ কথাতো বাদেই আনকি শিক্ষিত পণ্ডিত, ভব্য-গব্য 'এলিট', শিক্ষা-দীক্ষা থকা বৰটুপীয়া তথা বুদ্ধিজীৱী শ্ৰেণীৰ মাজতো প্ৰবলভাৱে পূৰ্ব্বজ প্ৰত্যাৱৰ্তনগামী অভ্যাস আৰু ফুং ফাং তন্ত্ৰ-মন্ত্ৰ-বাদৰ পয়োভৰ ক্ৰমাৎ বৃদ্ধি পাব লাগিছে। মানুহ হৈ পৰিছে অধিক অদৃষ্টবাদী, অন্ধবিশ্বাসী। শিক্ষিত সকলৰ মাজত পূজা-পাৰ্ব্বণৰ পয়োভৰ বাঢ়িছে, গোড়ামি-ধৰ্মান্ধতাই সমাজ পৰিচালিত কৰিব লাগিছে। ৰাষ্ট্ৰীয় প্ৰশাসন, আইন, নীতি নিৰ্ধাৰণৰ পৰা আৰম্ভ কৰি নিম্ন পৰিসৰৰ ৰাজহুৱা কাম-কাজলৈ সকলোবোৰ আজি ধৰ্মীয় ৰীতি-নীতি, আচাৰ-বিধি আৰু আদব-কায়দাত চলে। আজি শিক্ষিত এলিটসকলে এই দেশত গৰুৰ মাথা আৰু গাহৰিৰ ঠেং লৈ টনা-আঁজোৰা কৰি কাজিয়া কৰাত লাগিছে। দিল্লীৰ জ্যোতিষী সকলৰ নিৰ্দেশতেই এতিয়াও মাজনিশা স্বাধীনতা উছৱ পালন কৰে আমাৰ চৰকাৰী বৰমূৰীয়াসকলে। আমাৰ সৈন্য বাহিনীৰ অনুষ্ঠানত আজিও পুৰোহিত মৌলবীৰ যুদ্ধজয়ৰ উন্মাদ মন্ত্ৰপুত দৈৱিক মত্ৰধ্বজ! ৰাহুৰ অৱস্থান কালত আনকি স্বয়ং ন্যায়ধীশেও শপত গ্ৰহণ নকৰে। গংগাক প্ৰদূষণ-মুক্ত কৰিবৰ বাবে আঁচনি উদ্বোধন কৰোঁতে

'গংগা মাইঝী'ক প্ৰধানমন্ত্ৰীৰ হতুৱাই পূজা দিওৱা হয়। কেন্দ্ৰীয় বা ৰাজ্যিক মন্ত্ৰী বা আনকি মুখ্যমন্ত্ৰীয়েও 'অনুকূল ঠাকুৰ', 'সাইৰাবা' বা কোনো নাৰী ধৰ্ষণকাৰী কুখ্যাৎ প্ৰাক্তন ডকাইত আৰু বৰ্তমান ধৰ্মবাবাৰ ভাওলোৱা ভণ্ড তপস্বীৰ ভৰি চুইহে চৰকাৰী শুভ কৰ্মত হাত দিয়ে আৰু এওঁবিলাকেই হেনো সমাজ আৰু ৰাজনীতিক আধুনিক কৰাত মৰকামোৰ মাৰি লাগি গৈছে! হায় সভ্যতা!

সময়ৰ আৰু এক প্ৰতিফলনৰ কথা তুলিব খুজিছোঁ। সম্প্ৰতি ভাৰতবৰ্ষৰ বৈদেশিক নীতিৰ কটু সমালোচনা চলিছে। অভিযোগ তোলা হৈছে পূৰ্ব্বতে এই দেশৰ কথাই যিদৰে আন্তৰ্জাতিক গুৰুত্ব লাভ কৰিছিল, আজি-কালি ভাৰতৰ কথাৰ ওজন বিদেশত হ্ৰাস পাইছে। দেশৰ ভিতৰতো বৈদেশিক নীতিৰ সমালোচনা হৈছে। কথাটো গোটেই দলিয়াই পেলাবলগা নহয়। কিন্তু আন্তৰ্জাতিক ৰাজনীতিৰ পৰিৱৰ্তনৰ লগে লগে ভাৰতৰ বৈদেশিক নীতি আৰু স্থিতিৰো হেৰফেৰ যে হৈছে তাত সন্দেহ নাই। সমগ্ৰ বিশ্ব যেতিয়া পাৰমাণৱিক যুদ্ধৰ ভাবুকিৰ সন্মুখীন হৈছিল, বিশেষকৈ বিশ্বখন আমেৰিকা আৰু ছোভিয়েট ইউনিয়ন—এই দুটা সৰ্ব্ববৃহৎ শক্তি শিবিৰত যেতিয়া দ্বিবিভক্ত হৈছিল, তেতিয়া ভাৰতে তৃতীয় বিশ্বৰ ভূমিকাৰে গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ গুৰি ধৰিছিল আৰু তেতিয়াই সমগ্ৰ বিশ্বত ভাৰতৰ কথা আৰু স্থিতিয়ে গুৰুত্ব লাভ কৰিব পাৰিছিল। এই কথা অৱশ্যেই স্বীকাৰ কৰিব লাগিব যে শীতল যুদ্ধৰ দ্বন্দ্বৰ দুঃসময়বোৰত ভাৰতে জ্ঞান, বুদ্ধি আৰু নীতিবান নেতৃত্বৰে দেশৰ কোটি কোটি নিৰস্ত্ৰ মানুহক বিশ্বৰ সাম্ৰাজ্যবাদ, আগ্ৰাসনকামী বুৰ্জোৱা শক্তিক ওফৰাবলৈ এখন অভূতপূৰ্ব্ব সংগ্ৰামত প্ৰবৃত্ত কৰাব পাৰিছিল আৰু তেতিয়াই আমি আন্তঃৰাষ্ট্ৰীয় সন্মান পাবলৈকো সক্ষম হৈছিলো। আজি আৰু সেই পৰিবেশ নাই সেই নেতৃত্বও নাই। সম্প্ৰতি কি হৈছে? আজি গণজীৱন-ধাৰাৰ অৱক্ষয়ৰ সুৰঙাতেই দুৰ্নীতিৰ ভাইৰাছে ৰাজনীতিৰ মহৎ উদ্দেশ্য আৰু সামাজিক লক্ষ্যক পক্ষাঘাতাক্ৰান্ত কৰি তুলিছে, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এটা সুন্দৰ ভাবমূৰ্তি গঢ়ি তোলা দেশখনে আজি সতৃষ্ণতাৰে ভিক্ষাৰ পাত্ৰ হাতত লৈ পাশ্চাত্য ধনিক দেশবোৰৰ ঘৰে ঘৰে ভিক্ষা মাগি ফুৰিব লাগিছে, প্ৰবল প্ৰতাপী সাম্ৰাজ্যবাদী ধনকুবেৰইঁতক কোনোপধ্যেই অকণমানো অসন্তুষ্টি বা মনোকষ্ট দিবলৈ ভাৰত আজি একেবাৰে নাৰাজ। নিজৰ জীৱন বিপন্ন কৰি হ'লেও শক্তিশালী বিদেশী কুসিদজীৱী মহাজনৰ স্বাৰ্থ ৰক্ষাই হৈ পৰিল আজি ভাৰতৰ বৈদেশিক নীতিৰ প্ৰতিপাদ্য বিষয়। স্বাভাৱিকতেই এই ধৰণৰ আত্মঘাতী, তোষামোদপূৰ্ণ বৈদেশিক নীতি সন্মানজনক আৰু সমৰ্থনযোগ্য নহয়। আজি য'ত নিজৰ ঘৰতেই অনৈতিকতাই ৰাজত্ব চলাইছে তেনেস্থলত বিদেশত নীতিবান পুৰুষৰ ভূমিকা পালন কৰিবলৈ যোৱাটো প্ৰহসনহে মাত্ৰ!

★ ★

# ॥ শংকৰদেৱৰ সাহিত্যত নাৰীৰ স্থান ॥

● বৰ্ণালী গোস্বামী
স্নাতক প্ৰথম বৰ্ষ ।

সাহিত্য মানেই নাৰী আৰু নাৰী মানেই সাহিত্য । এটাক এৰি আনটোৰ কল্পনা অসাধ্য । নাৰী হ'ল সকলো সৃষ্টিৰ উৎস । এই নাৰীকে যুগে যুগে শিল্পী, সাহিত্যিকে মূৰ্ত্তিমান কৰি আহিছে । নাৰীৰ ৰূপৰ প্ৰশংসা আজিও শেষ হোৱা নাই । হয়তো কোনো কালে নহ'ব । বৈষ্ণৱ যুগত শংকৰদেৱেও তেওঁৰ বিভিন্ন নাটকত নাৰীৰ ৰূপ আৰু মৰ্য্যাদা নিৰূপণ কৰি গৈছে ।

শংকৰদেৱৰ বিচিত্ৰ ৰচনা-সম্ভাৰত নাৰীৰ বিচিত্ৰ চৰিত্ৰ দেখিবলৈ পোৱা যায় । ভক্তিবাদত মনোনিৱেশ কৰিলেও গুৰুজনাই নাৰীৰ চৰিত্ৰ চিত্ৰণতো সমানে পাৰদৰ্শিতা অৰ্জন কৰিছে । সন্দেহ নাই যে শংকৰদেৱে বিভিন্ন নাৰীচৰিত্ৰ-বোৰ পুৰাণ-উপপুৰাণৰ পৰা বুটলি ললেও সিবোৰত নিজ জাতিসত্বাৰ প্ৰলেপ পুৰামাত্ৰাই দেখা যায় । আচৰিত কথা—সকলো ধৰণৰ নাৰী চৰিত্ৰই শংকৰদেৱৰ ৰচনাত সৌন্দৰ্য্য বৰ্দ্ধন কৰিছে । সু-পত্নী হিচাপে তেওঁৰ আগ বয়সৰ ৰচনা 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ নায়িকা শৈব্যা এটি মনোৰম চৰিত্ৰ । ভাৰতীয় আদৰ্শ নাৰীৰ সকলোখিনি সু-গুণৰ সংমিশ্ৰণ ঘটিছে এই চৰিত্ৰত । শৈব্যাৰ ৰূপৰ প্ৰশংসা ৰজা হৰিশ্চন্দ্ৰই নিজেই ব্যক্ত কৰিছে এনেদৰে—

"ৰূপত পাৰ্ব্বতী পতিব্ৰতা পুণ্যৱতী
পতিপ্ৰাণ পতিজ্ঞান পতিসে ধ্যান
পতি ব্যতিৰেকে সপোনতো নাহি আন ॥"

জীৱনৰ সকলো সুখ বিসৰ্জন দি স্বামীৰ সুফল কামনাই আছিল শৈব্যাৰ জীৱনৰ মূলমন্ত্ৰ । আনকি বিশ্বামিত্ৰৰ কোপদৃষ্টিৰপৰা স্বামীক বচাবলৈ গৈ নিজে ক্ৰীতদাসীৰ দুঃসহ বেদনা ভোগ কৰি-ছিল । আন এগৰাকী পতিব্ৰতা নাৰী হ'ল বলিৰাজৰ পত্নী বিদ্যাৱলী । পাণ্ডৱ জায়া দ্ৰৌপদীৰ চৰিত্ৰইও আমাক আকৰ্ষণ কৰে । নিজ পুত্ৰক অশ্বত্থামাই যেতিয়া হত্যা কৰে, তেওঁক তেতিয়া হাতে-ভৰিয়ে বান্ধি যজ্ঞসেনীৰ ওচৰত হাজিৰ কৰোৱা হৈছিল । সেই সময়ত স্বামীক কোৱা কথাকেইশাৰীতে দ্ৰৌপদীৰ মহানুভৱ অন্তৰৰ কথা

বুজিব পাৰি । কথাকেইযাৰ এনেধৰণৰ -

"মেলা মেলা বান্ধ তাহান তুখে যে ধৰিকে উধাই জুই ।
মই যেন মৰো পুৰি পুত্ৰশোকে অগণি হিয়া দহয়
তাহান অৱস্থা শুনি সেহিমতে গৌতমী তেজিব জীৱ ।।"

সকলো কথা ক'লেও এটা কথা কিন্তু স্বীকাৰ কৰিবই লাগিব যে শংকৰদেৱৰ মনোৰম নাৰী চৰিত্ৰ হ'ল যশোদা । যশোদাৰ চৰিত্ৰই আজিও অসমীয়া জাতিক অনুপ্ৰেৰণা যোগায় । যশোদা হ'ল ভগৱান শ্ৰীকৃষ্ণৰ পালিতা মাতৃ ; কিন্তু তেওঁ হ'ল পুত্ৰ প্ৰেমত অন্ধ । পুত্ৰৰ মুখৰ ভিতৰত বিশ্বৰূপ দৰ্শন কৰাৰ পিছতো যশোদাৰ যেন পুত্ৰ-প্ৰেম আৰু বাকী থাকি গ'ল । পুত্ৰক দোষ কৰিলে শাস্তি বিহিবলৈও যেন তেওঁ পিচ নপৰে । মৰম কৰিবও জানে । শাসনৰ ক্ষেত্ৰত যশোদাৰ কোনো দোষ নাই । একেবাৰে নিখুঁত । আন এগৰাকী নাৰী হ'ল শ্ৰীকৃষ্ণৰ প্ৰকৃত জন্মদাত্ৰী মাতৃ দৈৱকী । পতিৰ সুখ আৰু জগতৰ মংগলৰ কাৰণে দুয়ো বহুদিন ধৰি বিচ্ছিন্ন হৈ থাকি যি আদৰ্শ দেখুৱালে সি পৃথিৱীতে বিৰল । জন্মৰপৰা কংস বধৰ সময়লৈকে দৈৱকীয়ে পুত্ৰমুখ দেখা নাছিল ! দেখা সময়ত মাকৰ আনন্দৰ সীমা নাছিল । কবিয়ে এই কথা সুন্দৰকৈ প্ৰকাশ কৰিছে এনেদৰে—

"হৰিষ লোতকে শৰীৰ তিয়াইল পুত্ৰক গলত ধৰি,
একো বুলিবাক নাপাৰি থাকিলা গলাগলি কৰি কান্দি ॥"

শ্ৰীকৃষ্ণ-ৰুক্মিণীৰ বিবাহ কালত অথবা ৰুক্মিণী-হৰণ কালতো দৈৱকীৰ মাতৃ হিচাপে গুণৰ তুলনা নাই । শংকৰদেৱৰ ৰচনাত ৰুক্মিণী এগৰাকী সুচতুৰা আদৰ্শ নাৰীৰূপে চিত্ৰিত হৈছে । ভায়েকে শিশুপাললৈ বিয়া দিয়াৰ সিদ্ধান্ত কৰাত ৰুক্মিণীয়ে মনোবল নেহেৰুৱাই বেদনিধি বাপুক দ্বাৰকালৈ পঠিয়াই দিয়া কাৰ্য্যত ৰুক্মিণীৰ বুদ্ধিমত্তাৰ পৰিচয় পোৱা যায় । 'পাৰিজাত হৰণ' নাটৰ আন এগৰাকী উল্লেখযোগ্য নাৰী হ'ল সত্যভামা । নাট্যকাৰৰ মতে সত্যভামা এগৰাকী সতিনীদাহ আৰু অহংকাৰৰ প্ৰতিমূৰ্ত্তি, ঠিক যেন আজিৰ নাৰীৰ দৰে । 'হৰমোহন'ৰ অন্তৰ্ভুক্ত মোহিনীৰ চৰিত্ৰও ভাল বেয়াৰ সংমিশ্ৰণত সৃষ্ট । দেৱাসুৰৰ সমুদ্ৰমন্থনত পোৱা অমৃত খুৱাই মোহিনীয়ে সুৰগণক অমৰ কৰিলেও মহেশ্বৰ আৰু যোগেশ্বৰক যিখন নাটক দেখুৱাইছিল তাৰ তুলনা শংকৰী সাহিত্যৰ অন্য ঠাইত বিচাৰি পোৱা নাযায় । মোহময়ী মোহিনীৰ ৰূপৰ বৰ্ণনাও সংস্কৃত সাহিত্যত বিচাৰি পোৱা টান । শ্ৰীৰামচন্দ্ৰৰ পত্নীৰূপে সীতাদেৱী স্বামীপৰায়ণা । নাৰীৰ সহজাত দোষ-গুণৰ সংমিশ্ৰণ ঘটিছে ইয়াত । ভাগৱত পুৰাণৰ আশ্ৰিত গোপিনীসকলৰ চৰিত্ৰৰ মাজেৰে কবিয়ে পৰমাত্মাৰ লগত আত্মাৰ মিলনৰ ইংগিত দি আধ্যাত্মিক দিশটো পৰিস্কাৰ কৰি দেখুৱাইছে । এতিয়া আহোঁ শংকৰদেৱ অংকিত তলখাপৰ চৰিত্ৰ সমূহলৈ । সুমালিনী ধাই, কুঁজীবুঢ়ী, সুদামা মালিনী আদি এই স্তৰৰ চৰিত্ৰ । উচ্চ পৰ্য্যায় চৰিত্ৰাংকণত কবি যেনে সিদ্ধহস্ত ; তেনেদৰে নিম্নখাপৰ চৰিত্ৰ চিত্ৰণতো শংকৰদেৱে পাৰদৰ্শিতা দেখুৱাইছে । এটা কথা স্বীকাৰ কৰিব লাগিব যে সমাজৰ উত্থান-পতনৰ দিশত নাৰীৰ যি ধ্বংসাত্মক ভূমিকা সেইটো নিজৰ ক্ষেত্ৰটো তেওঁ পৰিস্কাৰ কৰি দেখুৱাইছে । তেওঁৰ মতে নাৰীৰ স্থান সমাজৰ উৰ্দ্ধলৈ নিনিলে সমাজ বৰ্ত্তি থাকিব নোৱাৰে ।

# সাম্প্ৰদায়িকতাৰ বিষবাষ্প নাশি সুস্থিৰ সমাজ গঠনত যুৱ-ছাত্ৰৰ ভূমিকা—

কমল ঠাকুৰীয়া
স্নাতক ৩য় বৰ্ষ

একবিংশ শতিকাত ভৰি দিবলৈ বিজ্ঞানৰ সভ্যতাৰে পোহৰ পোৱা মানৱ সমাজে মাথো ৬ বছৰহে অপেক্ষা কৰিব লাগিব। একালে মানৱ সভ্যতা বিজ্ঞানৰ জৰিয়তে যিমানে উন্নতিৰ পথত আগবাঢ়িব লাগিছে, আনহাতে ধ্বংসও মাতি আনিব লাগিছে। আজিৰ এই ক্ৰম-বিকাশমুখী সভ্যতাত তৃতীয় বিশ্বৰ দেশসমূহত সঘনে দেখা দিছে সাম্প্ৰদায়িকতাবাদ। আমি যদি তুলনামূলক বিশ্লেষণ কৰি চাওঁ, তেতিয়া দেখা পাওঁ যে, উন্নত দেশবিলাকৰ তুলনাত উন্নয়নশীল দেশবিলাকত সাম্প্ৰদায়িকতাৰ বলি হোৱা মানুহৰ সংখ্যা বেছি। উন্নয়নশীল দেশ-বিলাকত জনসংখ্যা অত্যধিক হোৱাৰ লগতে বেছিভাগ লোকে অশিক্ষিত আৰু পুৰণা অন্ধবিশ্বাস ৰীতি নীতি আদিত বিশ্বাসভাজন যাৰে সাম্প্ৰ-দায়িকতাবাদে গা কৰি উঠাৰ পথ প্ৰশস্ত হৈ পৰিছে। ২য় মহাযুদ্ধৰ পৰিণতি যিমানেই ভয়ঙ্কৰ নহওঁক কিয়, তাতকৈ বেছি ভয়াবহ হ'ল সাম্প্ৰ-দায়িকতাবাদ। সাম্প্ৰদায়িকতাবাদে এটা সম্প্ৰদায়ে আন এটা সম্প্ৰদায়ক ঘিণ কৰিব শিকাই ; যাৰ ফলত এটা ধৰ্মৰ মানুহে আন এটা ধৰ্মৰ মানুহক ঘৃণাৰ চকুৰে চোৱাৰ উপৰিও ধৰ্ম যুদ্ধ কৰিবলৈ বাধ্য। ইয়াৰ উৎকৃষ্ট উদাহৰণ হ'ল মধ্যযুগত পোপ আৰু ৰজাসকলৰ মাজত চলা ক্ৰুছেদ অথবা ধৰ্মযুদ্ধ।

সাম্প্ৰদায়িকতাবাদৰ লগত ধৰ্মৰ সম্পৰ্ক এটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। আজি কুৰিশতিকাৰ সভ্যতাকো নেওচি সাম্প্ৰদায়িকতাবাদে গা কৰি উঠিছে। উন্নত দেশবিলাকত ধৰ্মৰ ভিত্তিত নহৈ মানুহৰ গাৰ বৰণক লৈ সাম্প্ৰদায়িকতাবাদে গা কৰি উঠিছে। আমেৰিকা যুক্তৰাষ্ট্ৰত নিগ্ৰোসকলক ক'লা বুলি যেনেদৰে ঘিণ কৰাৰ লগতে বগা

চামৰাৰ মানুহে হত্যালীলা আৰম্ভ কৰিছিল, তাৰ ফলত ক'লা আৰু বগা মানুহৰ মাজত যুদ্ধ সংঘটিত হৈছিল। দক্ষিণ আফ্ৰিকাতো ক'লা মানুহৰ যিটো আন্দোলন, এই ক্ষেত্ৰত ৰাষ্ট্ৰ সংঘৰ ভূমিকা উল্লেখনীয়। যুৱ অৱস্থাৰ পৰা আন্দোলনত লিপ্ত হৈ সুদীৰ্ঘ ২৭ বছৰকাল কাৰাবাস খটা নেলচন্ মেণ্ডেলা সমাজৰ নিশ্চয় আদৰ্শ হৈ ৰ'ব।

সাম্প্ৰদায়িকতাই আজি আমাৰ বায়ু মণ্ডল গৰম কৰি তুলিছে। এনেকুৱা এটা যুগসন্ধিত আমাৰ যুৱ-ছাত্ৰসকলে নিশ্চয় প্ৰশংসনীয় ভূমিকা ল'ব পাৰে। আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক। গতিকে যুৱ ছাত্ৰসকলে নিজৰ দেশখনক প্ৰতিনিধিত্ব কৰিব লাগিব। আমাৰ ভাৰতবৰ্ষত বৰ্তমান পৃথিৱীৰ অন্যান্য দেশৰ তুলনাত সাম্প্ৰদায়িকতাবাদ আৰু ধৰ্মান্ধতা বাৰুকৈয়ে শিপাইছে। যাৰ ফলত শিক্ষিত অশিক্ষিত সকলোৰে মন বিদ্ৰোহী হৈ উঠা দেখা গৈছে—এটা সম্প্ৰদায়ে আন এটা সম্প্ৰদায়ৰ বিৰুদ্ধে। স্বাধীনোত্তৰ আগৰ ভাৰতত ইংৰাজ সকলে Divide and rule নীতি প্ৰয়োগ কৰি সাম্প্ৰদায়িকতাৰ বীজ প্ৰথমে সোমাই দিয়ে। যাৰ প্ৰকৃত উদাহৰণ আমি ইতিহাসৰ পাত লুটিয়াই চালে পাওঁ। ১৯০৫ চনত মুছলিম সম্প্ৰদায়ক প্ৰতিনিধিত্বৰ বাবে মুছলিম লীগ, ১৯৪৭ চনত ভাৰত বিভাজন, বংগ বিভাজনৰ ফলত চৌৰিচৰাত হিন্দু-মুছলমানৰ মাজত হোৱা সংঘৰ্ষ ইত্যাদি।

স্বাধীনতা লাভৰ আজি ৪৫ বছৰ পিছতো আমাৰ ভাৰতবৰ্ষত সাম্প্ৰদায়িক সংঘৰ্ষ বিৰাজমান। সাম্প্ৰদায়িকতাৰ বিষবাষ্প নাশিবলৈ আমাৰ যুৱ-ছাত্ৰসকল আগবাঢ়ি আহিব লাগিব। ভাৰতৰ সংবিধানৰ মূল আদৰ্শ আগত ৰাখি মহান ভাৰতীয় জাতি গঠনত যুৱ-ছাত্ৰসকলে অশিক্ষিত শ্ৰেণীটোক প্ৰতিনিধিত্ব কৰিব লাগিব। ভাৰতীয় সংবিধানে কোনো ৰাষ্ট্ৰীয় ধৰ্মৰ পোষকতা নকৰাৰ লগতে কোনো সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব কৰা নাই। গতিকে আমাৰ ভাৰতবৰ্ষতো যে সাম্প্ৰদায়িক সংঘৰ্ষ হ'ব ই চিন্তনীয় বিষয়।

আজি ভাৰতীয় ৰাজনীতিও সাম্প্ৰদায়িক ভিত্তিত হৈছে। গতিকে যুৱ-ছাত্ৰসকলে লেতেৰা ৰাজনীতি কৰা মুখা পিন্ধা সমাজবাদী নেতাসকলৰ চৰিত্ৰ ৰাইজৰ আগত প্ৰকাশ কৰি দিব লাগিব। ভাৰতত যি সাম্প্ৰদায়িকতাবাদে গা কৰি উঠিছে তাৰ প্ৰকৃত কাৰণ হ'ল--ৰাজনৈতিক মুনাফা আদায়ৰ বাবে Election ত প্ৰতিনিধিত্ব কৰা ব্যক্তিসকল। যুৱ-ছাত্ৰসকলে সাম্প্ৰদায়িক ভিত্তিত যাতে Election অনুষ্ঠিত নহয় তাৰ বাবে চকু দিব লাগিব।

আজিৰ সমাজ জীৱন ভয়াবহপূৰ্ণ হৈ পৰিছে। কেতিয়া কাৰ মৃত্যু হয় ঠিক নাই। সুস্থিৰ সমাজ জীৱন আজি প্ৰায় বাধাগ্ৰস্থ হৈ পৰিছে। সমাজত দেখা দিয়া বিশৃংখলতা, স্বজনপ্ৰীতি আদিৰ মূখ্য কাৰণ হৈ পৰিছে সাম্প্ৰদায়িক সংঘৰ্ষ। আমাৰ যুৱ ছাত্ৰসকল এনেকুৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰা আঁতৰত থকাৰ লগতে আনকো এনেকুৱা হোৱাৰ বাবে উপদেশ দিব পাৰে।

বৰ্তমান পৰিস্থিতিত আমাৰ দেশত একতা বজাই ৰখাটো বৰ প্ৰয়োজনীয় হৈ পৰিছে।

ৰ ছাত্ৰসকলৰ অবিহনে সুস্থিৰ সমাজ গঠন ৰাটো সপোনৰ কথাৰ দৰেহে হ'ব। আজি াৰতত অখণ্ডতা ৰক্ষাৰ বাবেই বিৰাট প্ৰত্যা-বান আহি পৰিছে। পঞ্জাৱত শিখ সম্প্ৰদায়ে ালিস্থানৰ দাবী কৰিছে, জম্বু আৰু কাশ্মীৰত ছলিম সম্প্ৰদায়ে স্বাধীন জম্বু আৰু কাশ্মীৰৰ াবী উত্থাপন কৰাৰ লগতে উত্তৰ পূৰ্ব্বাঞ্চলৰ াজ্যকেইখনো এনেকুৱা পৰ্য্যায়ৰ পিনে আগবাঢ়ি াৰ ধৰিছে। যুৱ-ছাত্ৰসকলে আন্দোলন কৰি লেও এনেকুৱা সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে মাত াতিব লাগিব। এই ক্ষেত্ৰত সকলো সম্প্ৰদায়ৰ ুৱ ছাত্ৰসকলৰ সহায়ৰ নিতান্তই প্ৰয়োজন। ভাৰতবৰ্ষ যিহেতু বহু জাতি, ধৰ্ম সম্প্ৰদায়ৰ লাকেৰে পৰিপূৰ্ণ, গতিকে যুৱ ছাত্ৰসকলে এক গোট হৈ সকলোৰে সমান অধিকাৰ দাবী কৰিব লাগিব।

ভাৰতৰ স্বাধীনতা যুদ্ধৰ কালছোৱাত সাম্প্ৰ-দায়িকতাবাদে গা কৰি উঠা বাবে বৃটিছৰ পৰা স্বাধীনতা পাবলৈ ২০০ বছৰ ৰণ কৰিবলগীয়াত পৰিছিল। অন্ধবিশ্বাসে সেই সময়ত মানুহৰ মন কলুষিত কৰিছিল। হৰিজন সকল অৱহেলিত হৈ পৰিছিল। মহাত্মা গান্ধীৰ নেতৃত্বত তেতিয়াৰ যুৱ সমাজে হৰিজন সকলৰ মুক্তিৰ বাবে আগবাঢ়ি আহিছিল। যদিহে সেই সময়ত ভাৰতত সাম্প্ৰ-দায়িকতাৰ বিৰুদ্ধে যুৱ সমাজ আগবাঢ়ি নাহিল হঁতেন, তেতিয়া হ'লে ভাৰত আজিও পৰাধীন হৈ থাকিলহঁতেন।

প্ৰাক্ ঐতিহাসিক যুগৰে পৰা আমাৰ ভাৰতত বিভিন্ন ভাষা ভাষী সম্প্ৰদায়ৰ লোক বাস কৰি আহিছে। বৰ্তমানেও ই আমাৰ ভাৰতীয় সভ্য-তাত বিৰাজমান। বৰ্তমান আমাৰ ভাৰতত ঐক্যতাৰ প্ৰতি বিৰাট ব্যৱধানত প্ৰত্যাহ্বান আহি পৰিছে। ইয়াৰ বাবে যুৱ ছাত্ৰসকলে ককালত টঙালি বান্ধিবৰ সময় হ'ল। বিদেশী ৰাষ্ট্ৰবোৰৰ পাকচক্ৰত আমাৰ ভাৰতত্তো আজি সাম্প্ৰদায়িক সংঘৰ্ষ বিৰাজমান। বিদেশৰ সাম্প্ৰদায়িক ঘটনা-ৱলীয়ে যাতে আমাৰ ভাৰতক চুই যাব নোৱাৰে তাৰ বাবে যুৱ-ছাত্ৰসকল সতৰ্ক হৈ থকা উচিত। ইয়াৰ উপৰিও সম্প্ৰদায়ৰ ভিত্তিত যাতে কোনেও লেভেৰা ৰাজনীতি কৰিব নোৱাৰে তাৰ বাবে যুৱ-ছাত্ৰসকলে অশিক্ষিত শ্ৰেণীটোক প্ৰতিনিধিত্ব কৰিব লাগিব।

যেতিয়ালৈকে কোনো এখন দেশ বা ৰাজ্যত সাম্প্ৰদায়িক সংঘৰ্ষ হৈ থাকে তেতিয়ালৈ তাত সুস্থিৰ সমাজ গঠন হ'ব নোৱাৰে। আজি ভাৰতীয় সংবিধানৰ পবিত্ৰতা উদণ্ড ৰাজনীতিজ্ঞ সকলে নষ্ট কৰিছে। ভাৰতীয় সংবিধানৰ পবি-ত্ৰতা যাতে নষ্ট নহয় তাৰবাবে আমাৰ যুৱ-ছাত্ৰ সকলে গণ আন্দোলন কৰি হ'লেও উদণ্ড ৰাজ-নীতিজ্ঞ সকলক বাধা দিব লাগিব। নৱৈৰ দশকটো ভাৰত বুৰঞ্জীত এটা কলংকিত অধ্যায় হিচাবে চিহ্নিত হৈ ৰ'ব। ৬ ডিচেম্বৰ '৯২ তাৰিখে অযোধ্যাত যি ধ্বংসলীলা হৈ গ'ল— ই ভাৰতীয় ধৰ্মনিৰপেক্ষতাবাদৰ ওপৰত চৰম কুঠাৰা-ঘাট আনি দিলে আৰু সাম্প্ৰদায়িকতাবাদ জোৰদাৰ হৈ পৰিল। ৪৩০ বছৰ পুৰণি বাবৰি মছজিদ উগ্ৰ হিন্দু কৰসেৱক সকলে ধ্বংস কৰি দিলে। ৰাজনৈতিক মুনাফা আদায়ৰ বাবে কৰা এই

ধ্বংসলীলাৰ প্ৰভাৱ অকল ভাৰততে নপৰি পৃথিৱীৰ অন্যান্য দেশবোৰতো ইয়াৰ প্ৰভাৱ নপৰাকৈ নাথাকিল। বিভিন্ন দেশতো ব্যাপক ধ্বংস কাৰ্য্য চলিল। হাজাৰ হাজাৰ মানুহৰ মৃত্যু হ'ল। হিন্দুৱে মছজিদ আৰু মুছলমানে মন্দিৰ ধ্বংস কৰিলে। সামান্য ৰাজনৈতিক মুনাফা আদায়ৰ বাবে এই ধ্বংস কাৰ্য্য, হত্যা, লুণ্ঠন। এনেকুৱা এটা ডাঙৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বৰ বাবে যুৱ-ছাত্ৰসকলে নিশ্চয় প্ৰশংসনীয় ভূমিকা লব পাৰে। ভাৰতত হিন্দু আৰু মুছলমানৰ যি একতা তাক এটা উদাহৰণৰ দ্বাৰা উল্লেখ কৰিব পাৰি। আকবৰৰ ৰাজত্ব কালত, ৰামসিংহক সেনাপতি পতাটোই ইয়াক ভালকৈ উপলব্ধি কৰিব পাৰি।

ভাৰতত হিন্দু মুছলমানক লৈ চলা এই সাম্প্ৰদায়িক সংঘৰ্ষৰ বাবে ভাৰতৰ উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, বিশ্ব হিন্দু পৰিষদ, জামায়ৎ-ঈ ইছলামী, বজৰং দল আৰু ইছলামীক সেৱক সংঘক বেআইনী বুলি ঘোষণা কৰিছে। কিন্তু ইয়াৰ দ্বাৰা প্ৰকৃত সমস্যাৰ সমাধান হৈ নাযায়। আমাৰ যুৱ-ছাত্ৰসকলে হিন্দু মুছলমানৰ একতাৰ বাবে পুনৰ চেষ্টা কৰিব লাগে আৰু ভাৰত চৰকাৰক সকীয়াই দিব লাগে যে লেতেৰা ৰাজনীতি কৰিবৰ বাবে ভাৰত চৰকাৰ নহয়— গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতাবাদ ৰক্ষাৰ বাবেহে ভাৰত চৰকাৰ।

শংকৰদেৱ আৰু আজান পীৰৰ দেশ অসমতো ইয়াৰ প্ৰভাৱ নপৰাকৈ নাথাকিল। বুৰঞ্জী বিখ্যাত পাথৰিঘাটত যত হিন্দু-মুছলমানৰ ভেদাভেদ নাছিল তাতো ই ভয়ানক ৰূপ ধাৰণ কৰে। বহুতো হিন্দু-মুছলমানৰ লোক তাত নিধন হয়। ইয়াৰ উপৰি হোজাই মহকুমাত ইয়াৰ পৰিস্থিতি তীব্ৰতৰ হৈ পৰে। এই ক্ষেত্ৰত আমাৰ যুৱ-ছাত্ৰসকলো লিপ্ত হোৱা দেখা যায়। অসমৰ বৰ্তমান পৰিস্থিতি অতি ভয়াবহ। এই ক্ষেত্ৰত সকলো গোষ্ঠীৰ যুৱ-ছাত্ৰসকলে অখণ্ড অসমৰ দাবী উত্থাপন কৰিব লাগিব আৰু জনসাধাৰণক এইটো দিশত পতিয়ন নিয়াব লাগিব যে সাম্প্ৰদায়িক ভিত্তিত বড়োলেণ্ড, উদয়াচল, ৰাভা হাছং লালুং দৰবাৰ হ'লে প্ৰকৃত সমাধান হৈ নাযায়। অসমখন যিহেতু আগৰ পৰাই বিভিন্ন সম্প্ৰদায়ৰ বাসভূমি, গতিকে সকলো সম্প্ৰদায় মিলি পূৰ্বৰে পৰা এক বৃহৎ অসমীয়া জাতি গঠন হৈ আহিছে। এই ক্ষেত্ৰত সম্প্ৰদায় ভিত্তিত ৰাজ্য গঠন হোৱাতো অযুক্তিৰ আৰু অসমীয়া বুলি ভেতিয়া কোনো নাথাকিব।

ওপৰৰ আলোচনাৰ পৰা এইটো কথাত স্পষ্ট হ'ব পৰা যায় সকলো সম্প্ৰদায়ৰে সমান অধিকাৰ থকা উচিত। এই ক্ষেত্ৰত যুৱ-ছাত্ৰসকলে সাম্প্ৰদায়িকতা বিনাশ কৰিবৰ বাবে চেষ্টা কৰিব লাগিব আৰু এইটো জনসাধাৰণক এইদৰে বুজাব লাগিব যে ৰাজনৈতিক মুনাফা আদায়ৰ বাবে সাম্প্ৰদায়িকতাবাদ আমাৰ মাজত প্ৰচলন কৰি দি ভাই ভাইৰ মাজত কাজিয়া লগাই এচামে ৰাজসিংহাখন লাভ কৰিছে। এই ক্ষেত্ৰত সৰ্ব্ব সাধাৰণ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে সাম্প্ৰদায়িকতাবাদৰ বলি হ'ব লগা হৈছে।

★ ★

# সুস্থ যুৱ-মানসিকতা গঢ়াত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ভূমিকা

● বানেশ্বৰ দাস
প্ৰবক্তা, ৰাজনীতি বিভাগ ।

প্ৰত্যেক দেশৰেই যুৱ সমাজ শক্তিৰ প্ৰতীক । বিচিত্ৰময় চৰিত্ৰ অফুৰন্ত শক্তি দুঃসাহসিক প্ৰকৃতি সৃষ্টিশীল মনোভাব আৰু বিশেষ গুণেৰে সমৃদ্ধ যুৱ সমাজে সকলো দেশতে সমাজৰ আন শ্ৰেণীৰ তুলনাত জাতি গঠনৰ কামত বিশেষ অৰিহণা যোগাই আহিছে । দেশৰ এই যুৱ শক্তিৰ সঠিক উদ্দেশ্যেৰে সমাজৰ উন্নয়নৰ কামত উপযুক্তভাবে নিয়োজিত কৰিব পৰাৰ ওপৰতে এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে । যি দেশত যুৱ শক্তিক এক শৃংখলাবদ্ধভাবে জাতি গঠনৰ কামত ব্যৱহাৰ কৰাৰ পৰিকল্পনা নাই, সেই দেশৰ ভৱিষ্যত অন্ধকাৰ ।

বিভিন্ন ধৰ্মীয় আৰু সামাজিক অন্ধবিশ্বাস কু-প্ৰথা, পৰম্পৰা, নিৰক্ষৰতা আদি বিভিন্ন সমস্যাই সামাজিক উন্নয়নত বাধা স্বৰূপ হৈ থকা ভাৰতবৰ্ষৰ দৰে দেশত যুৱ সমাজৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ । আমাৰ সমাজ ব্যৱস্থাত থকা উক্ত সমস্যা সমূহ প্ৰত্যাহ্বান হিচাপে লৈ সমাজ উন্নয়নৰ পথ গতিশীল কৰি এখন সুন্দৰ আধুনীক ভাৰতবৰ্ষ গঢ়াত যুৱসমাজৰ ভূমিকা অতি প্ৰয়োজন হৈ পৰিছে । বিচ্ছিন্নতাবাদ, সম্প্ৰদায়িকতাবাদ, সন্ত্ৰাসবাদ, আদি বিভিন্ন সমস্যাই বৰ্ত্তমান ভাৰতবৰ্ষৰ অখণ্ডতাৰ প্ৰতি প্ৰত্যাহ্বান হিচাবে থিয় দিছে । দেশৰ এনে সন্ধিক্ষণত বৰ্ত্তমান আৰু ভৱিষ্যতৰ যুৱ সমাজক মাননীয় প্ৰমূখ্যবোধৰ প্ৰতি সচেতন কৰি ভাতৃত্ববোধ আৰু একতাৰ মন্ত্ৰেৰে উপযুক্ত প্ৰশিক্ষণ দি জাতি গঠনৰ কামত ব্যৱহাৰ কৰাৰ ওপৰতে আমাৰ দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে ।

বৰ্ত্তমানৰ যুৱ-সমাজৰ মানসিকতাৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে এতিয়াৰ যুৱ-সমাজ-সমাজ জীৱনৰ বিভিন্ন সমস্যাৰ প্ৰতি তেনেই আওঁকণীয়া ভৱিষ্যত অৰ্থনৈতিক নিৰাপত্তা দিব নোৱাৰা বৰ্ত্তমান শিক্ষা ব্যৱস্থাই বৰ্ত্তমানৰ যুৱ সমাজক হতাশাগ্ৰস্থ কৰি তুলিছে । অন্ধকাৰ ভৱিষ্যতৰ কথা চিন্তা কৰি বৰ্ত্তমান যুৱ সমাজৰ কিছু অংশক সামাজিক সমস্যা সমূহৰ প্ৰতি উদাসীন হবলৈ

বাধ্য কৰাইছে নতুবা অসামাজিক কাৰ্য্যকলাপত লিপ্ত হৈ সমাজ জীৱনলৈ অশান্তি মাতি আনিছে। সমাজ উন্নয়নৰ মূল শক্তি হোৱাৰ স্বত্বেও আমাৰ ভাৰতবৰ্ষত যুৱ শক্তিক উপযুক্ত আৰু পৰিকল্পিত ভাবে জাতি গঠনৰ কামত ব্যৱহাৰ কৰাৰ পৰিবৰ্ত্তে ইয়াক ভুল পথে পৰিচালিত কৰাহে দেখা যায়। ফলস্বৰূপে যুৱ শক্তিৰ অধিক অংশই সুস্থ আৰু গঠনমূলক চিন্তা চৰ্চাৰ পৰিবৰ্ত্তে বিপ্লৱী আৰু ধ্বংসাত্মক কাৰ্য্যকলাপৰ প্ৰতিহে বেছি আগ্ৰাহান্বিত হৈ পৰিছে। যুৱ শক্তিৰ এনে অপচয়ত সমাজৰ বহুতে যুৱ সমাজৰ প্ৰতি বিৰূপ মনোভাৱহে পোষণ কৰি আহিছে। কিন্তু যুব শক্তিক উপযুক্ত স্বীকৃতি দি জাতি গঠনৰ কামত তেওঁলোকৰ অফুৰন্ত শক্তি, যোগ্যতা আৰু সৃষ্টিশীল গুণৰাশিক শৃংখলাবদ্ধ কৰি সুষ্ঠ মানসিকতা গঢ়িতোলাত বিশেষ গুৰুত্ব দিয়া নাযায়। এই ক্ষেত্ৰত চৰকাৰৰ সু-চিন্তিত আৰু সু-পৰিকল্পিত আঁচনিৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য্য।

দায়িত্বশীল আৰু সচেতন নাগৰিক অবিহনে এখন নতুন আৰু প্ৰগতিশীল সমাজ গঢ়ি উঠা অসম্ভৱ। বৰ্ত্তমানৰ যুৱ সমাজেহে দেশৰ এই অভাৱ পুৰণ কৰিবলৈ সমৰ্থ। স্বাধীনতা প্ৰিয় নতুন আৰু প্ৰগতিশীল আদৰ্শৰ পোষকতা কৰা যুৱ শক্তিক চিনাক্ত কৰি নতুন সমাজ গঢ়াত এবাৰ সঠিকভাবে ব্যৱহাৰ কৰিব পাৰিলেই তাৰ সুফল দেশে অভাবণীয় ভাবে লাভ কৰাটো নিশ্চিত।

এখন দেশত সুষ্ঠ যুৱ মানসিকতা গঢ়ি তুলিবলৈ হলে এটা উপযুক্ত শিক্ষা ব্যৱস্থাৰ দ্বাৰাহেই সম্ভৱ হব পাৰে। ছাত্ৰ-ছাত্ৰীক শিক্ষা লাভৰ কাল ছোৱাতে সামাজিক দায়বদ্ধতাৰ শিক্ষা দি তেওঁলোকৰ মনত সামাজিক সচেতনতা গঢ়ি তুলিব নোৱাৰিলে, দেশে উপযুক্ত সচেতন নাগৰিক আশা কৰিব নোৱাৰে। একমাত্ৰ পুথিগত জ্ঞানে সামাজিক দায়বদ্ধতা আৰু সামাজিক সচেতনতা গঢ়াত ছাত্ৰ-ছাত্ৰীক বিশেষ সহায় কৰিব নোৱাৰে। সেয়ে পুথিগত জ্ঞানৰ লগতে তেওঁলোকক সমাজ জীৱনৰ বিভিন্ন সমস্যাৰ বাস্তৱসন্মত জ্ঞান লাভৰ সুবিধা দিয়াটো নিত্যান্ত আৱশ্যক। সমাজসেৱাৰ মাধ্যমেৰে ছাত্ৰ সমাজক এনে বাস্তৱসন্মত জ্ঞান লাভৰ সুবিধা দিব পৰা যায়।

ভাৰতবৰ্ষত ছাত্ৰ সমাজক সমাজ সেৱাৰ কামত নিয়োজিত কৰাৰ ধাৰণা পুৰণি যদিও, মহামানৱ মহাত্মাগান্ধীকে সমাজ সেৱাৰ আদৰ্শ পুৰুষ বুলিব পাৰি। দেশৰ আন আন শ্ৰেণীৰ লগতে ছাত্ৰ সমাজকো তেওঁ সমাজ সেৱাৰ কাৰ্য্যসূচীৰ প্ৰতি দায়বদ্ধ কৰিবলৈ বাস্তৱমুখী আঁচনি প্ৰস্তুত কৰিছিল। ছাত্ৰ সমাজৰ দায়বদ্ধতাৰ কথা উন্নুকিয়াই তেওঁ কৈছিল— "The first duty of the students should be not to treat their period of study as one of the opportunties for indulgence in intellectual luseury. but for preparing themselves for final de.dication in the service of those on whose back they residing of day. অৰ্থাৎ ছাত্ৰসমাজে নিজৰ সুখৰ বাবেই শিক্ষা লাভ কৰিলে নহব, যি সকলৰ কান্ধত তেওঁলোকে শিক্ষা লাভ কৰিছে সেই সকলৰ উন্নয়নৰ স্বাৰ্থত সেৱা আগবঢ়োৱাৰ দায়িত্বও তেওঁলোকে লব লাগিব। এনেদৰে মহা-মানৱ মহাত্মা গান্ধীয়ে ছাত্ৰ সমাজক জন-

জীৱনৰ লগত জড়িত কৰিব বিচাৰিছিল।

স্বাধীনতাৰ পাছত ড° ৰাধাকৃষ্ণনৰ নেতৃত্বত গঠিত বিশ্ববিদ্যালয় আয়োগেও ছাত্ৰ সমাজক স্বেচ্ছামূলক ভাবে সমাজ সেৱাৰ কামত নিয়োজিত কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। ইয়াৰ পাছত ১৯৫০ চনৰ জানুৱাৰী মাহত বহা কেন্দ্ৰীয় পৰামৰ্শ কাৰী শিক্ষা বোৰ্ডে অনুৰূপ মত পোষণ কৰি ছাত্ৰসমাজক শিক্ষা গ্ৰহণৰ সময় চোৱাৰ ভিতৰতে কিছু সময় স্বেচ্ছামূলক ভাৱে শিক্ষকৰ তত্বাবধানত শ্ৰমদান কাৰ্য্যত নিয়োজিত হোৱাটো বিচাৰিছিল। ১৯৫২ চনৰ ১ম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আঁচনিত এনে ধাৰণাই গুৰুত্ব লাভ কৰিছিল আৰু কিছু সংখ্যক শিক্ষানুষ্ঠানত সমাজ সেৱাৰ কাৰ্য্যসূচী ৰূপায়ণ কৰা হৈছিল। ১৯৫৮ চনত তেতিয়াৰ প্ৰধান মন্ত্ৰী জৱহৰলাল নেহৰুৱে মুখ্য মন্ত্ৰী সকলৰ সন্মিলনত এক ৰাষ্ট্ৰীয় সমাজসেৱা আঁচনিৰ অধীনত ছাত্ৰ সমাজক জড়িত কৰাৰ পৰামৰ্শ দিয়াৰ লগতে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰনালয়লৈ এই ক্ষেত্ৰত উপযুক্ত আঁচনি তৈয়াৰ কৰাৰ নিৰ্দেশ দিছিল। ১৯৫৯ চনত দেশৰ শিক্ষামন্ত্ৰীসকলৰ সন্মিলনত এখন আঁচনি তৈয়াৰ কৰে আৰু সন্মিলনৰ পৰামৰ্শ অনুসৰি ড° চি. ডি. দেশ মুখৰ সভাপতিত্বত "National Service Committee" নামেৰে এখন সমিটি গঠন কৰে। উক্ত সমিটিয়ে সমাজ সেৱাক শিক্ষানুষ্ঠানত বাধ্যতামূলক কৰিব বিচাৰি দিয়া পৰামৰ্শ চৰকাৰৰ গ্ৰহণযোগ্য নোহোৱাত বিশ্বৰ অন্য দেশত ছাত্ৰসমাজক কি পদ্ধতিৰে সমাজ সেৱাত নিয়োজিত কৰা হৈছে, তাৰ অধ্যয়ণৰ বাবে ১৯৬০ চনত ভাৰত চৰকাৰে পঠিয় Prof. K. G Saiyidin ক বিদেশ ভ্ৰমণলৈ পঠায়। Prof. K. G. Saiyidin—এ স্বেচ্ছামূলক ভাৱে শিক্ষানুষ্ঠানত সমাজসেৱাৰ বিভিন্ন কাৰ্যসূচী ৰূপায়নত পৰামৰ্শ আগবঢ়ায়। ১৯৬৪-৬৬ চনত গঠিত কোঠাৰী আয়োগে আগবঢ়োৱা অনুৰূপ পৰামৰ্শৰ ওপৰত ভিত্তি কৰি ১৯৬৭ চনৰ এপ্ৰিল মাহত বহা শিক্ষামন্ত্ৰী সকলৰ সন্মিলনে বিশ্ববিদ্যালয় পৰ্য্যায়ত N. C. C. ত অংশ গ্ৰহণ নকৰা ছাত্ৰ-ছাত্ৰীসকলক National Service Scheme (N. S. S) নামেৰে ৰাষ্ট্ৰীয় সমাজ সেৱা আঁচনিৰ অধীনত সমাজ সেৱাৰ কাৰ্য্যসূচীত নিয়োজিত কৰাৰ পৰামৰ্শ দিয়ে। ইয়াৰ পাছত ১৯৬৭ চনৰ চেপ্তেম্বৰ মাহত বহা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যসকলৰ সভাত আৰু কেন্দ্ৰীয় শিক্ষা-মন্ত্ৰনালয় আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ আহ্বানক্ৰমে নিয়োজিত হোৱা দেশৰ ছাত্ৰ প্ৰতিনিধিসকলে আদৰণি জনোৱাত "ৰাষ্ট্ৰীয় সেৱা আঁচনি" (National service scheme) নামেৰে এক কেন্দ্ৰীয় সমাজ সেৱাৰ আঁচনি প্ৰস্তুত কৰি তেতিয়াৰ শিক্ষামন্ত্ৰী ড° ভি, কে, আৰ, ভি ৰাৱে ১৯৬৯ চনৰ ২৪ চেপ্তেম্বৰ তাৰিখে সমগ্ৰ দেশৰ ৩৭ খন বিদ্যালয়ত উক্ত আঁচনিৰ শুভাৰম্ভ কৰে।

প্ৰথম অৱস্থাত মাত্ৰ ৪০,০০০ ছাত্ৰ ছাত্ৰীক সামৰিবলৈ আৰম্ভ কৰা উক্ত সমাজ সেৱা আঁচনিয়ে ছাত্ৰ সমাজৰ পৰা অফুৰন্ত সঁহাৰি লাভ কৰে। বৰ্ত্তমান সমগ্ৰ দেশৰ প্ৰায় ১১৭ খন বিশ্ববিদ্যালয়ৰ ১০ লাখ ছাত্ৰ-ছাত্ৰীক সামৰিবলৈ বিভিন্ন সমাজ উন্নয়নমুলক কাম-কাজত তেওঁ-

লোকক জড়িত কৰি গ্ৰাম্য উন্নয়নৰ লগতে ছাত্ৰ ছাত্ৰীক আৰু গাৱঁবাসীৰ মাজত জাতীয় সংহতি, ভাতৃত্ববোধ আৰু সামাজিক দায়ীত্ববোধ গঢ়ি তোলাত ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় সমূহৰ শিক্ষিত যুৱ-সমাজক গ্ৰাম্য সমাজ জীৱনৰ লগত নিবিড় ভাৱে জড়িত কৰি পিছপৰা গাওঁ অঞ্চলৰ বিভিন্ন আৰ্থ সামাজিক সমস্যাৰ বাস্তৱ জ্ঞান লাভৰ সুযোগ দিয়া আৰু উক্ত সমস্যাসমূহ গাৱঁবাসীৰ সহযোগত সমাধানৰ প্ৰচেষ্টা চলোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰধান উদ্দেশ্য উচ্চ শিক্ষাৰে শিক্ষিত শ্ৰেণীয়ে নগৰীয়া জীৱন যাপনৰ প্ৰতি আগ্ৰাহান্বিত হোৱাত আমাৰ দেশত বৰ্ত্তমান গাৱঁলীয়া সমাজ জীৱনৰ পৰা শিক্ষিত শ্ৰেণী আৰু গাৱঁবাসীৰ মাজত গঢ়ি উঠা এই ব্যৱধান আঁতৰ কৰি পাৰস্পৰিক সহযোগিতাৰ ভিত্তিত সামাজিক দ্বায়বদ্ধতা সম্পৰ্কে সচেতনতা বৃদ্ধি কৰি সুনাগৰিক গঢ়ি তোলাত উক্ত আঁচনিৰ আন এক মুল লক্ষ্য।

ওপৰোক্ত আদৰ্শ আৰু লক্ষ্যসমূহৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰীয় সেৱা আঁচনিত মূলতঃ দুই ধৰণৰ কাৰ্য্যসূচীৰ (নিয়মীয়া আৰু বিশেষ) জৰিয়তে সমাজ উন্নয়নৰ বিভিন্ন কাম-কাজ ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে। নিয়মীয়া কাৰ্য্যসূচীৰ অধীনত একোখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এটা শিক্ষা বৰ্ষত এখন অনুন্নত গাওঁ বাছি লৈ গাওঁখনৰ উন্নয়নৰ ক্ষেত্ৰত গাৱঁবাসীৰ সহযোগত প্ৰতি সপ্তহত এদিন বা প্ৰতিদিনে পাঠ গ্ৰহণৰ অন্তত কিছুসম সেৱা আগবঢ়াব পাৰে। বিশেষ কাৰ্য্যসূচী (Special Campins Programme) অধীনত গৰমৰ বন্ধ বা পূজাৰ বন্ধৰ সময়ত ১০ দিনীয় এক শিৱিৰ অনুষ্ঠিত কৰি নিৰ্দিষ্ট গাওঁখনত (Adopted Village) ছাত্ৰ ছাত্ৰীয়ে এক বিশেষ আঁচনি লৈ গাওঁখনৰ উন্নয়নৰ কাম কৰিব পাৰে। গাওঁ উন্নয়নৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে সহজে ৰূপায়ন কৰিব পৰা সমাজ সেৱা সমূহৰ ভিতৰত প্ৰধানত নিৰক্ষৰতা দূৰ কৰা, ক্ষুদ্ৰ জলসিঞ্চনৰ ব্যৱস্থা কৰা কৃষি ভিত্তিক ফল-মূলৰ আঁচনি লোৱা, স্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচন্নতাৰ প্ৰতি গাৱঁবাসীক সচেতন কৰা, গ্ৰাম্য সমবায় গঢ়ি তোলা, ৰাস্তা ঘাটৰ উন্নয়ন, প্ৰাপ্তবয়স্ক শিক্ষা. সামাজিক নিৰাপত্তা সম্পৰ্কে গাৱঁবাসীক সচেতন কৰা, সভা সমিতি অনুষ্ঠিত কৰি গ্ৰাম্য সমস্যা সম্পৰ্কে আলোচনা কৰা, প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সাহায্য আগ বঢ়োৱা, পৰিয়াল পৰিকল্পনাৰ বিভিন্ন আঁচনি প্ৰতি গাৱঁবাসীক আকৰ্ষিত কৰা, ক্ষুদ্ৰ সঞ্চয় মনোভাৱ গঢ়ি তোলা আদি বিভিন্ন কাৰ্য্যসূ গাৱঁবাসীৰ আৱশ্যকতাৰ ওপৰত ভিত্তি কৰি গ্ৰহণ কৰিব পাৰি।

কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন দপ্তৰৰ সৌজন্য আৰু ৰাজ্যিক চৰকাৰ সমূহৰ সহযোগত দেশ বিভিন্ন বিশ্ববিদ্যালয় সমূহৰ তত্বাৱোধনত মহা বিদ্যালয়বোৰত উক্ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাম কাজ যোৱা ১৯৬৯ চনৰ পৰা ৰূপায়িত হৈ আহিছে। ভাৰতবৰ্ষৰ নতুন শিক্ষা-নীতিতে উক্ত আঁচনিয়ে ইতিমধ্যে যথেষ্ট গুৰুত্ব লা

কৰিবলৈ সক্ষম হৈছে আৰু N. C. C. বা N. S. S. যি কোনো এটাক ছাত্ৰ-ছাত্ৰীৰ বাবে বাধ্যতামূলক কৰাৰ চিন্তা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ১৯৯৩ চনৰ ২৪ চেপ্তেম্বৰৰ পৰা ১৯৯৪ চনৰ আগষ্টলৈ সম্পূৰ্ণ এটা বছৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ২৫ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে ৰূপালী বৰ্ষ উদ্‌যাপনৰ ব্যৱস্থা কৰাত বৰ্ত্তমান আঁচনিয়ে সমগ্ৰ দেশতে বিশেষ গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে যদিও উত্তৰ পূৰ্ব্বাঞ্চলত বিশেষকৈ অসমত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাম-কাজ সন্তোষজনক বুলিব নোৱাৰি।

আমাৰ ৰাজ্যৰ সমস্যাবহুল সমাজ ব্যৱস্থাৰ পৰিপেক্ষিতত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দৰে কাৰ্য্যসূচীত ছাত্ৰ-ছাত্ৰীক জড়িত কৰাৰ আৱশ্যকতা নুই কৰিব নোৱাৰি।

এইক্ষেত্ৰত ৰাজ্যিক চৰকাৰ, বিশ্ববিদ্যালয় আৰু উক্ত আঁচনিৰ লগত জড়িত সকলো লোকৰ সমূহীয়া প্ৰচেষ্টা অপৰিহাৰ্য্য।

"বিশ্ববিদ্যালয় থিয় দিয়ে মানৱতাৰ হকে, সহিষ্ণুতাৰ হকে, মুক্তিৰ হকে, ভাৱধাৰাৰ জয় যাত্ৰাৰ হকে আৰু সত্য অন্বেষণৰ হকে। ই থিয় দিয়ে উচ্চতৰ উদ্দেশ্যৰাজি পৰিপূৰ্ণ কৰিবৰ নিমিত্তে, মানৱ জাতিৰ অগ্ৰগতিৰ অৰ্থে। যদি বিশ্ববিদ্যালয়বোৰে নিজ নিজ দায়িত্ব সুচাৰুপে পালন কৰিব পাৰে, তেনেহলে জাতিৰো কল্যাণ, জনগণৰো কল্যাণ। কিন্তু বিদ্যাৰ মন্দিৰটোৱেই যদি সঙ্কীৰ্ণ ধৰ্মান্ধতা আৰু নীচাত্মক উদ্দেশ্যৰাজিৰ লীলাভূমি হয়, তেনেহলে জাতিয়ে উন্নতি সাধিব কেনেকৈ আৰু মানুহো প্ৰশস্তমনা হব কেনেকৈ।

—জৱাহৰলাল নেহৰু—

( বিশ্ববিদ্যালয়ৰ কৰ্ম )

# কবিতা

# তাইৰ মৃত্যুৰ পিছত

★ নৰজিৎ দাস
স্নাতক, ২য় বৰ্ষ।

চৌদিশে মোৰ লঠঙা পাহাৰ
কোবাল বতাহ
শিল ভাঙি নামি আহে
পৃথিৱীৰ শেহতীয়া নিশ্বাস।

হাতুৰীটো মোক দিয়া
শিল কাটি চোলা বনাওঁ
তাইৰ ছিন্ন-চেঁচা স্তনত—আবুৰ দিবলৈ।

জোনাকৰ দৰে কোমল কলাফুল
ফুল হেন শীতল দুগাল
ফুট্ গধূলীও পৰি ৰ'ল মৰা পথাৰত
হাঁহাকাৰ কৰিছে তাইৰ দীঘল ডিঙিটোৰে
ধুমুহাৰ সাগৰত নাওঁবোৰৰ দৰে।

বিনিদ্ৰ ৰজনি
অশান্ত বাষ্প
এতিয়া ইয়াত সকলো আছে, এজোৰে নাই।

হেজাৰটা শত্তিকা শেষ
প্ৰতিটো বাতিতে তাই বাঢ়িছিল,
তাইৰ কথাত আখৈ ফুটিছিল। সেউজীয়া মৰমত
মৌ বৰষিছিল।

বৰফৰ দৰে নামি আহিল
তাইৰ দীঘল ডিঙিটো
এতিয়া ইয়াত সকলো আছে, একোৱে নাই ।

তাইৰ বুকু ফালি বিন্ধিছিল বিষাক্ত শুংবোৰে
প্ৰতিটো পাহিতে নখৰ আঁচোৰ, দাঁতৰ দাগ
জ্বৰ হৈ লাগি আছে বৰফ তেজত ।

তাইক বিচাৰি আৰু মৌ-মাখিহঁত নাহে
মোৱা পোকবোৰো নাহে
কঁপা কঁপা নাচোনত সিহঁত হেনো
সদায়ে আহে ।

বিনিদ্ৰ ৰজনি
অশান্ত বাষ্প
তাইৰ বুকুৰ বগা সাজ দেখি
মোৰ নীল হৃদয়ত খজুৱতি উঠে ।

মোক যাবলৈ দিয়া
আবেলিৰ বিহাখনি তাইৰ শৰীৰতে ছটিয়াওঁ
এয়াইতো শেষ হেজাৰ শতিকাৰ সতেজ নৈসৰ্গৰ
ৰুদ্ধ মোৰ অশ্ৰু-নীৰ........ ................

তাই বাৰু কেতিয়া আহিব
পুনঃ নাচি-বাগি সাজি-কাছি
চাওঁচোন উজাগৰি ফাগুনৰ এৰাতি !

— —

## ॥ ব্যাথা ॥

ৰুপু মেধী
স্নাতক ২য় বাৰ্ষিক।

হৃদয় মন্দিৰত মোৰ
যতনেৰে ৰখা প্ৰাণৰ পখীটি
উৰি গুছি গ'ল
বহু দূৰ দূৰণিলৈ
এক অজান দেশলৈ'।
কোন কাহানিতে কিদৰে
স্নেহময়ী পখীটি আছি
অন্তৰত সাঁচ বহুৱালে,
তাকে ভাবি মই
ৰ' লাগি চাই থাকো
নীল আকাশলৈ'।
তাই গৈ গুৱাব আকৌ
আন এখন হিয়া,
মই যে নোৱাৰো কঢ়িয়াব
উকা হিয়াৰ বোজা।

০ ০ ০

## অস্পৃশ্যতা

বুবুল দাস
স্নাতক ১ম বৰ্ষ।

শীতৰ হাড় কঁপোৱা জাৰত
চোতালত ঠিয় দিলে সি
এমুঠি চাউলৰ বাবে
মই তাৰ হাড়ৰ কঁপনি শুনিছোঁ
তাৰ শুকান শেতা ওঁঠৰ থৰ-থৰ শব্দ
যেন এটা জীৱন্ত নৰকংকাল

তাৰ বাবে মোৰ হৃদয়ত ঠাই নাই
কাৰণ সি আজিৰ সমাজৰ মানুহ নহয়
ময়েই আজিৰ সমাজ,
ময়েই নিৰ্ণয় কৰো সভ্যতা
ময়েই আজিৰ যুগৰ
অস্পৃশ্যতাকাৰী সমাজৰ মৃত ইতিহাস।

— —

## ॥ বিৰাগ ॥

অচ্যুত কলিতা
স্নাতক ২য় বাৰ্ষিক

উৱলি যোৱা পঁজাটিৰ মজিয়াত বহি
আকাশৰ স'তে কথা পাতো ...... ......
আকাশৰ শান্তনাই মোৰ ব্যাৰ্থ জীৱনত
জীৱনৰ মহৎ বাৰ্তা যোগায় ।
উদৰ ভৰা জোনাক এধানিৰে
কলমত লিখি যাওঁ জীৱনৰ গীত
য'ত নাই বিয়োগৰ শেষ.
ধুমুহাৰ হাঁহিত ফালি যোৱা মোৰ পঁজাৰ ছালি
আৰু তীব্ৰ ক'লা ব'দৰ উত্তাপত
ক্ৰমে ফাল হৈ গলি যোৱা প্ৰেমৰ লাড়ুটো
যিটো লাড়ু বান্ধিছিলো যতনে
শুভ্ৰ জোনাক ৰাতি ;
এয়া তাৰেই প্ৰকাশ ।
অপ্ৰয়োজনীয় ভাবি হ'লো যে বিৰাগী
জীৱনৰ হা-হুমুনিয়াহ বুকুতে বান্ধি
পৰিহৰি কোৱাভাতুৰীয়া ৰূপৰ সমাহাৰ—
গণিছোঁ মাথো
ধুমুহাই গৰকি যোৱা জীৱনৰ প্ৰতিটো ক্ষণ ॥

## তুমি

মিণ্টু কলি
স্নাতক ১ম ব

তুমিয়েতো এদিন মোৰ ভগা বীণখনিত
তুলিছিলা সুৰৰ ঝংকাৰ,
সেই সুৰতেই বাজি ৰ'ল হৃদয়ত
এক মৃত্যু-মধুৰ স্পন্দন ।
আৰু--আজি সেই একেখনি বীণত
জুৰিলা কিনো নতুন সুৰ,
সেই সুৰেৰে হিয়া চূড়মাৰ কৰি
গ'লা কিয় বহুদূৰ ?
সুৰৰ ঝংকাৰত জাগি উঠিল
বিশ্ব মানৱতা,
সেই সুৰতেই ভাগিল হৃদয়ৰ
নিবিড় নিৰৱতা ।
তুমিয়েতো এদিন বীণৰ সুৰেৰে
মোহিছিলা মানৱ সমাজক,
বলিয়া কৰিছিলা মোৰ গোপন মনক—
তুমিয়েতো মোৰ আছিলা আশাৰ ৰেঙণি
গ'লা কিয় হিয়া চূড়মাৰ কৰি ???

# স্বপ্নভংগ কবিতা

☆ জায়ামণি দাস
উঃ মাঃ ১ম বর্ষ।

পুৱতি নিশাৰ সপোনৰ বতৰা
তুমি শুনিবানে বন্ধু—?
এখন অচিন নৈৰ পাৰে পাৰে
গৈ আছিলো মই অকলে অকলে
কবিতাৰ শব্দ বুটলি বুটলি।
নৈ পাৰ তুটি চুই চাই পাইছিলো
কবিতা কবিতা লগা মৰম.....................
এই যাত্ৰা পথৰ সংগী মাথো
মোৰ গাৰ ছাঁটো
আৰু টুকুৰা-টুকুৰ অনুভূতিবোৰ।
নিশাৰ জোনটিয়ে
চিক্‌মিক্ তৰালীয়ে
মলয়া সমীৰে কঢ়িয়াই অনা সুৰভিয়ে
নৈৰ দাঁতিৰ বিৰিণা ড'ৰাই
সোণালী পানীৰ ৰূপালী মাছবোৰে
পালতৰা নাৱৰ নাৱৰীয়াবোৰে —
সিহঁতে মোক সোধে কাণে কাণে
কেনি যাওঁ এই জয়াল ৰাতি।
মই কওঁ ঃ
নিজেই নাজানো ক'লৈ গৈ আছো।
যোৱাৰ পথত লগ পালো অনেক নৰকংকাল
সিহঁতৰ হাতে হাতে একোখন নিচান,
নিচানত লিখা আছে
কিছুমান বুজা নুবুজা কবিতা
সিহঁতৰ মুখৰ পৰা নিগৰি ওলাইছিল
অমৃতময় বাণী।
হঠাৎ কংকালবোৰ ৰূপান্তৰিত হ'ল
জীৱন্ত মানুহলৈ—
আৰু নিচানবোৰ যেন নিচান নহয়
দাউ দাউ অগ্নিশিখাহে।
মোক দাহ কৰিবলৈ সিহঁত আগুৱাই আহিল.........
আৰ্তনাদ কৰি সাৰ পাই দেখো
খিৰিকীয়েদি বৈ আহিছে
পুৱতি নিশাৰ এজাক মলয়া।

# মহাবিদ্যালয়ৰ বাছ গাড়ী

পূৰ্ণৰাম দাস
উঃ মাঃ ১ম বৰ্ষ

বামুণীগাঁৱৰ পৰা ছয়মাইল দূৰত
ছয়গাওঁ মহাবিদ্যালয়খনি
আহোতে যাওঁতে সকলো ছাত্র-ছাত্ৰীৰ
অনেক লটি ঘটি ।
সেউজীয়া ৰঙৰ বাছগাড়ীবোৰৰ
দুটি দুৱাৰ মুখ,
শকতিবিহীনে উঠিব নোৱাৰি
হ'ব লাগে বিমুখ ।
মহাবিদ্যালয় চৌহদৰ সময় ঘড়ীত
ন'টা বিশ বাজে,
সময়ৰ অকন হেৰফেৰ হ'লেই
বকনি শুনিব লাগে ।
ভাড়া ক'ম বুলি বাহিৰা মানুহো
আগে ভাগে উঠি লয়,
মই বৰ ভাব মুখ-মণ্ডলত
যমৰ যাতনা হয় ।
আহোতে যাওঁতে সদায় আমাৰ
একে হয় গতি,
বহিৰলৈ আমি নাপাওঁ কোনো দিনে
সামান্য চিট, এটি ।
এনেকৈ আৰু কিমান দিন থাকিম
হ'ব নিজৰ গাড়ী,
আঙুলিৰ মূৰত নিতে দিন লেখো
কেতিয়া হ ব চাকৰি । ❀ ❀

# জন্মভূমি

সনাতন কলিতা
স্নাতক ২য় বাৰ্ষিক

জন্মভূমি জননী তুমি
তোমাক কৰো শত সহস্র প্রণতি ;
তোমাৰ অবিহনে আই
সকলোকে ধূসৰিত কৰি
সকলো উদ্দেশ্যবিহীন
ফোপোলা প্রেমৰ ধ্বজাত—
ভাবিবলৈ' কাৰো সময়েই নাই ।
যোৱা পাঁচোটা বছৰে যি দিলা আই
তাতো যেন ক্ষুধা নপলায়,
আগন্তুক বছৰত তোমাৰ শুভ গমনত
আমি যে কিমান উদ্ধাউল
কিদৰে বুজাম আই !
আজি নিশ্চয় তোমাৰ পৰশে
প্লাৱিত কৰিব যুৱ সমাজ
আকৌ ঘূৰিব ৰথৰ চক্র৷
কোচ খাব নপতা ফুকনইত –
নতুন শুকুযে মেলিব পোখা
বৈ যাব ফাল্গুৰ স্নিগ্ধ ধাৰা
দূষিত হ'ব দুষ্টইতৰ প্রেমৰ মদিৰা ;
কল্লোলিত হ'ব আকাশ পাতাল
তোমাৰেই জ-য়-গা-ন ॥

# এজাক কুকুৰ

ছামচুল আলম
স্নাতক ১ম বাৰ্ষিক।

জন্ম আভিজাত্য সমাজত
এজাক ছুঠেঙীয়া কুকুৰৰ···· ··

মাজৰাতি চহৰত তিব্ৰগতি
বলিয়া সিহঁত, কেঁচা তেজৰ গোন্ধ বিচাৰি


সোমাই পৰে অন্ধকাৰ গহ্বৰত.... .
ৰাতিবোৰ হৈ পৰে জয়াল,
ৰক্ষকবোৰ ৰূপান্তৰিত হয়
কোনো বিশাল স্তম্ভত —

সূৰ্য্যোদয়ৰ লগে লগে সিহঁতবোৰ হৈ পৰে
দেশৰ আগশাৰীৰ এজাক মহান কুকুৰ,
নাই সিহঁতৰ কোনো জাতিভেদ।
কুকুৰ নাম লৈ কৰে গৌৰৱ —
হয় সিহঁত এজাক
মহান কুকুৰ

# প্ৰতিশ্ৰুতি

অৰূপ কুমাৰ মেধি
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

প্ৰতিশ্ৰুতি সময়ৰ
স্নিগ্ধ জোনাকত —
ষোড়শী গাভৰু যেন লগা —
শুভ্ৰ শেৱালীৰ কোমল ফুলৰ স'তে
মোৰ সমস্ত কল্পনা দেহ-মন বিজড়িত
ভবাৰ অৱকাশ নাই --
পূৰ্ণিমাৰ শেষত ক্ৰমাৎ গ্ৰাস কৰি অহা —
নিজম জয়াল আউসী ৰাতিৰ অমানিশা
যেতিয়া শেৱালীৰ উদ্দীপ্ত যৌৱন
ম্লান পৰি যাব—
আৰু মোৰ মানস-পটত সাঁচি থোৱা
ৰঙীন ৰাম-ধেনুৰ স্বপ্ন
ওপৰৰ পৰা পেলাই দিয়া
কাঁচৰ টুকুৰাৰ দৰে চূৰ্ণ-বিচূৰ্ণ হৈ পৰিব।
তেতিয়াই হয়তো—
অৱহেলিত হৃদয়ৰ কোনোটি চুকত
মানৱ কৰ্ত্তব্যৰ অনুসূচনা জাগিব—
সময়ৰ প্ৰতিশ্ৰুতিৰে ॥



## মানৱতাৰ উচুপনি

প্ৰভাত চন্দ্ৰ দাস
স্নাতক ৩য় বাৰ্ষিক

প্ৰেমৰ কথা

খবৰ কাগজৰ পাতে পাতে
নেতা পালি নেতাৰ মুখে মুখে
বৰলুইতৰ বাণ অহাদি আহিছে

মই অলপ তলমূৰ হৈ ভাৱিছো—

ইয়াত বোলে—
শঙ্কৰ দেউ আছিল
আজান পীৰ আছিল

মুখখন ঘূৰালো
তাত বোলে
ৰাম মন্দিৰ আছিল
.... বাবৰি মহজিদ .. ।

বুৰঞ্জীৰ পাত খুচৰি চালো
ধৰ্ম আৰু মানৱতাৰ এৰাএৰি—

সদ্যস্খলিত অনুভূতি :
যদি তোমালোক মানুহ হোৱা
তোমালোকৰ বুকুৱে বুকুৱে উচুপিছে
মানৱতা— ।

## আপেক্ষাত নতুন দিনৰ বাবে

কমল ঠাকুৰীয়া
স্নাতক ২য় বাৰ্ষিক

সন্ত্ৰাসী নিশাৰ দপ দপনিত
মাথো শুনিছিলো আৰ্তনাদ
নিজম চুপৰ নিশাৰ -
লাহে লাহে শিয়ালৰ হুৱাহুৱা মাতেৰে
তীব্ৰ আস্ফালন—
সিহঁতবোৰে মৰাশৰ খবৰ লবলৈ আহিছিল
সন্ত্ৰাসী নিশাৰ দপ দপনীত
বাৰুদৰ গোন্ধ নাকত সোমাল
বলাৎকাৰ, হত্যা, লুণ্ঠন
ধৰ্ষিতা ফুল কুমলীয়া দেহ -
ৰাজ পথত তেজৰ ফাকুৱা ।
ৰঘূমলাই তেজবোৰ শুহিছে
প্ৰতিটো প্ৰভাতে কঢ়িয়াই আনে
কিছুমান হুমনিয়াহ .... ....
জেৰেঙা পথাৰত জয়মতীৰ শাস্তি ·
মনিৰাম কুশলৰ আকৌ ফাঁচি
সাঁজৰ চকামকা আন্ধাৰত
খেপিয়াই ফুৰিছো পোহৰ—
সন্ত্ৰাসী নিশাৰ দপ দপনিত
হেৰাই যাব খোজে কলিজা
তথাপিও অপেক্ষাৰত-'ৰক্তাক্ত কলিজা
এটি নতুন দিনৰ বাবে ।

## প্ৰতিবিম্ব

জোন কলিতা
উঃ মাঃ ১ম বৰ্ষ ।

ব্যস্ত মহানগৰীত
যন্ত্ৰণাকাতৰ এগৰাকী অসহয়া অৰ্ধনগ্না···· ····
ফটা কাপোৰেৰে নিশাৰ আন্ধাৰত
নিৰাপত্তাহীন তাইৰ বসন্ত বাগৰে—
জান্তৱ মানৱৰ আচৰণত
তাইৰ শেষ সম্বল—যান্ত্ৰিকতা,
জীৱন ধাৰণৰ আশ্ৰয় ।
নৈতিকতাৰ পতনত
ঘৃণা ওপজে সমাজলৈ ।
অৰণ্যৰোদন তাইৰ করুণ বিননি ।
তথাপিও তাই
মোৰ বা তোমাৰ দৰেই কুৰিশতিকাৰ
এটা প্ৰচ্ছায়াৰ প্ৰতিভূ প্ৰতিবিম্ব ॥

— -

## ভঙা বীণৰ সুৰ

মাধৱ প্ৰসাদ ৰাভা
স্নাতক, ৩য় বৰ্ষ ।

তাই মোৰ অভিমানী প্ৰেয়সী
কোনো এক নিজান সন্ধিক্ষণত
গোপনে সপোনে আঁতৰি গ'ল
মোৰ হৃদয়ৰ পৰা বহু দূৰলৈ················

নিঃসংগতাৰ প্ৰতিটো পলতে
হৃদয় বীণাত বাজে করুণ সুৰ
তাঁৰবোৰ ছিঙে বাৰে বাৰে
লোপ পায় বীণৰ স্বৰ ।

হৃদয় বীণাৰ করুণ সুৰত
সৃষ্টি হয় সুপ্ত জ্বালামুখী
আৰু তাৰ লাভাবোৰ
ৰিক্ততাৰে অন্ধকাৰ - ।

০ ০ ০



# প্ৰৱঞ্চনা

নগেন দাস
স্নাতক ৩য় বৰ্ষ

হে মোৰ জন্ম দাত্ৰী
কিয় বাৰু সৃজন কৰিলা
মৰতৰ লোকৰ,
উচ্চ পদস্থ লোক সকলে
কতনা খেল খেলে
নিছলা গৰীবৰ ওপৰত
নোৱাৰো সহিব !
মানৱৰ চতুৰালী
মনে বেজাৰ কৰে !

দৃষ্টিহীন হৈ ঘূৰি ফুৰিছোঁ
অফিচ, কাছাৰিত
অফিচৰ কৰ্মকৰ্ত্তা সকলে
খেলিছে লীলা-খেলা
টকাৰ মাজত
সচাঁকৈয়ে বাৰু .....
মৰতৰ লোক ইমান নৰধম
তুখিয়াৰ তেজ কিয় বাৰু
সিহঁতে কৰে পান ?

হে মোৰ জন্ম দাত্ৰী —
নোৱাৰানে কৰিব শাসন
মৰমৰ দোলেৰে সিহঁত বোৰক ।

যদি হে .... ....
সিহঁত নাহে উভতি
শান্তি কামী দেশলৈ,
উপযুক্ত শাস্তি দিয়া
পশুত্বৰ লোক সকলক ।

সচাঁকৈয়ে যদি হয় ( সিহঁত ) ?
ঠগ প্ৰৱঞ্চনাৰ লোক,
নোৱাৰে বাচি থাকিব
স্নেহময়ী দেশত ।

পাপেই হব সিহঁতৰ
একো একোটা প্ৰেতাত্মা
যত সাজিব সমাধি
তাতেই জিলিকিব
কলংকৰ চিন ॥



# ব্যৰ্থ

পুষ্প কুমাৰ সাউদ
স্নাতক ২য় বৰ্ষ

চাক্ নৈয়া ভেদি ৰচিছিলোঁ।
বোকাত গচকি থকা অশ্ৰুৰে
দুখৰ ৰাতিৰ নিৰ্জনতা লৈ
সপোন দেখিছিলোঁ ক্ষীন পোহৰৰ
কুট্মৰ প্ৰাণৰ বিচাৰি
মৰীচিকা দেখি দৌৰিছিলোঁ।
বুকুৰ কোমল মাটিত আশাৰ সন্ধান
ৰুদ্ধ বেদনাই উন্মত্ত কৰি দিলে
অশ্ৰুৰে ভৰা বোকা-পানীতেই
শূন্য শলিতাৰ ক্ষীণ পোহৰ
মাৰগ'ল আশাৰ বালিতেই • • •
নোপোৱাৰ বেদনাত ॥

# কবিতা

দেৱ কুমাৰ মেধী
উঃ মাঃ ২য় বৰ্ষ

গম্ভীৰ নিশাৰ বন্ধ কোঠালিত অৱৰুদ্ধ
এটা কবিতাৰ প্ৰেম
কবিতাৰে কৰো আৱৃত্তি
কবিতাই মোৰ সাৰথি
কবিতাৰ পৰশত পুলকিত প্ৰেমৰ উত্তাপতে
সুখ আৰু দুঃখৰ অনুভূতি
মোৰ জীৱন

# বেশ্যাৰ চিন্তা

ৰঞ্জিত ৰাভা
স্নাতক ২য় বাৰ্ষিক

বেশ্যা জনী শুই আছে
নিৰবে ।
এতিয়া তাই ক্লান্ত ।
একে থৰে শুই থাকি ভাবিছে
অবিশ্ৰান্ত জীৱনৰ কথা ··· ···
কতজন আহিছিল, কত জন আহে
তাইৰ ওচৰলৈ
কোনোবা উকিল, কোনোবা ডাক্তৰ
কোনোবা ব্যৱসায়ী, কোনাবা শিক্ষক
সকলোৱে আহে তাইৰ ওচৰলৈ
তাইৰ সঙ্গ পাবলৈ
ধুনীয়া পোছাকেৰে, উচ্চ শিক্ষাৰে
ভদ্ৰ মাত কথাৰে
কিমান যে ভদ্ৰ সিহঁত (?)
সভ্য সমাজত !
কিন্তু তাইৰ ওচৰত ??
ধৰা পৰি যায় বহু ভদ্ৰলোক—
পৰিচয় পায় বহু শিক্ষিতৰ
হাঁহি উঠি যায় ···· .
কিন্তু হঠাতে চকু গ'ল তাইৰ
অৰ্দ্ধনগ্ন দেহাটোলৈ
জীয়াই থাকিবলৈ
জীৱনটোকে বেচিছে
দেহাটো ঢাকিবলৈ—
দেহাটোকে বেচিছে
সভ্য যুগৰ মানৱী হৈও ???
দুটোপাল অশ্ৰু নামিল
তাইৰ দুগালেদি বৈ— ।

# প্ৰেমৰ কবিতা—

তোমাৰ সতে মোৰ নিবিড় সম্বন্ধ
তোমাৰ তেজৰ বীৰ্য পান কৰি
অহৰহ তোমাৰ সতেই সংগ্ৰাম!
মই বাৰু তোমাক কেনেকৈ পাহৰি যাওঁ।

মোৰ দেউতাৰ দৰে আত্মজ তোমাত প্ৰেম
ইমান কোমল তোমাৰ প্ৰেমৰ অনুভূতি!
'আহাৰ' আহিলেই আঁকাশে চুমি যায় তোমাৰ বুকু
মই মাতাল হৈ যাওঁ,--
কঠিন হৈ যায় মোৰ হাতৰ মুঠি
মোৰ তেজত তোমাৰ প্ৰেমৰ কি যে তুমুল আলোড়ন!

তোমাক ভাল পাওঁতে
মই মোৰ বসন্ত পাৰ কৰি দিছোঁ
পাৰ কৰি দিছোঁ মোৰ অজস্ৰ বেদনা—
তোমাক ভাল পাওঁ কাৰণেতো
কিমান যে হেঁপাহেৰে
তোমাৰ বুকুত হাত বুলাই
গৰ্ভৱতী কৰোঁ মোৰ চেনেহ
কিমানবাৰ হৃদয় ফালি সপোন গৈছে সৰি
তথাপিতো হায়! তোমাৰ সতে মোৰ আজন্ম প্ৰেম।



ভূষণ কলিতা
প্ৰবক্তা, অসমীয়া বিভাগ।

০ ★ ০

# এমুঠি কবিতা

পংকজ কুমাৰ ঠাকুৰীয়া
স্নাতক মহলা।

কবিতা—১

তোমাৰ চকুলোত
ডুব যায় মোৰ পুঙাটি নিজৰ
যেন চিপ্ মাৰি দিম
ৰৰশীত লৈ মোৰ দুচকুৰ মণি

কবিতা—২

মোৰ কলিজাৰে বয়
তোমাৰ মন আঁচলৰ বা

বগুৱা বাই আগুৱায়
প্ৰমত্ত বুকুৰ ফেনীল শুভ্ৰতা—

মই তোমাৰ অপেক্ষাত অধীৰ
কলিজাৰ কুট্-কুটনি

কবিতা—৩

বহাগ আহিলে
কাৰ বননিত কপৌ ফুলে
মোৰ উৰ্ব্বৰা ড'ৰাত দেখো
দলিচা পৰাদি শেৱালী সৰে

কবিতা—৪

মোৰ চৌপাশে বান
নষ্ট হয় মানিকী মধুৰী ধান
হৃদয়ত যে কমাৰ-শাল

কবিতা—৫

থুনুক-থানাক ভাষাৰে
কবিতাত আচ্ছন্ন মোৰ জীৱন
য'ত যৌৱনৰ
নাম-গন্ধেই নাই।
কেতিয়াবা
বতাহজাকে উৰাই নিব বিচাৰে
মোক মোৰেই পৰা।

কবিতা মোৰ আজন্ম সহচৰ
জীৱনৰ
প্ৰচ্ছন্ন যৌৱনৰ চিৰ লগৰী।
এতিয়াও বাচি আছোঁ
তোমাক সাৱটি।



# গীত



জয়ন্ত মেধী
উঃ মাঃ ১ম বর্ষ

( ১ )

উপায় বিহীন ভগ্ন কণ্ঠত
এবাৰ এষাৰ মাত দিয়া
তোমাৰ বাবে বহুতো ৰঁচিলো
তোমাৰ বাবে বহু গীত গালো
জীৱনৰ ভালপোৱা ॥

( ২ )

তোমাৰ বাবে মোৰ যে আৰু
নাই ক্লান্ত ভাব
তুমিয়েতো দিছিলা মোক
সুখৰ এই অৱকাশ--- ॥

( ৩ )

নিজান বননিত তোমাৰ মাতত
বিৰিখত কপৌ নাচে
আজি কিয়নো কোন বিধাতাই
শ্মশনত তোমাৰ ঘৰ সাজে -- ॥





# মুক্তি



শ্ৰীতপন চন্দ্ৰ দাস
উঃ মাঃ ১ম বাৰ্ষিক।

আউসীৰ ঘোপমৰা এন্ধাৰে পৃথিৱীখনত ৰাজত্ব কৰিছিল সেইদিনা ৰাতি। এন্ধাৰৰ আৰু শীতৰ কঠোৰতাৰ কাৰণে চৰাই-চিৰিকতিৰ কণ্ঠ ৰুদ্ধ হৈছে। এন্ধাৰৰ পৰা ভাঙি মাথো ফেঁচাৰ বীভৎস মাত কেউদিশে সিঁচৰিত হৈছে। সকলো মানুহ দিনত হাড়ভগা পৰিশ্ৰম কৰি অৱশ হৈ নিদ্ৰাদেৱীৰ কোলাত শুই পৰিছে। কিন্তু নিদ্ৰা দেৱীৰ আলসুৱা মৰমক নেওঁচা দি উজাগৰে আছে সেই জুপুৰিটোত মহিকান্ত। কেৰাচিনৰ অভাৱত সিহঁতে আন্ধাৰক আন্ধাৰেৰে সাৱটি ধৰিব লগা হ'ল। বস্তুৰ জুই-ছাই দামে সাধাৰণ মানুহক অচল কৰি পেলাইছে। সেই কাৰণে কেৱাদিনো অনাহাৰে থাকিব লগা হৈছে তাৰ পৰিয়াল। সাতজন পৰিয়ালক দিন হাজিৰা কৰি পোহ-পাল দিয়া মহিকান্তৰ কাৰণে অসম্ভৱ হৈ পৰিল। তাৰ মনত কেতিয়াবা প্ৰশ্ন জাগে······ 'সমাজত আজি মানুহ নাই নেকি মূল্য বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ? কিয় আজি অসমৰ মানুহে, অসমৰ চৰকাৰে অসমী আইক আন্ধাৰত ৰাখিছে?" কিন্তু কি হব,—মহিকান্তৰ সেই ভাৱৰ সাগৰৰ ঢৌবোৰ সাগৰতে মাৰ যোৱাৰ দৰে মনৰ মাজত মাৰ গ'ল।

আজি তাৰ বাৰে বাৰে মনলৈ আহিছে তাৰ ডাঙৰ ল'ৰা অনিৰ্বানলৈ। মেট্ৰিকৰ দেওনা পাৰ হৈ টকাৰ অভাৱত কলেজলৈ যাব নোৱাৰিলে সি। নিশা যিমানে গভীৰ নহওক উশাহক ঢাকি ৰাখিব নোৱাৰাৰ দৰে তাৰ বিদ্ৰোহী মনকো সি ঢাকি ৰাখিব নোৱাৰি কোনোৱে কব নোৱাৰাকৈ এদিন

ঘৰৰ পৰা ওলাই গৈ "মুক্তি বাহিনী"ত যোগ দিলে। দেউতাকলৈ বুলি সি লিখি থৈ গ'ল তাৰ সেই চিঠিখন..........

পূজনীয় দেউতা

মোৰ সেৱা লব। মই আমাৰ পৰিয়ালৰ দৰে হাজাৰ হাজাৰ পৰিয়ালৰ ভৱিষ্যতৰ কথা ভাবি আজি আপোনাক আৰু মা-ভনী, ভাইটি-হঁতক এৰি আহিব লগা হ'ল। অসমৰ দুৰ্নীতিৰ, কূটনীতিৰ শাসক গোষ্ঠীৰ মুখা খুলিবলৈ আৰু নৰখাদকৰ মুখৰ পৰা অসমী আইক ৰক্ষা কৰিবলৈ আহি এই পথ বাছি ললোঁ। সৌৰ যাত্ৰী আমি সূৰ্য্যৰ প্ৰকৃত আলোক বিচাৰিছোঁ; যি সূৰ্য্যই শীতাৰ্ত কলিজাৰ ৰৌদ্ৰ স্নানেৰে উত্তপ্ত কৰিব বিভেদকামী, ৰাষ্ট্ৰদ্ৰোহী ব্যেহুবোৰ গলাবলৈ শক্তি দিব আৰু আমাৰ ঐক্য দৃঢ় কৰিব। আপুনি আশীৰ্ব্বাদ কৰক দেউতা; আমি যেন এই বিপ্লৱত জয়ী হব পাৰোঁ। শেষত আইলৈ সেৱা আৰু ভাই-ভনী সকলোকে শেষ বাৰলৈ মৰম-চেনেহ দি লিখনিৰ মোখনি মাৰিলোঁ।

ইতি—

আপোনাৰ পুত্ৰ—

"অৰ্নিবান"।

মহিকান্তই আজি বাৰে বাৰে আশীৰ্ব্বাদ কৰিছে, অৰ্নিবানৰ দৰে সকলো বিপ্লৱীৰ লক্ষ্য সফল হওক। যিহেতু অৰ্নিবানহঁতে সংঘাতেৰে সংগঠিত হৈছে সিহঁতে কৰ্মৰ সুফল পাওঁক—এই বুলি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছে। কিন্তু ভগৱানক স্তুতি কৰি থাকোতেই মহাৰাজৰ দূত আহি উপস্থিত হ'ল তাৰ দুৱাৰৰ মুখত। মহিকান্ত আচৰিত হ'ল, ইমানসোপা পুলিচ মিলিটাৰী দেখি, লগে লগে পুলিচ সোপা ঘৰৰ ভিতৰলৈ সোমাই আহিল আৰু তাক সুধিলে অৰ্নিবানৰ কথা। কিন্তু অৰ্নিবান ঘৰত নাই বুলি কলে মহিকান্তই। কথাষাৰ শেষ হবলৈ নাপাওঁতেই তাক কেইজনমানে লাঠীৰে কোবায় ধৰিলে। সি চিঞৰি চিঞৰি, কান্দি কান্দি অৰ্নিবানৰ কথা নাজানো বুলি ক'লে; কিন্তু দানৱক জানো মানৱে সহজে বুজাই দিয়া সম্ভৱ! পুলিচবিলাকে বাকচৰ ভিতৰত, বিচনাৰ তলত মুক্তি বাহিনী বিচাৰিব ধৰিলে আৰু বিচাৰিলে মহিকান্তৰ জীয়েক ৰাজু আৰু বিজুৰ বুকুৰ মাজত। সিহঁতে অশেষ চেষ্টা কৰিও সিহঁতৰ সতীত্ব ৰক্ষা কৰিব নোৱাৰিলে। বাঘৰ আগত হৰিণা এৰাৰ এই দৃশ্য মহিকান্তই নিৰৱে চাই ৰ'ল। যাবৰ সময়ত পুলিচ এগৰাকীয়ে প্ৰচণ্ড চ'ৰ এটা মাৰি থৈ গ'ল তাৰ গালত। বহুত সময় অচেতন হৈ পৰি আছিল মহিকান্ত। বহুতপৰ পিছত মহিকান্তই জ্ঞান পাই চিন্তা কৰিব ধৰিলে—"মানৱ জাতি আজি ইমান নিৰ্দয়! কিয় সিহঁতৰ মাক-বাপেক, ভাই ভনী নাই? কিয় আজি চৰকাৰে কুখ্যাত ক'লা আইন বিলাক নিৰীহ জনসাধাৰণৰ ওপৰত জাপি দি নিৰ্মম অত্যাচাৰ কৰিছে? কিয় আজি চৰকাৰে জনসাধাৰণৰ মাজত ধৰ্ষণ, হত্যা, অত্যাচাৰ চলাইছে?? ইত্যাদি।"

নিশাৰ অন্ধকাৰ আতৰাই অংশুমালীয়ে আকাশৰ পৰা জুমি চাইছে ৰাঙলী সেই প্ৰভাতেই। কেউফালে চৰাই-চিৰিকতি জীৱ-জন্তুৰ চিঞৰ

বাথৰে মহিকান্তক উদ্বিগ্ন কৰি পেলালে। তিনি আলিত সেই মানুহ সোপা কিয় জুম হৈছে জানিবলৈ ইচ্ছা গ'ল তাৰ। ……… কেতিয়া সি দৌৰি গৈ তিনিআলিত পৰি থকা সেই তেজেৰে লুতুৰি-পুতুৰি দেহটো সাৱটি ধৰিলে কবই নোৱাৰিলে। যোৱা সেই কালৰাতিতেই চি-আৰ-পি আৰু মুক্তি বাহিনীৰ তুমুল সংঘৰ্ষ লাগিছিল। তাতেই বীৰৰ দৰে যুঁজি সেই পাষণ্ডহঁতৰ গুলীত ব'লি হ'ল অনিবান। মহিকান্তই শিল পৰা কপৌৰ দৰে নিঠৰ হৈ চাই ৰ'ল।

মহিকান্তই আজি চিঞৰি কান্দিব পৰা নাই। কাৰণ সি যে বীৰ সৈনিকৰ দেউতাক। মাথো তাৰ বুকু ভেদি ওলাই আহিছিল এটি কৰুণ হুমুনিয়াহ।

—×—

জীৱন যাত্ৰাৰ ঘাত-প্ৰতিঘাতত যেনেকৈ কৃষ্টিৰ ৰূপান্তৰ হয়, সাংস্কৃতিক আলম লৈ জীৱন যাত্ৰাত তেনেকৈ আগুৱাই যায়। গতিকে জীৱন যাত্ৰাৰ লগত কৃষ্টি, সংস্কৃতি ওতঃপ্ৰোতভাৱে জড়িত।

খাবৰ বাবে পিন্ধিবৰ বাবে মূৰ গুজিবৰ বাবে মানুহে সুন্দৰভাৱে যিহকে কৰে সেয়ে কৃষ্টি. কলা-কৃষ্টিৰ জগত শিল্পীৰ জগত সেয়াও সংগ্ৰামৰে ক্ষেত্ৰ। তাৰ জৰিয়তেও গণ-জাগৰণ আনিব পাৰি। বিপ্লৱৰ একমাত্ৰ হাতিয়াৰ হ'ল মানুহ।

—বিষ্ণুপ্ৰসাদ ৰাভা

যি জাতিয়ে জাতীয় সাহিত্য গঢ়ি তুলিব নোৱাৰে সেই জাতিৰ প্ৰাণ নাবাচে গৈ, যিকোনো এটা সাহিত্যৱলী চুবুৰীয়া বা জাতিত লয় হৈ নিজৰ অস্তিত্ব হেৰুৱায়।

—পদ্মনাথ গোহাঞিবৰুৱা



# চকুলোৰ শেষ সীমা

শ্ৰীহেমন্ত কুমাৰ শাৰ্মে
স্নাতক ৩য় বৰ্ষ।

শৰৎ ঋতুৰ এটি ফৰকাল ৰাতি। নিৰ্মল জোনাক। জোনাকী পৰুৱাবোৰ উৰি ফুৰিছে আপোন মনে। সকলো প্ৰাণী গভীৰ নিদ্ৰাত। মাথো আছে মাথোন চি্ চি্ কৈ চিঞৰি থকা পৰুৱা কেইটা। ওৰে দিনটো ঘৰখনৰ কাম কাজ কৰি ভাগৰি পৰিছে নিশাজনী। সেয়ে তাইও নিদ্ৰা দেৱীৰ কোলাত নীৰৱে আশ্ৰয় লৈছে। হঠাৎ তাই চিঞৰি উঠিল নামাৰিব। এৰা তাই এটি ভয়ংকৰ সপোন দেখিলে। তিনিবছৰ আগত হেৰাই যোৱা প্ৰাণৰ জোনটি আজি তাইৰ ওচৰলৈ উভতি আহিছে। আবেলি পৰত জোন্টিৰ সৈতে তাই নৈৰ দাঁতিত বহি তাৰ বুকুৰ মাজত মূৰটো গুজি থৈ কৈ আছে সিহঁতৰ প্ৰাণৰ গোপন কথাবোৰ। ইমান দিনৰ মূৰত তাই আজি অকলশৰে লগ পাইছে। সি আৰু পুণৰ গুচি নাযায় নিশাক এৰি। আজিৰ পৰা সিহঁত হাল আগৰ দৰেই থাকিব এখন সুখৰ সংসাৰ ৰচনা কৰিব সিহঁতে। এনেতে নিশাৰ দদায়েক কেই-জনমান বন্ধুৰে সৈতে নৈৰ দাঁতিত থিয় হ'ল। নিশাক টানি আনিলে দদায়েকে। নিথৰ হৈ ৰ'ল জোনটি। দদায়েকে তাক বুকুত খামোচ মাৰি ধৰিলে আৰু কলে—ঐ জন্টি, তোৰ মৃত্যুলৈ ভয় নাই নেকি? আজি পাঁচ বছৰ ধৰি মোৰ ভনী জনী এৰি থৈ পলাই গৈছিলি আৰু এতিয়াওঁতোৰ নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ আহিছ। আকৌ আহিছ তই তাইৰ জুৰুলা হিয়াত আঘাত

হানি আঁতৰি যাবলৈ। তোক আজি ৰেহাই দিয়া ন'হব বুলি কৈ দদায়েকে তাৰ বুকুত ৰিভলভাৰটো হেচাঁ মাৰি ধৰিলে। একেৰাহে চাৰিটা গুলি জোনটিৰ বুকুৰ মাজলৈ সোমাই গ'ল। তাই চিঞৰি উঠিল মোৰ জানক নামাৰিব।

সাৰ পাই উঠিল নিশা। তাইৰ দুচকুৰে অশ্ৰুৰ নিজৰা বৈ গ'ল এনেকৈয়ে গোটেই ৰাতি বিচনাত চট্‌ফটাই থাকিল তাই। কিছুমান মৰহা স্মৃতিয়ে নিশাক আজি আকৌ জুৰুলা কৰিবলৈ ধৰিলে।

নিশাহঁতৰ ঘৰৰ পৰা জোনটিৰ ঘৰলৈ দুৰত্ব প্ৰায় এক কিলোমিটাৰমান হব। একেখন কলেজতে পঢ়ে সিহঁত হাল, তেতিয়াৰ পৰাই সিহঁতৰ চিনাকী। জোনটিয়ে বৰ মৰম কৰে তাইক। সদায় সন্ধিয়া সময়ত সি নিশাহঁতৰ ঘৰলৈ যায়। নিজৰ ঘৰলৈ উভতি আহোতে কেতিয়াবা তাৰ বহুত পলম হয়। নিশাজনীৰ কথা বাদেই সিহঁতৰ ঘৰখনৰ প্ৰত্যেকেই তাক বৰ মৰম কৰে। কেতিয়াবা মাকৰ নেৰা নেপেৰা অনুৰোধত সি ভাতোখাব লগাত পৰে। আৰু নেখাও বুলি কলে নিশাই তাৰ ওপৰত অভিমান কৰে। জীৱনত কোনোদিনে জোনটিক নেমাতো বুলি প্ৰতিজ্ঞা কৰে তাই। সেয়ে নিশাৰ কথা মতে সি সকলো কৰে। যিহেতু নিশা তাৰ মনৰো মনৰ, প্ৰাণৰো প্ৰাণৰ। কিন্তু কি হব জোনটিৰ মাক দেউতাকে যে নিশাহঁতৰ ঘৰখন বেয়া পায়। দুখীয়া বুলি ঘৃণা কৰে সিহঁতক। নিশাক মৰম দিয়াৰ বাবদ্ জোনটিয়ে মাক দেউতাকৰ পৰা উপহাৰ পাই কিছুমান গালি। ক'ত বাৰযে তাৰ গালত দেউতাকৰ চৰ পৰিল সি হয়তো হিচাব দিব নোৱাৰিব। খঙত দেউতাকে কেতিয়াবা তাক ত্যাজ্য পুত্ৰ বুলি কৈ ঘৰৰ পৰা ওলাই যাবলৈ দিয়ে। সি ভাৱে চাকৰি এটা হলেই নিশাক চিৰদিনৰ বাবে আপোন কৰি লৈ আহিব। কিন্তু ভবা কথা নহয় সিদ্ধি. বাটত আছে কণা বিধি। এটি নহপহীয়া গছৰ পুলিৰ আগটো যদি কোনোৱাই কাটি দিয়ে সি জানো প্ৰতিবাদ কৰি আকৌ বেলেগ ঠাইৰে বহুত ডাল নেমেলিব। জোনটিৰো সেয়ে হ'ল। এদিন ৰাতি বহুত পলম কৈ ঘৰলৈ অহাৰ বাবে দেউতাকে তাক ঘৰত সোমাব নিদিলে। জোনটিৰ মনত বৰ আঘাত লাগিল সিদিনা। নিষ্ঠুৰ নিয়তিৰ পৰিহাস দেখি সি আচৰিত হ'ল। মৰিম বুলি ভাবিছিল যদিও নিশাজনীৰ কথা ভাবিয়ে সি মৰিবও নোৱাৰিলে। সেইদিনা ৰাতিৰ পৰাই সি ঘৰ ত্যাগ কৰি কৰবালৈ গুচি গ'ল। নিশাজনীয়েও গমকে নাপালে।

দিন গ'ল, বছৰ বাগৰিল। কিন্তু পাচ বছৰৰ পিচতো উভতি নাহিল তাইৰ প্ৰাণৰ জোনটি। নিশাৰ অৱস্থা চাব নোৱাৰা হৈছে এতিয়া। ক্ষণে ক্ষণে নিসংগতাই তাইৰ অন্তৰৰ গভীৰ কোণত স্মৃতিৰ জুইবোৰ দপ্ দপ্‌কৈ জ্বলায় তোলে। চিন্তাত দিন নেযায় ৰাতি নুপুৱাই তাইৰ। জোনটিয়ে তাইক প্ৰতিশ্ৰুতি দিছিল— জীৱনে মৰণে সি তাইৰ লগৰী হম , এখন সুখৰ সংসাৰ গঢ়ি হাঁহি হাঁহি চিৰদিন কটাই দিম বুলি। কিন্তু কতা ? মাক, দেউতাক, দদায়েক হতৰ গালি শপনিয়ে তাইক দহি পুৰি মাৰিব

ধৰিছে। নিশাৰ দেউতাক এজন মাষ্টৰ মানুহ। ঘৰত এনেকৈ গাভৰু ছোৱালী থকাতো ভেখেতে পছন্দ নকৰে। সেয়ে মাক-দেউতাকে তাইক আনলৈ দিব খোজে। তাইক চাবলৈ বহুত ল'ৰা আহিল আৰু বহুতেই অহাৰ বাটেৰেই উভতি গ'ল। হয়তো তাই বিয়াত সন্মত নিদিয়ে নাইবা গাওঁৰ মানুহৰ উচটনিত কোনেও তাইক বিয়া কৰাব নোখোজে। তাইৰ পবিত্ৰ অন্তৰখনে বাৰে বাৰে জোনটিক কিয় বিচাৰে তাই নাজানে। কিন্তু জোনটিয়ে যে তাইক এৰি গুচি গ'ল। তথাপিও তাই জোনটিক বেয়া নাপায়। কাৰণ তাই জোনটিক ভালদৰে বুজে, এদিন হলেও তাইক নিবলৈ জোনটি উভতি আহিব, তাইৰ উকা কপালখনত ৰঙা তিলকৰ সাঁচ বহিব। হাঁহি হাঁহি কটাই দিব যুগ্ম জীৱন। আৰু তাতেই শেষ হব তাইৰ জীৱনৰ তীব্ৰ আশা আকাংশা। কিন্তু পূৰ্ণিমাৰ জোনটো কলা মেঘে আৱৰি ধৰি এন্ধাৰ কৰি দিয়াৰ দৰে নিশাৰ মানস পট মৰহা স্মৃতিয়ে এন্ধাৰ কৰি তোলে। তাইৰ ভাব হয় যি জোনটিক আজি সকলোৱে ঘৃণা কৰে এবাৰ যদি তেওঁ উভতি আহিল হেঁতেন তেন্তে তাই সমাজৰ প্ৰত্যেকজন ব্যক্তিক প্ৰকৃত মৰমৰ মূল্য কিমান তাকে বুজাই দিলেহেঁতেন, কিন্তু নিশাৰ কলিজাৰ সুৰৰ সঁফুৰাত জুই জ্বলিল। তাইৰ বিৰহ বেদনাত বিহ্বল হোৱা দগ্ধ হৃদয়ৰ কথা কোনে শুনিব, কাক বুজাব যুগব্যাপি নিৰৱে সহিছে তাই এই অসহ্য যন্ত্ৰণা।

নিতৌ ন-মান বজাত দেউতাক চহৰৰ পৰা ঘৰলৈ উভতে। তাই দেউতাকৰ মুখখনিলৈ বৰ আশাৰে চাই ৰয়। দেউতাকে জানোচা জোনটিৰ কিবা সংবাদ আনেই। কিন্তু প্ৰত্যেক দিনেই তাই নিৰাশ হয়। আজিলৈ কোনেও জোনটিৰ খবৰ তাইৰ ওচৰলৈ কঢ়িয়াই আনিব পৰা নাই। কেতিয়াবা তাই উন্মাদিনী হব খোজে, আত্মহত্যাও কৰিব বিচাৰে। কিন্তু নাই তাই মৰিব নোৱাৰে। জোনটি যদি এদিন উভতি আহে, আহি যদি সি নিশাক পৃথিৱীত বিচাৰি নেপায়. সি জানো পৃথিৱীখনত জুই জ্বলাই নিদিব।

দিনৰ দিনটো অত্যন্ত ব্যস্ততাত থকা নিশাজনী বৰ ক্লান্ত হৈ পৰিছে। আবেলি পৰত বাতৰি কাকতখন হাতত লৈ তাই বিচনাত পৰিল। কাকতৰ আৱৰণীতে গুৱাহাটীৰ মাজ-মজিয়াত গুলি বৰ্ষণৰ শিতান এটাত তাইৰ চকু পৰিল।

.... .... ... .... .... ....


.... .... ২৬ আগষ্ট—যোৱা ১২ আগষ্টৰ দিনা শেষ ৰাতি গুৱাহাটীৰ মাজ-মজিয়াত সৈন্য বাহিনীৰ গুলিত মাতৃ মুক্তি বাহিনীৰ সংগ্ৰামী সতীৰ্থ জোনটি বৰুৱা নামৰ ২৮ বছৰীয়া যুৱক এজনৰ মৃত্যু .... ।

নিশাই চকুৰে আৰু একো নেদেখা হৈ আহিল; বিচনাতে তাই ঢলি পৰিল। তাইৰ চকুলোৰ শেষ সীমা কিমানদূৰ অতিক্ৰম কৰি পাৰ হৈ গ'ল, সমাজখনে নেদেখিলে।

—

✲ অধ্যাপক নগেন কলিতা
অসমীয়া বিভাগ।

# তেজৰ ৰং



হস্পিতালখনৰ ডাক্তৰ-নাৰ্চ সকলোবোৰ ভাগৰি পৰিছে। কিমানৰ চিকিৎসা কৰিব বাৰু দুজন ডাক্তৰে ? পাঁচজনীকৈ নাৰ্চে বাৰু কিমানৰ শুশ্ৰূষা কৰিব ? আটাইবোৰ ইমাৰ্জেঞ্চি কেচ্। নাচালেও নহয়। হঠাৎ যে ইমাৰ্জেঞ্চি কেচ্ ইমান আহিব ডাক্তৰ নাৰ্চ কোনেও ভবা নাছিল।

আনন্দ বজাৰ, বাহবাৰী আদি ঠাইত হেনো উগ্ৰপন্থীৰ আক্ৰমণ চলিছে। সেই ঠাইৰ পৰাই আহি আছে ইমাৰ্জেঞ্চি কেচ্‌বোৰ। আৰু বা কিমান আছে তাৰ ঠিকনা নাই। ডাক্তৰ নাৰ্চ সকলোবোৰেই ব্যস্ত হৈ পৰিছে। আমনি হয়তো লাগিছে। আমনি লাগিলেও উপায় নাই। মানৱ সেৱাই যে তেওঁলোকৰ ধৰ্ম।

আমিনা দেউতাকৰ বিচনাখনৰ একাষে বহি আছিল। বিচনাৰ অভাৱত হস্পিতালৰ বাৰান্দাতেই তাইৰ দেউতাকক পকীৰ ওপৰত বিচনা কৰি দিয়া হৈছিল। তাইৰ দেউতাকো উগ্ৰপন্থীৰ হাতত বলি হৈছে। দেউতাকৰ বাহুত গুলী লাগিছে। হস্পিতাললৈ অনাৰ পিচতেই দেউতাকৰ বাহুত সোমাই থকা গুলীটো উলিওৱা হৈছে। সম্প্ৰতি তাইৰ দেউতাক বিপদমুক্ত বুলি ডাক্তৰে কৈছে। সেয়েহে তাই কিছু সকাহ অনুভৱ কৰিছে যদিও তাইৰ মনাকাশ কলীয়াডাৱৰে আবৰা। দেউতাকৰ ওচৰত বহি তাই হস্পিতালৰ হৃদয় বিদাৰক দৃশ্যবোৰ প্ৰত্যক্ষ কৰিছে। কেতিয়াবা দুইএটা দৃশ্য চাব নোৱাৰি চকু মুদি দিছে।

হস্পিতালখনত যিমানবাৰেই কান্দোনৰ ৰোল উঠিছে, সিমানবাৰেই একোজনকৈ মানুহৰ মৃত্যু ঘটিছে। আত্মীয়ৰ আকস্মিক বিয়োগত আত্মীয়বোৰে মৰাশটো আগুৰি ধৰি চিঞৰত গগন

ফালিব খুজিছে । হাস্পিতালখনত যিমানবাৰেই কান্দোনৰ ৰোল উঠিছে, সিমান বাৰেই একোজনকৈ মৃত মানুহৰ শ হস্পিতালৰ গেটেৰে বাহিৰলৈ উলিয়াই নিয়া হৈছে । কোনোবাটো মৰাশৰ হাত এখন হয়টো নাই আৰু কোনোবাটোৰ হয়টো নাকটোৱেই নাই আৰু কোনোবা মাইকীমানুহৰ হয়টো স্তনদুটাই বুকুত নাই আৰু এজনী গৰ্ভৱতী মাইকী মানুহৰ বোলে পেট ফালি কেচুৱাটোৱেই বাহিৰ কৰি দলিয়াই দিছে । কিযে বীভৎস দৃশ্য এইবোৰ । স্তনকাটি নিয়া আৰু পেটফালি কেচুৱা দলিয়াই দিয়া মাইকী মানুহ কেইজনীৰ মৃত দেহকেইটা পোষ্টমৰ্টেম কৰি হস্পিতালৰ চুক এটাত পেলাই থোৱা অৱস্থাত আমিনাই প্ৰত্যক্ষ কৰি আহিছে । তাইৰ নিচিনাকৈ মৰাশকেইটা চাবলৈ যোৱা মানুহৰেই কোনোবাই কোৱা-কুই কৰা তাইৰ কাণত পৰিছেযে উগ্ৰপন্থীয়ে এজনী মাইকী মানুহৰ স্তন দুটা কাতি নিছে আৰু এজনীৰ পেটফালি কেচুৱা দলিয়াই দিছে । মৃতদেহদুটা প্ৰত্যক্ষ কৰাৰ সময়ত মৃত দেহদুটাৰ ওপৰত দিয়া বৰ্ণনা শুনি তাই আৰু তাত থিয় হৈ থাকিব নোৱাৰিলে । দেউতাকৰ বিচনা খনৰ কাষতে বহি পৰিল । দুগাল তিয়াই বৈ আহিল তাইৰ চকুলোৰ বন্যা তাইৰ ভাব হ'ল মানুহ বাৰু ইমান অমানুহ হব পাৰে কেনেকৈ ।

উগ্ৰপন্থী সকলে বাৰু তেওঁলোকৰ নিচিনা ধৰ্মীয় সংখ্যালঘু সকলকহে আক্ৰমণৰ লক্ষ্য হিচাপে বাছি লোৱা যেন তাইৰ ভাৱ হ'ল । ধৰ্মত সংখ্যালঘু হলেওতো তেওঁলোকে যুগ যুগ ধৰি ধৰ্মীয় সংখ্যাগুৰু সকলৰ সৈতেই মিলাপ্ৰীতিৰে বাস কৰি আহিছে । জনজাতি অজনজাতিৰ ভেদাভেদ ইমানদিনে তেওঁলোকৰ মনত কোনো-দিনে উদয় হোৱা নাছিল । হঠাৎ বাৰু তেওঁলোকৰ মাজত এই ভেদাভেদৰ ভাব কোনে সিঁচি দিলে ? লেতেৰা ৰাজনীতি কৰা মানুহখিনিৰ কাৰ্য নেকি বাৰু এইবোৰ ? ৰাজনৈতিক ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ বাবে কৰা নাইতো এইবোৰ ? ? ? এনে হেজাৰ প্ৰশ্নই তাইৰ মনত দোলা দিবলৈ ধৰিলে ।

কলেজৰ মজীয়া গবকা ছোৱালী হিচাপে তাইৰ এনে কথাবোৰ যুক্তি তৰ্কেৰে ফঁহিয়াই চাব পৰা ক্ষমতা হৈছে । সেইবাবেই যোৱাকালি হৈ যোৱা ঘটনাটোৰ আঁৰতনো কাৰ কি উদ্দেশ্য বা লাভা-লাভ থাকিব পাৰে তাকে তাই যুক্তিৰে ফঁহিয়নি ফালেৰে ফঁহিয়াই চাইছে । যাবেই যি লাভালাভ নাথাকক কিয়, মানুহেযে ইমান ঘৃণনীয় আৰু অমানৱীয় কাৰ্য্যত লিপ্ত হব পাৰে সেইকথা ভাবিহে তাই বেছি আচৰিত হ'ল । শিক্ষা-দীক্ষাই মানুহক উদাৰ কৰে বুলি তাই জানে । তথাপি একবিংশ শতিকাত ভৰি দিবৰ সময়ত শিক্ষা-দীক্ষাৰ ইমান প্ৰসাৰৰ পিছতো মানুহৰ মনবোৰ যে ইমান সংকীৰ্ণ হৈ আছে তাৰ বাবেহে তাইৰ দুখ লাগিছে । বৰ্ত্তমানৰ শিক্ষা দীক্ষাই তেনেহলে মানুহক 'মানুহ' হবলৈ শিকোৱা নাই । নহলেনো মানুহে অমানুহৰ কাৰ্য কৰি পাৰেনে ?

তাইৰ মনত পৰিল সিহঁতৰ চুবুৰিটো আক্ৰমণ কৰিবলৈ আহোতে উগ্ৰপন্থীহতে যে ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰিছিল । বন্দুক-বাৰুদ,

জাঠিৰে সিহঁত সজ্জিত হৈ আহি তেওঁলোকৰ চুবুৰিটোত কেনেদৰে সংহাৰ কাৰ্য চলাইছিল ভাবিলে উশাহ বন্ধ হৈ যাব খোজে। উগ্ৰপন্থী-হঁতে সিহঁতৰ ঘৰলৈ আগুৱাই আহিয়েই আমিনাৰ বাপেকক চোতালত দেখিয়েই গুলীয়াইছিল তেওঁলৈ। ভাগ্যভাল গুলী তেওঁৰ বাহুতহে লাগিল। গুলীখায়েই তেওঁ ভয়তে ঘৰৰ পিছফালে থকা বেঙেনাৰ খেতি ডবাৰ মাজত লুকাই পৰিল। আমিনায়ো বাপেকক অনুসৰণ কৰিয়েই বাপেকৰ সৈতেই বেঙেনা গছৰ আঁৰত লুকাই পৰিল। বেঙেনা গছৰ আঁৰত লুকাই থকা অৱস্থাতেই আমিনাই তাইৰ শাৰীৰ আঁচলটো ছিঙি বাপেকৰ বাহুটোত টানকৈ বান্ধি দিছিল তেজ ওলাব নোৱাৰাকৈ।

বেঙেনা গছৰ আঁৰত লুকাই থকা অৱস্থাতেই তাই উগ্ৰপন্থীসকলৰ গতিবিধি লক্ষ্য কৰিলে। উগ্ৰপন্থীসকলে সিহঁতৰ ঘৰত সোমাই কাকো নাপাই সিহঁতৰ খেৰ বাঁহেৰে সজা ঘৰটোৰে খুটা কেইটাত কেইঘাপমান মাৰি মৰাপাটৰ ঠাৰিৰে সজা বেৰকেইখনত কেইটামান ফুটা কৰি সিহঁতৰ ঘৰৰ পিছফালেৰেই ওলাই গ'ল। বাৰীৰ পিছ-ফালৰ বেঙেনাডবাৰ কাষেৰেই উগ্ৰপন্থীসকল ওলাই গ'ল। আমিনা আৰু তাইৰ বাপেক যে বেঙে-নাৰ জোপোহাৰ আঁৰত লুকাই আছিল সিহঁতে গমেই নাপালে যদিও আমিনাই দেখিলে যে— উগ্ৰপন্থীৰ দলটোত সিহঁতৰ গাৱঁৰে দুজনমান ডেকা আছে যিকেইজন ডেকা ল'ৰাৰ লগতেই আমিনায়ো এদিন স্কুলীয়া শিক্ষা লাভ কৰিছিল। সিহঁতৰ ঘৰলৈকো আহিছিল। আমিনাই সিহঁ-তক চাহ কৰিও খুৱাইছিল। সেই একেকেইজন ল'ৰাই আজি সিহঁতক আক্ৰমণ কৰিবলৈ আহিছে। যিজন আমিনাৰ বাপেকক সিহঁতে সিহঁতৰ ঘৰলৈ আহি খুৰা বুলি মাতিছিল সেইজন খুৰাককে আজি সিহঁতে গুলীবিদ্ধ কৰিছে। আমিনাক সমুখত পোৱা হলে বা সিহঁতে তাইক……। সিহঁতেনো তাইক কি কৰিলেহেঁতেন সেই বিষয়ে তাই ভাবিব নোৱাৰিলে। গাটো শিঁয়ৰি উঠিল। তাইৰ একমাত্ৰ সম্পদ সতীত্বকণো হয়তো সিহঁতে আজুৰি নিলেহেঁতেন। পূৰ্ণ যৌৱনা গাভৰু দেহটো হয়তো সিহঁতে ক্ষত-বিক্ষত কৰিলেহেঁতেন। তাইৰ ক্ষেত্ৰত সিমানখিনি নহল বাবে তাই আল্লাক ধন্যবাদ দিলে।

উগ্ৰপন্থীসকল গুছি যোৱা বুলি নিশ্চিত হোৱাৰ পিছতহে চুবুৰিটোৰ মানুহখিনিৰ মুখত পানী আহিল। উগ্ৰপন্থীসকলৰ সমুখা সমুখী হোৱাৰ সময়ত যিটো এটা আতংকৰ সৃষ্টি হৈছিল, চিঞৰ-বাখৰ, হুলস্থুল লাগিছিল সেই হুলস্থুল কিছু সাম কাটিল। কন্দা-কটা চলিয়েই থাকিল। ঘৰৰ যিখিনি মতা মানুহ উগ্ৰপন্থীৰ আক্ৰমণৰ হাত সাৰিবৰ বাবে ওচৰতে কৰবাত আত্মগোপন কৰিছিল, তেওঁলোকো ওলাই আহিল। উগ্ৰপন্থীৰ হাতত যিখিনি মৰিল সিহঁতৰ কথা বাদ দি অৰ্ধমৃত বা আহতখিনিক হস্পিতাললৈ নিয়াব ব্যৱস্থা কৰা হ'ল চুবুৰীটোৰ বয়সীয়াল মানুহ কেইজনৰ পৰামৰ্শমতে। দুজনমান ডেকা ল'ৰাই চাইকেলেৰে ২০ কিলোমিটাৰ দূৰ গৈ থানাত পৰি থকা কালত সেই ডেকাকেইজন আনকি খবৰ দিলে। থানাৰ পৰা লগে লগেই গাড়ীৰে

নিৰাপত্তা ৰক্ষী আছি পালে। আহতসকলক হস্পিতাললৈ নিয়াৰ ব্যৱস্থা কৰিলে আৰু মৃত সকলকো। মৃতসকলক নিয়া হ'ল পোষ্টমৰ্টেমৰ বাবে।

পোষ্টমৰ্টেম কৰি পেলাই থোৱা মহিলা দুজনীৰ মুখ দুখন আমিনাৰ চিনাকী যেনেই লাগিছিল। এজনী সিহঁতৰ চুবুৰীটোৰ দক্ষিণ মূৰৰ ফৰিদা যেনেই লাগিল। ফৰিদাৰ বিয়া যোৱা এবছৰো হোৱা নাছিল কিজানি। তাইবে দূৰ সম্পৰ্কীয় ককায়েক চামচুদ্দিনে তাইক বিয়া কৰাই আনিছিল। চামচুদ্দিন চাকৰিৰ দায়ত গুৱাহাটীতে থাকে। হয়তো চামচুদ্দিনৰ অনুপস্থিতিত বেচেৰী ফৰিদা বৰ নিৰুপায়ত পৰিছিল। উগ্ৰপন্থী সকলেও হয়তো তাইক প্ৰথম বলি হিচাপে পায়েই তেনেদৰে তাইৰ আঠমহীয়া পেটটো ফালি কেচুৱাটো উলিয়াই পৈশাচিক আনন্দ উপভোগ কৰিলে। দ্বিতীয় বলি হিচাপে নিশ্চয় চাজিদাক পাইছিল। কাৰণ চাজিদা আৰু ফৰিদাহঁতৰ ঘৰ লগালগি। উগ্ৰপন্থীসকল সিহঁতৰ ফালেৰেই চুবুৰীটোত প্ৰৱেশ কৰিছিল। তাইৰ অনুমান সঁচা যেনেই লাগিল। পোষ্টমৰ্টেম কৰি পেলাই থোৱা দ্বিতীয় গৰাকী মহিলাৰ মুখখন তাই চাজিদা যেনেই পাইছিল। তেতিয়া হলে চাজিদাৰ সেই ধুনীয়া ধুনীয়া স্তন দুটা উগ্ৰপন্থীসকলে কাটি পেলালে।

আমিনাৰ মানস পটত জিলিকি উঠিল চাজিদাই তাইৰ ছমহীয়া কেচুৱাটোক কোলাত লৈ পৰম তৃপ্তিৰে গাখীৰ খুৱাই থকা সেই দৃশ্যটোৰ ছবি। কোনো এজন চিত্ৰ শিল্পীৰ তুলিকাত জীৱন্ত হৈ উঠা ছবিখনতকৈও বেছি জীৱন্ত হৈ জিলিকি উঠিল সেই ছবিখন আমিনাৰ মনত। কাৰণ যোৱা কালি আবেলি সেই দৃশ্য তাই দেখি আহিছিল সিহঁতৰ ঘৰলৈ কিবা এটা কাৰণত যাওঁতে।

পোষ্টমৰ্টেম কৰি উলংগভাবে পেলাই থোৱা বাবেহে মহিলা দুগৰাকীক চিনি পোৱাত অলপ অসুবিধা হৈছিল যদিও তাই যি অনুমান কৰিছিল সেই অনুমান ঠিকেই হ'ল। ফৰিদা আৰু চাজিদাৰ কথা ভাবি তাইৰ বৰ দুখ লাগিল। দুখ লাগিল সম্বন্ধীয় ককায়েক চামচুদ্দিনলৈ। কিমান হেঁপাহেৰে বিয়া কৰাই আনিছিল সেই ফৰিদাক। কি সুখৰ আছিল তেওঁলোকৰ যুগ্ম জীৱন। যুগ্ম জীৱনৰ স্বাক্ষৰ বহন কৰি ফৰিদাই কঢ়িয়াই আনিবলৈ ধৰা সিহঁতৰ প্ৰথম সন্তানটোৰ মুখখনো সিহঁতে দেখা নাপালে। তাৰ আগতেই ফৰিদা আৰু কেচুৱা দুয়োটাকে কাঢ়ি নিয়া হ'ল চামচুদ্দিনৰ বুকু উদং কৰি। আমিনাৰ দুখ লাগিল চাজিদাৰ কোলাৰ কেচুৱাটোৰ কথা ভাবি। সেই কেচুৱাটোৱে বাৰু এতিয়া মাকক আৰু মাকৰ সেই ধুনীয়া স্তন যুগল বিচাৰি কান্দি থকা নাইনে? কালৰ কি কুটিল গতি।

দুগালেৰে বাগৰি অহা চকুলোৰ বন্যাই তাইৰ অলক্ষিতে তাইৰ বুকুৰ কাপোৰ তিয়াই দিলে। তাইৰ গাৰ শাৰীখনেৰে তাই চকুলো মচিবলৈ চেষ্টা কৰিলে। চকু মুখ মচি তাই হস্পিতালৰ দীঘল বাৰান্দাখনলৈ দৃষ্টি প্ৰসাৰিত কৰিলে। তাইৰ দৰেই একে অৱস্থা সকলোৰে বাৰান্দাখনেৰে তাইৰ নিচিনাকৈ বিচনাত একোৱ

আত্মীয়ক লৈ ওচৰতে বহি আছে দুই তিনিজন মানুহ।

ওচৰৰ বিচনাখনত বহি থকা তিৰোতাজনীয়ে আমিনালৈ চাই দীঘল হুমুনিয়াহ এটি এৰি কলে 'হায় আল্লা' কিষে পাপ কৰ্ছিলাম। আৰ ক'ত জন মৰবে ঠিক্‌না নাই। ঐ বাৰান্দাই একটা চেঙ্‌ৰা পইৰে আছে। কেও নেই। ৰক্ত দিতে লাগে। ৰক্ত না দিলে মৰবে।'

আমিনাই তিৰোতাজনীৰ কথা কেইষাৰ শুনি সজল নয়নেৰে বাপেকলৈ এবাৰ চালে। বাপেকৰ টোপনি আহিছে। তাই লাহেকে থিয় হ'ল আৰু তিৰোতাজনীয়ে কোৱা ডেকা লৰাটোনো কোন চিনিপায়নেকি চাবলৈ বুলি আনখন বাৰান্দালৈ গ'ল। বাৰান্দাৰ পকীৰ ওপৰত বিচনা এখন পাৰি শুৱাই থোৱা আছে যুৱক এজন। যুৱকজনৰ কাপোৰ তেজেৰে বাওলি। যুৱকজনৰ মুখখনলৈ তাই দৃষ্টি নিক্ষেপ কৰিলে। মুখখন দেখোন তাইৰ চিনাকি যেন লাগিল। তাই আকৌ এবাৰ ভালদৰে চাই ললে। এয়া দেখোন সিহঁতৰ ওচৰৰ জনজাতীয় চুবুৰিটোৰ ৰবিৰাম। ৰবিৰামৰ লগত তাই একেখন এলপি স্কুল আৰু একেখন হাইস্কুলতে পঢ়িছিল। দুয়ো একেবাৰতে মেট্ৰিকো পাছ কৰিছিল। মেট্ৰিক পাছ কৰাৰ পিছৰে পৰা তাই ৰবিৰামক দেখা নাছিল। এয়া ইমানদিনৰ মূৰত প্ৰথম দেখিলে তাকো অৰ্দ্ধমৃত অৱস্থাত।

ৰবিৰামক তেনে অৱস্থাত দেখি আমিনাই বৰ দুখ পালে। ওচৰৰ বিচনাখনৰ ৰোগীজনৰ ওচৰত থকা নাৰ্চজনীক সুধিলে—কি হৈছে ৰবিৰামৰ, কোনে কেতিয়া ভৰ্ত্তি কৰালে ইত্যাদি। নাৰ্চজনীয়ে কলে—"যোৱা ৰাতি দুজনমান ডেকাই আনি ভৰ্ত্তি কৰাই থৈ গ'ল, তাৰ পিছত আৰু খবৰ নাই। বেচেৰাৰ উৰুত কোনোবাই ঘপিয়াইছিল হেনো, অতিমাত্ৰা ৰক্তক্ষৰণ হৈছে। এতিয়া ৰক্তক্ষৰণ বন্ধ হৈছে যদিও আৰু তেজ দিব নোৱাৰিলে মৃত্যুও হব পাৰে। আমাৰ ইয়াত ব্লাডবেংকৰ ব্যৱস্থা নাই। ব্লাড দিব পাৰিলে বাচিব পাৰে। কিন্তু ব্লাড দিয়ে কোনে? কাৰো খবৰেই নাই দেখোন।"

নাৰ্চজনীৰ কথা শুনি আমিনাই বৰ ব্যগ্ৰভাবে কৈ উঠিল—"বাইদেউ মোৰ তেজ দিলে হবনে?"

আমিনাৰ কথা শুনি নাৰ্চজনীয়ে আমিনাৰ মুখলৈ চালে। অ' গ্ৰুপ হলে দিব পাৰিবা।

"বাইদেউ মোৰো অ' গ্ৰুপ। যোৱা ৰাতি পৰীক্ষা কৰিছো নহয়, মোৰ আব্বাজানক তেজ দিব লাগিব বুলি।"

"ৰবা, মই তেতিয়াহলে চাৰৰ ওচৰলৈ তোমাক লৈ যাওঁ।" নাৰ্চজনীয়ে আমিনাক ডাক্তৰৰ ওচৰলৈ লৈ গ'ল। ডাক্তৰে আমিনাৰ পৰা পাঁচশ চিচি তেজ উলিওৱাৰ ব্যৱস্থা কৰাৰ নিৰ্দেশ দিলে।

তেজ উলিওৱা হোৱাৰ পিছত আমিনা বাপেকৰ ওচৰলৈ গ'ল। বাপেক তেতিয়াও টোপনিত। তাই আকৌ ঘূৰি গ'ল ৰবিৰামৰ ওচৰলৈ। নাৰ্চজনীয়ে তাইৰ দেহৰ পৰা উলিয়াই অনা তেজৰ বটলটো ষ্টেণ্ড এডালত ওলোমাই দি তাৰ হাতৰ শিৰাত বেজীটো সুমুৱাই দিলে। এটোপ দুটোপকৈ বটলৰ পৰা তেজ নিগৰি গৈ ৰবিৰামৰ দেহত প্ৰবেশ কৰিবলৈ ধৰিলে।

আমিনা ৰবিৰামৰ কাষত বহি তাৰ হাতখনত ধৰি থাকিল যাতে সি সংজ্ঞা ঘূৰাই পালে লৰ-চৰ কৰি তেজ পাছ কৰাত বাধা জন্মাব নোৱাৰে।

নাৰ্চজনীয়ে ৰবিৰামক নিৰীক্ষণ কৰি থাকিল আৰু আমিনাইও ৰবিৰামৰ তৎ ঘূৰি অহালৈ অধীৰ আগ্ৰহেৰে বাট চালে।

আমিনাই ধৰি থকা ৰবিৰামৰ হাতখন লৰি উঠাত তাই ৰবিৰামৰ চকুলৈ চালে। জাপ খাই থকা চকুৰ পতা দুখন লৰি উঠা যেন লাগিল। ৰবিৰামে চকু মেলিলে। সি ইফালে সিফালে চকু ঘূৰালে। সিনো কত আছে ধৰিব নোৱাৰিলে। ভয় আৰু আশ্চৰ্য মিশ্ৰিত কণ্ঠেৰে সি প্ৰশ্ন কৰিলে—“মই ক'ত আছো? কি হৈছে মোৰ?”

“তই হস্পিতালত আছাহ দে, তোৰ একো হোৱা নাই ভাল হৈ যাবি।” আমিনাই কলে।

বটলৰ তেজ শেষ হওঁ হওঁ হৈছে। তেনেতে ডাক্তৰজন ৰবিৰামৰ ওচৰলৈ আহিল। ৰবিৰামৰ চকুৰ পতা দুখন মেলি চাই সুধিলে ‘কেনে পাইছা?’

“ভাল।” ৰবিৰামৰ চমু উত্তৰ।

“তুমিয়েই দিছিলা নহয় তেজ?” ডাক্তৰে আমিনালৈ চাই প্ৰশ্ন কৰিলে।

‘হয়’। আমিনাই চমুকৈ উত্তৰ দিলে।

“আজি এওঁ তেজ নিদিয়া হলে তোমাক বচোৱাই টান হ'লহেঁতেন।” কথাকেইষাৰ কৈ ডাক্তৰজন ৰবিৰামৰ ওচৰৰ পৰা গুচি গ'ল।

ৰবিৰামে আমিনাৰ মুখমণ্ডললৈ চালে। বেচেৰী আমিনাৰ চালখনহে ক'লা, মনটো দেখোন কিমান বগা, কিমান বহল। তাইৰ চালখন ক'লা যদিও তাইৰো দেখোন তেজৰ ৰং ৰঙা।

ৰবিৰামৰ নিজকে বৰ দোষী দোষী লাগিল। যোৱা কালি যিখিনি মানুহৰ ওপৰত সি তাৰ লগৰীয়াহঁতৰ সৈতে আক্ৰমণ চলাইছিল সেইখিনি মানুহৰ মাজৰেই এজনে আজি তাক পুনৰ জন্ম দিলে। আজি আমিনা নোহোৱা হলে হয়তো সি আৰু এই ধৰণীৰ মুখ দেখিবলৈ নহ'লহেঁতেন।

আমিনাহঁতৰ চুবুৰীত আক্ৰমণ চলোৱা উগ্ৰপন্থী দলটোত যে সিয়ো আছিল সেই কথা সি আমিনাক কোৱাৰ সাহস গোটাব নোৱাৰিলে। এই কথাও সি কব নোৱাৰিলে যে আমিনাহঁতৰ চুবুৰী আক্ৰমণ কৰোঁতে যে সি ঘাইল হৈ হস্পিতাললৈ আহিব লগীয়া হ'ল।

আমিনালৈ চাই থাকোতেই এবাৰ তেজৰ বটলটোতো চকু পৰিল। অলপ পিছতেই হয়তো বটলৰ তেজখিনি শেষ হৈ যাব। কি ধুনীয়া ৰঙা ৰং তেজখিনিৰ। আকৌ এবাৰ আমিনাৰ মুখমণ্ডললৈ চালে। মনৰ পৰ্দাত ভাহি উঠিল তাৰ ভনীয়েক ধনেশ্বৰীৰ ছবি। আমিনাৰ মুখমণ্ডলত ধনেশ্বৰীৰ মুখমণ্ডলৰ ছবি প্ৰতিফলিত হোৱা যেন দেখিলে সি।

সি আমিনালৈ চাই কোনো কথাই কব নোৱাৰিলে। মৌন হৈ ৰ'ল সি কিছুসময়। সেই মৌনতাই যেন বহন কৰিছে বহুতো ভাব। এই মুহূৰ্তৰ মৌনতাই তাৰ হৃদয়ৰ অনুভূতি সকলোবোৰ বাঙ্ময় কৰি তোলা আমিনাৰ চকুত পৰা যেন পালে আমিনাই।

ৰবিৰামৰ মৌন চাৱনিত এইটো অৰ্থও নিহিত হৈ থাকিল যে আমিনাই তাক নৱজন্ম দিলে— সি আৰু কেতিয়াও অমানুহ নহয়, ‘মানুহ’ হ'ব।

# দুটোপা তেজ!

মিণ্টু কলিতা
স্নাতক প্ৰথম বৰ্ষ।

চিঠিখনলৈ চাই চাই আলোকে হুক হুকাই কান্দি দিলে। এই মূহূৰ্তত কি কৰা উচিত সি বুজিব পৰা নাই। যিমানে শুৱলৈ চেষ্টা কৰে সিমানে আৱেগত সি ভাগি পৰে। বাৰে বাৰে চেষ্টা কৰিও সি শুৱ পৰা নাই। তাৰ হৃদয়ত আজি জাগি উঠিছে অতীতৰ সপোন। অতীতৰ সেই কথাবোৰ ভাৱি আজি যেন সি নিজেই লুপ্ত হৈ যাব! কিহৰ পৰা কি হ'ল সি একো বুজি নাপায়! তাৰ মনত আজি এটাই মাথো প্ৰশ্ন আকৌ জানো অলকাক বিচাৰি পাব?

গড়গাওঁ এলেকাৰ নিবাসী সতীশ চকীদাৰৰ ৬ডৰ ছোৱালীজনীৰ নাম অলকা। তাইৰ ৰূপ সোণত সুৱগা চ'ৰা। ৰূপ যেনেকুৱা আছিল তাইৰ গুণো কোনো গুণে কম নাছিল। ঘৰুৱা কাম-বনৰ উপৰিও তাই পঢ়া শুনা আৰু সুন্দৰ গানো গাইছিল। পঢ়াত তাই খুব চোকা নহলেও কেচাও নাছিল। তাই খুব শান্ত আৰু ধীৰ-গম্ভীৰ আছিল। তাইৰ ৰূপ কেঁচা হালধীৰ নিচিনা আছিল। দেউতাক যদিও চকীদাৰ আছিল, গাওঁখনৰে এজন নিৰ্জু প্ৰকৃতিৰ লোক আছিল। তেওঁ কাৰো অপকাৰ নকৰিছিল, পাৰিলে নিজৰ ক্ষতি কৰিও আনৰ উপকাৰ সাধন কৰিছিল। কাকো তেওঁ টান কথা নুশুনাইছিল, সেয়েহে তেওঁ কাৰো টান কথাও নুশুনিছিল। বহুতো অভাৱ-অনাটনৰ মাজতো তেওঁ ঘৰখন সজীৱ কৰি ৰাখিবলৈ চেষ্টা কৰিছিল। তেওঁ এযোৰ মাথো পোচাকেৰে দিনবোৰ পাৰ কৰাই দিছিল। তেওঁ কেতিয়াও আনক ফাকি নিদিছিল



আৰু কৰ্তব্যৰো ত্ৰুটি তেওঁ নকৰিছিল। ২০০ টকা দৰমহা তেওঁ মাহে পাইছিল। সেইখিনি টকাৰে তেওঁ ঘৰখন কোনোমতে চলাবলৈ চেষ্টা কৰিছিল। ল'ৰা ছোৱালী, মাক-দেউতাকক ধৰি ছয়জনীয়া পৰিয়ালৰ ভৰণ-পোষণ দিব লগা হৈছিল। কিন্তু মাকজনী আছিল সাক্ষাৎ গোসাঁনী সেয়েহে, অলপো সময় জিৰণী নলোৱাকৈ তেওঁ খুব কষ্ট কৰি ঘৰখন চলাইছিল। তেওঁৰ মুখৰ হাঁহি ইমান দুখতো ম্লান হৈ যোৱা নাছিল। ইফালে আজি কালি কৰি অলকাও ডাঙৰ হৈ আহিছিল। অলকাক লৈ মাকৰ চিন্তা বাঢ়ি আহিল। অলকাই এদিন মেট্ৰিক পাছ কৰি মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিলে। ইফালে অলকা গাভৰু হোৱা বাবে তাইৰ ৰূপে মোক খা মোক খা হৈ উঠিছিল। যিমানেই নিজকে সংযত কৰিবলৈ চেষ্টা কৰিছিল, সিমানে অলকাৰ মনত কিবা এটা নুবুজা পুলক জাগিছিল। মহাবিদ্যালয় সপ্তাহত অলকাই গান গাবলৈ সাজু হৈছিল, কিন্তু তাইৰ লগত তবলা বজোৱা ল'ৰাজন সময়মতে উপস্থিত নথকাত অলকা বিমোৰত পৰিছিল। কিন্তু একে ক্লাচৰে আলোকে উপযাচি তাইৰ লগত তবলা বজাই অনুষ্ঠানটো পৰিবেশন কৰাত সহায় কৰি দিলে। অনুষ্ঠান শেষ হোৱাৰ পিচত আলোকে যাবলৈ মাত দিবলৈ ওলোৱাতে অলকাৰ চকুত পৰি যি এটি বৈদ্যুতিক সোঁত বৈ গল সি আজিও চলিয়ে থাকিল। আজি কালি অলকাই বিভিন্ন ঠাইত গান গাবলৈ যায়। কিন্তু আগৰ সেই ল'ৰাজন লগত নেযায়. যায় আলোক হাজৰিকা। আজি কালি প্ৰায়ে আলোক অলকা-হঁতৰ ঘৰলৈ আহে। আলোক আছিল দিগন্ত হাজৰিকাৰ একমাত্ৰ সন্তান। অলকাহঁতৰ নিচেই ওচৰৰে গাওঁখনত দিগন্ত হাজৰিকাৰ ঘৰ। অঞ্চল-টোৰ ভিতৰতে তেওঁ আছিল চহকী মানুহ। তেওঁ ঠিকাৰ কাম কৰিছিল। তেওঁৰ ব্যৱসায় আছিল কলা টকাৰ। সেয়েহে একমাত্ৰ সন্তান আলোকে দেউতাকৰ বিৰুদ্ধে মাত মাতে। দেউ-তাকৰ চৰিত্ৰৰ সম্পূৰ্ণ বিপৰীত আলোক। দেউতাকক তেওঁ বুজাইছিল যে দুখীয়া ৰাইজক শোষণ নকৰিবলৈ। দিগন্ত আছিল বজাক কৰা নোবোলা। গতিকে তেওঁ পুতেকৰ কথাত কোনো কাণ নিদিছিল।

অলকা ডাঙৰ হোৱাৰ পৰাই ঘৰখনৰ অৱস্থা কিছু ভাল হৈ আহিল। কাৰণ অলকাই গান গোৱাৰ নামত আৰু টিউচনি, তাঁত বৈ কিছু উপাৰ্জন কৰিছিল। মাকৰ হাড়ভঙা পৰিশ্ৰম, তাই পোৱা টকা আৰু দেউতাকৰ দৰমহাৰ টকাৰে কিছু ভাল হৈ আহিছিল। কিন্তু এনে পৰিবৰ্তনত গাওঁৰ মানুহবোৰ জ্বলি উঠিছিল। কেনেকৈ ইহঁতক ঠেকা খুৱাব পাৰি তাকেই ভাবিছিল। আলোক আৰু অলকাৰ মাজৰ প্ৰীতিৰ বান্ধোনেও ঈৰ্ষাৰ কাৰণ হৈছিল। সেয়েহে আলোকৰ দেউতাকক আলোক আৰু অলকাৰ প্ৰেমৰ কথাৰ লগতে আলোকৰ কাৰণেই যে সিহঁতৰ ঘৰৰ পৰিবৰ্তন হৈছে তাকো ক'লে।

অলকাই জানিছিল সিহঁতৰ ঘৰখনক নেদেখা মানুহেই হিংসা কৰিবলৈ লৈছিল কিন্তু অলকাই এলাপেছা কথাত গুৰুত্ব নিদিছিল। সেয়ে আনৰ সমালোচনাৰ প্ৰতি গুৰুত্ব নিদি তা

নিজৰ মতে চলিবলৈ দৃঢ়প্ৰতিজ্ঞ। কিন্তু নিয়তি ইমান নিৰ্জু নহয়। অলকাৰ ভাগ্যতো তাকেই ঘটিল। অলকাহঁতৰ ঘৰথনলৈ নামি আহিল এক ভীষণ দুৰ্য্যোগ........।

দিগন্ত হাজৰিকাই কালমূৰ্ত্তি ধাৰণ কৰি সতীশহঁতৰ ঘৰলৈ আহি নানা কটু কথা শুনা-বলৈ ধৰিলে .... "যদি ছোৱালীক ভৰণ-পোষণ দিব নোৱাৰে তেওঁৰ ঘৰত কাম কৰিব থব লাগে। ছোৱালী দেখুৱাই ব্যৱসায় আৰম্ভ কৰিছা? যদি উপাৰ্জন কৰিব নোৱাৰ ফাঁচি লগাই মৰিবি; আজিৰ পৰা যদি তোৰ ছোৱালী মোৰ ল'ৰাৰ লগত কথা পতা শুনো" .........বুলি গপ গপাই গুচি গ'ল দিগন্ত হাজৰিকা। ইমানপৰে গোটেইখন ঘৰতে যেন সৰগহে পৰিছিল। গোটেই ঘৰথন যেন কাঁহ পৰি জিন গৈ আছিল। মাক-দেউতাকে কিহত কি হ'ল বুলি হাঁহাকাৰ কৰিবলৈ ধৰিলে। ইমান সময়ে ঘৰৰ চুকৰ পৰা শুনি থকা অলকাই হুক হুকাই মাক-দেউতাকৰ ভৰিত পৰি কান্দিবলৈ ধৰিলে। কিন্তু দেউতাকে ভৰিৰে গুৰি মাৰি ঠেলি পঠিয়াই কলঙ্কিনী বুলি আখ্যা দিলে। দেউতাক যেন সেইদিনা ভয়ংকৰ হৈ উঠিল আৰু নানা ধৰণৰ বাক্য বুলিবলৈ ধৰিলে.........."তাই আৰু আজিৰ পৰা কলেজলৈ যাব নোৱাৰে আৰু গান গাবলৈও বন্ধ কৰি দিলে।" অলকাই বাধ্য শিশুৰ দৰে সকলো কথা মানি ললে আৰু তাই মনে মনে প্ৰতিজ্ঞা কৰিলে যে—তাই আৰু আজিৰ পৰা কাৰো বোজা হৈ নাথাকে, তাই নিজৰ ভৰিত থিয় দিবলৈ শিকিব। জীয়াই থকাৰ বাবে কিবা নহয় কিবা এটা কৰিবলৈ দৃঢ় সংকল্পবদ্ধ হ'ল। আলোকক তাই বুজাই ক'ব যেন তাইৰ আশা পৰিত্যাগ কৰে। কাৰণ অলকা সৰু মানুহৰ ছোৱালী। সেয়েহে সেইদিনা ৰাতিয়ে তাই আলোকলৈ এখন সৰু চিঠি লিখিবলৈ ওলাল। আলোকক তাই ভালদৰেই চিনিছিল আৰু বুজিছিল, তথাপিও তাই আজি নিষ্ঠুৰ হ'ব আৰু হ'বই লাগিব।

মৰমৰ আলোক,

মোৰ মৰমবোৰ লবা। তোমাক মই ভাল ধৰণে চিনি বুজি পায়ো এনেদৰে লিখিবলৈ ললোঁ। ভুলৰ বাবে ক্ষমিবা। মই আজি ঘৰৰ পৰা ওলাই যাবলৈ ওলালো, যিকোনো সংস্থাপনৰ বাবে। যিকোনো এটা উপাৰ্জনৰ পথ বিচাৰি উলিয়াব লাগিব। যাবলৈ ওলাই তোমালৈ ৰবকৈ মনত পৰিছে যদিও পাহৰিবলৈ যত্ন কৰিছোঁ। তুমিও যত্ন কৰিবা। কাৰণ তোমালোক ডাঙৰ মানুহৰ ল'ৰা। তোমাৰ আৰু মোৰ প্ৰেম যুগ-মীয়া হ'ব দূৰে দূৰে। মই তোমাৰ প্ৰেমক সদায় সন্মান ও শ্ৰদ্ধাৰ চকুৰে চাম। পৱিত্ৰ প্ৰেম চিৰযুগমীয়া। কলৈ যাম, ক'ত কি কৰিম ঠিকনা বিহীন মোৰ যাত্ৰা। জীয়াই থাকিবলৈ যত্ন কৰিম। মোৰ আশা পৰিত্যাগ কৰি নতুন জীৱন গঢ়া, তাৰবাবে মোৰ হিয়াৰ আশীৰ্ব্বাদ থাকিল। তোমাৰ দেউতাই মোৰ দেউতাক কৰা অপমানৰ এয়া ফল।

সদৌ শেষত পুনৰ তোমাৰ জীৱন মধুময় হোৱাৰ কামনাৰে—

তোমাৰ—

"অলকা"।

চিঠিখন ধুনীয়াকৈ পেক কৰি ওচৰৰে দিপাংকৰৰ হাতত দি ক'লে, আলোকক দিবলৈ। সেইদিনা ৰাতিপুৱা তাই চাৰ্টিফিকেট আৰু কাপোৰৰ বেগ লৈ ঘৰৰ পৰা যাবলৈ ওলাল আৰু মাক-দেউতাকক ভাই সেৱা কৰিলে। মাক দেউতাকে তাইক বাধা নিদিলে মাথো উচুপি উঠিল। লাহে লাহে অলকা আঁতৰি গ'ল। সতীশে আগৰ দৰে নিজৰ কৰ্তব্য কৰি গৈ থাকিল। আগৰ ৰঙীণমুখী ঘৰখন থানবান হৈ গ'ল। অতি মৰমৰ ছোৱালীজনী ঘৰত নোহোৱা বাবে সিহঁতৰ ঘৰখন যেন পাগলা হৈ গ'ল। সেইদিনা আবেলি অৰ্থাৎ অলকা যোৱাৰ দিনাখনেই আলোক আহিছিল আগৰ দৰেই, কিন্তু ঘৰখনৰ ফালে চাই কিবা এটা যেন ..........নাই আলোকে একো বুজিব নোৱাৰি সুধিলে—"দাদা .......... " দেউতাকে কৈ উঠিল—'অলকাৰ মৃত্যুৰ এয়া পৰিণতি। আলোকে একো বুজিব পৰা নাই। কিন্তু সোধাৰো সাহস নাই—সেয়েহে লাহে লাহে অহা বাটেই উভতিল। আহিয়ে সি বিচনাত পৰি ছট্‌ফটাবলৈ ধৰিলে—কিহৰ পৰা কি হ'ল বুলি হাঁহাকাৰ কৰিবলৈ ধৰিলে। কিন্তু সি একো উত্তৰ নাপালে। হঠাৎ কোনো এজন মানুহ অহাত থৰমত খালে আৰু দিপাংকৰক দেখি সি তাক বহিবলৈ কলে। কিন্তু দিপাংকৰে জেপৰ পৰা চিঠিখন উলিয়াই নিজেই ওলাই গ'ল। আলোকে খুব ব্যগ্ৰভাৱে চিঠিখন খুলি পঢ়িবলৈ ধৰিলে। যিমানে পঢ়িছে সি সিমানে যেন সি হৈ থকা নাই শেষত অলকা বুলি হুক হুকাই কান্দি দিলে আৰু ক'লে 'তোমাৰ ওচৰত মই কি দোষ কৰিছিলো অলকা।'' শেষত নিজেই ভাবিলে এয়া কান্দি থকাৰ সময় নহয়. বিপদত ধৈৰ্য্যই অস্ত্ৰ। তেওঁ টেবিলৰ ঘড়ীটোলৈ চালে সময় তেতিয়া নিশা ১২ বাজিছে. এতিয়া কলৈকো যোৱা ভাল নহ'ব। সেয়েহে পোহৰ হোৱালৈ বাট চালে।

অলকাই বহু ঠাই ঘূৰি ফুৰি সন্ধ্যা লগাৰ আগে আগে ৰাতিটো ক'ত কটাব ভাবিবলৈ ধৰিলে। ৰাতিটোৰ আশ্ৰয়ৰ বাবে শান্তিপুৰৰ প্ৰশান্ত উকিলৰ ঘৰত উপস্থিত হৈ আশ্ৰয়ৰ ভিক্ষা মাগিলে। উকিল যিয়েই নহওক ঘৈণীয়েকজনী বৰ সাদৰী। সেয়েহে অলকাৰ কথাবোৰ শুনি তাই খুব দুখ কৰিলে আৰু ৰাতিটোৰ বাবে থকাৰ ব্যৱস্থা কৰি দিলে। তেখেতে ইয়াকো ক'লে যে এটাই মাথো লৰা অৰূপ চলিহা খুব উদন্ত স্বভাৱৰ। যিয়েই নহওঁক তাইৰ সেইবোৰ জানি একো লাভ নাই। ৰাতিটো পোহৰ হলেই হয়। শেষত তাই ঈশ্বৰৰ নাম লৈ ৰাতি শুবলৈ চেষ্টা কৰিলে। কিন্তু ইমান ভাৱনাই চিন্তাই বহু ৰাতিলৈ টোপনি অহা নাছিল। শেষত তাইৰ চিলমিলকৈ টোপনি আহিছিল মাথোন, এনেতে কাৰোবাৰ স্পৰ্শত তাই উচপ খাই উঠিল। তাই চিঞৰিবলৈ চেষ্টা কৰিছিল যদিও সকলো বিফল। শেষত তাইৰ বুজিবলৈ বাকী নাথাকিল যে তাইৰ সকলো শেষ হৈ গ'ল। যেতিয়া অৰূপ চলিহা তাইৰ কাষৰ পৰা ওলাই গৈছিল, তেতিয়া প্ৰায় মহানগৰী সাৰ পাই উঠিছিল। তাইৰ দেহত এখনো কাপোৰ নাছিল। তাইৰ চকুলো যেন তেজ হৈ বাগৰিছিল। ০ ০ ০



# জীৱনৰ শেষ পৃষ্ঠা

শ্ৰীজ্যোতি শংকৰ শাইল
উচ্চ মাঃ ১ম বাৰ্ষিক।

দিনান্তৰ পিছত ৰাতিৰ এন্ধাৰবোৰ ক'লা ধোঁৱাৰ দৰে কলিজাৰ পৰা ধোঁৱাবলৈ ধৰিলে। সূৰ্যটো অস্ত গৈ যেন বহুদূৰ পালে। মহেন্দ্ৰৰ মনটো উগুল-থুগুল হৈ পৰিল। সি যেন সূৰ্যটোক অহাকালি তাৰ বাবে এটা দিন লগত আনিবলৈ কব পাহৰিলে।

অনেক চেষ্টা কৰিও মহেন্দ্ৰই কথাটো মনৰ পৰা আঁতৰাব নোৱাৰিলে। ইফালে অফিচ ছুটি হবলৈও বহুত বাকী। তথাপিও সি অসহায়বোধ অৱলম্বন কৰি অফিচ ছুটিৰ বহুত সময় আগতেই বাহিৰলৈ ওলাই আহিল। অফিচ ছুটিৰ পিছত আমি একেলগে কেন্টিনখনতে বহোঁ। আজি কেন্টিনখন বন্ধ আছিল বাবে মহেন্দ্ৰই ফুটপাথৰ সন্মুখত থকা পানদোকানখনৰ ওচৰতে থিয় হ'লগৈ। থিয় দিলে হয় বেছ গহীন ভাবে, কিন্তু হঠাৎ সি মগজুত এটা পাহৰণিৰ আঘাট অনুভৱ কৰিলে। মহেন্দ্ৰ শিল এটাৰ দৰে অবাক হৈ ৰ'ল পান-দোকানখনৰ সন্মুখত। হঠাৎ হাতৰ পৰা ডায়েৰিটো সুগকি পৰা তাৰ অনুভৱ হ'ল। ইফালে সিফালে সি সন্ধানৰ চাৰনিৰে চকু দিলে। চৌদিশে দেখিলে মাথো এক কোলাহলপূৰ্ণ হৰ্তাল।

মহেন্দ্ৰই হেৰোৱা বস্তু এটা যে বিচাৰিছে সেইটো পানদোকানখনৰ বুঢ়ীজনীয়ে গম পাইছে। বুঢ়ীজনী দেখাত বেছি বয়সীয়া নহয়। হয়তো শ্ৰম আৰু কগ্নতাৰ বাবেই বুঢ়া হ'ব লগা হৈছে।

বুঢ়ীজনীয়ে বেছ মৰমৰ মাত এটাৰে মহেন্দ্ৰক সুধিলে—'বোপা, কিবা হেৰাল নেকি?' মহেন্দ্ৰই এনে দুঃসময়তো এটা সহানুভূতি পালে। সি ভাবিলে—চহৰৰ ব্যস্ততাত কোনেও কাকো সহানুভূতি নেদেখুৱায়, পিছে এয়েই প্ৰথম সি আনৰ প্ৰতি মৰম তথা সহানুভূতি দেখুওৱা, মানুহ এগৰাকী লগ পালে। মহেন্দ্ৰই আলসুৱা

মাত এটাৰে বুঢ়ীজনীক ক'লে—'নাই, আই! অলপ মূৰটো বিষাইছে' মহেন্দ্ৰৰ কথাষাৰ শুনাৰ লগে লগেই বুঢ়ীয়ে বেতৰ মূঢ়া এটা বহিবলৈ আগুৱাই দি কলে 'বোপা, খন্তেক ইয়াতেই জিৰোৱা। নহলে মূৰটো বেছিকৈ বিষাব।'

মহেন্দ্ৰই ভাবিলে, অফিচ ছুটি হবলৈ এতিয়াও ক্ষন্তেক সময় বাকী আছে আৰু মূৰৰ বিষটোও বেছি হৈ আহিছে। গতিকে মূঢ়াটোতে সি বহিল। কিন্তু বহি থাকিয়ে স্মৃতিপটত বাটে-অবাটে অতীতৰ দিনবোৰ খেদি ফুৰিছে। বহুপৰ নিস্তব্ধতাৰ পিছত বুঢ়ীজনীয়ে মাত লগালে—'হেৰা, তুমি দেখোন মনে মনে থাকিলা!'

মহেন্দ্ৰই ক'লে—'কিয়, আপুনি মানুহৰ মুখৰ শব্দ অতি ভাল পায় নেকি?'
বুঢ়ীয়ে এটা মিঠা হাঁহি মাৰি ক'লে—'এৰাতো।' বহুত সময় এনেকৈ মহেন্দ্ৰ আকৌ মনে মনে থাকিল। এজন দুজনকৈ পানদোকানলৈ গ্ৰাহক আহি আছে। নানাজনৰ লগত বুঢ়ীয়ে হাঁহিৰ খলক তুলিছে! (বুঢ়ীয়ে কান্দোন চিনি পায়নে?) মহেন্দ্ৰই মনতে ভাবিলে। এন্ধাৰে এন্ধাৰে সি একুৰা জুই হৈ তাৰ অন্তৰত জ্বলি থাকিল। হঠাৎ কিহৰ জুই?

এৰা, মহেন্দ্ৰৰ অন্তৰত জ্বলা জুইকুৰা সময়ে সময়ে সকলো মানুহৰ অন্তৰতেই জ্বলে। অৱশেষত মহেন্দ্ৰই বুঢ়ীক প্ৰত্যুত্তৰ দি ক'লে—'প্ৰত্যেক মানুহৰ অন্তৰখন হ'ল দুখ আৰু সুখৰ সমাগম, জীৱনৰ এক উদ্দেশ্যবিহীন সমাবেশ। চহৰৰ এই ডাঙৰ ডাঙৰ অট্টালিকা আৰু মুখা পিন্ধা ভদ্ৰলোকবোৰতকৈ আপোনাৰ এই মাতষাৰৰ বেছি মূল্য। সেয়ে মই ভাবো, মোৰ মুখৰ শব্দেৰে আপোনাৰ হৃদয় শুশ্ৰূষা কৰিব নোৱাৰিম।' বুঢ়ীয়ে এটা করুণ হাঁহিৰে মহেন্দ্ৰক কলে—'এৰা, বোপা! তোমাৰ কথাবোৰ বেছ ভাল লাগিল। দুখৰ স'তেও মোৰ এটা ভাল সম্বন্ধ আছে। তথাপিও মই হাঁহিৰ অৱলম্বন কৰোঁ। এক অজান শোকত বশৱৰ্ত্তী হৈ বুঢ়ীয়ে জীৱন বৃত্তান্ত ক'বলৈ আৰম্ভ কৰিলে মহেন্দ্ৰৰ সাক্ষাৎ।

মহেন্দ্ৰৰ মূৰৰ বিষটো কিছু কমিল। বুঢ়ীৰ প্ৰতিটো শব্দৰ আঁহে আঁহে কাণ পাতিলে মহেন্দ্ৰই।

ৰাস্তাটো গাড়ী-মটৰেৰে ভীৰ, প্ৰতিটো অট্টালিকাৰ আঁৰত অদৃষ্ট হৈ আছে আকাশ। গাঁৱৰ আকাশখন যেনেকুৱা আছিল যেন চহৰৰ আকাশখন সম্পূৰ্ণ বেলেগ।

হঠাৎ তাৰ চকুত পৰিল ফুটপাথৰ কেইটামান হাড়ছেলেকি থকা নাঙঠ শিশুলৈ। ওচৰতে দেখিলে পিন্ধন উৰনত আৰু আচৰণত বিদেশী যেন লগা মাকতি এখনৰ সৈতে এহাল গিৰিয়েক ঘৈণীয়েক। নাঙঠ শিশুকেইটাই ভোকৰ তাড়নাত গিৰীয়েক-ঘৈণীয়েকহালৰ শিশুটোৱে খাই থকা ৰুটি টুকুৰালৈ চাই থকাও মহেন্দ্ৰই দেখিলে। তাৰ চকু পৰিল ফুটপাথৰ ৱালখনত "বিদেশী বহিষ্কাৰ কৰক' বুলি লিখা আখৰ কেইটাত। অনৰ্থক যেন লাগিল তাৰ। মহেন্দ্ৰই আকৌ আখৰ কেইটালৈ চালে। ভিক্ষাৰী মাঁকৰ নাঙঠ শিশুকেইটাই যেন বিদেশী গিৰীয়েক-ঘৈণীয়েকৰ শিশুটোৱে খাই থকা ৰুটি টুকুৰা কাঢ়ি আনিব

এনেকুৱা উগ্ৰমূৰ্তিত চাই আছে ৰুটি টুকুৰাৰৈ। হঠাৎ গিৰিয়েক বৈণীয়েকহঁতৰ শিশুটোৰ হাতৰ ৰুটি টুকুৰা পিছলি পৰিল। এনেতে খাবলৈ নাপায় হাড়ে-ছালে লগা নাঙঠ শিশুকেইটা দৌৰি আহিল চহৰৰ ভোকাতুৰ কুকুৰ এটাৰ দৰে ৰুটি টুকুৰা বুটলি নিবলৈ। দুঃ সময়ৰ করুণ দৃশ্য এটা মহেন্দ্ৰৰ চকুৰ সন্মুখৰ পৰা আঁতৰ হ'ল। অৱশেষত সি গুণ-গুণকৈ বুঢ়ীয়ে কিবা কৈ থকা শুনিলে। শেষত কাণ পাতিলে বুঢ়ীৰ শব্দত ·········

সেয়েই চহৰমুখী হলো বোপা। দেউতাক আছিল এজন নামজলা সাংবাদিক। জনসাধৰণক সত্য খবৰ দিয়াই আছিল তেওঁৰ একমাত্ৰ কৰ্তব্য। এবাৰ সমষ্টিটোৰ এম, এল, এ জনৰ দুনীতিৰ বিষয়ে আমাৰ তেখেতে জনসাধৰণক অৱগত কৰিব খুজিলে। বহুত নিবনুৱা যুৱকক চাকৰি দিম বুলি বহুত টকা খাই থৈছে এম, এল,এ জনে। আনকি এম, এল, এ, জনৰ হাতত এজনী গাভৰু ধৰ্ষিতাহৈ আত্মহত্যা কৰে। এম, এল, এ, জনৰ এনে দুৰ্নীতিত আমাৰ তেখেতে বাতৰি কাকতত লিপিবদ্ধ কৰে গোপন ঘটনাটো কিন্তু অৰাজকতাৰ ব্যাভিচাৰী দেশখনত দেউতাকক শাসকদলে জীয়াই থাকিবলৈ নিদিলে। এদিন সাংবাদিক মিটিং এখনৰ পৰা উভতি আহোতে এম এল, এ, জনৰ দৌৰাত্ম্যত কিছুমান মানুহে দেউতাকক হত্যা কৰে। এটা সঁচা বাতৰিৰ বলিদান হ'ল দেউতাক। দেউতাক ঢুকোৱাৰ পিছত একমাত্ৰ পুত্ৰ দ্বীপনে পঢ়িবলৈ এৰে। সিও দশৰ এনে দুৰ্যোগত দেউতাকৰ দৰে জনতাৰ মুক্তিৰ বাবে আন্দোলনমুখী হ'ল। ৰেকাৰৰ কুট শাসনৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ কৰিলে।

ৰাষ্ট্ৰপতি শাসনৰ দুঃসময়। গাঁৱে ভূঞে, চহৰে-নগৰে চৰকাৰৰ পোহনীয়া দেওঁলগা বিলাতী কুকুৰ জাকে বন্দুকৰ নলীৰে হানিবলৈ ধৰিলে নিৰপৰাধী শত-সহস্ৰ জনতাক। আনকি এদিন লগৰীয়া বান্ধৱীৰ সতে ফুৰিবলৈ যাওঁতে মোৰ একমাত্ৰ ছোৱালী আৰু দ্বীপনৰ একমাত্ৰ ভনীয়েক দিপালীক চৰকাৰৰ পোহনীয়া বিলাতী কুকুৰজাকে ক্ষমতাৰ নামত বলীয়া হৈ বলপূৰ্বক ধৰ্ষণ কৰি হত্যা কৰে। দ্বীপনে আৰু দিপালীৰ মৃত্যুত বহি থাকিব নোৱাৰিলে। চৰকাৰ তথা পোহনীয়া বিলাতী কুকুৰৰ ক্ষমতাক ধ্বংস কৰিবলৈ ঘৰ বাৰী এৰি দিলে দ্বীপনে। ভনীয়েক আৰু দেউতাকৰ হত্যাৰ স্মৃতিত সি কেৱল পোহনীয়া দেওঁলগা কুকুৰ জঁাকক মাৰি ফুৰিবলৈ ধৰিলে।

কিন্তু হঠাৎ এদিন দ্বীপনৰ জীৱনলৈ সংঘাট নামিল। কেইটামান চতুৰ আৰ্মীযুৱকে দ্বীপনক চিনি ল'লে। দ্বীপনে হঠাৎ পলাবলৈ চেষ্টা কৰি এঘৰ মানুহৰ ঘৰত সোমাল। সি কোনেও গম নোপোৱাকৈ মানুহ ঘৰৰ চোতালত মেলি থোৱা গামোছা এখন পিন্ধি আৰ্মিযুৱক কেইজনৰ পৰা হাত সাৰিবলৈ চেষ্টা কৰি পদূলীলৈ ওলাই আহিল সাধাৰণ মানুহ এজনৰ দৰে।

কিন্তু চতুৰ যুৱক কেইজনে দ্বীপনক চিনি ল'লে আৰু গুলীয়াই হত্যা কৰিলে। দ্বীপন শ্বহীদ হ'ল আৰু মই এনেকৈ ফুটপাথৰ সাধাৰণ পান-দোকানী হলো। বুঢ়ীৰ চকুৰে চকুলো ওলাল। বুঢ়ীজনীৰ জীৱন কাহিনী শুনি মহেন্দ্ৰৰ বৰ দুখ লাগিল। কাৰণ যিজনী বুঢ়ীৰ

সতে ইমান পৰে অচিন ভাবে কথা কৈ আছে সেইজনী মহেন্দ্ৰহঁতৰ গাঁৱৰে । আজি সাতবছৰ পিছত সি মুখামুখী হ'ল এটা অতীত স্মৃতৰ স'তে । ৰিনিকি ৰিনিকি মনত পৰিল সহপাঠী দ্বীপনৰ কথা । বেছ অন্তৰংগ বন্ধু আছিল মহেন্দ্ৰ আৰু দ্বীপন । দীপালীয়ে মহেন্দ্ৰক ভাল পাইছিল কথাটো গম পাই মহেন্দ্ৰ আৰু দ্বীপনৰ মাজত কিছু মনোমালিন্য ঘটিল । অৱশেষত দিপালীয়ে বি, এ. পাছ কৰিলে । দ্বীপনে জোৰ-জবৰদস্তি এজন নামজ্বলা ইঞ্জিনীয়াৰলৈ দিপালীৰ বিয়াৰ বন্দোৱস্ত কৰিলে । দিপালীয়ে বিয়াত ৰহিবলৈ অসন্মতি দিছিল । মহেন্দ্ৰই ভাবিছিল মই মাত্ৰ এটা সামান্য কোম্পানীত কাম কৰোঁ । যদি দিপালীৰ বিয়া ইঞ্জিনিয়াৰজনৰ স'তে হয় নিশ্চয় দিপালীৰ জীৱনটো সুখময় হব । দিপালীৰ সুখেই মোৰ সুখ ।

মহেন্দ্ৰই লাহে লাহে দিপালীক পাহৰিবলৈ ল'লে আৰু চহৰলৈ গুছি আহিল । পাহৰি পাহৰি আজি সাঁত বছৰ হ'ল অথচ আজিহে দিপালীৰ মৃত্যুৰ খবৰ শুনিলে । মহেন্দ্ৰই ভাবিছিল দিপালী খাই-বৈ সুখত থকা বুলি । কিন্তু সি চহৰলৈ অহাৰ ছমাহ পিছতেই চৰকাৰৰ দানৱজাকৰ হাঁতত কামনাৰ বলি হয় দিপালী। মহেন্দ্ৰ দুখত ভাগি পৰিল । সি ভাবিলে মই যদি চহৰমুখী নহলোঁহেতেন আৰু আগৰদৰে গাঁৱতেই কাম কৰি খালোহেঁতেন কিজানি এনেকুৱা দুখ কেতিয়াও নাপালোহেঁতেন । মহেন্দ্ৰ অনুতপ্ত হ'ল । সি নিজকে কবলৈ ধৰিলে এতিয়ানো কি কৰিছো ? মাহে মাত্ৰ ন শ টকা পাইছো, তাৰে নিজকেই আধাখিনিতকৈ বেছি লাগে । ঘৰলৈনো কিমান দিব পাৰিছো । কোম্পানী এটাৰ সাধাৰণ চাকৰি এটা কৰিয়েই আজি সাঁত বছৰে গাঁৱলৈ নোযোৱাকৈ কটালো । গাঁৱখন বা আকৌ কিমান পৰিবৰ্তন হৈছে । তাৰমনতে ভাব খেলাল -বীৰেশ্বৰ আৰু সমলহঁতৰ বা খবৰ কি ?

বীৰেশ্বৰ আৰু সমলহঁতৰ কথা মনত পৰাৰ লগে লগেই মহেন্দ্ৰৰ মনত পৰিল বোকা পানী গছকি হাঁহিত মাটিয়া বং সানি লোৱা তাৰ শৈশৱটো । মহেন্দ্ৰৰ দেউতাকৰ অকাল মৃত্যুৰ পিছত সিয়েই ঘৰখন চাবলগীয়া হ'ল । বিদ্যালয়ৰ অষ্টমমানতে তাৰ পঢ়া জীৱনৰ অন্ত পৰিল । দেউতাকৰ যি অলপ অচৰপ মাটি আছে তাতেই দুখ-কষ্টেৰে খেতিখন কৰি মহেন্দ্ৰই ঘৰখন চলাই থাকিল । মহেন্দ্ৰই পথাৰত হাল বায় আৰু অলপ বেলা হ'লে সৰু ভায়েক পৱিন্দ্ৰই চাহ-জলপান আদি নিয়ে ককায়েকলৈ বুলি । এনেকৈ দুখ-কষ্টৰে হ'লেও মহেন্দ্ৰই ঘৰখন চলাই আছে। কিন্তু হঠাৎ এদিন সিহঁতৰ জীৱনলৈ দুৰ্যোগ নামিল। মহেন্দ্ৰহঁতৰ গাঁৱৰে জমিদাৰ নৰ্মেশ্বৰহঁতে মহেন্দ্ৰহঁতৰ মাটিখিনি প্ৰথমতে বন্ধকত থকা বুলি শেষত বিক্ৰী হোৱাৰ মিছা প্ৰমাণ দি সিহঁতৰ মাটিবোৰ নিজৰ হাতলৈ নিয়ে । ন্যায় আৰু সত্যতাৰ ভেটিত কোনেও নৰ্মেশ্বৰহঁতক এবাৰ মাত মাতিব নোৱাৰিলে মাত্ৰ বীৰেশ্বৰ আৰু সমলৰ বাহিৰে । কিন্তু গাঁৱৰ ভিতৰতেই আঢ্যৱন্ত নৰ্মেশ্বৰহঁতে কেচ মোকৰ্দমা কৰি হলেও মহেন্দ্ৰহঁতৰ মাটিখিনি নিজৰ হাতলৈ নিয়ে। খাই-বৈ জীয়াই থাকিবলৈ যিখিনি সম্বল আছিল তাকো হেৰাল । মাঁক আ

সৰু ভায়েকৰ পোহ-পালৰ বাবে মহেন্দ্ৰ চহৰমুখী হ'ল। ভাত ত'ত কাম কৰি থাকিল। অৱশেষত কোম্পানী এটাত কাম ল'লে।

এটা অজান দুখত মহেন্দ্ৰৰ অন্তৰখন আহত হৈছিল আৰু গাঁৱলৈ যাবলৈ এৰিছিল। মাহে মাহে সৰু ভায়েক পৱিন্দ্ৰই টকা নিবলৈ চহৰলৈ আহে। পৱিন্দ্ৰইওতো কাহানিও দিপালীৰ মৃত্যুৰ কথা কোৱা নাই। হয়তো মহেন্দ্ৰই শোক পাব বুলিয়েই কোৱা নাই। মহেন্দ্ৰ দুখত মৰ্মাহত হ'ল।

বাতিপুৱাৰ পৰা যিটো স্মৃতিয়ে মহেন্দ্ৰক আজুৰি আছিল সকলোবোৰ আছিল তাৰ অতীত। সি অতীত জীৱনৰ কথা ভাবিয়েই কিজানি অফিচৰ কামত মন বহুৱাব পৰা নাছিল। সেয়ে অফিচ ছুটি নহওঁতেই মহেন্দ্ৰ বাহিৰলৈ ওলাই আহে। অৱশেষত দুখমনে ভাড়া ঘৰলৈ উভতে। সি আকৌ কথাবোৰ ভাবি গৈ আছে। এনেতে আগফালৰ পৰা এখন ট্ৰাক আহি মহেন্দ্ৰক খুন্দিয়াই থৈ গ'ল। অৰ্থাৎ অতীতৰ স্মৃতিৰ বলিদান হিচাপে ভাগ্যই তাক এই পৃথিৱীত আৰু থাকিবলৈ নিদিলে। মহেন্দ্ৰ অকালতে গুছি গ'ল মৰণৰ গাঁৱলৈ। সূৰ্যটোৱেও যেন মহেন্দ্ৰৰ বাবে দিন এটা লগত আনিবলৈ পাহৰিলে। মহেন্দ্ৰ গুছি গ'ল মাঁক আৰু সৰু ভায়েক পৱিন্দ্ৰক অকলশৰীয়া কৰি থৈ জীৱন যুঁজত।

অফিচ ছুটি হ'লে আমি এই কেন্টিনখনত একেলগে বহোঁ। দুখৰ-সুখৰ বহুত কথা কৈছিল মহেন্দ্ৰই মোক। কিন্তু আজি অফিচ ছুটি নহওঁতেই কিবা এটা দুখত আক্ৰান্ত হৈ মহেন্দ্ৰ বাহিৰলৈ আহে। অৱশেষত অফিচ ছুটি হোৱাৰ পিছত মহেন্দ্ৰক কমত বিচাৰিও নাপালো। এবাৰ মহেন্দ্ৰ বহা চকীখনলৈ চালো। চকীখনত তাৰ ডায়েৰি বহীটো পৰি আছে। মহেন্দ্ৰৰ জীৱন কাহিনী লিখা আছে ডায়েৰি বহীটোত। ডায়েৰি বহীটো মেলি চালো। ডায়েৰি বহীটোৰ পাত শেষ হবলৈ মাত্ৰ এটা পৃষ্ঠা বাকী আছে। যিদৰে মহেন্দ্ৰৰ জীৱনৰ শেষ পৃষ্ঠাটো মাঁক, সৰু ভায়েক পৱিন্দ্ৰ আৰু মোৰ বুকুত উকা হৈ ৰ'ল।

---

কলমে লিখা অসত্যবোৰেৰে তেজেৰে লিখা সত্যক ঢাকিব নোৱাৰি। তেজৰ ঋণ তেজেৰেই পৰিশোধ কৰিব লাগিব। নহলে যিমানেই পলম হব সিমানেই সুতৰ পৰিমাণ বাঢ়ি যাব।

— লুচন।

★ চুটি গল্প ●

# "অপেক্ষা"



শ্ৰীপুলিন কলিতা
স্নাতক ৩য় বাৰ্ষিক।

পহুলি মুখৰ বেৰখনত ধৰি জপিয়াই জপিয়াই সৰু ল'ৰা দুটাৰ ভাগৰ লাগিল। বেলি মাৰ যাওঁ যাওঁ অৱস্থা, গোসাঁই ঘৰত চাকি দিবলৈ বুলি ভৰি হাত ধুই আহিবলৈ মাকে সিহঁতক চিঞৰি মাতিলে। নাই, সিহঁতে কেৱল বাটলৈ চাই আছে। আজি সিহঁত দুটাৰ বৰ আনন্দৰ দিন আছিল। বহুত আশাৰে বাট চাই আছিল আজিৰ দিনটোলৈ। আজিয়ে নতুন পেহাদেউকে সিহঁতলৈ মিঠাই আনিব বুলি মাকে সিহঁত দুটাক কৈ থৈছিল। নহলে ঘৰুৱা কামখিনি কৰাত সিহঁতে দিগদাৰ দিব পাৰে।

"এতিয়ালৈকে দেখোন কাৰো দেখা দেখিয়েই নাই"। বেৰখনত উঠি ডাঙৰটোৱে সৰুটোক কৈছিল।

বৌৱেকে মামনিক একো কোৱা নাই, এতিয়া ৰাতিপুৱাৰে পৰা কিমান যে কথা কৈ তাইক নোজোকাইছে বৌৱেকে। এতিয়া বৰ গহীন হৈ পৰিছে। কাৰণটো মামনিয়ে নুবুজা নহয়।

ওচৰ চুবুৰীয়া দুই এঘৰক বৌৱেকে আগদিনাই মাতি থৈ আহিছিল। ভাল ভাল কাপ-প্লেট কেইযোৰমানো কাৰোবাৰ পৰা খুজি আনি থৈছিল। ঘৰত থকা কেইযোৰত নতুন আলহীক চাহ দিব নোৱাৰি। কোনোবাটোৰ নাল ভঙা, কোনোবাটোৰ আকৌ কাণ এডোখৰ ভঙা। ছোৱালী কালতে নিজ হাতে ফুল তুলি ৰখা টেবুল ক্লথ দুখনো বাকচৰ পৰা উলিয়াই দুযোখন টেবুলতে পাৰি থৈছিল। ঘৰত কিবা সকাম-নিকাম হ'লেহে সেইকেইখন পৰা হয়।

মামনিয়ে ঢল পুৱাতে শোৱাপাটি এৰি কোঠা দুটা গোবৰ মাটিৰে সুন্দৰকৈ মচি ৰাখিছিল। পলম হোৱালৈ থলে ইহঁত সৰু ল'ৰা দুটাই মজিয়াখনত ভৰিৰ সাঁচ বহুৱাব. দেখাতো বেয়া হব।

সিহঁত মানুহখিনি দুপৰীয়াতে অহাৰ কথা

আছিল, ফুলাম গামোচাখনেৰে গোঁসাইৰ থাপনাখন বোৱেকেই ধুনীয়াকৈ মেৰায় থৈ গোঁসাই ঘৰটো মচি থৈছিল।

ল'ৰা দুজনও সেইদিনা স্কুললৈ নগ'ল। মাকে থৰ যাবলৈ জোৰ কৰাৰ পিছতো সিহঁতে নামানিলে; নতুন পেণ্টাদেউক সিহঁতেও হেনো চাব।

দিপ্তী, দিপালী, গায়ত্ৰীহঁতক মামনিয়ে কৈ থৈছিল অলপ সোনকালে আহিবলৈ, কাৰণ কাম-কাজত কিছু সহায় কৰিব লাগিব। সিহঁতো আহিছিল সময়মতে। মামনিক ধুনীয়াকৈ খোপাটো বান্ধি দিছিল দীপ্তিয়ে। কি সাজ পাৰ পিন্ধিব তাক বোৱেকে ঠিক কৰি দিছিল যদিও দিপালীয়ে সেইবোৰ বদলাই পেলালে। গাৰ ৰঙৰ লগত মিলাই এযোৰ উলিয়াই ললে। এই সকলোবোৰ মামনিয়ে নিজ হাতে বোৱা। বাকচত এতিয়াও আৰু কেইবাযোৰো আছে। লগতে আছে মাকে মৰিবৰ সময়ত তাইক দি যোৱা সোণৰ চেইনডাল আৰু কমালত বান্ধি থোৱা সেই নিৰ্দিষ্ট টকা দহোটা।

এই আটাইসোপা ভৰাই থৈছিল মামনিয়ে আজি কেইদিনমান আগেয়ে। ঘৰলৈ বেচিবলৈ অহা "ফেৰীৱালাৰ" পৰা তাই আৰ্চী আৰু ধুনীয়া গোন্ধৰ তেল এটাও কিনি ৰাখিছিল।

দিপ্তী, দিপালীহঁতে উদ্যমত মামনিহঁতৰ ঘৰলৈ অথনিত্তে আহি ওলাইছিল। সময় বাগৰি যোৱাৰ লগে লগে, লাহে লাহে সেই উদ্যমবোৰ জয় পৰি যাবলৈ ধৰিলে।

দিপ্তীয়ে ঘৰত পিঠাগুৰি খুন্দিবলৈ চাউল তিয়াই থৈ আহিছিল। ইয়াত সময়বোৰ এনেয়ে পাৰ হৈ যোৱা বাবে মামনিক কৈছিল—"এপাক ঘৰৰ পৰা আহোদে।"

মামনিয়ে সিহঁতক যাবলৈ নিদিলে। হেন সময়তে গাওঁৰ মানুহখিনি ওলায়হি।

মামনিৰ বোৱেকে ছোৱালীহঁতক সৰু সৰু নাৰিকলৰ লাড়ুৰে সৈতে খালী চাহ একোকাপ খুৱাই থৈছিল। মানুহখিনি আহি পালেতো ভালদৰে দিবই লাগিব।

ৰাতিপুৱাতে ককায়েকে কাঠৰ চকী দুখন, মুঢ়া দুটা আৰু ওচৰৰ মানুহ ঘৰৰ পৰা অনা টিনৰ ফল্ডিং চকী কেইখন পৰিস্কাৰ কৰি মচি কাচি ল'ৰা দুটাক কৈ থৈছিল "তহঁতে লেতেৰা হাত-ভৰিৰে ইয়াত জপিয়াই নাথাকিবি।" লগতে গজাল সুলকি লৰচৰ হৈ থকা চকীৰ হাতোৰা-খনত নতুন গজাল এটা মাৰি থৈছিল।

কিবা এটা মনত পৰাত গায়ত্ৰী নামৰ বান্ধবী জনীয়ে সাউৎকৰে ওলাই গৈ নিজ ঘৰৰ পৰা দুটা ফুলদানিও আনি থলে। মামনিৰ বোৱেকৰ সৰু ল'ৰা দুটাইও কেইপাহমান তগৰ ফুল আৰু পাতাবাহকৰ পাত আনি ফুলদানি দুটা সজাই পেলালে।

তেজৰ সম্পৰ্ক নথকা ককায়েক-বোৱেক হৈও তাইৰ বাবে ইমানখিনি কৰা বাবে তাই সিহঁতৰ ওচৰত কৃতজ্ঞ। মামনিক বয়সে গৰকি গৈছে। চকুজুৰি কিছুপৰিমাণে হ'লেও কোটৰত সোমাইছে। সদায় বোৱেকৰ লগত কাম-বন কৰি তাঁত বৈ সহায় কৰি আহি থাকোতে তাই বয়সৰ হিচাপ পাহৰি গৈছে। বোৱেকেও তাইৰ কিবা এটা সংস্থাপন হোৱাটো বিচাৰে। কিন্তু কতো একো

কৰিব পৰা নাই।

মামনি মাজতে এঠাইত কামত সোমাইছিল। ঘণ্টা হিচাপে দৰমহা। এই ঘৰখনত কাম-কাজ শেষ কৰি তাই দুই তিনি ঘণ্টা তাত কাম কৰি দুটামান টকা পাইছিল। তাৰে তাই পিন্ধনৰ বাবে শাৰী, ব্লাউজ লৈছিল। সৰু ল'ৰা দুটাক পূজাত এসাজ কাপোৰো দিছিল। তাৰ পিছত সেই অনুষ্ঠানটো বেলেগ এঠাইলৈ উঠি যোৱাত তাইৰ মূধা মৰিল। সেই দিন ধৰি তাই ইটো সিটো কৰি লোকৰ কাপোৰ-কানি বই কটাই দিছিল। মাজে মাজে বৌৱেকে দুই এটা ল'ৰা ঘৰলৈ আনি তাইৰ লগত চিনাকি কৰি দিছিল। বৌৱেকৰ মনৰ খবৰ তাই নজনা নহয়। পিচলৈ সেই ল'ৰাহঁত দুনাই অহা নহয়।

তাৰ পিছত তাই নিজকে দাপোনৰ ওচৰত চাই লয়, অ'ত-ত'ত বয়সে আছুৰিছে। দেখা-নেদেখাকৈ।

বৌৱেকেও কয় হয়তো, "ডেকা ল'ৰা ক'ত আহিব? তোৰ বয়সটো কম হোৱা নাই চাগৈ।"

মামনিয়ে বৌৱেকৰ কথাত বেয়া নাপায়। এইজনী বৌৱেকেইতো তাইৰ জীৱনলৈ ঢিমিক-ঢামাক পোহৰৰ ৰেঙণি আনিবলৈ পাৰ্য্যমানে চেষ্টা কৰি আছে। মাকৰ মৃত্যুৰ পাছত এই বৌৱেকেই তাইক লৈ আহিছিল। "মোৰ ঘৰত থাকিবি, খোৱা-বোৱাও কৰিবি. মোক কাম-কাজত সহায় কৰি দিবি।" বৌৱেকৰ কথাষাৰ প্ৰথমে তাই ছলাহী কথা বুলি ভাবিছিল। কিন্তু দিন বাগৰি যোৱাৰ লগে লগে তাই বুজি উঠিছিল; সঁচাকৈয়ে বৌৱেকে তাইলৈ চিন্তা নকৰা নহয়। তাইৰ নিজৰে কেতিয়াবা বেয়া লাগে যে গলগ্ৰহ এটা হৈ তাই সিহঁতৰ ডিঙিত ওলমি ৰ'ল। মামনিয়ে বৌৱেকৰ লʼৰাহঁতক মৰম কৰে। সিহঁতেও নিজৰ পেহীয়েক যেন দেখে। তাইক এঘৰলৈ উলিয়াই দিবলৈ বৌৱেকে চিন্তা নকৰা নহয়। তাই ভাৱে আহিব জানো কোনোবা, তাইৰ দৰে নিঠৰুৱা বয়স বাগৰি যোৱা ছোৱালীৰ বাবে?

কিয় আহিছিল!

ককায়েকৰ চিনাকি এজন মানুহ কিবা সকামত সিহঁতৰ ঘৰলৈ আহি পিচলৈ প্ৰায় মানুহজন অহা হ'ল। ককায়েকৰ লগত কিবা কথা হৈছিল যদিও মামনিয়ে গম নাপায়।

এদিন তাই তামোলৰ বটাটো আগবঢ়াই দিওঁতে মানুহজনে তাইক বটাটোতে দহ টকীয়া নোট এখন দি দিছিল। মানুহজন যোৱাৰ পিছত বৌৱেকে তাইক কথাষাৰ কৈছিল, সেই দহ টকীয়া নোটখন আজিও তাই খৰচ কৰা নাই। ৰুমালত বান্ধি থৈছিল। ভাবিছিল যেতিয়া তাইৰ বিয়া হৈ যাব তেতিয়া তাৰে তাই মানুহ-জনক কিবাকিবি কিনি দিব।

মামনিয়ে কল্পনাৰ ৰাজ্যখন ভাল নোপোৱা হৈছে। মানুহে কয় বয়স হ'লে অভিজ্ঞতা হয়। তাইৰ আৰু অভিজ্ঞতাৰ দৰকাৰ নাই। জীৱনৰ আধাছোৱা কেৱল অভিজ্ঞতা লাভ কৰোঁতেই গ'ল। উপভোগৰ বাবে একোৱে নৰ'ল।

দিনবোৰে বাগৰ সলাইছিল। বহুদিন কোনো খবৰ নোপোৱাৰ বাবে বৌৱেকে নিজেই মানুহ-জনৰ ঘৰ ওলাইছিলগৈ। ঘৰ দুৱাৰ ভালেই।

অথালি পথালিকৈ তিনিটামান ঘৰ, ওপৰছোৱা টিনৰ, পিৰালিৰ মাটিবোৰ কেবাদিনো নোমোচাৰ ফলত ফাট মেলিছিল।

সেইদিনা ঘৰলৈ উভতি আহোঁতে বৌৱেকৰ সঙ্গিয়া নামিছিল। মামনিয়ে নঙলা মুখত বৈ আছিল অপ্ৰকাশ্য আগ্ৰহেৰে।

ৰাতি ভাত খোৱাৰ পিছত তাইক বিচনাত বৌৱেকে কিছুমান কথা কৈছিল—"তোৰ সুখ দেখিম বুলিয়ে মই আগবাঢ়িছো। মানুহজনৰ অলপ বয়স হৈছে। একো নহয়, তোৰো জানো কম বয়স হোৱা নাই?" মামনিয়ে মূৰ তুপিয়াই শলাগিছিল।

আকৌ আৰম্ভ কৰিছিল বৌৱেকে—"তই তালৈ গ'লে অন্ততঃ সুখেৰে এসাজ খাবলৈ পাবি; থাকিবলৈ আশ্ৰয় পাবি আৰু আচল কথা কি জানা তই এজন জীৱন-সংগী পাবি। আমিনো বাৰু তোক এনেকৈ কিমানদিন ৰাখিম, সেয়েহে তই আপত্তি নকৰিবি। তাৰ ঘৰ দুৱাৰ ভাল, কাম কাজ ভাল, তই মাথো চন্তালি খাব লাগিব।"

মামনিয়ে তাইৰ মনটোক জুকিয়াই চাইছিল। হয়তো, সেইদিনা ৰাতি তাইৰ ভালকৈ টোপনি নহ'ল।

তাৰ কিছুদিন পিছৰ কথা। মানুহজন আকৌ আহিছিল; বৌৱেক-ককায়েকৰ লগত কথা হৈছিল। তাইৰ বাবে ব্লাউজৰ কাপোৰ এটুকুৰাও আনিছিল। সেইদিনাখন এই বয়সতো অতসোপা লাজে কব পৰা জানো আহি তাইৰ মনটো উতলাই দি গৈছিল।

আন এদিন, তাই ঘৰ মচি আছিল। এসোপা-বোৰ মাটি সানি ঘৰৰ পিৰালি মচি থাকোঁতেই মানুহজন আহিছিল।

মেখেলাৰ এটা অংশ দাং খুৱাই কঁকালত গুজি লোৱাৰ পৰা সলকাই দি তেওঁক বহিবলৈ বুলি ভিতৰলৈ মাতি নিওঁতে মানুহজনৰ মুখলৈকে চাব পৰা নাছিল। বৌৱেকক কথা পাতিবলৈ দি তাই হাত পাত ধুই চাহত ব্যস্ত হৈ পৰিছিল। এটা সময়ত মানুহজন গুচি গৈছিল। কিন্তু নতুনকৈ মচি থোৱা পিৰালিৰ মাটিখিনিত পৰা দুটামান খোজৰ চিনত লগাই কপাললৈ তুলিছিল। কব নোৱাৰাকৈয়ে তাই যেন কাৰোবাৰ লগত ভাল লগা হৈ আহিছিল। ল'ৰাহঁতে কৰা আমনিবোৰ তাইৰ আমনি নলগা হৈ আহিছিল। আগেয়ে তাই চুলিখিনি টানকৈ খোপা এটা বান্ধি ৰাখিছিল। আজি কালি আলফুলে বেণী গোঁঠা হ'ল। দিনটো কাম-কাজ কৰি উঠি লেতেৰা হোৱা কাপোৰ সাজবোৰ আজি কালি আবেলি তাই সলাই থোৱা হ'ল।

দিনবোৰ দীঘলীয়া হ'ল।

কিন্তু আচল দিনটোহে নহ'ল হ'ল তাইৰ মনত। এদিন চাউল বাচি থাকোতে বৌৱেকে মামনিক মানুহজন পছন্দ হৈছিলনে সুধিছিল। তাইবো অ-পছন্দ কৰিবৰ একো থল নাছিল।

'এটা কথা হ'ল নহয়, বৌৱেকে কৈছিল। সি মোক কোৱামতে কিছু যোগাৰ কৰি অহা দুসপ্তাহৰ পাছতে কেৱল সেন্দুৰকণ পিন্ধায়ে তোক নিম বুলিছে।'

কোনো পাতনি নেমেলাকৈ হঠাৎ এনে এষাৰ কথা কৈ পেলোৱাত মামনিৰ বুকুখনত যেন

কোনোবাই হাতুৰীৰে ৰৰকাঁহত কোব দিলে ।

'নতুন ঘৰখনত কিন্তু তোৰ গধুৰ দায়িত্ব আছি পৰিব' । সকলোৰে নতুন ঘৰৰ দায়িত্ব আহি পৰে । তেন্তে কিয়বা বৌৱেকে তেনেদৰে ক'লে মামনিয়ে ভাবিলে ।

'তই চাবিটা ল'ৰা ছোৱালীৰ মাক হব লাগিব মামনিৰ কাণ দুখনেৰে যেন একোৱেই সোমোৱা নাই । তাই একো নুবুজাৰ দৰে ভেবা লাগি চাই ৰ'ল । তাৰ মানে মানুহজন চাবিটাকৈ ল'ৰা ছোৱালীৰ দে—উ—তা—ক ।

দুয়ো কিছু সময় নীৰৱে ৰ'ল ।

মামনিয়ে তথাপিও বৌৱেকক বেয়া নাপালে যদিও বুকুত মৰা খুন্দাটোৱে তাইৰ হাত ভৰিও অচল কৰি থৈছিল । কিছুপৰ পিছত তাই প্ৰশ্ন কৰিছিল, বৌদেউ আগেয়ে কোৱা নাছিলা কিয় ? এই বুলি হুক হুকাই মামনিয়ে কান্দিছিল ।

মামনিয়ে আপত্তি নকৰিলে । হওঁক তেওঁ তাইৰ ভবিষ্যৎ জীৱনৰ সুৰক্ষা নিৰাপত্তাৰ গৰা কীতো হব পাৰিব ?

তাৰ পিছত প্ৰথম সপ্তাহটো পাৰ হৈ দ্বিতীয় সপ্তাহ পৰিল । এই সপ্তাহটো মামনিৰ নানান ব্যাস্ততাৰ মাজত পাৰ হ'ল, অৱশেষত দিনটো আহিল । মানুহজনৰ লগত আৰু চাৰি পাঁচজন মান মানুহ আহিব বুলি কৈছিল । সেয়েহে ককায়েক বৌৱেকে কিছু যোগাবো কৰি থৈছিল । আশীৰ্ব্বাদ দিবলৈ বুলি মাতি যোৱা ওচৰৰ কেইগৰাকীমান বয়সস্থ মানুহ আহি মামনিহঁতৰ চোতালত পাৰি থোৱা বেঞ্চখনতে বহি আছিল। গোসাঁই ঘৰত থাপনাৰ আগত মাহ প্ৰসাদ দুটামান যতনাই থৈছিল বৌৱেকেই । অতীৱ আগ্ৰহ আৰু উৎকণ্ঠাত থকা মানুহখিনিৰ মুখবোৰৰ ছবিখনি মামনিৰ দু-চকুত ভাঁহি আছিল । সময় বোৰ বৈ থকা নাছিল । লাহে লাহে সন্ধিয়া নামিছিল । বাহিৰৰ চোতালত লেম্প এটাও জ্বলাই দিয়া হৈছিল ।

সঘনাই অহা মানুহজন সেইদিনা কিন্তু নাহিল দু-সপ্তাহ আগেয়ে কথা দি যোৱা মানুহজনে মামনিক বিয়া কৰাই নিবলৈ নাহিল । এটা সময়ত কোনেও মুখেৰে একো হাই উৰুমি নকৰাকৈ এজন এজনকৈ মানুহবোৰ ঘৰা ঘৰি যাবলৈ ধৰিছিল । আলহীলৈ আনি থোৱা মিঠাইখিনি গায়ত্ৰীয়ে আটাইখিনি মানুহকে বিলাই দিছিল মামনিয়েও সেই মিঠাই হাত পাতি লৈছিল ।

ইতিমধ্যে কৰবাৰ পৰা গা ৰৈ ল ৰা যাদৱ আহি ক'লে, মানুহজনে চোন যোৱাকালি সিধন গাওঁৰ পৰা গাভৰু ছোৱালী এজনী বিয়া কৰাই নিলে ।

মামনিয়ে কান্দিব লাগিছিল কিন্তু নাকান্দিলে বয়সে হেনো অভিজ্ঞতা বঢ়ায় । ইও এটা অভিজ্ঞতাহে বুলি তাই ধৰি ললে ; কিন্তু কিয় জানো বুকুত এটা হেঁচি ৰাখিব নোৱাৰা কিবা অনুভৱ কৰিলে মামনিয়ে ।।

# প্ৰত্যাখ্যান

অনুভা দেৱী
উঃ মাঃ ১ম বাৰ্ষিক।




মোহন কলিতাই আজীৱন শিক্ষকতা কৰিয়েই কটাই দিলে। বালা গাওঁৰ সকলো মানুহে মোহন মাষ্টৰ বুলিয়েই জানে। প্ৰাথমিক স্কুলৰ শিক্ষক মোহন কলিতাই শিক্ষকতাকেই জীৱনৰ ব্ৰত হিচাপে লৈছিল। অভাৱ-গ্ৰস্ত পৰিয়ালটোৰ জীয়াই থকাৰ একমাত্ৰ উৎস আছিল চাকৰিটো। জীৱনত কোনোদিনেই উচ্চ আশা নকৰা মাষ্টৰে পাৰ্থিৱ উন্নতিৰ কথা চিন্তা কৰা নাছিল। অভাৱগ্ৰস্ত আছিল যদিও পৰিয়ালটোৰ সুখ শান্তি অব্যাহত আছিল। ঘৰখনৰ ভিতৰত দীপকেই আছিল ডাঙৰ। পঢ়া শুনাটো চোকা আছিল। তাৰ ব্যৱহাৰ পাতি দেউতাকৰ দৰেই সহজ-সৰল। দেউতাকেও লক্ষ্য কৰিছিল দীপক তেওঁৰ দ্বিতীয় সংস্কৰণ। দেউতাকৰ মৃত্যুৱেই দীপকক দিশহাৰা কৰিছিল। পৰিয়ালটোৰ উপাৰ্জনৰ কোনো পথ নাছিল। কোনো পদ খালি হলেই দীপকে তাৰ বিচাৰ লয়; কিন্তু সকলো মিছা। মাক আৰু অন্যান্যৰ ওচৰত নিজকে অপদাৰ্থ অপদাৰ্থ যেন লাগে তাৰ।

দীপকৰ পিছতেই নিভা। ঘৰখনৰ একমাত্ৰ ছোৱালী। দশম মানৰ ছাত্ৰী। গাভৰু এজনীৰ বাবে যিখিনি সামগ্ৰীৰ প্ৰয়োজন; সেইখিনি হয়তো নিভাৰ নাই। তথাপি কোনো অভিযোগ নাই।

বাপেকৰ মৃত্যুৰ পিছত ঘৰখনৰ অৱস্থা আৰু বেয়াৰ ফালে ঢাল খালে। উপায় নাপাই দীপকে

গাওঁতে চাৰিটাকৈ টিউচন ঠিক কৰি ললে। লৰা ছোৱালী কেইটাৰ সাধাৰণ জ্ঞানখিনিৰো অভাৱ। বিৰক্তিত দীপকৰ মন কোচ খাই যায়। তথাপি ঘৰখনৰ অৱস্থাৰ কথা ভাবি সি টিউচন বাদ দিব নোৱাৰে।

আঠমান বজাত টিউচনৰ পৰা আহোঁতে বাটে বাটে পিছদিনা দিব লগা 'ইন্টাৰভিউ'টোৰ কথাই ভাবি আহিছিল। ইন্টাৰভিউ দিবলৈ তাৰ ভাল নলগা হৈছে। কেইবাটাও ইন্টাৰভিউ দিয়াৰ পিচতো দ্বিতীয়বাৰ মতা নাই। সেয়েহে সি নিৰাশ হয়। অহাকালিৰ কথা ভাবি আহোঁতে ৰীতাহঁতৰ ঘৰ পাৰ হৈ গ'ল সি গমকে নাপালে। হঠাৎ মনত পৰি আকৌ উভতি আহিল। ৰীতাই তাক এবাৰ মাতিছিল। কিয়বা মাতিছিল সি অনুমান কৰিব নোৱাৰিলে। ৰীতাহঁতৰ ঘৰলৈ যাবলৈ দীপকৰ লাজ লাগে। তেওঁলোক অৱস্থা-সম্পন্ন মানুহ। দেউতাক উচ্চপদস্থ চৰকাৰী বিষয়া। ৰীতা আৰু দীপক একে শ্ৰেণীৰ। দুয়োৰো আগৰেপৰাই বুজা-পৰা। মেধাবী ছাত্ৰ বাবে ৰীতাই দীপকক শ্ৰদ্ধাৰ চকুৰে চায়। ধনী মানুহ হলেও ৰীতা অহংকাৰী নহয়। আন্তৰিকতাৰ বাবেই দীপকে ৰীতাক ভাল পায়।

দীপক আহি ৰীতাহঁতৰ বাৰান্দাত থিয় দিলেহি। অলপ সময় সি তাতেই থিয় দি থাকিল। ৰীতাই বোধকৰো লক্ষ্য কৰি আছিল।

"এই দীপ, থিয় দি আছা কিয়? সোমাই আহা" ৰীতাই ভিতৰৰ পৰাই মাতিলে। দীপক ভিতৰলৈ সোমাই গ'ল। চকীত বহি হুমুনিয়াহ কাঢ়িলে।

'থিয় হৈ কি ভাবি আছিলা?" ৰীতাই সুধিলে।

"নাই একো ভবা নাই।"

'নিশ্চয় কিবা ভাবিছা, কবলৈ টান পাইছা?"

'এৰা ........" বুলি আকৌ অনুসন্ধিৎসু দৃষ্টিৰে চাই দীপকে হুমুনিয়াহ কাঢ়িলে। দীপকে ৰীতাৰ মুখলৈ চাবলৈ টান পালে। মুখলৈ নোচোৱাকৈ সি সুধিলে—'কিয় মাতিছিলা?" উত্তৰ নিদি ৰীতাই ওলোটাই সুধিলে—'তোমাৰ অহাকালি ইন্টাৰভিউ আছে?'

'কেনেকৈ জানিলা?" সি জানিব বিচাৰিলে।

'নিভাই কৈছে' ৰীতাই লাহেকৈ ক'লে।

"নিভাই?" সি প্ৰশ্নবোধক দৃষ্টিৰে চাই সুধিলে।

"এৰা, এইফালে যাওঁতে বাটত লগ পাই তোমাৰ কথা সোধাত কলে।' ৰীতাই তাৰ মুখলৈ চাই ক'লে।

এনেতে ৰীতাহঁতৰ সৰু ছোৱালীজনীয়ে দুয়োকো চাহ দি গ'ল। নিঃশব্দে চাহ খাই সি যাবলৈ ওলাল। দীপক থিয় হোৱাৰ লগে লগে মেজৰ ওপৰৰ সৰু পেকেট এটা উলিয়াই ৰীতাই দীপকৰ মুখলৈ চালে।

'লোৱা এইটো কিন্তু এতিয়া খুলি নাচাবা প্লিজ।'

'কি আছে ইয়াত?'

"যিয়েই নাথাকক, নুখুলিবা' ৰীতাই দৃঢ়তাৰে কলে।

কথা নুশুনি সি খুলি চালে। এখন ৰুমাল আৰু তাৰ মাজত কেইখনমান দহ টকীয়া নোট।

'অনুগ্ৰহ নে পুতৌ কৰিছা?' দীপকে সুধিলে।

'দুয়োটাই নহয়।' ৰীতাই হাঁহি হাঁহি ক'লে।

'যদি নলওঁ !' দীপকে প্ৰশ্ন কৰিলে।

'সম্বন্ধটো বেয়া হ'ব।' ৰীতাই উত্তৰ দিলে।

'বাৰু সম্বটো কৰা ইচ্ছা মোৰ নাই।' এই বুলি সি ঘৰলৈ খোজ ল'লে।

'শুভৰাত্ৰি, কালিৰ বাবে "বেষ্ট অৱ লাক"। ৰীতাই পিচৰ পৰাই শুভেচ্ছা জনালে।

বাটে বাটে ৰীতাৰ কথা ভাবি ভাবি দীপক ঘৰ পালেগৈ। চোতাল পাওঁতেই দীপকে দেখিলে মাকে বাৰাণ্ডাত বহি উচুপি আছে। 'কি হ'ল মা ?' দীপকে সুধিলে। মাকে উত্তৰ নিদি উচুপি থাকিল। নিভাই ক'লে যে চাউল পাত একো-নাই। সেয়েহে আজিৰ ৰাতি ভাত খোৱা আৰু নহব। সেইদিনা ৰাতি চাউল আনি ভাত খোৱাৰ ইচ্ছা কাৰো নাছিল। সকলোৱে সেইদিনা নোখোৱাকৈ বিচনাত পৰিল। বিচনাত পৰি দীপকৰ অতীতৰ ছাববোৰ একাদিক্ৰমে মনলৈ আহিবলৈ ধৰিলে। শেষ ৰাতিহে তাৰ অলপ টোপনি আহিছিল।

পিছদিনা ৰাতিপুৱা দীপক সোনকালে বিচনাৰ পৰা উঠিল। লগত থকা টকাখিনি সি মাকক দিলে তাৰ লগাখিনি ৰাখি। গতানুগতিক ভাবে ইণ্টাৰভিউ দিব গ'ল। চাৰিমান বজাত সি ঘৰ আহি পালেহি সি অনুমান কৰিলে ঘৰত মাকৰ বাহিৰে কোনো নাই। 'মা, নিভা কলৈগৈছে ? দীপকে সুধিলে। "বয়ন শিক্ষাৰ সমবায় সমিতিৰ সভাপতি সত্যজিত কাকতিৰ তালৈ গৈছে। এটা হেনো কাপোৰ বিক্ৰি কৰাৰ বাবে চেলচ্‌মেন লাগে। তাৰ খবৰ লবলৈ গৈছে।' মাকে লাহে লাহে বাৰাণ্ডাখন সাৰি-থকাৰ পৰাই উত্তৰ দিলে। সেই লম্পটজনৰ তালৈ কোনে যাব দিছে তাইক বুলি দীপকে চিঞৰি উঠি। লগে লগে সি কোঠাত থকা চাইকেলখন দপ্‌দপাই বাহিৰ উলিয়াই সত্যজিত কাকতিৰ ঘৰবুলি চলাই দিলে। যিমানে বেগাই চাইকেলখন চলাবলৈ চেষ্টাকৰিলে, কাকতিৰ ঘৰ সিমানেই বেছি দুৰ যেন লাগিল তাৰ।

সত্যজিত কাকতি অৱস্থাপন্ন মানুহ। তেওঁৰ বাটৰ কাষৰ ৰুমটোৱে ড্ৰয়িংৰুম। দীপকে ড্ৰয়িংৰুমটোৰ পৰা কেবাজনো মানুহৰ একেলগে হহাঁ হাঁহি শুনিবলৈ পালে। দীপকে ৰুমটোৰ আৰু কাষ চাপি গ'ল। সি দেখিলে চাৰিজন মানুহ কৌত বহি আছে। হাতত কেওঁলোকৰ জলন্ত চিগাৰেট। মানুহ কেইজন কোন কেনে চৰিত্ৰৰ দীপকৰ চিনিবলৈ বাকী নাছিল।

'তুমি তেনেহ'লে আমাৰ প্ৰস্তাৱত ৰাজী নোহোৱা ? কাকতিয়ে নিভালৈ চাই প্ৰশ্ন কৰিলে।

'নাই' তেনে প্ৰস্তাৱত মই মান্তি হব নোৱাৰিম। নিভাই ৰুমালখনেৰে গালত বিৰিঙি উঠা ঘাম মচি উত্তৰ দিলে।

'তোমাৰ আপত্তি কিয় ? সমূহীয়াকৈ চাৰি-ওজনে শুধিলে।

'এটা সামান্য চাকৰিৰ বাবে মই মোৰ সত্বা বিক্ৰী কৰিব নোৱাৰোঁ ? এইবুলি নিভাই বাহিৰলৈ ওলাবলৈ চেষ্টা কৰিলে। সেইসময়তে দীপকে উত্তেজনাত ৰ'ব নোৱাৰি ৰুমটোৰ ভিতৰলৈ সোমাই গ'ল। নিভা বাহিৰলৈ আহিব খোজোতে সত্যজিত কাকতিয়ে হাতত ধৰিলে। কাকতিয়ে দীপক সোমাই যোৱা দেখাই নাছিল।

তেনেতে নিভাই সোঁহাতেৰে কাৰ্তিক ঠাচকৈ এটা চৰ সোধালে। কাকতিয়ে ঘটনাটো তলকিবই নোৱাৰিলে।

'বাচ্, বাচ্, বাচ্। নিভা, দীপকেকৈ গল অকল কাৰ্তিয়ে নহয়; এই মুখা পিন্ধা ভদ্ৰলোক তিনিজনকো একোটাকৈ চৰ দিয়া।' দীপকৰ অপ্ৰত্যাক্ষিত প্ৰবেশত সকলো কেইজন ব্যক্তিয়েই ভয়খাই গৈছিল। নিভাইয়ো এই সময়ত দীপক আহি পাব বুলি কল্পনা কৰা নাছিল। দীপকক দেখাৰ লগে লগে নিভা দৌৰি আহিল আৰু দীপকৰ বুকুত সোমাই পৰি হুকুহুকাই কান্দোনত ভাগি পৰিল। ভনীয়েক নিভাৰ সাহসৰ পৰিচয় পাই দীপকৰ দুচকুয়েদি আনন্দাশ্ৰু বৈ গ'ল।

— + —

বহল অৰ্থৎ সংস্কৃতিৰ অৰ্থ হৈছে জনসাধাৰণৰ সুকুমাৰ অনুভূতিৰ উচিত প্ৰকাশ। আচলতে ক'বলৈ গ'লে, সমাজ সচেতনতাই হৈছে ইয়াৰ প্ৰাণ স্পন্দন। সুকুমাৰ কলা, দৰ্শনবস্তু, বিজ্ঞানৰ এই সকলোবোৰৰ সম্মিলিত সমষ্টিয়েই হৈছে সংস্কৃতিৰ সৌষ্ঠৱ।

হেম বৰুৱা।

অহিংসা যুদ্ধত তিৰোতাই পুৰুষৰ দৰে সমানে অংশগ্ৰহণ কৰিব পাৰে। অহিংসা যুদ্ধৰ সৌন্দৰ্য্য এইখিনিতে। হিংসামূলক নিজৰ কামৰ পৰিণামৰ সন্মুখীন হ'বলৈ অস্বীকাৰ কৰা কাপুৰুষৰ কথা।

মহাত্মা গান্ধী।

# ঠং খকুৰ পাৰে পাৰে

অধ্যাপক, প্ৰদীপ দাস
বাণিজ্য বিভাগ।



বিক্সাখন মাথো দৌৰিছে—কেৱল দৌৰিয়ে আছে। যিমানেই দৌৰিছে, সিমানেই ভীষ্মৰ বুকুখন কঁপিবলৈ ধৰিলে এটা প্ৰশ্নৰ অন্তত আন এটা যুক্তিৰ সংঘৰ্ষত সি ঘামিবলৈ ধৰিলে

ভীষ্ম মানে প্ৰশান্ত ভূঞা। সি বেষ্ট তাৰ্কিক আছিল। তাক সহজে যুক্তিত বশ কৰিব পৰা বিধৰ ল'ৰা নাছিল বাবে তাক বিশ্ববিদ্যালয়ৰ ল'ৰা-ছোৱালীবোৰে "ভীষ্ম" বুলি মাতিছিল যেনেকৈ ভীষ্মক নিজে ইচ্ছা নকৰিলে যুদ্ধত পৰাস্ত কৰা সহজ নাছিল। প্ৰশান্তই এইটো গুণৰ বাবে বহু পুৰস্কাৰো পাইছিল। আৰু পাইছিল জুলী চৌধুৰীক। প্ৰশান্ত তেতিয়া অৰ্থ বিজ্ঞান বিভাগৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ।

জুলী চৌধুৰী ইংৰাজী বিভাগৰ প্ৰিভিয়াছৰ ছাত্ৰী। ধনী ঘৰৰ ছোৱালী তাই। মাৰুতী গাড়ী লৈ তাই ক্লাচ কৰিব আহে। এবাৰ বিশ্ববিদ্যালয়ত "সাম্প্ৰদায়িক সংঘৰ্ষ"ৰ ওপৰত এখনি তৰ্কমূলক অনুষ্ঠান অনুষ্ঠিত হৈছিল। তাত বহুতো ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল কিছুমান সপক্ষে আৰু কিছুমানে বিপক্ষত বিভিন্ন মতামত দাঙি ধৰিছিল। এই অনুষ্ঠানত প্ৰশান্তই সাম্প্ৰদায়িক সংঘৰ্ষৰ বিৰুদ্ধে অতি তত্ব গধুৰ বক্তব্য দাঙি ধৰিছিল আৰু জুলী চৌধুৰীয়েও। এই প্ৰতিযোগিতাত প্ৰশান্ত প্ৰথম আৰু জুলী দ্বিতীয় হ'ল। এইটোৱে আছিল সিহঁতৰ প্ৰথম চিনাকী। চিনাকীটোৱে এদিন যেমেগ ৰূপ ললে। প্ৰশান্তৰ ৰিক্সাখন দৌৰি আছে। লক্ষ্যস্থান ডাঃ মইনুল হক চৌধুৰীৰ ঘৰ। আজি তিনি দিন আগতে প্ৰশান্তই ডাঃ চৌধুৰীৰ পৰা কলেজৰ ঠিকনাত এখনি চিঠি পাইছে। তাৰ লগত হেনো জৰুৰী

কিবা কথা আছে।

* 'ঐ বাবু, এয়া ডাক্তৰ চাৰৰ ঘৰ'। ৰিক্সাৱালাৰ মাততহে প্ৰশান্তই সম্বিত ঘূৰাই পালে। ভাড়াটো দি লাহে লাহে সি ডাঃ চৌধুৰীৰ ঘৰৰ চৌহদত সোমাল। সি কলিং বেলটো টিপি দিলে। কিছু সময়ৰ পিছতেই তুৱাৰখন মেল খালে। ডাঃ চৌধুৰীয়ে প্ৰশান্তৰ পিনে চাই সুধিলে—"কোন তুমি?"

মই প্ৰশান্ত তুৱৰা।"

"আহা, বহাহি।" প্ৰশান্তই ড্ৰয়িং ৰুমত বহিল। তুমি নাহিবাই বুলি ভাবিছিলো, কাৰণ ...

ডাঃ চৌধুৰীৰ অসমাপ্ত কথাযাৰৰ অৰ্থ একো বুজিব নোৱাৰি প্ৰশান্ত মৌন হৈ ৰল। ক্ষনিক মৌনতা। মৌনতা ভংগ কৰি পুণৰ ডাঃ চৌধুৰীয়ে মাত লগালে—'প্ৰশান্ত, তুমি শিক্ষিত ল'ৰা কলেজৰ প্ৰফেচাৰ; তাতে বেষ্ট তাৰ্কিক আৰু সাহিত্যিক বুলি তোমাৰ নাম আছে। তোমাকনো মই কি বুজাম! তোমালোকেহে আমাক বুজাব লাগে।'

ডাঃ চৌধুৰীয়ে তাক প্ৰশংসাই কৰিছে নে ঠাট্টাই কৰিছে একো বুজিব নোৱাৰি মাথো সি মূৰ দুপিয়াই থাকিল ০ ০ ০ ০ ০

"প্ৰশান্ত, মই জুলীৰ বিয়াৰ প্ৰায় ঠিক কৰিছোঁ। মাত্ৰ তোমাৰ শেষ মতামতৰ বাবেহে মাতিছোঁ। তাই তোমাক ভাল পোৱা বুলি শুনিছিলো আৰু বোধহয় তাৰ বাবেই নেকি বিয়াৰ কথা আলোচনা কৰাৰ দিনাৰে পৰা তাই মন মাৰি আছে। তাকে দেখি মই ৰজীৰ সতে তেজপুৰত থকা মোমায়েকৰ ঘৰত--কেইদিনমান থকাকৈ পঠাই দিছো।

ডাঃ চৌধুৰীৰ কথাৰ ওপৰতে প্ৰশান্তই মাত লগালে—'চাওঁক খুড়াদেউ, ইয়াৰ বাবে মই দায়ী নহয়। কাৰণটো আপোনাক খুলি কওঁ, আপুনি বেয়া নাপাব। জুলীক মই হিন্দুৰ ছোৱালী বুলি ভাবিছিলো। কিন্তু জুলী যে মুছলমান, সেইদিনা চাকৰিৰ বাবে মোক দিয়া দৰ্খাস্তখনৰ ঠিকনাটো পঢ়িহে মই ০ ০ ০ ০'

তেতিয়া ডাক্তৰে কবলৈ ধৰিলে—তোমাক দেখাত মানুহৰ দৰে দেখি প্ৰথমতে মই তোমাক 'মানুহ' বুলিয়ে ভাবিছিলো। এতিয়াহে মোৰ ভুল ভাগিল যে তুমি মানুহ নহয়—তুমি হিন্দুৰ ঘৰত জন্ম লোৱা প্ৰশান্ত তুৱৰাহে ০ ০ ০ ০ ০। দুখ লাগিছে ভাবিছিলো সমাজত মানুহে বাস কৰে, কিন্তু নহয় সমাজত বাস কৰে কিছুমান হিন্দু আৰু কিছুমান মুছলমানেহে। মই আজি কন্দা নাই ৰাম জনমভুমি বা বাবৰি মছজিদত কেইটামান ইটাৰ টুকুৰা ভঙাৰ বাবে। কান্দিছো কেইটামান ইটাৰ টুকুৰা ভঙাৰ বিনিময়ত মুছলমানসকলে হিন্দু বধ আৰু হিন্দুসকলে মুছলমান বধ কৰা বাবে। কিন্তু হিন্দুৱে মুছলমান বধ কৰা নাই, সিহঁতে বধ কৰিছে একো একোতা ৰাম। আকৌ মুছলমানে হিন্দু বধ কৰা নাই সিহঁতে বধ কৰিছে একো একোটা বাবৰ। আল্লাই হওঁক অথবা ঈশ্বৰেই হওঁক, মছজিদ বা মন্দিৰৰ কেইটামান ইটাৰ টুকুৰাৰ মাজত নাথাকে—থাকে মানুহৰ হৃদয়ত। সেয়ে তোমাক কৈছো আগেয়ে তুমি মানুহ হোৱা তাৰ পিছতহে—হিন্দু হ'বা"

প্ৰশান্তই কিবা এটা কব খোজাৰ আগতে আকৌ ডাঃ চৌধুৰীৰ কথাত থমকি ৰ'ল। "শুনা প্ৰশান্ত আজি বহু বছৰ ধৰি এটা কথা মই গোপন কৰি ৰাখিছো যিটো কথা কবলৈ হৃদয় কান্দি উঠে। মাত্ৰ এটাই ভয়, জানোচা জুলীয়ে আত্মহত্যা কৰে। কাৰণ তাই আমাক কথাটো যাতে আনক প্ৰকাশ নকৰো তাৰ বাবে শপত খুৱাই থৈছে আৰু প্ৰকাশ কৰিলে তাই জীয়াই নাথাকিব বুলি কৈছে। সেয়ে কথাটো আমি কাৰো আগতে প্ৰকাশ কৰা নাছিলো। অৱশ্যে প্ৰকাশ নকৰাৰ আন এটা কাৰণ আছে—জানোচা আমি জুলীৰ মৰমৰ পৰা বঞ্চিত হওঁ।" দীঘলকৈ এটা হুমুনিয়াহ কাঢ়ি ডাঃ চৌধুৰীয়ে পুণৰাই কব ধৰিলে—"ৰজীক বিয়া কৰোৱাৰ বহু বছৰ পিছতো আমাৰ মাজত কোনো সন্তান নাছিল। এই লৈয়ে মনত আমাৰ দুখ। সেয়ে দুখবোৰ পাতলাবলৈ প্ৰায়ে নিজৰ গাড়ীৰে বহু দূৰ-দূৰণিলৈ ফুৰিবলৈ যাওঁ। ভাৱিছিলো দিনবোৰ এনেকৈয়ে পাৰ হ'ব। কিন্তু এবাৰ কলং নদীৰ পাৰে পাৰে ঘৰলৈ উভতি আহোতে হঠাৎ আমাৰ চকুত পৰিল—এজনী আঠ দহ বছৰীয়া ছোৱালী নৈত জাপ মাৰিছে। আমি গাড়ী ৰখাই তাইক পানীৰ পৰা তুলি আনিলো। বহু সময় চিকিৎসা কৰাৰ পাছত তাইৰ জ্ঞান ফিৰি অহাত তেতিয়া ঘৰত থৈ অহাৰ কথা কলো, তাই কান্দি উঠিল। ঘৰত থৈ আহিলে হেনো মাহীমাকে পুণৰাই তাইৰ ওপৰত অত্যাচাৰ চলাব.... বহু বুজোৱাতো সন্মত নহোৱাত মোহৰ বশৱৰ্তী হৈ শেষত তাইক আমাৰ ঘৰলৈকে লৈ আহিলো। আমি তাইক নিজৰ ছোৱালী কৰি ৰাখি স্কুলত নাম লগাই দিলো। অতি কম দিনৰ ভিতৰতে জুলী আমাৰ বৰ আপোন হৈ পৰিল। আমি যে সন্তানহীনা, সেইটো অনুভৱ নহোৱা হ'ল। ৰজীয়ে আজিও তাইক বুকুৰ মাজত লৈহে টোপনি মাৰে। মই মুছলমান হলেও জুলীক এজন উপযুক্ত হিন্দু লৰালৈ বিয়া দিবৰ বৰ ইচ্ছা আছিল। তাইৰ নামটো আছিল জোনাকী হুৱৰা। আমি সদাই "

"জোনাকী !!!" এক প্ৰকাৰ চিঞৰিয়েই উচ্চাৰণ কৰিলে প্ৰশান্তই। অতি আগ্ৰহ তথা উচ্ছাসেৰে আহ্লাদিত প্ৰশান্তই পুণৰ কবলৈ ধৰিলে--"জোনাকী মোৰ গাওঁৰ ছোৱালী খুড়া। জোনাকী মোৰ বাল্য বন্ধু দিগন্ত হুৱৰাৰ ভনী। মই আৰু দিগন্ত একেলগে একেখন স্কুলতে পঢ়া। জোনাকীৰ জন্মৰ দিনাই তাইৰ মাকৰ মৃত্যু হয়। তাৰ পিছত দেউতাকে পুণৰ বিবাহ পাশত আৱদ্ধ হয়। তেতিয়া আমি সপ্তম শ্ৰেণীত আৰু জোনাকী পঞ্চম শ্ৰেণীত। সিহঁতৰ ঘৰলৈ মোৰ প্ৰায়ে অহা যোৱা আছিল। দিগন্ত, জোনাকী আৰু মই সদায়ে গধূলি নৈৰ পাৰত ফুৰিবলৈ গৈছিলো জোনাকীয়ে মোক নিজৰ ককাইৰদৰে মৰম কৰিছিল। কিবা এটা বস্তু পালেই মোক নিদিয়াকৈ তাই নাখাইছিল।" এটা দীঘল হুমুনিয়াহ কাঢ়ি প্ৰশান্তই পুণৰ কবলৈ ধৰিলে--"আপুনিতো সকলো শুনিছেই, দিন যোৱাৰ লগে লগে মাহীমাকৰ শেন চকু সিহঁত দুয়োৰে ওপৰত পৰিল আৰু অত্যাচাৰ অসহনীয়া

হৈ পৰিল। • • • • •

এদিনৰ কথা, মই আৰু দিগন্ত স্কুলৰ পৰা ঘৰলৈ আহি আছোঁ। বাটতে আমি জোনাকী পানী আনিব নদীলৈ গৈ নিৰুদ্দেশ হোৱা কথা জানিব পাৰিলো। গা বেয়া বাবে সিদিনা তাই স্কুললৈ যোৱা নাছিল। গোটেই গাঁৱতে এক হুলস্থুলীয়া পৰিৱেশ। মানুহবোৰ আহি দিগন্তহঁতৰ পদুলি চোতাল ভৰি পৰিছে। এনেতে কোনোবাই আহি খবৰ দিলে যে নদীৰ পাৰত জোনাকীৰ কাপোৰ পৰি আছে। সকলোৰে বিশ্বাস হল জোনাকীৰ নদীত পৰি মৃত্যু হ'ল। বহুদিন তাইৰ মৃতদেহ নদীয়ে নদীয়ে বিচাৰিও পোৱা নগ'ল.........'

ঠিক এনে এক মুহূৰ্ত্ততে ডাঃ বিনয় শৰ্মা আহি উপস্থিত হ'ল। ডাঃ চৌধুৰীয়ে বিনয়ক বহিব দি প্ৰশান্তৰ সতে চিনাকি কৰি দিলে—"প্ৰশান্ত এওঁ ডাঃ বিনয় শৰ্মা। আৰু বিনয় এওঁ অধ্যাপক প্ৰশান্ত দুৱৰা—সু-লেখক. বেষ্ট তাৰ্কিক।" বিনয়ে প্ৰশান্তক আৰু প্ৰশান্তই বিনয়ক প্ৰতি নমস্কাৰ দিলে। সিহঁতক কথা পাতিব কৈ ডাঃ চৌধুৰী ভিতৰ কোঠালৈ সোমাই গ'ল।

"আপোনাৰ সাক্ষাৎ পাই ভালেই লাগিল। আপোনাৰ প্ৰবন্ধইহে মোৰ আৰু জুলীৰ বিয়া সম্ভৱ পৰ কৰি তুলিলে। আপুনি যে লিখিছিল প্ৰবন্ধটো" কেউদিশে কেৱল হিন্দু আৰু মুছলমান—মানুহবোৰ কেনি গ'ল ?" আঃ কি মৰ্ম্মস্পৰ্শী! আপুনি হলে আমাৰ বিয়াত থাকিব লাগিব দেই।"

তেতিয়া ৰাতি ঠিক ন বাজিছে। প্ৰশান্তই ডাঃ চৌধুৰী আৰু ডাঃ বিনয়ৰ পৰা বিদায় ললে। ডাঃ চৌধুৰীৰ ঘৰৰ পৰা ওলাই প্ৰশান্তই চৌদিশে এন্ধাৰ দেখিলে। ৰাস্তাৰ দাঁতিত খেলি থকা কন কন ল'ৰাকেইজন বোধহয় টোপনিত লালকাল। কিন্তু তাৰ ভাব হ'ল তাৰ হয়তো কোনোকালে টোপনি নাহিব। কিয়নো 'সাম্প্ৰদায়িক' নামৰ হিংস্ৰ জন্তুটো যে তাৰ গাত বিৰাজমান। প্ৰশান্তৰ গাটো কিবা অৱশ অৱশ যেন লাগিল। এটা সময়ত সি সাম্প্ৰদায়িক সংঘৰ্ষৰ বিৰুদ্ধে এৰি দিয়া ব্ৰহ্মাস্ত্ৰ যুক্তিবোৰ প্ৰচণ্ড সাম্প্ৰদায়িক দেৱালত লাগি উভতি আহি তাকেই বাকৰুদ্ধ কৰিছে ; কোনোপাট কাৰে হয়তো তাৰ ব্যক্তিত্বক হত্যা কৰিছে, হয়তো কোনোৱা পাটে তাৰ অনুভূতিক, আকৌ কোনোৱা পাটে হয়তো তাৰ বিবেকক দংশন কৰিছে। এইদৰে ইপাটৰ পিছত সিপাট শৰ আহি তাৰ গোটেই গাটো বিন্ধি পেলাইছে। তাৰ অনুভৱ হ'ল—অৰ্জ্জুনৰ শৰত শৰ্য্যাগত হোৱা ভীষ্মৰ এইখনেই শেষ যুদ্ধ। পূৰ্ব্বৰ স্মৃতি ৰোমন্থন কৰি তাৰ অনুভৱ হ'ল—জীৱন যুজত ভ্ৰমি যেন দুঃস্বপ্নৰ পাৰে পাৰে।

# আৱৰ্জনা



পংকজ কুমাৰ ঠাকুৰীয়া
স্নাতক মহলা

অফিচৰ সন্মুখৰ কৃষ্ণচূড়াডালৰ গুৰিতে থকা আৱৰ্জনাবোৰত চৌকিদাৰজনে পেলনীয়া কাগজৰ টুকুৰাবিলাক ঢালি দিলে। তাৰ টুকুৰিটো খালি হৈ গ'ল। মই থৰ লাগি সকলো প্ৰত্যক্ষ কৰি আছো।

যোৱা সোমবাৰৰ কথা। ঘৰৰ গালি-গালাজ খাই খাই এই অফিচটোলৈকে আজি লোণ এটা বিচাৰি আহিছোঁ। ভাবিছিলো কলেজৰ প্ৰফেচাৰ হ'ম। কিন্তু কলেজৰ চাকৰি দূৰতে থাওঁক, আজি পাঁচ বছৰে প্ৰাইমাৰী স্কুলৰ চাকৰি বিচাৰিয়েই ত্ৰিশ বছৰত ভৰি দিলোহি। মাহওঁক. চাকৰি নকৰো বুলি লিখি দি হ'লেও লোণ এটাৰ ব্যৱস্থা কৰো। আমাতকৈও ক'ম পঢ়া কত কিমানে ল'লে! আৰু মইতো এম. এ পাছ। পিতায়েনো আৰু কিমান চলাব! সামান্য চাৰি বিঘা খেতি মাটি চহায়েই ভাইটো আৰু মোক পঢ়াইছে। অৱশ্যে আমি দুয়োৱে ঘৰুৱা শিক্ষকতা কৰিও অলপ অচৰপ টকা উপাৰ্জন কৰো। সিয়োতো এইবাৰ বি. এ প্ৰথম খণ্ডৰ পৰীক্ষা দিব আৰু ভনীজনী? ভাইবোতো বিয়াৰ উপযুক্ত বয়স হৈছে! তাইৰ লগৰ ছোৱালী এতিয়া দুই-তিনিটা সন্তানৰ মাক হৈছে। পিতায়েতো অচল হৈ আহিছে-কথাবিলাক ভাবিলে মূৰটো গৰম হৈ যায়।

চৌকিদাৰজনক সোধাত চিনিয়ৰজন এতিয়াও অহা নাই বুলি কলে। ঘড়ীটোলৈ চালো, চাৰে এঘাৰ বাজিছে। ডেকা তেজটো পিৰ্ পিৰাই উঠিল। মনতে ভোৰ্ ভোৰালো 'চালা কুকুৰহঁত, চৰকাৰী চাকৰি কৰিব আহে। খোচ্ খোৱাৰ কোৰত সময়ৰ হিচাপ নোহোৱা হৈ পৰে।' ঠিক সেই মুহূৰ্ততে গাড়ীৰ শব্দ শুনি পিছফালে ঘূৰি চাই দেখো, নীলা মাৰুতিখনৰ

পৰা হাতত ব্ৰিফকেচ্ এটালৈ চিনিয়ৰ চাহাব মুখত এমোকোৰা হাঁহিৰে প্ৰায় লগে লগে য়ামাহাৰে অহা যুৱ ঠিকাদাৰজনৰ কিবা কথাৰ সম্মতিসূচক মাতবাৰ দি আহিব ধৰিছে। মানুহজনৰ ফাট্ ফিট্ ড্ৰেচ-পাতিৰ লগতে তজ -বজীয়া জেল্লাল চেহেৰাটো দেখি ভাব হ'ল 'মিছাতে এখেতৰ প্ৰতি বেয়া ধাৰণা লৈছিলো। ইমান প্ৰগাঢ় প্ৰশান্ত গঢ়ৰ ব্যক্তি এজন জানো তেনে হ'ব পাৰে? গাড়ীখন !? আভিজাত্য পৰিয়ালৰ বাবেহে .... ... ... আৰু সকলো অফিচাৰেইতো তেনে নহয়'!

'চিনিয়ৰ চাব' পৰ্দা ঠেলি তেওঁৰ কোঠাত সোমাল। লগে লগে মোৰেই বন্ধু ঠিকাদাৰজনে 'ঐ আহিছ, আহোৰহ' বুলি কৈ মোৰ উত্তৰলৈ বাট নাচাই সোমাই পৰিল। কিছুসময় পিছত দেখিলো চৌকিদাৰজনে দুকাপ চাহ আৰু দুটা ৰসগোল্লা লৈ চাবৰ কোঠাত সোমাল। ওলাই আহোতে সুধিলো, 'ভিতৰলৈ যাব পৰা হৈছোনে?'

চৌকিদাৰজনে ভদ্ৰভাৱেই ক'লে 'আৰু অলপ সময় ৰ'ব। আমাৰ ঠিকাদাৰ বাবু আগেয়ে যাওঁক। কিবা জৰুৰী কথা পাতি আছে'।

ঘড়ীটো লৈ চালো, বাৰ বাজিল। এইবাৰ ৰাবান্দাৰ দীঘল বেঞ্চখনতে বহিব পৰাকৈ মানুহ এটা উঠি যোৱাত মই বহি পৰিলো। বহি থকা বাকী কেইজন বয়স্ক। বানপানী, মথাউৰি, ফিগাৰি, গম, মটৰৰ বীজ আদিৰ কথা ওলাল। ঘড়ীটোলৈ চালো, এক বাজো বাজো।

প্ৰায় ডেৰ ঘণ্টা ফুচ্-ফুচীয়া মেল পাতি মোৰ ঠিকাদাৰ বন্ধুজন 'গুড্ বায়' বুলি আমি শুনাকৈ কৈ পৰ্দা ঠেলি ওলাই আহিল। যাওঁতে কিন্তু মোক মাত দি যাব নাপাহৰিলে।

'মে আই কাম ইন চাৰ' বুলি কৈ পৰ্দা ঠেলি চাবৰ কোঠাত মই প্ৰৱেশ কৰিলো। চাবে মোলৈ মুখ তুলি নাচায়েই বাতৰি কাকত-খনত চকু ৰাখি 'ইয়েচ্, কাম' বুলি সম্মতি জনাইছে। লোণ লিখা আবেদনখনৰ লগতে গঠা থকা শিক্ষা সংক্ৰান্তীয় প্ৰপত্ৰবোৰ "চাৰ, এইখন" বুলি কৈ আগবঢ়াই দিয়াত মোৰ ডাঢ়িয়া মুখখনলৈ এক দৃষ্টি নিক্ষেপ কৰিলে; চকুৱে চকুৱে পৰিল। জ্বলন্ত চিগাৰেটটো আঙুলিৰে ধৰি থাকিয়েই বাওঁহাতেৰে 'বহক' বুলি ক'লে আৰু সোঁহাতেৰে আবেদনখন লৈ চিগাৰেটটো দীঘলকৈ আৰু এহোপা মাৰি চায়দানিটোত পেলাই আবেদনখনত চকু দিলে। সন্মুখৰ চকীখন টানিলৈ মই বহি পৰিলো।

প্ৰায় চাৰি মিনিট পিছত তেখেতে মোলৈ চাই ক'লে —,চাওঁক, আপোনাৰ বিষয়ে সকলো গম পালো। আপুনি লোণ লৈ জোতাৰ দোকান দিব বিচাৰিছে বৰ ভাল কথা। আজিকালি চাকৰিৰ যি হাঁহাকাৰ, সকলোৱে যদি ——— আপোনাৰ বাবে মই বিশেষভাৱে চেষ্টা দিম। কিন্তু এটা কথা ...'

মই অলপ উচপ্ খাই উঠিলো। 'কিন্তু'টো আকৌ কি? মোৰ উদ্বিগ্নতা দেখিয়েই নেকি, তেওঁ হ'লে বৰ সহজ-সৰলভাৱে কৈ গ'লে— "বুজিছে, আজিকালি অলপ আচৰপ টকা খৰচ নকৰিলে একো নহয় ০ ০ ০ ০ ০ ০ মোৰ কথা মানক, আপুনি লোণ পোৱাটো নিশ্চিত। আপোনাৰ নিচিনা শিক্ষিত গধীৰ ব্যক্তি এজনৰ পৰা মই এপইচাও নলওঁ। কিন্তু আইনবোৰেতো

কথাবিলাক বিবেছনা কৰি নাচায় ”

মই খুব উত্তেজিত হৈ পৰিলো আৰু ঠিয় হৈ কথাৰ মাজতে ক'লো—“বুজিছো, বুজিছো—আপোনালোকৰ কাৰবাৰৰ কথা মই জানো। মোৰ হাতত আজি টকা নাই বাবে, কোনো ৰাজনৈতিক দালাল নাই বাবে মই লোণ নাপাওঁ। কিন্তু আপোনালোকে—''

মোৰ কথা শেষ হ'বলৈ নাপালেই, চিনিয়ৰ চাহাবে হাতযোৰ কৰি ''প্লিজ, মোৰ কথাখিনি শুনকচোন। ধৈৰ্য্য ধৰক” বুলি বুজনিৰ সুৰত কৈ চকীৰপৰা উঠি আহি মোক দুহাতেৰে চকীখনত বহাই দিলে। মই নিশ্চুপ হৈ ৰ'লো।

তেওঁ পুনৰ ধীৰে-সুস্থিৰে ক'বলৈ ধৰিলে—''চাওঁক, আজিৰ সমাজ-ব্যৱস্থাই এনেকুৱা। আজিৰ শিক্ষা-ব্যৱস্থা যত চব্ ভেকো-ভাওনাৰ মূল। শিক্ষাৰ মান পত্ৰেৰে আপুনি, মই একো এটাই কৰিব নোৱাৰো। টকা দিহে চাকৰি কিনিব লাগিব, লোণৰ ব্যৱস্থা কৰিব লাগিব। সকলো পৰিবৰ্ত্তন কৰিব লাগিব। আৰু মোৰ দৃঢ় বিশ্বাস, সেই পৰিৱৰ্ত্তন আহিব তইঁৰত দৰে পদে পদে সমাজ-ব্যৱস্থাত জ্বলিব ধৰা সৰ্ব্বসাধাৰণ শ্ৰেণীৰ ব্যক্তিৰ পৰা। আৰু সেই ক্ষণ সমাগত। মুঠতে এটা বিপ্লৱৰ অতীব প্ৰয়োজন ···· ····

মানুহজনৰ কথাবোৰ শুনি তেখেতৰ প্ৰতি মোৰ শ্ৰদ্ধা বাঢ়িল। মনতে ভাবিলো, 'বৰ ভাল মানুহ। অধ্যয়ন তথা জ্ঞান আছে যথেষ্ট।'

তেওঁ মোলৈ চিগাৰেট যচাঁত মই নাখাওঁ' বুলি কোৱাত 'চৰি' বুলি কৈ এটা চিগাৰেট জ্বলাই পুনৰ কব ধৰিলে—''বুজিছে, যেতিয়ালৈকে স্বাধীনতাৰ আগেয়ে জন্মা ব্যক্তিসকল সমাজ তথা দেশৰ কৰ্ণধাৰ হিচাপে থাকিব, সমাজ ব্যৱস্থাৰ একো পৰিবৰ্ত্তন— অৰ্থাৎ উন্নতি নহয়। কিয়নো তেওঁলোকৰ শিৰাইদি এতিয়াও বগা বঙালৰ সময়ৰ তেজ প্ৰৱাহমান ··· ·· ··· যাহওঁক, আপোনাক লোণ দিয়াৰ বাবে মই যৎপৰোনাস্তি চেষ্টা কৰিম · একপি পাচপোৰ্ট চাইজৰ ফটো মোক অতি সোনকালে দি যাবহি।''

মই অতি উৎসাহেৰে 'চাৰ, মোৰ লগতে আছে” বুলি কৈ চোল ৰ জেপৰপৰা পাচ্পোৰ্টৰ ফটোখন উলিয়াই দিলো।

ফটোখন এটাষ্টেদ্ কৰি এটা আলপিন মাৰি আবেদনখনেৰে গাঁঠি দিলে। আবেদনখনত লাল চিয়াহিৰে কিবা অলপ লিখি চীলটো মাৰি চহী কৰি কলে—“এতিয়া আপুনি যাওঁক। অহা শনিবাৰে এবাৰ খবৰ ল'বহি। মই অহাকালি গুৱাহাটীলৈ যাওঁতে সকলো আলোচনা কৰি আহিম।'' অশেষ ধন্যবাদ জনাই মই ঘৰলৈ গুচি আহিলো।

চৌকিদাৰজনৰ মাতত মই বাস্তৱলৈ ঘূৰি আহিলো। সি কলে—'চাৰ আজিও গুৱাহাটীলৈ ঘৰৰ পৰাই বাহিৰে বাহিৰে গৈছে। লগ নাপাব।”

মই কিবা এটা কোৱাৰ আগেয়ে সি জাৱৰৰ দ'মটোৰ ওচৰলৈ গৈ আৰু এটুকুৰি কাগজৰ টুকুৰা ঢালি দিলে। ময়ো তাৰ ওচৰ গৈ পালো।

চৌকিদাৰজনে বহী লৈ দিয়াচলাই মাৰি দ'মটোত জুই লগাই দিলে। মোৰ চকু গৈ দপ্-দপ্কৈ জ্বলিব ধৰা দ'মটোত নিৱিষ্ট হ'ল। পুৰি যাব ধৰা মোৰ প্ৰ-পত্ৰ আৰু ফটোখন দেখি বুকুখন জিকাৰ খাই উঠিল।

# জানি থোৱা ভাল—

সংগ্ৰাহক—অৰূপ কলিতা

'প্ৰথম অসমীয়া আত্মজীৱনী'খনৰ নাম কি ? ৰচক কোন ?

※ 'সদৰামিনৰ আত্মজীৱনী' ৺হৰকান্ত মজুমদাৰ ।

অসমীয়া ভাষাৰ ওপৰত লিখা প্ৰথমখন ইংৰাজী গবেষণা গ্ৰন্থ কি ?

※ ড° বাণীকান্ত কাকতিৰ 'Assamese is Formation development 1940'

ইংৰাজী ভাষাৰ আটাইতকৈ দীঘল শব্দটো কি ?

※ অক্সফৰ্ড অভিধানত পৰিগণিত হোৱা দীৰ্ঘতম শব্দটো হ'ল 'Floceipaveinihilipilification' ( ফ্ৰচিপচিনিহিলিপিলিফিকেচন ) ইয়াৰ অৰ্থ হ'ল—'অলাগতিয়াল বুলি নিৰ্দ্ধাৰণ কৰা কাৰ্য ।


পৃথিৱীৰ আটাইতকৈ বৃহত্তম পুথিভঁড়াল কোনটো ?

※ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ 'লাইব্ৰেৰী অব কংগ্ৰেছ' ।

পৃথিবীৰ আটাইতকৈ বেচি প্ৰচাৰ হোৱা বাতৰিকাকতখনৰ নাম কি ?

※ জাপানৰ 'য় মিউৰি চিম্বুৰ্ণ' ।

# বিবিধ



# বিতান —





# কৃতী পৰীক্ষাৰ্থীৰে সাক্ষাৎকাৰ

সম্প্ৰতি বিভিন্ন সমস্যাৰে জৰ্জৰিত ছয়গাওঁ মহাবিদ্যালয়। ৰাজনৈতিক চক্ৰান্তৰ বলি এই মহাবিদ্যালয়ে কিন্তু পৰীক্ষাৰ্থীৰ ভাল ফল প্ৰদৰ্শনত যোৱা কেবাটাও বছৰত এক বিৰল নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। ১৯৯২ ইং চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰতে ৩য় স্থান লাভ কৰা মহঃ ৰাহাৰুল ইছলাম শইকীয়াৰ পিছত এইবেলিও (১৯৯৪ চন) মিচ্ ৰশ্মি নাথে ৮ম স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱাটো অকল মহাবিদ্যালয়খনৰে সুনাম নহয়, মহাবিদ্যালয়খনৰ কল্যাণকামী প্ৰতিজন ব্যক্তিৰে গৌৰৱৰ কথা।

মিচ্ নাথৰ পৰীক্ষাৰ প্ৰস্তুতি আৰু আনুসংগিক কিছু কথাৰ আভাষ ল'বলৈ আমি তেওঁৰ আগগুমি গাওঁৰ নিজ ঘৰত উপস্থিত হৈছিলো। 'কলহী'ৰ বাবে যুগুতাই নিয়া প্ৰশ্নৰ যথাযথ উত্তৰখিনিয়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশত সহায় কৰিব বুলিয়ে আমাৰ বিশ্বাস।

—সম্পাদক।

প্ৰশ্ন—ৰশ্মি, তোমালৈ আমাৰ আন্তৰিক অভিনন্দন থাকিল। তুমি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰতে ৮ম স্থান লাভ কৰিছা। প্ৰথম দহোটা স্থানৰ ভিতৰত তোমাৰ স্থান থাকিব বুলি ভাবিছিলা নেকি?

উত্তৰ—নাই, ভবা নাছিলো। মই অতি অসুস্থতাৰ মাজেৰে পৰীক্ষা দিছিলো যদিও ভাল Result এটা হ'ব বুলি মই নিশ্চিত আছিলো; কিন্তু প্ৰথম দহোটা স্থানৰ ভিতৰত থাকিব পাৰিম বুলি কেতিয়াও ভবা নাছিলোঁ।

প্ৰশ্ন—তুমি পৰীক্ষাৰ বাবে কেনে ধৰণে প্ৰস্তুতি চলাইছিলা?

উত্তৰ—কলেজত পাঠ আৰম্ভণিৰ আদিৰে পৰাই মই নিয়মীয়াকৈ অধ্যয়ন কৰিছিলোঁ। পঢ়াৰ বাবে Routine তৈয়াৰ কৰি লৈছিলোঁ আৰু সেই Routine মতে মই পঢ়িছিলোঁ। মই এনেয়ে ৬/৭ ঘণ্টাকৈ পঢ়িছিলোঁ যদিও

বাছনি পৰীক্ষা ( Test ) ৰ পিছত পঢ়াৰ সময় ১০/১২ ঘণ্টালৈ বঢ়াই দিছিলোঁ।

প্ৰশ্ন—তুমি মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকৰ পৰা কি ধৰণে সহায়-সহযোগ পাইছিলা ?

উত্তৰ -মই চাৰ-বাইদেউ সকলৰ পৰা যথেষ্ট সহায় আৰু উৎসাহ-উদ্দীপনা পাইছিলোঁ। মোৰ পঢ়াৰ ক্ষেত্ৰত মা-দেউতাই যথেষ্ট গুৰুত্ব দিছিল। দেউতাই মাজে সময়ে ইংৰাজী আৰু মায়ে কেতিয়াবা কেতিয়াবা ৰাজনীতি বিজ্ঞান আৰু অসমীয়া বিষয়ত সহায় কৰিছিল।

প্ৰশ্ন—তোমাৰ গাৱঁৰ পৰিবেশ কেনেকুৱা ? তোমাক পঢ়াৰ ক্ষেত্ৰত গাৱঁৰ মানুহে অনুপ্ৰেৰণা যোগাইছিল নে ?

উত্তৰ—সঁচা কথা ক'বলৈ হ'লে আমাৰ গাৱঁৰ পৰিৱেশ অত্যন্ত জেতেৰা, পঢ়াৰ মুল্য বুজি নাপায়। প্ৰায়ে কাজিয়া-পেচাল হৈ থাকে। পঢ়াৰ পৰিবেশ নাই।

আমাৰ গাৱঁৰ মানুহে পঢ়াৰ ক্ষেত্ৰত মোক কোনো ধৰণে অনুপ্ৰেৰণা যোগোৱা নাছিল, বৰং বাধাৰহে সৃষ্টি কৰিছিল। কিন্তু আমাৰ ঘৰত পঢ়াৰ পৰিবেশ বৰ্তমান।

প্ৰশ্ন—তুমি পাঠ্যপুথিৰ বাহিৰেও Notes Book ৰ সহায় লৈছিলা নেকি ?

উত্তৰ—মই তেনেকুৱা কোনো Notcs Book ব্যৱহাৰ কৰা নাছিলোঁ ; পাঠপুথিৰ ওপৰতে গুৰুত্ব দিছিলোঁ। অৱশ্যে মাজে সময়ে Model চাইছিলোঁ।

প্ৰশ্ন—তুমি মহাবিদ্যালয়ত পঢ়ি থাকোতে কিবা অভাৱৰ সন্মুখীন হৈছিলা নেকি ?

উত্তৰ—পুথিভঁৰালত কিতাপৰ অভাৱৰ বাহিৰে মই তেনেকুৱা কোনো অসুবিধাৰ সন্মুখীন হোৱা নাছিলোঁ। আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালটোৰ অৱস্থা অতি দুখ লগা। বিগত দুবছৰত পুথিভঁৰালটোৰ পৰা কোনো ধৰণে সুবিধা আদায় কৰিব পৰা নাছিলোঁ।

প্ৰশ্ন—বৰ্তমান অসমত প্ৰচলিত শিক্ষা ব্যৱস্থা সন্দৰ্ভত তোমাৰ ব্যক্তব্য কি ?

উত্তৰ—বৰ্তমানৰ শিক্ষা ব্যৱস্থা সন্দৰ্ভত কাকতে পত্ৰই বহুল লিখা-মেলা চলি আছে। মই ভাবো চলিত শিক্ষা-ব্যৱস্থাই অভাৱনীয়ভাৱে নিবনুৱাৰহে সৃষ্টি কৰিছে।

প্ৰশ্ন—আমাৰ মহাবিদালয়ৰ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত তোমাৰ মতামত কি ?

উত্তৰ—মহাবিদ্যালয়খনৰ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত মতামত দিব লগা নাই।

প্ৰশ্ন—তুমি ভৱিষ্যতে কি হব বিচৰা ?

উত্তৰ—মই শিক্ষাক প্ৰধান বিষয় হিচাপে লৈছোঁ আৰু শিক্ষা বিভাগতে মই কাম কৰিব বিচাৰো

ধন্যবাদ।

—

# ঈশ্বৰলৈ মুকলি চিঠি

দীপ্তি চৌধুৰী ।
উঃ মাঃ প্ৰথম বাৰ্ষিক

হে ঈশ্বৰ,

প্ৰীতি আৰু শুভেচ্ছা জনালো। আজি বহুত দিনৰ পৰা তোমাৰ খবৰ লৈ থকা হৈছে। কিন্তু লগ কৰিব পৰা নাই । যাহওঁক, তোমাৰ নিশ্চয় ভাল। তুমি বৰ্ত্তমান ক'ত থাকা? নিশ্চয় পুলিচ, মিলিটাৰীৰ ব্যস্তনীৰ মাজত, নহয়তো কোনোবা ধনপতিৰ বহু-খলপীয়া মহলাৰ আচুতীয়া কোঠাত। শুনিব পাৰিছোঁ তুমিবোলে আজি কালি ধনীমানুহৰ ঘৰতহে থাকা । তুমি স্বাৰ্থপৰ হৈছা নেকি? ঠিকেইটো আমি বাবা শিৱৰ কাৰণে খাটি মণিপুৰীয়েই দিবপাৰিছোঁ নে আই দূৰ্গাৰ কাৰণে চিনঠেটিক শাৰীয়েই দিব পাৰিছোঁ। কেতিয়াবা ৰঙা লাইত লগোৱা গাড়ীত উঠি যাওঁতে সময় সুবিধালৈ সমবায়ৰ দোকানৰ সম্মুখত ৰৈ দিলেই আমাক লগ পাবা। আমি তাতেই শাৰী-পাতি তুটকীয়া চাউলৰ কাৰণে ৰৈ থাকোঁ। ৰেচনৰ শোভা যাত্ৰাত আমি সদায়ে যোগ দিওঁ। কেতিয়াবা অৱশ্যে কেৰাচিনৰ দোকানতো থাকো। সমবায়ৰ দোকানৰ পৰা ডিপো বেচি দূৰত নহয়। ৰিং মাৰি দিলেই শুনিম ।

তুমি শুনি নিশ্চয় সুখ পাবা যে বৰ্ত্তমান আমাৰ ইয়াত বস্তুৰ জুইচাই দাম আৰু দাম বৃদ্ধি কৰিবলৈ কিছুমান কলা বেপাৰী ওলাইছে গতিকে তুমি তোমাৰ পাঞ্জাৱী চোলাটোৰ জেপ-বোৰ ডাঙৰকৈ চিলাই কৰি লবা। তোমাৰ মৰমতে আগতকৈ অলপ বেছি উপকৰণ দিবলৈ আমি সিদ্ধান্ত লৈছোঁ। কিয়নো সকলো বস্তুৰ দৰ বৃদ্ধি হৈছে। অকল তোমাৰ ভাগৰ কৃপানালি কৰিলে হবনে? অ এটা কথা কব পাহৰিছিলোৱেই বহুতো অলাগতিয়াল মানুহে বিশ্ববিদ্যালয়ৰ কাগজ কেইখনকেই বন্ধকত দি বেংকৰ পৰা টকালৈ জীয়াই থাকিবলৈ চেষ্টা কৰিছে। এইবোৰ দেখি হাঁহি উঠে; সেচেৰা হঁতে জীয়াই থকাৰ কাৰণে বৃথা চেষ্টা কৰা বাবে। যদি ইচ্ছা কৰা, তোমাৰ প্ৰতিনিধি সকলকৈ বস্তুৰ দাম আৰু অলপ বেচি কৰা আৰু ৰং চোৱা। অৱশ্যে এনেয়ে কনাগৰু ঘুৰাদি ঘুৰিয়েই আছে।

হে পৰমেশ্বৰ তোমাৰ আধিপত্য চিৰস্থায়ী

কৰিবলৈ এটা কাম কৰিব পাৰা। এই মানুহ-বোৰৰ কিছুমানক মানসিক ভাৱে পংগু কৰি, কিছুমানক নিঃশেষ কৰি, আৰু কিছুমানক শাৰীৰিক ভাৱে অক্ষম কৰি ৰাখিব পাৰা। ভৱিষ্যতে যাতে কোনেও তোমাৰ বিৰুদ্ধে জেহাদ ঘোষনা কৰিব নোৱাৰে। তাৰ বাবে সিহঁতক কেৱল ভাত কাপোৰৰ চিন্তাতে নিমগ্ন কৰি ৰাখা।
উচ্চাকাংখ্যা কৰিব সুযোগ নিদিবা। সমাজ-সংস্কৃতি কৃষ্টি-সৃষ্টিৰ কথা যাতে মুৰত সোমাব নোৱাৰে তাৰ বাবে তুমি অতি সোনকালেই ব্যৱস্থা কৰা। ক্ষুধাত ৰব নোৱাৰি সিহঁতে হিংস্র জন্তু জানোৱাৰৰ লেখীয়া হব। গাঁৱে গাঁৱে, চহৰে নগৰে, মন্দিৰৰ ঠাইত মছজিদ আৰু মছজিদৰ ঠাইত মন্দিৰ সৃষ্টি কৰোৱা। ধৰ্ম ধৰ্ম বুলি মৰা-মৰি, কটা কটিকৈ সাম্প্ৰদায়িক সংঘৰ্ষ কৰিবলৈ অনুপ্ৰেৰণা জগোৱা! দেখিবা এটা সুন্দৰ দৃশ্যৰ অৱতাৰনা হব।

হে কৰুণা ময়,

আজি কালি টি ভি, চিনেমাৰ যুগ টি, ভিত সপ্তাহত তিনিখনমান চিনেমাৰ প্ৰদৰ্শন কৰা হয়, যদিও আটাইবোৰ অৰ্দ্ধনগ্নহে। পাৰিলে বিভাগীয় বৰমুৰীয়াক কৈ সেইবোৰ নগ্ন ছবি প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰা। আকৌ চিনেমা হলবোৰত আধা উলংগ ছৱিহে প্ৰদৰ্শন কৰা হয়। সেইবোৰো চেঞ্চন কৰাই কাটি কুটি সম্পূৰ্ণ উলংগ কৰোৱা আৰু ছবিঘৰ বোৰত উলংগ ছবি বাধ্যতামূলক কৰা, লগতে কেইখনমান 'বিদেশী মদৰ' দোকানৰ ছোৱালীৰ নামত পাৰ্মিট দিয়াৰ ব্যৱস্থা কৰা. এইবোৰৰ বিৰুদ্ধে মাত মাতোঁতা সকলক একেলগে নিষিদ্ধ ঘোষণা কৰি লাঠি, বন্দুক, ৰাইফলেৰে বুজাই দিয়া-ইশ্বৰৰ বিৰুদ্ধে সংগঠিত হলে পৰিনাম কি ভয়াবহ হব পাৰে।

শেষত তোমালৈ প্ৰীতি আৰু শুভেচ্ছাৰে এটি কবিতাংশৰে চিঠি লিখা সামৰিছোঁ।

ছাগলী চেলাবলৈ ডবুৱা কটাৰী
পহু চেলাবলৈ মিট,
মানুহ চেলাবলৈ একোৱেই নেলাগে
পুলিচ মিলিটেৰীৰ হতুৱাই পিত।

—■—

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯২-৯৩ ইং চন



সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰি বছৰটোত দুটা এদিনীয়া বিশেষ শিৱিৰ মহাবিদ্যালয়ত পাতি পৰিস্কাৰ তথা 'কমাৰ্চ' বিভাগৰ শ্ৰেণী কোঠালৈ যোৱা আলিবাট এটি নিৰ্মাণ কৰা হয়। প্ৰথম শিৱিৰটোত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ সমাজ কৰ্মী হিচাবে স্নাতক ২য় বৰ্ষৰ ছাত্ৰ শ্ৰীনিৰঞ্জন বৰুৱা আৰু শ্ৰীলক্ষ্মী ৰাম মেধিক প্ৰমাণ পত্ৰৰ লগতে বঁটা প্ৰদান কৰা হয়।

১৯৯৩ ইং চনত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ N.S.S. ৰ বছৰেকীয়া বিশেষ শিৱিৰত আমাৰ মহাবিদ্যালয়ৰ পৰা অংশগ্ৰহণ কৰা হয়। আন হাতে ১৯৯৩ ইং চনত ডিমৰীয়া মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাজ্যিক পৰ্য্যায়ৰ N.S.S. ৰ বিশেষ শিৱিৰত আমাৰ মহাবিদ্যালয়ৰ পৰা অংশগ্ৰহণ কৰি মিচ্ নিৰুপমা ৰাজবংশীয়ে "ধনবৰ বঁটা" লাভ কৰি সুনাম অৰ্জন কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত দক্ষিণ কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সৰ্ব্বভাৰতীয় ৰাষ্ট্ৰীয় সংহতি শিৱিৰত আমাৰ মহাবিদ্যালয়ৰ পৰা নিৰঞ্জন বৰুৱা, প্ৰদীপ সাউদ আৰু লক্ষ্মী ৰাম মেধিয়ে অংশগ্ৰহণ কৰে।

১৯৯৩ ইং চনত ছয়গাওঁ চম্পক নগৰ ছোৱালী হাইস্কুলৰ ৰূপালী জয়ন্তীত আমাৰ মহাবিদ্যালয়ৰ পৰা এটি ২৫ জনীয়া সমাজ কৰ্মী দলে অংশগ্ৰহণ কৰি সেৱা আগবঢ়ায়।

মোৰ কাৰ্য্যকাল ছোৱাত বিশেষভাৱে দিহা-পৰামৰ্শ দি সহায় কৰা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উপেন কুমাৰ দেৱ, তত্বাৱধায়ক মঃ হাৰুন ৰচিদ দেৱ আৰু N.S.S. ৰ পৰিচালক শ্ৰীযুত বানেশ্বৰ দাস দেৱৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে সমাজ কৰ্মী ছাত্ৰ-ছাত্ৰী বৃন্দলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছয়গাওঁ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনাৰে প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয়তু ছয়গাওঁ মহাবিদ্যালয়"

শ্ৰীপ্ৰদীপ কুমাৰ সাউদ।



# "শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন"
## ১৯৯২-৯৩ ইং চন

"স্বাস্থ্যই দেশৰ সম্পদ" আৰু এই স্বাস্থ্য ভালে ৰখাৰ প্ৰধান উপায় হ'ল "শৰীৰ চৰ্চা"। আমাৰ মহাবিদ্যালয়ত "শৰীৰ চৰ্চা' বিভাগটো এইবাৰ নতুনকৈ কৰা হৈছে যদিও ছাত্ৰ-ছাত্ৰীৰ পৰা কোনো মাচুল নোলোৱাত তথা মহাবিদ্যালয়ৰ আৰ্থিক দুৰৱস্থাৰ কাৰণে শৰীৰ চৰ্চাৰ সামগ্ৰী অনাত অসুবিধাত পৰো। তথাপিও মোৰ তত্বাৱধায়ক মঃ হাৰুণ ৰচিদ আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুক্ত উপেন কুমাৰ দেৱৰ সু পৰামৰ্শত কেইখনমান "Weigl plate" আনিবলৈ সক্ষম হওঁ।

শৰীৰ চৰ্চাৰ বাবে এটা ব্যায়ামাগাৰৰ আৱশ্যক কিন্তু আমাৰ মহাবিদ্যালয়ৰ আৰ্থিক অভাৱৰ কাৰণে সেইটো কৰিব পৰা নগ'ল।

প্ৰতিভা বিকাশৰ অন্য এটা পন্থা হ'ল মহাবিদ্যালয় সপ্তাহ। প্ৰত্যেক বছৰে অনুষ্ঠিত কৰি অহাৰ দৰে মোৰ কাৰ্য্যকালতো মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। এইবাৰ মহাবিদ্যালয়ত নতুনকৈ শৰীৰ চৰ্চা বিভাগৰ লৰা ছোৱালী উভয়ৰে 'পাঞ্জা' প্ৰতিযোগিতা, লৰাৰ 'যোগাসন' প্ৰতিযোগিতা আৰু ছোৱালীৰ 'স্প্ৰিং' জাম্প প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লওঁ।

তত্বাৱধায়ক মঃ হাৰুণ ৰছিদ আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উপেন কুমাৰ লগতে যিসকল অধ্যাপক অধ্যাপিকাই মোক উপদেশ দি উন্নতিৰ পথেৰে আগবঢ়াই নিছিল তেখেতসকললৈ মোৰ শ্ৰদ্ধাৰ শৰাই আগবঢ়াইছোঁ। তাৰোপৰি বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱা বাবে ছাত্ৰ বন্ধু পুলিন, ডিম্বেশ্বৰ, পবিত্ৰ যাদৱ, ইন্দ্ৰমোহন, বিপুল, অশোক, ভবেন, দিগন্ত, অচ্যুত, অতুল, অৰুণ, জ্যোতিষ আৰু নিতুল আদিলৈ মই কৃতজ্ঞতা জনাইছোঁ।

শেষত আমাৰ মহাবিদ্যালয়ে বিভিন্ন দিশত গৌৰৱৰ বন্তিৰে উদ্ভাসিত হৈ বিশ্বৰ দৰবাৰত উচ্চ আসন লওক তাৰেই কামনাৰে প্ৰতিবেদন সামৰণি মাৰিছোঁ।

শ্ৰীসুভাষ মেধি
(স্নাতক ২য় বৰ্ষ)
ছয়গাওঁ মহাবিদ্যালয়

# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন।
## ১৯৯২—৯৩ ইং



খেলেই হৈছে মানুহৰ শাৰীৰিক, মানসিক উৎকৰ্ষ সাধনৰ উত্তম উপায়। খেলৰ দ্বাৰা নিজক প্ৰতিষ্ঠা কৰাৰ লগতে দেশ বা জাতিৰ সুনাম অৰ্জন কৰিব পাৰি। আমাৰ মহাবিদ্যালয়ৰ লঘু খেলৰ সামগ্ৰী যিখিনি আছে সেইখিনিয়ে ছাত্ৰ ছাত্ৰীৰ বাবে যথেষ্ট নহয়। ইয়াৰ লগতে আৰু দুই এটা নতুন খেল সংযোগ কৰি নিয়মিয়াভাৱে খেল চৰ্চাৰ ব্যৱস্থা কৰিব লাগে। মোৰ কাৰ্য্যকালত বিগত কেইবেলিৰ দৰে এই বেলিও মহাবিদ্যালয় সপ্তাহ সুচাৰু ৰূপে পাৰ হয়।

এইবাৰ মহাবিদ্যালয় সপ্তাহত আন আন খেলসমূহৰ লগতে তত্বাবধায়ক মহোদয়ৰ লগত আলোচনা কৰি খো খো খেলখন অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী অনুপাতে খেলত যোগদান কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিচেই তাকৰ। মোৰ এই সময় চোৱাৰ ভিতৰত কাম কাজ খিলাক পৰিচালনা কৰোতে বিভিন্ন ধৰণে দিহা পৰামৰ্শ দিয়াৰ বাবে তত্বাবধায়ক মহোদয়ৰ লগতে আন আন অধ্যাপক অধ্যাপিকা বৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। সদৌ শেষত মোৰ কাৰ্য্যকালত হোৱা অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

ইতি—

বিনম্ৰতাৰে

দীলিপ সাউদ

জয়তু ছয়গাওঁ মহাবিদ্যালয়



# উপ-সভাপতিৰ প্ৰতিবেদন
## ১৯৯২-৯৩ ইং চন

ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাবে মোক এই দায়িত্ব দিয়াৰ বাবে ছাত্ৰ একতা সভাৰ বিষয় ববীয়াসকল, অধ্যক্ষ মহোদয়, অধ্যাপক অধ্যাপিকা আৰু সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবীলৈ এই চেগতে শলাগ ললোঁ।

শিক্ষা সমাজৰ ভেটি। অথচ এই শিক্ষাৰ ভেটিয়ে আজি থৰক বৰক। দুৰ্নীতিয়ে শিক্ষা বিভাগটো কলুশিত কৰিছে। দেশৰ ভবিষ্যত নাগৰিক গঢ় দিয়া পঢ়াশালিত যেতিয়া ঘুনে ধৰে, তেতিয়া সেই দেশৰ ভবিষ্যত নাগৰিক পঙ্গু, কাণ্ডজ্ঞানহীন, চৰিত্ৰহীন আৰু লম্পট ৰূপত আবিৰ্ভাৱ হয়। আজি আমাৰ মহাবিদ্যালয়খনও এচাম মুখাপিন্ধা সমাজকৰ্মী আৰু বৰ্ত্তমান ধ্বংস-মুখী ৰাজনীতিৰ সাগৰত ওপঙি ৰোৱা লক্ষ্যহীন তুলাপাতৰ দৰে বৈ থকা কিছুছাত্ৰৰ বাবে ঘুনে ধৰিব ধৰিছে।

জনশ্ৰুতিৰ বুকুত ঐতিহ্য মণ্ডিত ৰূপে অংকিত জনবসতি পূৰ্ণ বৃহৎ ছয়গাওঁ অঞ্চলৰ উচ্চশিক্ষাৰ অনুষ্ঠান বুলিবলৈ কেৱল 'ছয়গাওঁ মহাবিদ্যালয়' ১৯ বছৰ গৰকা মহাবিদ্যালয় কেৱল ছাত্ৰ-ছাত্ৰী তথা কৰ্তৃপক্ষৰেই নহয় ছয়গাওঁ অঞ্চলৰ সমূহ ৰাইজৰ বৰ আদৰৰ, অতি মৰমৰ। কিন্তু এই চালুকীয়া অৱস্থাতেই বৰ্ত্তমান এজন নিলম্বিত অধ্যক্ষৰ বাবে মহাবিদ্যালয়খনলৈ নমাই আনিব বিচাৰিছে এন্ধাৰ। অধ্যক্ষজনৰ বিষয়ে সমগ্ৰ অসম বাসীয়ে জানে।

কিন্তু দুখৰ বিষয়যে চৰকাৰে শ্ৰীবৰাক এই কলেজত অধ্যক্ষ হিচাপে নিয়োগ কৰি ছয়গাওঁ বাসী ৰাইজে অতি কষ্ট আৰু আপ্ৰাণ চেষ্টাৰ মাজেৰে গঢ়ি তোলা এই মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ বিনষ্ট কৰিবলৈ চেষ্টা কৰিছে। আনপিনে এই চৰকাৰৰ দিনত গঠন কৰি দিয়া পৰিচালনা সমিতিৰ সভাপত্তি আৰু শ্ৰীবৰা এটি মুদ্ৰাৰ ইপিঠি-সিপিঠি। সভাপতিৰ হেমাহিৰ বাবেই বছৰত এখনো মিটিং নহল। শ্ৰীবৰাৰ দুৰ্নীতিক বৰ্ত্তমানৰ চৰকাৰেও সমৰ্থন দিয়াযেন লাগে।

অতি দুখৰ কথা শ্ৰীবৰাৰ দৰে নকল কৰা ছাত্ৰও আমাৰ মাজত ওলাইছে। এই বছৰ সাধাৰণ সম্পাদকে মোৰ চহী জাল কৰি মহাবিদ্যালয়ৰ পৰা টকা উদ্ৰ কৰা কাৰ্য্য সঁচাকৈয়ে অতি ঘৃণনীয়। সম্পাদক গৰাকীয়ে চহীনকল কৰাৰ উপযুক্ত প্ৰমাণ হোৱাৰ পিচত তেওঁক পদবীৰ পৰা অব্যাহতি দিয়া হয়। এই ছেগতে মই অনাগত সম্পাদক সকলক অনুৰোধ কৰো যেন কোনেও দুৰ্নীতিৰ বাবে বহিস্কাৰ হব নেলাগে।

সদৌশেষত আটাইকে ধন্যবাদ জনাই ছয়গাওঁ মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছো।

জয়তু ছয়গাওঁ মহাবিদ্যালয়

**ভদ্ৰেশ্বৰ দাস**

উপ-সভাপতি

ছাত্ৰ একতা সভা

১৯৯২-৯৩ চন।



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাদ্বয়ৰ প্ৰতিবেদন
## ১৯৯২-৯৩



প্ৰতিবেদনৰ আৰম্ভনিতে আপোনালোকক জনাই থওঁ যে ছয়গাওঁ মহাবিদ্যালয়ৰ ১৯৯২-৯৩ বৰ্ষৰ বাবে ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদবীৰ কাৰণে যি গৰাকী ছাত্ৰীক নিৰ্বাচিত কৰা হৈছিল তেওঁ বিশেষ কাৰণত তেওঁৰ কাৰ্য্যকাল শেষ হোৱাৰ আগতে সম্পাদিকা পদৰ পৰা পদত্যাগ কৰে আৰু সেয়েহে তেওঁৰ বাকী থকা কাৰ্য্যকালচোৱা চলাই নিয়াৰ বাবে আমাক প্ৰয়োজনীকে যুটিয়াভাৱে এই দায়িত্ব দিয়া হয়।

আমাৰ মহাবিদ্যালয়ত প্ৰতিবছৰে ছাত্ৰীৰ সংখ্যা বাঢ়ি গৈ আছে কিন্তু দুখৰ বিষয় ছাত্ৰী অনুপাতে জিৰণী কোঠাটোৰ পৰিসৰ খুব কম। আনহাতে জিৰণী কোঠাটোৰ ভিতৰত বহা আসনৰো কোনো ব্যৱস্থা নাই। সেয়েহে ছাত্ৰীবিলাকে জিৰনী কোঠাৰ বাহিৰত অন্যঠাইত ৰহিবলগীয়া হয়। এতিয়ালৈকে কোঠাটোত বিজুলী যোগান হোৱা নাই। জিৰণী কোঠাটোত ফিল্টাৰ এটাৰো নিতান্তই দৰকাৰ। ছাত্ৰীবিলাকৰ কাৰণে শৌচ-প্ৰস্ৰাৱগাৰ আছে তাৰ অৱস্থাও বৰ অসুবিধাজনক। সাধাৰণতে জিৰণী কোঠাৰ বাৱে আহল বহল আছুটীয়া কোঠা এটাৰ দৰকাৰ। ছাত্ৰী জিৰণী কোঠাৰ বাবে যিটো আধাৰশিলা স্থাপন কৰি থোৱা হৈছে সেইটো হৈ উঠিলে ছাত্ৰীবিলাকৰ অভাৱ কিছু আতৰ হব। ওপৰত উল্লেখ কৰা অভাৱবোৰৰ কাৰণে ছাত্ৰীবিলাক বৰ বিপাঙত পৰিব লগা হৈছে। গতিকে আমাৰ প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক টানি অনুৰোধ জনাওঁ যাতে এই অসুবিধাসমূহ দুৰ কৰি ছাত্ৰীসকলৰ পৰম উপকাৰ কৰে।

আমাৰ কাৰ্য্যকালচোৱাত যিসকল ব্যক্তিয়ে আমাক সততে সহায় সহযোগিতা আগবঢ়াইছিল তেওঁলোকলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা যাচি ছয়গাওঁ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে

মিচ্ অঞ্জুমণি দাস।
স্নাতক ২য় বৰ্ষ

মিচ্ বিজু মহন্ত।
উঃ মাঃ ২য় বৰ্ষ

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯২-৯৩ ইং চন



অফুৰন্ত আশা উদ্দিপনাৰে ছাত্ৰ একতা সভাৰ কাৰ্য্যভাৰ হাতত লৈয়ে প্ৰাচীনক নবীনত্ব দিয়া সপোন দেখিছিলো। সেইবোৰ বাস্তৱত পৰিনত কৰাৰ মানসেৰে আগবাঢ়িছিলো। মই ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰি দেখো যে আমাৰ মহাবিদ্যালয়ত কোনো এটা ছাত্ৰ জিৰণি কোঠা নাই। ছাত্ৰ সকলে পুঠিগত বিদ্যা আহৰণ কৰাৰ লগতে কিছু জিৰণি লৈ এখন বাতৰি কাকত, এখন আলোচনী পঢ়া বা লঘু ক্ৰিয়াৰ কিছুমান খেল খেলাৰ প্ৰয়োজন। কিন্তু আজিলৈ সেই অভাৱ দূৰ নহ'ল।

আন বছৰৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহ জাক-জমকতাৰে পালন কৰা হয়। আগৰ তুলনাত মহাবিদ্যালয়ত খেলুৱৈ সংখ্যা বাঢ়িছে আৰু সকলোবোৰ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা অধিক আছিল। মোৰ বিভাগৰ পৰা হোৱা বেড্‌মিণ্টন আৰু কেৰম্ প্ৰতিযোগিতা কেইখন সুকলমে পৰিচালিত হৈ যায়। লগতে অধ্যাপক কৰ্মচাৰীসকলৰ মাজতো এখন আকৰ্ষণীয় কেৰম্ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়।

মোৰ কাৰ্যকালত বিভিন্ন ধৰণে দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে ভাৰপ্ৰাপ্ত অধ্যক্ষ-মাননীয় শ্ৰীযুত উপেন কুমাৰদেৱ, তত্বৱধায়ক শ্ৰীতাৰণি কলিতাদেৱক মই শলাগৰ শৰাই আগবঢ়ালোঁ। মোৰ বিভিন্ন কাৰ্য্যত সহায় সহযোগ আগবঢ়োৱাৰ বাবে বন্ধুবৰ নিৰঞ্জন, হৰমোহন, মৃদুল ভদ্ৰেশ্বৰ, ৰাজনীষ, হেমেনৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীকে মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌশেষত মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি আৰু মহাবিদ্যালয়খনক কিছুমান প্ৰতাৰকৰ হাতৰ পৰা ৰক্ষা কৰি গৌৰৱউজ্বল কৰাৰ কামনাৰে মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

'জয় আই অসম'

জয়তু ছয়গাওঁ মহাবিদ্যালয়

শ্ৰীনৃপেন চন্দ্ৰ দাস



# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯২-৯৩ চন

বৰ্তমান যুগত বিশ্বৰ সকলো দেশতে ক্ৰীড়া বিভাগটোক শিক্ষাৰ এটা অপৰিহাৰ্য্য অংগ হিচাপে গ্ৰহণ কৰা হৈছে।

'সুদক্ষ খেলুৱৈ দেশৰ জাতিৰ গৌৰৱ' বুলি কোৱা হয়। খেল-ধেমালিৰ জৰিয়তে এখন দেশক বা জাতিক উচ্চ পৰ্য্যায়ত থিয় কৰাব পাৰি। আমাৰ মহাবিদ্যালয়ত কেইবাগৰাকীও সম্ভাৱনাপূৰ্ণ খেলুৱৈ আছে যদিও উপযুক্ত খেল পথাৰ, নিয়মীয়া অনুশীলন, প্ৰয়োজনীয় খেলৰ সামগ্ৰী আৰু উপযুক্ত প্ৰশিক্ষণৰ অভাৱত উন্নতমানৰ খেল প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা নাই।

এই বছৰ বাৰ্ষিক সপ্তাহত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে যথাক্ৰমে ছাত্ৰৰ শ্ৰীসুৰেণ কলিতা (উঃ মাঃ ২য় বৰ্ষ) আৰু ছাত্ৰীৰ মিচ্ মঞ্জু দাস (উঃ মাঃ ১ম বৰ্ষ) আৰু মিচ্ পূৰ্ণিমা চৌধুৰী (উঃ মাঃ ১ম বৰ্ষ)। এই লিখনিৰ জৰিয়তে ছয়গাওঁ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনাওঁ যে তেওঁলোকে বৰ্তমান ক্ৰিকেটৰ জনপ্ৰিয়তালৈ লক্ষ্য ৰাখি অতি কম সময়ৰ ভিতৰতে মহাবিদ্যালয়লৈ ক্ৰিকেট 'চেটৰ' যোগান ধৰাৰ ব্যৱস্থা কৰে যেন।

এই বছৰত উত্তৰ পূৰ্বাঞ্চলৰ ভিত্তিত অনুষ্ঠিত হোৱা কৃষ্ণকান্ত সন্দিকৈ ভলিবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছিল যদিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ হাতত প্ৰথম খেলতে পৰাজয় বৰণ কৰিব লগাত পৰে।

মোৰ এবছৰীয়া কাৰ্য্যকালত এই বিভাগৰ প্ৰতিটো পদক্ষেপতে সৎ পৰামৰ্থ আগবঢ়াই সহায় কৰা মাননীয় অধ্যাপক বিপিন পাঠক দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিছোঁ। লগতে গুৰু খেল বিভাগৰ সম্পাদকৰ দায়িত্ব বহন কৰাৰ দিনৰে পৰা আজিলৈকে প্ৰতিটো কামতে বিশেষকৈ সহায় আগবঢ়োৱা ছাত্ৰ ছাত্ৰীসকল হ'ল ক্ৰমে জীতেন, দীপক, অৰূপ, নিৰঞ্জন, শ্ৰীমন্ত, চিত্তৰঞ্জন, নিতুল, দেৱ, বিক্ৰম, কমল, মুনীন্দ্ৰ, সুৰেণ, ফণীধৰ, মজনুৰ, গনেশ, কুশলৰ ওচৰত মই চিৰদিন ঋণী হৈ ৰলোঁ। আৰু উন্নয়নৰ লগতে ছয়গাওঁ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে প্ৰতিবেদন সামৰিছোঁ।

শ্ৰীসুভাষ কলিতা
গুৰু খেল বিভাগৰ সম্পাদক,
ছয়গাওঁ মহাবিদ্যালয়।

## ১৯৯২-৯৩ চনৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

### সাংস্কৃতিক বিভাগ

#### বৰগীত—

১ম তুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )
২য় শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )
৩য় শ্ৰীহীৰেন্দ্ৰ কুমাৰ শৰ্মা ( উঃ মাঃ ১ম বৰ্ষ )

#### ভজন

১ম শেৱালী কলিতা ( উঃ মাঃ ২য় বৰ্ষ )
২য় শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )
৩য় তুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )

#### কামৰূপী লোকগীত

১ম তুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )
২য় শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )
৩য় শ্ৰীহীৰেন্দ্ৰ কুমাৰ শৰ্মা ( উঃ মাঃ ১ম বৰ্ষ )

#### গোৱালপৰীয়া

১ম তুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )
২য় শেৱালী কলিতা ( উঃ মাঃ ২য় বৰ্ষ )
৩য় সৰস্বতী অধিকাৰী ( স্নাতক, ১ম বৰ্ষ )

#### জিকিৰ

১ম তুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )

২য় ভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )
৩য় ৰঞ্জিতা বড়ো ( উঃ মাঃ ২য় বৰ্ষ )

## বিহুগীত

১ম ভুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )
২য় শ্ৰীভাস্কৰজ্যোতি দেৱান ( উ. মা ২য় বৰ্ষ )
৩য় শেৱালী কলিতা ( উঃ মাঃ ২য় বৰ্ষ )

## বিয়ানাম

১ম শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )
২য় ভুলুমণি দাস উঃ মাঃ ২য় বৰ্ষ )
৩য় সৰস্বতী অধিকাৰী ( স্নাতক, ১ম বৰ্ষ )

## বিষ্ণুৰাভা সংগীত

১ম শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )
২য় শেৱালী কলিতা ( উঃ মাঃ ২য় বৰ্ষ )
৩য় ভুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )

## জ্যোতিসংগীত

১ম শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )
২য় ভুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )
৩য় ৰঞ্জিতা বড়ো (উঃ মাঃ ২য় বৰ্ষ )

## বনগীত

১ম ভুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )
২য় শেৱালী কলিতা ( উঃ মাঃ ২য় বৰ্ষ )
৩য় { ৰঞ্জিতা বড়ো ( উঃ মাঃ ২য় বৰ্ষ )
শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ ) }

## আধুনিক গীত

১ম শেৱালী কলিতা ( উঃ মাঃ ২য় বৰ্ষ )

২য় শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )

৩য় জুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )

## দেশপ্ৰেমমূলক গীত

১ম শেৱালী কলিতা ( উঃ মাঃ ২য় বৰ্ষ )

২য় জুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )

৩য় { শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )
শ্ৰীতপন দাস ( স্নাতক, ১ম বৰ্ষ ) }

## ভূপেন্দ্ৰ সংগীত

১ম জুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )

২য় শেৱালী কলিতা ( উঃ মাঃ ২য় বৰ্ষ )

৩য় { শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )
শ্ৰীতপন চন্দ্ৰ দাস ( স্নাতক ২ম বৰ্ষ ) }

## পাৰ্ব্বতী প্ৰসাদৰ গীত

১ম জুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )

২য় শেৱালী কলিতা ( উঃ মাঃ ২য় বৰ্ষ )

৩য় { শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )
শ্ৰীকৰ্ণ ৰাভা ( স্নাতক ২য় বৰ্ষ ) }

## বৰগীত

১ম শ্ৰীকৰ্ণ ৰাভা ( স্নাতক ২য় বৰ্ষ )

২য় শ্ৰীভাস্কৰজোতি দেৱান ( উঃ মাঃ ২য় বৰ্ষ )

৩য় জুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )

## সমবেত সংগীত

উদ্‌গণি মূলক ৰ'টাঃ শ্ৰীভাস্কৰ বড়োৰ দল ( উঃ মাঃ ১ম বৰ্ষ )

## শ্ৰেষ্ঠা গায়িকা

জুলুমণি দাস ( উঃ মাঃ ২য় বৰ্ষ )

## একক অভিনয়

১ম শ্ৰীনৱজিৎ দাস ( স্নাতক, ২য় বৰ্ষ )

২য় শ্ৰীঅবিনাশ কলিতা ( উঃ মাঃ ২য় বৰ্ষ )

৩য় অৰ্চনা দাস ( স্নাতক, ২য় বৰ্ষ )

## মূক অভিনয়

১ম শ্ৰীহিতেশ কলিতা

২য় শ্ৰীনৱজিৎ দাস ( স্নাতক, ২য় বৰ্ষ )

৩য় শ্ৰীপ্ৰমোদ দাস ( স্নাতক, ২য় বৰ্ষ )

## কৌতুক অভিনয়

১ম বিবেচিত নহ'ল

২য় { শ্ৰীডিম্বেশ্বৰ মেধীৰ দল ( স্নাতক, ২য় বৰ্ষ )
শ্ৰীপ্ৰমোদ দাসৰ দল ( স্নাতক, ২য় বৰ্ষ ) }

৩য় { শ্ৰীশশীন্দ্ৰ দাসৰ দল ( স্নাতক, ৩য় বৰ্ষ )
শ্ৰীবাতুল কলিতাৰ দল ( স্নাতক, ১ম বৰ্ষ ) }

## কইনা সজ্জা

১ম জেচমিন চুলতানা ( উঃ মাঃ ১ম বৰ্ষ )
জাহানাৰা বেগম ( স্নাতক ২য় বৰ্ষ )

৩য় { মিনাক্ষী ঠাকুৰীয়া (উঃ মাঃ ১ম বৰ্ষ )
পূৰ্ণিমা চৌধুৰী ( উঃ মাঃ ১ম বৰ্ষ ) }

## মুকলি ভেশচন

১ম শ্ৰীবিপুল নাথ ( উঃ মাঃ ২য় বৰ্ষ )

২য় বিমল দাস ( উঃ মাঃ ২য় বৰ্ষ )

৩য় শ্ৰীকেশব দাস ( উঃ মাঃ ২য় বৰ্ষ বাণিজ্য শাখা )

আৰু শ্ৰীনিতুল দাসৰ দল ( উঃ মাঃ ২য় বৰ্ষ )

## বিহু কুঁৱৰী

উদ্‌গণিমূলক বঁটা { ৰীমা দাস ( উঃ মাঃ ১ম বৰ্ষ ) / আল্পনা কাকতি ( উ. মাঃ ১ম বৰ্ষ ) }

## লোক নৃত্য

উদ্‌গণিমূলক বঁটা { দিপ্তী চৌধুৰী ( উঃ মাঃ ম বৰ্ষ ) / ৰশ্মি নাথ ( উঃ মাঃ ১ম বৰ্ষ ) / পূৰ্ণিমা চৌধুৰী ( উঃ মাঃ ১ম বৰ্ষ ) }

## একাংক নাট প্ৰতিযোগিতা

১মঃ "দ্বীপ"

২য়ঃ ' সাধুকথা"

### ১:শ্ৰেষ্ঠ অভিনেতা

শ্ৰীঅতুল কলিতা ( নাট--দ্বীপ, স্নাতক ২য় বৰ্ষ )

### ২য় শ্ৰেষ্ঠ অভিনেতা

শ্ৰীতপন দাস ( নাট সাধুকথা. স্নাতক ১ম বৰ্ষ )

### ১:শ্ৰেষ্ঠা অভিনেত্ৰী

ৰীমা দাস ( নাট সাধুকথা. উঃ মাঃ ১ম বৰ্ষ )

### ২য় শ্ৰেষ্ঠা অভিনেত্ৰী

অৰ্চনা দাস ( নাট খোজ. স্নাতক ২য় বৰ্ষ )

### উদ্‌গণিমূলক বটা

শ্ৰীপৰাগ কুমাৰ কলিতা ( বজ্ৰধ্বনি, উঃ মাঃ ২য় বৰ্ষ )

চুণু মেধী ( নাট দ্বীপ, স্নানক ১ম বৰ্ষ )

### ১:শ্ৰেষ্ঠ পৰিচালক

শ্ৰীঅতুল কলিতা ( নাট দ্বীপ )

# ছাত্র জিৰণি কোঠা বিভাগ

## কেৰম্ ( দ্বৈত )

প্ৰথম দল—শ্ৰীপবিত্ৰ কলিতা T.D.C 2nd year.
শ্ৰীঅৰূপ মেধী H.S. Ist year.

দ্বিতীয় দল—শ্ৰীতপন দাস T.D.C Ist year.
শ্ৰীধীৰাজ মহন্ত T.D.C 2nd year.

## বেড্‌মিণ্টন ( দ্বৈত )

প্ৰথম দল—শ্ৰীগিৰিন্দ্ৰ ঠাকুৰীয়া T.D.C. 2nd year.
শ্ৰীমোহন বাচ্‌ফোৰ H.S. 2nd year.

দ্বিতীয় দল—শ্ৰীদ্বিপেন শৰ্মা T.D.C 2nd year.
শ্ৰীজয়প্ৰকাশ শালৈ T.D.C Ist year.

**ফলাফল** ( কেৰম্ অধ্যাপক আৰু কৰ্মচাৰীৰ মাজত )

প্ৰথম— শ্ৰীধিৰেণ দেৱান ( কৰ্মচাৰী )

দ্বিতীয়— শ্ৰীযুত তাৰিণি চৰণ কলিতা ( অধ্যাপক )

# ছাত্ৰী জিৰণি কোঠা বিভাগ

## বেডমিণ্টন প্ৰতিযোগিতা

১ম জুনু দাস ( উঃ মাঃ ২য় বৰ্ষ )
২য় ৰীমা দাস ( উঃ মাঃ ১ম বৰ্ষ )
৩য় অনিতা চৌধুৰী ( উঃ মাঃ ১ম বৰ্ষ )

## পুষ্পসজ্জা

১ম জাহানাৰা বেগম ( স্নাতক ২য় বৰ্ষ )
২য় বিজুলী শালৈ ( স্নাতক ৩য় বৰ্ষ )

## দ্বৈত কেৰম প্ৰতিযোগিতা

১ম জুনু দাস ( উঃ মাঃ ২য় বৰ্ষ )
১ম ললিতা দাস ( স্নাতক ২য় বৰ্ষ )

২য় বীমা দাস ( উঃ মাঃ ১ম বৰ্ষ )

২য় মঞ্জু দাস ( উ. মাঃ ১ম বৰ্ষ )

ডবা প্ৰতিযোগিতা

১ম পূৰবী মহন্ত ( স্নাতক ২য় বৰ্ষ )

২য় উজ্জ্বলা কলিতা ( উঃ মাঃ ২য় বৰ্ষ )

এমোদাৰী প্ৰতিযোগিতা

১ম জিলি চৌধুৰী ( স্নাতক ১ম বৰ্ষ )

২য় নলিনী ৰাজবংশী ( স্নাতক ৩য় বৰ্ষ )

৩য় মালতী দাস ( উঃ মাঃ ১ম বৰ্ষ )

## লঘু খেল বিভাগ

### ল'ৰাৰ খো খো খেলৰ শ্ৰেষ্ঠদ'ল

১ম বিমল দাসৰ দ'ল ( স্নাতক ১ম বৰ্ষ )

২য় ভদ্ৰেশ্বৰ দাসৰ দ'ল ( স্নাতক ২য় বৰ্ষ )

### ছোৱালীৰ খো খো খেলৰ শ্ৰেষ্ঠ দ'ল

১ম মঞ্জু দাসৰ দল ( উঃ মাঃ ১ম বৰ্ষ )

২য় সবলা দাসৰ দ'ল ( উঃ মাঃ ১ম বৰ্ষ )

### লৰাৰ ডবা খেলৰ শ্ৰেষ্ঠ প্ৰতিযোগী

১ম প্ৰবিত্ৰ কুমাৰ কলিতা ( স্নাতক ২য় বৰ্ষ )

২য় সুভাষ মেধি ( স্নাতক ২য় বৰ্ষ )

## গুৰু খেল বিভাগ

### ল'ৰাৰ চট্ পুত্ত থ্ৰো

১ম শ্ৰীমিলৰাম বড়ো ( T.D.C Ist year. ) Dist—13—05 m

২য় শ্ৰীযাদৱ কলিতা ( T.D.C. 2nd year. ) Dist—12—84 m

৩য় শ্ৰীকামদেৱ কলিতা ( T.D.C 2nd year. ) Dist—12—05 m

### ছোৱালীৰ চট্ পুত থ্ৰো

১ম উলুপী ৰাভা ( T.D.C Ist year. ) Dist—8—40 m

২য় জুনু দাস ( H.S, 2nd year. ) Dist—6—09 m

৩য় অজন্তা ৰাভা ( H.S. Ist year. ) Dist—6—07 m

### ছোৱালীৰ ১00 মিটাৰ দৌৰ

১ম মঞ্জু দাস ( H.S. Ist year. )

২য় পূৰ্ণিমা চৌধুৰী ( H S Ist year. )

৩য় দীপ্তি চৌধুৰী ( H.S. Ist year. )

### লৰাৰ ১00 মিটাৰ দৌৰ

১ম সুৰেণ কলিতা ( H.S 2nd year. )

২য় গোবিন্দ শালৈ ( H.S. 2nd year. )

৩য় সুভাষ কলিতা ( H.S. Ist year. )

### ছোৱালীৰ ২০০ মিটাৰ দৌৰ

১ম মঞ্জু দাস ( H.S. Ist year. )

২য় পূৰ্ণিমা চৌধুৰী ( H.S. Ist year. )

৩য় দীপ্তি চৌধুৰী ( H.S. Ist sear. )

### লৰাৰ ২০০ মিটাৰ দৌৰ

১ম সুৰেণ কলিতা ( H.S, 2nd year. )

২য় সুভাষ মেধী ( T.D.C 2nd year. )

৩য় গোবিন্দ শালৈ ( H.S. 2nd year. )

## ছোৱালীৰ কাবাড্ডী দল

১ম সুৰমা দাসৰ ( দল ) ( T.D.C Ist year. )

সুৱৰ্ণ সাউদ ( H.S. 2nd year. )

জুনু দাস ( H.S. 2nd year. )

অঞ্জু ঠাকুৰীয়া ( H.S. Ist year. )

সৰলা দাস ( T.D.C Ist year. )

মীৰা কলিতা ( T.D.C Ist year. )

মৃণালী দাস ( T.D.C Ist year. )

২য় মঞ্জু দাসৰ দল ( H.S. Ist year. )

পূৰ্ণিমা চৌধুৰী ( H.S. Ist year. )

দীপ্তি চৌধুৰী ( H.S. Ist year. )

ৰশ্মি নাথ ( H.S Ist year. )

শেৱালী বড়ো ( H.S Ist year. )

## ল'ৰাৰ লং জাম্প

যুটীয়া ভাবে

১ম { ৰত্নেশ্বৰ ৰাভা ( T.D.C. 2nd year. ) 5.69 m
সুভাষ মেধী ( T.D.C 2nd year. ) 5.69 m }

২য় সুৰেণ কলিতা ( H.S. 2nd year. ) 5.60 m

৩য় গোবিন্দ শাবৈ ( H.S. 2nd year. ) 5.40 m

## ল'ৰাৰ ট্ৰিপুল জাম্প

১ম নৰ ৰাভা ( H.S. 2nd year. ) 11.70 m

২য় সুভাষ মেধী ( T.D.C 2nd year. ) 11.60 m

৩য় কৰুণা দাস ( H.S. 2nd year. ) 11.25 m

## লৰাৰ 400 মিটাৰ দৌৰ

১ম সুৰেণ কলিতা ( H.S. 2nd year. )

২য় সুভাষ মেধী ( T.D.C Ist year. )

৩য় চন্দ্ৰকান্ত বড়ো ( H.S Ist year. )

### ছোৱালীৰ দিচ্‌কাচ্ থ্ৰো

১ম উলুপী ৰাভা ( T.D.C Ist year. ) Dist 17 - 90m
২য় অজন্তা ৰাভা ( H.S Ist year. )Dist 13—25 m
৩য় জুনু দাস ( H.S. 2nd year. ) Dist 11—84 m

### লৰাৰ দিচ্‌কাচ্ থ্ৰো

১ম কামদেৱ কলিতা ( T.D.C. 2nd year. ) Dist 24 02 m
২য় মিলৰাম বড়ো ( T.D.C. Ist year. 23—35 m
৩য় তাৰণি ৰাভা ( T.D.C. Ist year. ) 2—45 m

### ছোৱালীৰ দীঘল জাম্প

১ম মঞ্জু দাস ( H.S. Ist year. ) Dist 3 - 40 m
২য় ৰশ্মি নাথ ( H.S. Ist year. ) Dist 3 - 35 m
৩য় পূৰ্ণিমা চৌধুৰী ( H.S. Ist year. ) Dist 3—33 m

### লৰাৰ জেভেলিং থ্ৰো

১ম গিৰেণ মালী ( H.S. Ist year. ) Dist 126—1″
২য় গোবিন্দ শালৈ ( H.S. 2nd year ) Dist 126 - 5″
৩য় ৰজত কলিতা ( H.S 2nd year. ) Dist 121--5″

### ছোৱালীৰ জেভলিং থ্ৰো

১ম উলুপী ৰাভা ( T.D.C. Ist year. ) Dist 68 - 5″
২য় সুবৰ্ণ সাউদ ( H.S. 2nd year. ) Dist 61'
৩য় মঞ্জু নাথ ( H.S: 2nd year ) Dist 57'

### ছোৱালীৰ চাইকেল ৰেচ্

১ম পুৰ্ণিমা চৌধুৰী ( H.S. Ist yer. )
২য় জোন্না সাউদ ( H.S Ist year )
৩য় কল্পনা দাস T.D.C. 2nd year. )
৪ৰ্থ অজন্তা ৰাভা ( H.S. Ist year. )
৫ম ৰীণা দাস ( H.S. 2nd year. )
৬ষ্ঠ মঞ্জু নাথ ( T.D.C. Ist year. )

## লৰাৰ হাইজ্ৰাম্প

১ম কৰুণা দাস ( H.S. 2nd year. ) 5.4″
২য় হিতেশ ৰাভা ( H.S. Ist year. ) 5.4″
৩য় { প্ৰসন্ন কলিতা ( H.S. Ist year. ) 5. fit
ৰত্নেশ্বৰ ৰাভা ( T.D.C. 2nd year. ) 5. fit }

## ছোৱালীৰ হাই জ্ৰাম্প

১ম পূৰ্ণিমা চৌধুৰী ( H.S. Ist year. ) 3.10″
২য় মঞ্জু দাস ( H.S Ist year. ) 3.10″
৩য় সবলা দাস ( H.S. Ist year. ) 3.10″

## লৰাৰ 2 × 200 মিটাৰ ( ৰিলে ৰেচ )

১ম শুভাষ মেধি ( T.D.C. 2nd year. )
স্নুৰেণ কলিতা ( H.S. 2nd year. )

২য় ৰত্নেশ্বৰ ৰাভা ( T.D.C. 2nd year. )
কনক চন্দ্ৰ ৰাভা ( H.S. Ist year. )

## লৰাৰ ভলীবল

১ম নব ৰাভাৰ দল—

নব ৰাভা ( H.S. 2nd year. )
হিতেশ ৰাভা ( H.S Ist year. )
ৰত্নেশ্বৰ ৰাভা ( T.D.C. 2nd year
দিগন্ত ৰাভা ( H.S. 2nd year. )
প্ৰফুল্ল ৰাভা ( H.S. 2nd year. )
উদ্ধৱ ৰাভা ( H.S. 2nd year. )
গৌতম ৰাভা ( H.S. 2nd year. )
যোগেন ৰাভা ( H.S. 2nd year. )
নিৰেণ তামুলী ( H.S. 2nd year. )

লৰাৰ ভলীবলৰ ( ২য় দল )

সুভাষ মেধি ( T.D.C. 2nd year. )

ৰাজেন কলিতা ( T.D.C 2nd year. )

হৰমোহন কলিতা ( T.D.C. 1st year. )

ইন্দ্ৰমোহন কলিতা ( H.S. 2nd year. )

ফণি দাস ( H.S: 2nd year )

নিতুল দাস ( H.S. 2nd year. )

যাদব কলিতা ( T.D.C. 2nd year. )

কৰুণা দাস ( H.S. 2nd year. )

অৰুণ মেধি ( H.S 1st year. )

## মাৰাথন দৌৰ প্ৰতিযোগিতাৰ ফলাফল

১ম বিপুল দাস ১.১৫, ২য় সুভাষ কলিতা ১.২০, ৩য় চন্দ্ৰকান্ত বড়ো ১.২৩, ৪ৰ্থ অজিত বসুমতাৰী ১.২৬, ৫ম অখিল কলিতা. ৬ষ্ঠ মেমেন কলিতা, ৭প্তম কৰুণা কান্ত দাস. ৮ষ্ঠম বিপুল মজুমদাৰ, নবম হেমন্ত কলিতা. দশম অৰুণ কলিতা।

## কাবাডী

লৰাৰ কাবাডী খেলৰ ধৰণী কলিতাৰ দল, আৰু ৰাজেন কলিতাৰ দলক যুটীয়া ভাৱে বিজয়ী বুলি ঘোষণা কৰা হৈছে।

ধৰণী কলিতাৰ দল ৰাজেন কলিতাৰ দল।

## লৰাৰ শ্ৰেষ্ঠ খেলুৱৈ

সুৰেণ কলিতা ( H.S. 2nd year. )

## ছোৱালীৰ শ্ৰেষ্ঠা খেলুৱৈ

মঞ্জু দাস ( H.S. 1st year )

পূৰ্ণিমা চৌধুৰী ( H.S. 1st year. )

## ভলীবলৰ শ্ৰেষ্ঠ লৰা খেলুৱৈ

হিতেশ ৰাভা ( H.S. 1st year. )

## ছোৱালীৰ কাবাডীৰ শ্ৰেষ্ঠা খেলুৱৈ

দীপ্তি চৌধুৰী ( H.S. 1st year )

# শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতা

## লৰাৰ পাঞ্জা প্ৰতিযোগিতা

১ম পুলিন কলিতা ( T.D. C 2nd year. )
২য় অখিল কলিতা ( T.D.C 2nd year. )
৩য় মিলোৰাম ৰাভা ( T.D C. Ist year. )

## ছোৱালীৰ পাঞ্জা প্ৰতিযোগিতা

১ম জাহানাৰা বেগম ( T.D.C. 2nd year. )
২য় সবলা মালী ( T.D.C 2nd year. )
৩য় মঞ্জু দাস ( T.D.C. 2nd year. )

## লৰাৰ যোগাসন

১ম জ্যোতি প্ৰসাদ কলিতা ( T.D.C 3rd year. )
২য় হিতেশ কলিতা ( T.D.C Ist year. )
৩য় গনেশ দাস ( T.D.C Ist year. )

## ছোৱালীৰ স্প্ৰিং জাম্প

১ম মঞ্জু দাস ( H S. Ist year. )
২য় পূৰ্ণিমা চৌধুৰী ( H.S Ist year. )

# সাহিত্য আৰু চাৰু কলা বিভাগ

## অসমীয়া কবিতা আবৃত্তি

১ম ৰীমা দাস ( উঃ মাঃ ১ম বৰ্ষ )
২য় চুনু মেধী ( স্নাতক ১ম বৰ্ষ )
৩য় অৰ্চনা দাস ( স্নাতক ২য় বৰ্ষ )

## হিন্দী কবিতা আবৃত্তি

১ম মঃ তাইজুদ্দিন আহমেদ ( স্নাতক ৩য় বৰ্ষ )
২য় হীৰেণ দাস ( স্নাতক ৩য় বৰ্ষ )
৩য় ৰীমা দাস ( উঃ মাঃ ১ম বৰ্ষ )

## ইংৰাজী কবিতা আবৃত্তি

১ম মীনাক্ষী ঠাকুৰীয়া ( উঃ মাঃ ১ম বৰ্ষ )
২য় চুনু মেধী ( স্নাতক ১ম বৰ্ষ )
৩য় নৱজিৎ দাস ( স্নাতক ২য় বৰ্ষ )

## থিতাতে লিখা কবিতা

১ম পুলিন দাস ( স্নাতক ২ম বৰ্ষ )
২য় কমল ঠাকুৰীয়া ( স্নাতক ২য় বৰ্ষ )
৩য় অৰূপ মেধী ( উঃ মাঃ ১ম বৰ্ষ )

## প্ৰবন্ধ প্ৰতিযোগিতা

১ম বিবেচিত নহল
২য় কমল ঠাকুৰীয়া ( স্নাতক ২য় বৰ্ষ )
৩য় ভৱেন কুমাৰ সাউদ ( স্নাতক ২য় বৰ্ষ )
উদগণিমূলক বঁটা—ময়ন মালাকাৰ ( উঃ মাঃ ১ম বৰ্ষ )

## ৰচনা প্ৰতিযোগিতা

১ম বিবেচিত নহল
২য় কমল ঠাকুৰীয়া ( স্নাতক ২য় বৰ্ষ )
৩য় নৱজ্যোতি বৰা ( উঃ মাঃ ১ম বৰ্ষ )

## ৰম্য ৰচনা প্ৰতিযোগিতা

১ম দীপ্তি চৌধুৰী ( উঃ মাঃ ১ম বৰ্ষ )
২য় কমল ঠাকুৰীয়া ( স্নাতক ২য় বৰ্ষ )
৩য় পুলিন কলিতা ( স্নাতক ২য় বৰ্ষ )

## চুটি গল্প প্ৰতিযোগীতা

১ম বিবেচিত নহল
২য় পুলিন কলিতা ( স্নাতক ২য় বৰ্ষ )
৩য় অচ্যুত কলিতা ( স্নাতক ১ম বৰ্ষ )
উদগণি মূলক বঁটা—অৰূপ মেধী ( উঃ মাঃ ১ম বৰ্ষ )

## কলহীৰ বেট্‌পাত প্ৰতিযোগিতা

উদগণি মূলক বঁটা হেমন্ত কুমাৰ শালৈ ( স্নাতক ২য় বৰ্ষ )
দিবাকৰ হুজুৰী ( উঃ মাঃ ১ম বৰ্ষ )

## অসমীয়া স্ব-ৰচিত কবিতা

১ম কমল ঠাকুৰীয়া ( স্নাতক ২য় বৰ্ষ )
২য় শশীন্দ্ৰ দাস ( স্নাতক ৩য় বৰ্ষ )
৩য় প্ৰভাত দাস ( স্নাতক ৩য় বৰ্ষ )

## থিতাতে লিখা গল্প প্ৰতিযোগিতা

১ম ভদ্ৰেশ্বৰ দাস ( স্নাতক ২য় বৰ্ষ )
২য় নৰজিৎ দাস ( স্নাতক ২য় বৰ্ষ )
৩য় অচ্যুত কলিতা ( স্নাতক ১ম বৰ্ষ )

## ইংৰাজী স্ব—ৰচিত কবিতা

১ম কমল ঠাকুৰীয়া ( স্নাতক ২য় বৰ্ষ )
২য় আলতাফ হুচেইন ( স্নাতক ১ম বৰ্ষ )
৩য় ৰবীন বড়ো ( স্নাতক ৩য় বৰ্ষ )

## একাংকীকা নাট পাণ্ডুলিপি

১ম, ২য়, ৩য় বিবেচিত নহল ।
উদগণি মূলক বঁটা পুলিন দাস ( স্নাতক ১ম বৰ্ষ )

## হিন্দী স্ব—ৰচিত কবিতা

১ম সঞ্জয় কলিতা ( স্নাতক ৩য় বৰ্ষ )
২য়, ৩য় } বিবেচিত নহল ।

## চাৰু কলা

১ম বিবেচিত নহল ।
২য় দিবাকৰ হুজুৰী ( উঃ মাঃ ১ম বৰ্ষ )
৩য় নিৰ্মালী ডেকা ( উঃ মাঃ ১ম বৰ্ষ )

## শ্ৰেষ্ঠ সাহিত্যিক বঁটা

কমল ঠাকুৰীয়া ( স্নাতক ২য় বৰ্ষ )

**

# ১৯৯৩-৯৪ ইং চনৰ মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ ফলাফল—

## আধুনীক গীত—

১ম জুলুমণি দাস ( স্নাতক ১ম বৰ্ষ )
২য় ভাস্কৰজ্যোতি দেৱান ( স্নাতক ১ম বৰ্ষ )
৩য় { শেৱালী কলিতা ( স্নাতক ১ম বৰ্ষ )
ভাস্কৰ বড়ো ( উঃ মাঃ ২য় বৰ্ষ )

## ভূপেন্দ্ৰ সংগীত—

১ম ভাস্কৰজ্যোতি দেৱান ( স্নাতক ১ম বৰ্ষ )
২য় শেৱালী কলিতা ( স্নাতক ১ম বৰ্ষ )
৩য় জুলুমণি দাস ( স্নাতক ১ম বৰ্ষ )

## ৰাভা গীত—

১ম ভাস্কৰজ্যোতি দেৱান ( স্নাতক ১ম বৰ্ষ )
২য় শেৱালী কলিতা ( স্নাতক ১ম বৰ্ষ )
৩য় জুলুমণি দাস ( স্নাতক ১ম বৰ্ষ )

## বড়ো গীত—

১ম ভাস্কৰজ্যোতি দেৱান ( স্নাতক ১ম বৰ্ষ )
২য় শেৱালী কলিতা ( স্নাতক ১ম বৰ্ষ
৩য় জুলুমণি দাস ( স্নাতক ১ম বৰ্ষ )
( মাদল বজোৱা বাবে নিচুকণি বজনি কছাৰী উঃ মাঃ ১ম বৰ্ষ )

## বিষ্ণু ৰাভাৰ গীত—

১ম শেৱালী কলিতা ( স্নাতক ১ম বৰ্ষ )
২য় জুলুমণি দাস ( স্নাতক ১ম বৰ্ষ )
৩য় { ভাস্কৰজ্যোতি দেৱান ( স্নাতক ১ম বৰ্ষ )
ভাস্কৰ বড়ো ( উঃ মাঃ ২য় বৰ্ষ )

## জ্যোতি প্ৰসাদৰ গীত--

১ম জুলুমণি দাস ( স্নাতক ১ম বৰ্ষ )
২য় শেৱালী কলিতা ( স্নাতক ১ম বৰ্ষ )
৩য় ভাস্কৰ বড়ো ( উঃ মাঃ ২য় বৰ্ষ )

## বিহু গীত--

১ম জুলুমণি দাস ( স্নাতক ১ম বৰ্ষ )
২য় শেৱালী কলিতা ( স্নাতক ১ম বৰ্ষ )
৩য় ভাস্কৰজ্যোতি দেৱান ( স্নাতক ১ম বৰ্ষ )

## বিয়া গীত ( নাম )

১ম শেৱালী কলিতা ( স্নাতক ১ম বৰ্ষ )
২য় ভাস্কৰজ্যোতি দেৱান ( স্নাতক ১ম বৰ্ষ )
৩য় প্ৰমোদ দাস ( স্নাতক ৩য় বৰ্ষ )

## বৰগীত --

১ম জুলুমণি দাস ( স্নাতক ১ম বৰ্ষ )
২য় ভাস্কৰজ্যোতি দেৱান ( স্নাতক ১ম বৰ্ষ )
৩য় শেৱালি কলিতা ( স্নাতক ১ম বৰ্ষ )

## কামৰূপী লোকগীত--

১ম বিজু দাস ( স্নাতক ১ম বৰ্ষ )
২য় জুলুমণি দাস ( স্নাতক ১ম বৰ্ষ )
৩য় মুন্নু দেবী ( উঃ মাঃ ১ম বৰ্ষ )

## গোৱালপৰীয়া লোকগীত--

১ম জুলুমণি দাস ( স্নাতক ১ম বৰ্ষ )
২য় ৰশ্মি নাথ ( উঃ মাঃ ২য় বৰ্ষ )
৩য় স্বপ্না দাস ( উঃ মাঃ ১ম বৰ্ষ )

## সমবেত সংগীত -

১ম ( বিবেচিত নহ'ল )
২য় ৰঞ্জিৎ ৰাভাৰ দল ( স্নাতক ১ম বৰ্ষ )
৩য় শেৱালী কলিতাৰ দল ( স্নাতক ১ম বৰ্ষ )

## জিকিৰ—

১ম মামনি ৰাভাৰ দল ( উ: মা: ১ম বৰ্ষ )

২য় স্বপ্না দাসৰ দল ( উ: মা: ১ম বৰ্ষ )

৩য় ভাস্কৰজ্যোতি দেৱানৰ দল ( স্নাতক ১ম বৰ্ষ )

## কৌতুক—

১ম দেৱকুমাৰ মেধীৰ দল ( উ: মা: ১ম বৰ্ষ )

২য় অনুপ চৌধুৰীৰ দল ( স্নাতক ১ম বৰ্ষ )

৩য় চিনু কলিতাৰ দল ( উ: মা: ১ম বৰ্ষ )

## ভেশচন—

১ম জোন কলিতা ( উ: মা: ১ম বৰ্ষ )

২য় মীৰা দাস ( উ: মা: ১ম বৰ্ষ )

৩য় কনক ডাকুৱা ( উ: মা: ২য় বৰ্ষ )

## মুক অভিনয়—

১ম অৰূপ মেধী ( উ: মা: ২য় বৰ্ষ )

২য় পবিত্ৰ দাস ( উ: মা: ২য় বৰ্ষ )

৩য় প্ৰমোদ দাস ( স্নাতক ৩য় বৰ্ষ )

## একাংকীক নাট—

শ্ৰেষ্ঠ নাটক 'অনুনাদ'

২য় শ্ৰেষ্ঠ নাটক—'ইংগিত'

শ্ৰেষ্ঠা গায়ীকা জুলুমণি দাস ( স্নাতক ১ম বৰ্ষ )

শ্ৰেষ্ঠ অভিনেতা অনুপ চৌধুৰী ( স্নাতক ১ম বৰ্ষ )

শ্ৰেষ্ঠা অভিনেত্ৰী—ৰীমা দাস ( উ: মা: ২য় বৰ্ষ )

শ্ৰেষ্ঠ নাট পৰিচালক—তপন দাস ( স্নাতক ২য় বৰ্ষ )

নাট—"অনুনাদ"

নিচুকনি বঁটা দিয়া হয় { নৱজিৎ দাস ( স্নাতক ৩য় বৰ্ষ ) / চিনু কলিতা ( উ: মা: ১ম বৰ্ষ ) }

সাংস্কৃতিক প্ৰতিযোগিতাৰ প্ৰায়বোৰ কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰাৰ বাবে এটি বঁটা প্ৰদান কৰা হয়—

তপন দাস ( স্নাতক ২য় )

## গুৰু খেল বিভাগৰ ফলাফল—

### লৰাৰ ২০০ মিটাৰ দৌৰ—

১ম সুভাষ মেধি ( T.D.C. 3rd year )
২য় অনিল দাস ( H. S, Ist year. )
৩য় সুভাষ কলিতা ( H. S 2nd year. )

### লৰাৰ ৪০০ মিটাৰ দৌৰ—

১ম সুভাষ মেধী ( T. D. C. 3rd year. )
২য় অনিল দাস ( H.S. Ist year. )
৩য় ৰমনি কলিতা ( H.S. Ist year. )

### লৰাৰ ১০০ মিটাৰ দৌৰ—

১ম সুভাষ কলিতা ( উঃ মাঃ ২য় বৰ্ষ )
২য় সুভাষ মেধী ( স্নাতক ৩য় বাৰ্ষিক )
৩য় অনিল দাস ( উঃ মাঃ ১ম বৰ্ষ )

### ২০০ মিটাৰ ৰিলে ৰেচ ( লৰা )

১ম সুভাষ মেধীৰ দল
২য় অনিল দাসৰ দল
৩য় যাদব কলিতাৰ দল

### ২০০ মিটাৰ ৰিলে ৰেচ ( ছোৱালী )

১ম মনিমা চৌধুৰীৰ দল
২য় মিণ্টু কলিতাৰ দল

### কাবাডী ( লৰা )

১ম নৱাল হকৰ দল
২য় বিমল দাসৰ দল

### কাবাডী ( ছোৱালীৰ )

১ম সৰলা দাসৰ দল
২য় মিন্তু কলিতাৰ দল

### লৰাৰ হাইজাম্প—

১ম সুভাষ মেধী ( T. D. C. 3rd year ) 1·52 m.

২য় সত্যজিৎ তালুকদাৰ ( H.S. 1st year. )

৩য় ৰমণী কলিতা ( H.S. 1st year )

### লৰাৰ লংজাম্প—

১ম সুভাষ মেধী ( T.D.C. 3rd year ) 5 65

২য় { অনিল বড়ো ( H.S. 1st year. ) 5·25
ছাহজাহান আলী H.S. 2nd year )

৩য় ৰমণী কলিতা ( H.S. 1st year. ) 5·06

### লৰাৰ শ্বটপুট থ্ৰো—

১ম মিলোৰাম বড়ো (( T.D.C. 2nd year. ) 13·30

২য় ভূপেন কলিতা 12·15

৩য় সুভাষ মেধী ( স্নাতক ৩য় বৰ্ষ )

### লৰাৰ ডিচ্‌কাচ থ্ৰো—

১ম ভূপেন কলিতা ( H.S. 1st year. ) 26·40

২য় মিলোৰাম বড়ো ( T.D.C. 2nd year ) 24·25

৩য় দিগন্ত কলিতা ( T.D.C. 2nd year. ) 23.40

### লৰাৰ জেভলিন থ্ৰো—

১ম গিৰেণ মালী ( H.S. 2nd year. ) 39 35

২য় দিবাকৰ ৰাভা ( H.S. 2nd year. ) 37·86

৩য় প্ৰদীপ বড়ো ( H.S. 1st year. ) 35·36

### ছোৱালীৰ ২০০ মিটাৰ দৌৰ—

১ম মঞ্জু দাস ( H.S. 2nd year. )

২য় চন্দ্ৰলেখা চৌধুৰী ( H.S. 1st year )

৩য় মনিমা চৌধুৰী ( H.S. 1st year )

### ছোৱালীৰ ৪০০ মিটাৰ দৌৰ—

১ম মঞ্জু দাস ( H. S. 2nd year )

২য় মনিমা চৌধুৰী ( H. S. 1st year )

৩য় মিন্তু কলিতা ( T.D.C. 1st year )

## ছোৱালীৰ ১০০ মিটাৰ দৌৰ—

১ম মঞ্জু দাস ( উঃ মাঃ ২য় বৰ্ষ )

২য় দিপ্তী চৌধুৰী ( উঃ মাঃ ২য় বৰ্ষ )

৩য় মনিমা চৌধুৰী ( উঃ মাঃ ১ম বৰ্ষ )

## ছোৱালীৰ হাইজাম্প—

১ম ধৰিত্ৰী দাস ( T.D.C. 1st year )

২য় মঞ্জু দাস ( H.S. 2nd year. )

## ছোৱালীৰ লংজাম্প—

১ম মঞ্জু দাস ( H S. 2nd year ) 11·7

২য় মনিমা চৌধুৰী ( H. S. 1st year ) 11·2

৩য় চন্দ্ৰলেখা চৌধুৰী ( H. S. 1st year ) 10·11

## লৰাৰ ট্ৰিপোল জাম্প—

১ম সুভাষ মেধী ( T. D. C. 3rd year ) 11·93

২য় ৰমণী কলিতা ( H. S 1st year ) 11·26

৩য় অনিল দাস ( H. S. 1st year ) 10·84

## ছোৱালীৰ শ্বৰ্টপুট থ্ৰো—

১ম কনিকা কলিতা ( উঃ মাঃ ১ম বৰ্ষ ) ৭·৯৫

২য় প্ৰণিতা দাস ( উঃ মাঃ ২য় বৰ্ষ ) ৭·৭৫

৩য় মঞ্জু দাস ( উঃ মাঃ ২য় বৰ্ষ )

## ছোৱালীৰ ডিচকাচ থ্ৰো—

১ম কণিকা কলিতা ( উঃ মাঃ ১ম বৰ্ষ ) ১৫·১৪

২য় মিনু শালৈ ( স্নাতক ১ম বৰ্ষ )

৩য় ধৰিত্ৰী দাস ( স্নাতক ১ম বৰ্ষ )

## ছোৱালীৰ জেভেলিন থ্ৰো—

১ম কণিকা কলিতা ( H. S. 1st year ) 24·04

২য় উলুপি ৰাভা ( T. D. C 2nd year ) 20·18

৩য় ধৰিত্ৰী দাস ( T. D. C. 1st year ) 18·35

## লঘূ খেল বিভাগৰ পুৰস্কাৰ সমূহ–

### দ্বৈত কেৰম প্ৰতিযোগিতা–

১ম দল—(ক) তপন দাস ( T. D. C. 2nd year )
(খ) ধীৰাজ মহন্ত ( T.D.C. 3rd year )

২য় দল—(ক) মঃ চামচুল হুদা ( T.D.C. 2nd year. )
(খ) মঃ আজতমা আলী ( T.D.C. 2nd year. )

### ডবা প্ৰতিযোগিতা–

১ম পৱিত্ৰ কলিতা ( T.D.C. 2nd year )

২য় হেমন্ত দাস ( T.D.C. 1st year )

### লৰাৰ বেডমিণ্টন প্ৰতিযোগিতা

১ম দল –(ক) গিৰিন্দ্ৰ ঠাকুৰীয়া ( T. D. C 3rd year )
(খ) হৰেণ কলিতা ( H.S. 2nd year. )

### লৰাৰ ৰচী টনা প্ৰতিযোগিতা-

১ম দল বাজেন কলিতা ( T. D. C. 2nd year. )

২য় দল – পুলিন কলিতা ( T. D. C. 3rd year )

### লৰাৰ খো খো প্ৰতিযোগিতা–

১ম দল– সুভাষ মেধী ( T. D. C. 2nd year )

২য় দল—মঃ আলিমুস্তাক আহমেদ ( T. D. C. 2nd year )

### ছোৱালীৰ খো-খো প্ৰতিযোগিতা-

১ম দল—চন্দ্ৰলেখা চৌধুৰী ( H.S. 1st year. )

২য় দল সবলা দাস ( H.S. 1st year. )

# শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগীতা সমূহৰ ফলাফল—

লৰা শাখাৰ ফলাফল—

### দেহশ্ৰী প্ৰতিযোগীতা—

১ম মঃ চিৰাজউজ্জুল ইচলাম ( স্নাতক ১ম বৰ্ষ )

২য় কামদেৱ কলিতা ( স্নাতক ৩য় বৰ্ষ )

৩য় অনন্ত কলিতা ( উঃ মাঃ ১ম বৰ্ষ )

উদগনি মূলক বঁটা ৰজনী কছাৰী ( উঃ মাঃ ১ম বৰ্ষ )

### ভাৰ উত্তোলন প্ৰতিযোগীতা—

১ম মিলোৰাম বড়ো ( স্নাতক ২য় বৰ্ষ )

২য় ৰঞ্জিত ৰাভা ( উঃ মাঃ ১ম বৰ্ষ )

৩য় { কামদেৱ কলিতা ( স্নাতক ৩য় বৰ্ষ )
জয়ন্ত দাস ( বি-কম ১ম বৰ্ষ ) }

### পাঞ্জা প্ৰতিযোগীতা—

১ম মিলোৰাম বড়ো ( স্নাতক ২য় বৰ্ষ )

২য় পুলিন কলিতা ( স্নাতক ৩য় বৰ্ষ )

### যোগাসন প্ৰতিযোগিতা—

১ম মঃ চিৰাজউজ্জুল ইচলাম ( স্নাতক ১ম বৰ্ষ )

২য় খৰ্গধৰ দাস ( উঃ মাঃ ১ম বৰ্ষ )

৩য় টংকেশ্বৰ হাজৰিকা ( উঃ মাঃ ১ম বৰ্ষ )

### স্প্ৰিং টনা প্ৰতিযোগীতা—

১ম কামদেৱ কলিতা ( স্নাতক ৩য় বৰ্ষ )

২য় ৰজনী কছাৰী ( উঃ মাঃ ১ম বৰ্ষ )

ছোৱালী শাখাৰ ফলাফল—

### ভাৰ উত্তোলন প্ৰতিযোগীতা—

১ম কণিকা কলিতা ( উঃ মাঃ ১ম বৰ্ষ )

২য় ধৰিত্ৰী দাস ( স্নাতক ১ম বৰ্ষ )

৩য় প্ৰণিতা দাস ( উঃ মাঃ ১ম বৰ্ষ )

## পাঞ্জা প্ৰতিযোগীতা —

১ম কণিকা কলিতা ( উঃ মাঃ ১ম বৰ্ষ )
২য় মিনু শালৈ ( স্নাতক ১ম বৰ্ষ )

## যোগাসন প্ৰতিযোগীতা—

১ম ৰীমা দাস ( উঃ মাঃ ২য় বৰ্ষ )
২য় মঞ্জু দাস ( উঃ মাঃ ২য় বৰ্ষ )
৩য় মিণ্টু কলিতা ( স্নাতক ১ম বৰ্ষ )

## স্প্ৰিং টনা প্ৰতিযোগীতা —

১ম ৰীতা কলিতা ( উঃ মাঃ ২য় বৰ্ষ )
২য় সাবিত্ৰী নাথ ( স্নাতক ৩য় বৰ্ষ )
৩য় মিনু শালৈ ( স্নাতক ১ম বৰ্ষ )

"দেহশ্ৰী" প্ৰতি যোগীতাত ১ম স্থান লাভ কৰা
মঃ চিৰাউজ্জ্বল ইচলামক
মিঃ ছয়গাওঁ কলেজ বুলি ঘোষণা কৰা হয়।

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ ফলাফল

## আকস্মিক বক্তৃতা ( ইংৰাজী )

১ম কমল ঠাকুৰীয়া ( স্নাতক ৩য় বৰ্ষ )
২য় নবজিৎ দাস ( স্নাতক তৃতীয় বৰ্ষ )
৩য় জয়ন্ত দাস

## আকস্মিক বক্তৃতা—( অসমীয়া )

১ম অৰ্চনা দাস ( স্নাতক ৩য় বৰ্ষ )
২য় প্ৰমোদ দাস ( স্নাতক ৩য় বৰ্ষ )
৩য় কমল ঠাকুৰীয়া ( স্নাতক ৩য় বৰ্ষ )

## আলোচনা চক্ৰ—

১ম কমল ঠাকুৰীয়া ( স্নাতক ৩য় বৰ্ষ )
২য় দেৱ কুমাৰ মেধী ( উঃ মাঃ ১ম বৰ্ষ )
৩য় { প্ৰমোদ দাস ( স্নাতক ৩য় বৰ্ষ )
নিৰেণ বড়ো ( উঃ মাঃ ১ম বৰ্ষ ) }

কুইজ—

১ম কমল ঠাকুৰীয়া ( স্নাতক ৩য় বর্ষ )

কল্যাণ মালী ( " " " )

ৰাজীৱ মহন্ত ( " " " )

২য় ভূষণ দাস ( স্নাতক ১ম বর্ষ )

প্রণৱ কুমাৰ দাস ( স্নাতক ১ম বর্ষ )

বুবুল দাস ( স্নাতক ১ম বর্ষ )

৩য় অৰূপ মেধী ( উ: মা: প্রথম বর্ষ )

যাদৱ কলিতা ( স্নাতক ৩য় বর্ষ )

সোণ দাস ( উ: মা: ১ম বর্ষ )

তর্ক

১ম কমল ঠাকুৰীয়া ( স্নাতক ৩য় বর্ষ )

২য় { ভদ্রেশ্বৰ দাস ( স্নাতক ৩য় বর্ষ )
প্রমোদ দাস ( স্নাতক ৩য় বর্ষ )

৩য় মুনীন্দ্র দাস ( স্নাতক ৩য় বর্ষ )

শ্রেষ্ঠ প্রশ্নকর্ত্তা—

পংকজ ঠাকুৰীয়া ( স্নাতক ৩য় বর্ষ )

তর্ক আৰু আলোচনাচক্র বিভাগৰ শ্রেষ্ঠ প্রতিযোগী

কমল ঠাকুৰীয়া ( স্নাতক ৩য় বর্ষ )

## সাহিত্য চৰা ফলাফল—

### ইংৰাজী কবিতা আবৃত্তি প্রতিযোগীতাৰ ফলাফল—

১ম নৱজিৎ দাস ( স্নাতক ৩য় বর্ষ )

২য় মঃ আলতাফ হুচেইন ( স্নাতক ২য় বর্ষ )

৩য় অর্চনা দাস ( স্নাতক ৩য় বর্ষ )

### স্ব-ৰচিত ইংৰাজী কবিতাৰ ফলাফল—

১ম জয়ন্ত কুমাৰ দাস ( বিঃ কম: ১ম বর্ষ )

২য় ৰীমা দাস ( উঃ মা: ২য় বর্ষ )

৩য় অৰূপ মেধী ( উঃ মাঃ ২য় বর্ষ )

## অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগীতাৰ ফলাফল—

১ম পূৰ্ণেশ্বৰ দাস ( উঃ মাঃ ১ম বৰ্ষ )
২য় মীৰা দাস ( উঃ মাঃ ১ম বৰ্ষ )
৩য় ৰবীন নাথ ( উঃ মাঃ ১ম বৰ্ষ )

## হিন্দী কবিতা আবৃত্তি প্ৰতিযোগীতাৰ ফলাফল—

১ম নীৰেন বড়ো ( স্নাতক ১ম বৰ্ষ )
২য় গীতাঞ্জলী দাস ( উঃ মাঃ ১ম বৰ্ষ )
৩য় অৰ্চনা দাস ( স্নাতক ৩য় বৰ্ষ )

## থিতাতে লিখা অসমীয়া কবিতা প্ৰতিযোগীতাৰ ফলাফল—

১ম বিবেচিত নহল
২য় হেমন্ত কুমাৰ শালৈ ( স্নাতক ৩য় বৰ্ষ )
৩য় অৰূপ মেধী ( উঃ মাঃ ২য় বৰ্ষ )

## ৰম্য ৰচনা প্ৰতিযোগীতাৰ ফলাফল -

১ম নৱজিৎ দাস (স্নাতক ৩য় বৰ্ষ )
২য় কমল ঠাকুৰীয়া ( স্নাতক ৩য় বৰ্ষ )
৩য় পংকজ ঠাকুৰীয়া ( স্নাতক ৩য় বৰ্ষ )

## প্ৰবন্ধ প্ৰতিযোগীতাৰ ফলাফল—

১ম পংকজ ঠাকুৰীয়া ( স্নাতক ৩য় বৰ্ষ )
২য় অৰূপ মেধী ( উঃ মাঃ ২য় বৰ্ষ )
৩য় কমল ঠাকুৰীয়া ( স্নাতক ৩য় বৰ্ষ )

## স্বৰচিত গল্প প্ৰতিযোগীতাৰ ফলাফল -

১ম বিবেচিত নহ'ল।
২য় পুলিন কলিতা ( স্নাতক ৩য় বৰ্ষ )
৩য় পংকজ ঠাকুৰীয়া ( স্নাতক ৩য় বৰ্ষ )

## চাৰু কলা প্ৰতিযোগীতাৰ ফলাফল—

১ম কমল দাস ( উঃ মাঃ ১য় বৰ্ষ )
২য় দিবাকৰ হুজুৰী ( উঃ মাঃ ২য় বৰ্ষ )
৩য় টংকেশ্বৰ হাজৰিকা ( উঃ মাঃ ২য় বৰ্ষ )

## কলহীৰ বেটুপাত প্ৰতিযোগীতাৰ ফলাফল—

১ম জোন কলিতা ( উঃ মাঃ ১ম বৰ্ষ )
২য় পুষ্প সাউদ ( স্নাতক ১ম বৰ্ষ )

## শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী বঁটা—

নৱজিৎ দাস ( স্নাতক ৩য় বৰ্ষ )

## ছাত্ৰী জিৰণী কোঠা বিভাগৰ ফলাফল—

### পিঠা প্ৰতিযোগিতা

নিচুকনী পুৰস্কাৰ সুজাতা বেগম ( H.S. 1st year. )

### কৈন্যা প্ৰতিযোগিতা -

১ম অৰ্চনা দাস ( H.S. 2nd year. )

২য় চুলজনা বেগম ( H.S Ist year. )

৩য় মীৰা দাস ( H.S. Ist year. )

### বেড্‌মিণ্টণ প্ৰতিযোগিতা -

১ম ধৰিত্ৰী দাস ( T. D. C. Ist year )

২য় চন্দ্ৰলেখা চৌধুৰী ( H. S. Ist year. )

### চিলাই প্ৰতিযোগিতা

১ম সুজতা বেগম ( H. S Ist year )

২য় জোনালী ৰাজবংশী ( H S. Ist year. )

### ড'বা প্ৰতিযোগিতা

১ম উজ্জ্বলা কলিতা ( T. D. C. Ist year. )

২য় জোনালী তালুকদাৰ ( H. S. Ist year )

### কেৰাম প্ৰতিযোগিতা

১ম মুনু দেৱী ( H. S. Ist year )

২য় সুজতা বেগম ( H. S. Ist year )

৩য় দীপামণি বড়া ( H. S. Ist year )

— x —

## মাৰ্জনা বিচাৰি—

নানা আলৈ আহুকাল স্বত্বেও এই যুগ্ম সংখ্যা 'কলহী' আপোনালোকৰ হাতত তুলি দিবলৈ সমৰ্থ হোৱাত নিজকে কৃতাৰ্থ মানিছোঁ। কিন্তু ১৯৯২-৯৩ বৰ্ষৰ দুই, এটি সম্পাদকীয় প্ৰতিবেদনৰ লগতে ৰেকৰ্ড-পাতি কিছুও আমাৰ হাতত আহি নপৰাত প্ৰকাশ কৰিব পৰা নগ'ল। তাৰ বাবে সহৃদয় ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত আমি ক্ষমা ভিক্ষা মাগিছোঁ।





## তত্ত্বাৱধায়কৰ দু-ষাৰ

মহাবিদ্যালয়ৰ মুখপত্ৰ হ'ল ছাত্ৰ ছাত্ৰীসকলৰ সাহিত্য সাধনাৰ কেন্দ্ৰ। মুখপত্ৰৰ জৰিয়তে সাহিত্য চৰ্চা কৰি আমাৰ মহাবিদ্যালয়ৰ পৰা নোবেল বঁটা বিজয় কৰিব পৰা সাহিত্যিক সৃষ্টি নহ'ব বুলি কব নোৱাৰি। তাৰ বাবে অৱশ্যে লাগিব অনুশীলন। অনুশীলন অবিহনে কোনো কামতেই কৃতকাৰ্য্য হোৱাটো কঠিন।

আমাৰ মহাবিদ্যালয়ৰ মুখপত্ৰ 'কলহী'ৰ অষ্টম সংখ্যা এবাৰ নোৱাৰা কাৰণত সময়ত প্ৰকাশ কৰি উলিয়াব পৰা ন'গল। অষ্টম সংখ্যাৰ প্ৰকাশ বন্ধ হৈ যোৱাৰ উপক্ৰম হোৱাৰ সময়তেই ১৯৯৩-৯৪ ইং বৰ্ষৰ ছাত্ৰ একতা সভাই প্ৰস্তাৱ গ্ৰহণ কৰে অষ্টম আৰু নৱম সংখ্যাৰ কলহী যুগ্ম ভাৱে প্ৰকাশ কৰাৰ বাবে আৰু নৱম সংখ্যাৰ সম্পাদনা সমিতিক যুগ্ম সংখ্যাটো সম্পাদনা কৰাৰ দায়িত্ব অৰ্পন কৰে। আমিও এই যুগ্ম সংখ্যাটো যিমান পাৰি নিখুঁতভাৱে প্ৰকাশ কৰি উলিওৱাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছো। তথাপি ভুল ক্ৰুটি ৰৈ যোৱাটো স্বাভাৱিক।

আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত নৱম সংখ্যাৰ সম্পাদক শ্ৰীপুষ্প সাউদৰ তাৎপৰতাৰ কথা উল্লেখ কৰিব লগীয়া। বিভিন্ন দিশত সহায়ৰ হাত বঢ়োৱা বাবে অধ্যাপক ভূষণ কলিতা আৰু অধ্যাপক ৰঞ্জিত চক্ৰৱৰ্ত্তীৰ শলাগ লৈছোঁ আৰু মোৰ চমু লিখনিৰ ইমানতে সামৰণি মাৰিছোঁ।

ধন্যবাদ—

অধ্যাপক —নগেন কলিতা

তত্ত্বাৱধায়ক অষ্টম আৰু নৱম সংখ্যা

কলহী



# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ১৯৯৩-৯৪ ইং চন

খেল-ধেমালি, ব্যায়াম আদিয়ে যেনেকৈ ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক মানসিক উৎকৰ্ষ সাধন কৰে ঠিক একেদৰে তৰ্ক, আকস্মিক বক্তৃতা, আলোচনা চক্ৰ, কুইজ আদিয়েও ছাত্ৰ ছাত্ৰীৰ বৌদ্ধিক বিকাশত যথেষ্ট সহায় কৰে। গতিকে এইবোৰৰ প্ৰয়োজন কেতিয়াও নুই কৰিব নোৱাৰি। কিন্তু আমাৰ মহাবিদ্যালয়ত বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰে এইবোৰৰ প্ৰতি আগ্ৰহ নাই।

মোৰ এই কালছোৱাত মহাবিদ্যালয় সপ্তাহৰ বাহিৰে এখনো তৰ্ক, কুইজ, আকস্মিক বক্তৃতা আৰু আলোচনা চক্ৰ অনুষ্ঠিত কৰিব পৰা নগ'ল। এইবেলি মহাবিদ্যালয় সপ্তাহত নতুনকৈ ইংৰাজীত আকস্মিক বক্তৃতা অনুষ্ঠিত কৰা হৈছিল। আমাৰ কলেজত বিৰাজ কৰা ভয়াবহ পৰিস্থিতিটো সমাধান কৰিবলৈ সমূহ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, বৃহত্তৰ ছয়গাওঁ অঞ্চলৰ ৰাইজক মই মোৰ প্ৰতিবেদনৰ জৰিয়তে অনুৰো[ধ] জনালোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত বিভিন্ন পৰা[মৰ্শ] মৰ্শ আগবঢ়োৱা তত্বাৱধায়ক অধ্যাপক মানন[ীয়] শ্ৰীযোগেন্দ্ৰ কুমাৰ দাসদেৱ, মাননীয় অধ্যাপ[ক] ড° সৰ্ব্বেশ্বৰ দাস, ছাত্ৰ বন্ধু পংকজ, লক্ষ্যধ[ৰ] (লৱণ), কমল, জিতুমণি, ৰঞ্জিত, যোগেশ, ভাস্কৰজ্যোতি আৰু ছাত্ৰী বান্ধৱী জোনালী, ৰু[...] অঞ্জুমণি, পূৰ্ণিমা, ৰীমা, আৰু জিণ্টিৰ ওচৰ[ত] মই চিৰকৃতজ্ঞ।

প্ৰতিবেদনৰ শেষত অনিচ্ছাকৃত ভুলত্ৰুটি[ৰ] বাবে মাৰ্জনা বিচাৰি ছয়গাওঁ মহাবিদ্যালয়[ৰ] সৰ্ব্বাংগীন উন্নতি কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে -

শ্ৰীহিতেশ কলিতা



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন
## ১৯৯৩-৯৪ ইং চন

ক'লা সংস্কৃতি এটা জাতিৰ সভ্যতাৰ বাহক। মানৱ অন্তৰত আমোদ বিলাই। এই ক'লা সংস্কৃতিয়ে মানৱ জাতিৰ প্ৰত্যেকৰে হৃদয়ত ভাতৃত্ববোধৰ লহৰ তুলি একতাৰ এনাজৰীৰে সাঙোঁৰে। গতিকে ই মানৱ জাতিৰ বিকাশ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে

মই কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই জানিবলৈ পালোযে মহাবিদ্যালয়ত বাদ্যযন্ত্ৰৰ খুৱ অভাৱ। যি কেইপদ বাদ্যযন্ত্ৰ আছে সিও জৰা-জীৰ্ণ অৱস্থাত। ইয়াৰ প্ৰধান কাৰণ হ'ল নিৰাপদে ৰখাৰ কাৰণে উপযুক্ত সা-সুবিধাৰ অভাৱ। আনহাতে সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাত প্ৰতিযোগিৰ অভাৱ।

মোৰ কাৰ্য্যকালছোৱাত ১৯৯৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত কৰা 'আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ পৰা এটি দলে মহঃ হাৰুণ ৰছিদ মহাশয়ৰ তত্বাৱধানত অংশ গ্ৰহণ কৰাৰ সৌভাগ্য হয়।

মহাবিদ্যালয়ত বাদ্যযন্ত্ৰৰ অভাৱ হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগীতাত অংশ গ্ৰহণত বাধাৰ সন্মুখীন হৱ লগাত পৰে। সেয়ে মহাবিদ্যালয়ৰ কতৃপক্ষক সাংস্কৃতিক বিভাগৰ মানদণ্ড উন্নত কৰিবলৈ দৰকাৰী বাদ্যযন্ত্ৰ সমূহৰ লগতে এটি প্ৰেক্ষাগৃহ, আৰু এখন স্থায়ী মঞ্চৰ যোগান ধৰিবলৈ অনুৰোধ কৰিলোঁ।

প্ৰতিবেদনৰ জৰিয়তে মোৰ কাৰ্য্যকালত প্ৰতিমুহূৰ্ত্তে দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱাৰ বাবে তত্ববধায়ক মহঃ হাৰুণ ৰছিদ, অধ্যাপিকা অনুপমা ডেকা, অধ্যাপক যোগেন্দ্ৰ কুমাৰ দাস, নগেন কলিতাদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌশেষত মহাবিদ্যালয়খনৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

'জয়তু ছয়গাওঁ মহাবিদ্যালয়'

শ্ৰীদীনেশ নাথ



# লঘু খেল বিভাগ আৰু ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯৩-৯৪ ইং চন

সুস্থ জীৱনৰ বাবে সু-স্বাস্থ্য অপৰিহাৰ্য্য। খেল ধেমালি সু স্বাস্থ্যৰ অন্যতম চৰ্ত্ত। এই দিশত ছাত্ৰ-ছাত্ৰীসকল নিজে আগবাঢ়ি অহাটো যেনেদৰে এটা কৰ্ত্তব্য, সংশ্লিষ্ট সকলোৱে তেওঁ-লোকক প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰাটোও এটা দায়িত্ব।

গতানুগতিক ভাৱেই কাৰ্য্যকালৰ প্ৰথম ভাগতেই মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। এই বেলি মোৰ বিভাগৰ প্ৰতিযোগিতাত ছোৱালীৰ খো-খো আৰু ৰচী টনা খেল দুখন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা হয়।

আমি গভীৰ দুখেৰে লক্ষ্য কৰিছোঁ যে আমাৰ মহাবিদ্যালয়ৰ খেলৰ মান দ্ৰুত হাৰত নিম্নগামী হৈছে। উপযুক্ত খেলপথাৰৰ অভাৱ, ক্ৰীড়া সামগ্ৰীৰ অভাৱ আৰু উপযুক্ত প্ৰশিক্ষণৰ অভাৱেই ইয়াৰ কাৰণ বুলিব পাৰি। সেয়ে মই প্ৰতিবেদনৰ জৰিয়তে কৰ্ত্তৃপক্ষক দাবী জনাও যে ভৱিষ্যতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত শিক্ষাৰ লগতে খেলৰ দিশত নূন্যতম সা-সুবিধাকণ দিয়ে যেন।

আজি আমাৰ মহাবিদ্যালয়ৰ চৌদিশ ক্লেদাক্ত। হে মহান ছাত্ৰ-ছাত্ৰীসকল, আপোনালোক আটায়ে জ্ঞাত যিখন মহাবিদ্যালয়ৰ অধ্যক্ষই মাৰ্কচিত জালিয়তি কৰাৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন দূৰ্নীতিৰ লগত জড়িত তেনে এজন ব্যক্তি আমি জানো এখন মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাবে গ্ৰহণ কৰিব পাৰিম? সেয়ে আমি প্ৰতিবাদ কৰাৰ বাবে বহু কেইজন ছাত্ৰয়ে কাৰাবাস খাটিবলগীয়া হৈছিলোঁ। তাৰ ভিতৰতময়ো তিনিবাৰ কাৰাবাস খাটিছোঁ।

পৰিসমাপ্তিত মোৰ কাৰ্য্যকালত সহযোগিতা আগবঢ়োৱা ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উপেন কুমাৰ, তত্বাৱধায়ক শ্ৰীযুত তাৰিণী কলিতাদেৱৰ লগতে সমূহ বন্ধু-বান্ধৱীক কৃতজ্ঞতা জনাই ছয়গাঁও মহাবিদ্যালয়ৰ প্ৰগতি কামনা কৰি অনিচ্ছাকৃত ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰিছোঁ।

ধন্যবাদেৰে—

শ্ৰীনিৰঞ্জন বৰুৱা

# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯৩-৯৪ ইং চন

জয় জয়ন্তে মহাবিদ্যালয়ৰ উন্নতিৰ হকে মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা নিবেদিলো। লগতে যি সকল মহান আদৰ্শবাদী ব্যাক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত ছয়গাঁও মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিছে সেই সকল ব্যাক্তিক মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। বৰ্তমান আমাৰ মহাবিদ্যালয় খনত প্ৰতিজন সাধাৰণ ছাত্ৰ ছাত্ৰীয়ে উপলব্ধি কৰা সমস্যা কেইটা হৈছে প্ৰশাসনীয় দুৰ্বলতা, শিক্ষাদানত কিছু সংখ্যক শিক্ষকৰ হেমাহি আৰু অধ্যক্ষক লৈ হোৱা কেলেংকাৰী। এখন শিক্ষানুষ্ঠানৰ সুস্থ বাতাবৰন নিৰ্ভৰ কৰা দিশকেইটাই বৰ্ত্তমান আমাৰ মহাবিদ্যালয়ত অৱৰ্ত্তমান। অধ্যক্ষক লৈ হোৱা কেলেংকাৰিৰ অন্তৰালত মহাবিদ্যালয়ত আজি কু-ৰাজনীতিয়ে বাহ লৈছে আৰু অধ্যক্ষৰ সমস্যা সমাধানত এই কু-ৰাজনীতিয়ে প্ৰাচীৰ হৈ থিয় দিছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী সকলে আজি নিকাৰ ভুঞ্জিব লগাত পৰিছোঁ। সাহিত্য চৰ্চাৰ জৰিয়তে আমি ইয়াক প্ৰতিফলিত কৰিব লাগিব। আমাৰ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ অন্যতম থল হৈছে প্ৰাচীৰ পত্ৰিকা 'ন প্ৰক্ষাতী'। ইয়াক সাহিত্যৰ প্ৰাথমিক স্তৰ বুলিব পাৰি। ইয়াৰ জৰিয়তে সাহিত্য-চৰ্চাৰ প্ৰতি আগ্ৰহ থকা ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা প্ৰকাশ পাই আৰু ইয়াৰ মাজেৰে জন্ম হয় একো একোজন কবি সাহিত্যিকৰ। সীমিত অভিজ্ঞতাৰে মোৰ এবছৰীয়া কাৰ্যকাল চোৱাত কি কৰিলো কি নকৰিলো সেইটো আপোনা-লোকৰ বিচাৰ্য্য। মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিভিন্ন দিশত দিহা পৰামৰ্শ সহায়-সহযোগিতা আগবঢ়োৱা ভাৰপ্ৰাপ্ত অধ্যক্ষ, শিক্ষাগুৰু নগেন কলিতা মহোদয় আৰু হাৰুন ৰচিদৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে মোৰ কাৰ্যকালৰ প্ৰতিটো মুহুৰ্ত্তত্তে বিশেষভাৱে সহায়-সহযোগিতা কৰি অহা ছাত্ৰ বন্ধু হেমন্ত, নগেন, ভদ্ৰেশ্বৰ, পুষ্প, পবিত্ৰ, অঞ্জন, আৰু লংকেশ্বৰ লগতে সমূহ ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীক শ্ৰদ্ধা আৰু মৰমেৰে সুঁৱৰিছোঁ।

সদৌ শেষত মোৰ এই কাৰ্যকাল ছোৱাৰ জ্ঞাত অজ্ঞাত ভুলৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু ছয়গাঁও মহাবিদ্যালয়

**শ্ৰীমাধৱ চন্দ্ৰ দাস**

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন
## ১৯৯৩-৯৪ ইং চন

প্ৰতিবেদনৰ পাতনিত যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোক মহৎ শিক্ষানুস্থানটিৰ সেৱা আগবঢ়াবৰ বাবে এই সুযোগকণ দিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ ।

অধ্যায়ণৰ লগতে জিৰণিৰো প্ৰয়োজন । ছাত্ৰ-ছাত্ৰী সকলৰ শ্ৰেণী শেষ হোৱাৰ লগে লগে এটা বিশৃংখল পৰিবেশৰ সৃষ্টি হয় । ছাত্ৰী সকল খেল পথাৰত থাকিলগীয়া হয় । সেয়ে ছাত্ৰীসকলৰ জিৰণিৰ বাবে এটা আহল বহল জিৰণি কোঠাৰ আৱশ্যক । কিন্তু আমাৰ মহাবিদ্যালয়ৰ যিটো ছাত্ৰী জিৰণি কোঠা আছে সেইটো মহাবিদ্যায়ৰ ছাত্ৰীৰ সংখ্যাৰ তুলনাত নিচেই সৰু আৰু কোঠাটোত যাৱতীয় সা সুবিধাৰ কোনো ব্যৱস্থা নাই । মই মোৰ প্ৰতিবেদনৰ জৰিয়তে সংশ্লিষ্ট কৰ্তৃপক্ষক উক্ত অভাৱ পূৰণৰ বাবে অনুৰোধ জনালোঁ ।

মই কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে জানিবলৈ পাওঁযে ছাত্ৰী-সকলৰ খেল ধেমালীৰ সা-সজুঁলি পৰ্য্যাপ্ত নহয় । মই তত্বাৱধায়িকা মহোদয়াৰ জৰিয়তে দুই এটি খেলৰ সজুঁলি কিনিবলৈ সক্ষম হওঁ । বিগত কেইবেলিৰদৰে এইবেলিও 'মহাবিদ্যালয় সপ্তাহত' মোৰ বিভাগৰ কেইবাখনো খেল অনুষ্ঠিত কৰাৰ লগতে বিশেষ আকৰ্ষণীয় কইনা প্ৰতি-যোগীতা আৰু পিঠা প্ৰতিযোগীতা অনুষ্ঠিত কৰা হয় ।

মোৰ কাৰ্য্যকাল ছোৱাত সকলো দিশতে দিহা-পৰামৰ্শ দিয়াৰ বাবে মই ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উপেন কুমাৰদেৱ, তত্বাৱধায়িকা ইচমতুন নেচা বাইদেউ আৰু অধ্যাপিকা অনুপমা ডেকা বাইদেউলৈ শলাগ লৈছোঁ ।

সদৌশেষত ছয়গাওঁ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

জয়তু ছয়গাওঁ মহাবিদ্যালয়

শ্ৰীজ্যোনালী ৰাজবংশী



# শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯৩—৯৪ ইং চন

প্ৰতিবেদনৰ পাতনিতে ছয়গাওঁ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ আৰু এই মহান শিক্ষানুষ্ঠানটোৰ কাৰণে দ্বিতীয় বাৰৰ বাবে সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়াৰ বাবে ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত উপেন কুমাৰ-দেৱলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ সামগ্ৰিক স্বাৰ্থত গুৰুত্ব পূৰ্ণ-ভূমিকালোৱা ছাত্ৰ একতা সভাখনত মোৰ উপস্থিতিয়ে কেনেকুৱা ধৰণে সহায় কৰিলে সেইটো আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। কাৰ্য্যকাল ছোৱাত মোৰ সীমিত জ্ঞানৰ বাবে অজানিতে হৈ যোৱা ভুল ক্ৰটিৰ বাবে এই সুযোগতে সংশ্লিষ্টসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ লগত সকলো সময়তে সৌজন্যতাৰ ভাৱ বজাই ৰাখি কাৰ্য্যত আগ বাঢ়িবৰ চেষ্টা কৰিছিলোঁ। কিন্তু একাংশ মুষ্টিমেয় ব্যক্তিৰ বিপৰীত চিন্তা-চৰ্চা, কৰ্তৃপক্ষৰ হেমাহি, চৰকাৰৰ উদাসীনতাত মহাবিদ্যালয়ত গা কৰি উঠা কিছুমান মৌলিক সমস্যাৰ লগতে অধ্যক্ষক লৈ কৰা প্ৰতিবাদৰ ফলস্বৰূপে জেল হাজতলৈ কেইবাবাৰো যাবলগীয়া হৈছিল।

শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে মোৰ কাৰ্য্যকাল ছোৱাত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে সামন্য পৰিমানৰ সা সৰঞ্জাম তত্বাবধায়ক মহোদয়ৰ সহায়ত যোগান ধৰা হয়। মোৰ কাৰ্য্য কালতে 'মহাবিদ্যালয় সপ্তাহত' পোন প্ৰথমবাৰৰ বাবে 'দেহশ্ৰী' প্ৰতিযোগীতা আৰু ভাৰউত্তোলন প্ৰতি-যোগীতা অনুষ্ঠিত কৰাৰ লগতে-যোগাসন, পাঞ্জা আদি প্ৰতিযোগীতা ল'ৰা-ছোৱালী উভয়ৰে মাজত পতা হয়।

মোৰ কাৰ্য্যকালছোৱাত বিভিন্ন কাম কাজ সমূহ সুচাৰুৰূপে পৰিচালনা কৰাত ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলে যি সহায় সহযোগীতা আগবঢ়ালে তাৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোক বিভিন্ন দিশত দিহা পৰামৰ্শ দিয়াৰ বাবে মোৰ বিভাগৰ তত্বধায়ক শ্ৰীযুত যতীন্দ্ৰ ৰাজবংশী মহাশয়লৈ শলাগ জনাইছোঁ।

সদৌশেষত ছয়গাওঁ মহাবিদ্যালয়ৰ সৰ্ব্বোত প্ৰকাৰৰ উন্নতি কামনাৰে প্ৰতিবেদন সামৰিলোঁ।

জয়তু ছয়গাওঁ মহাবিদ্যালয়

প্ৰদীপ কুমাৰ দাউদ



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯৩-৯৪ ইং চন

প্ৰতিবেদনৰ আৰম্ভণীতে মোক ছয়গাওঁ মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সমূহ বন্ধু বান্ধৱী, ককাই-বাইদেউক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদন হিচাপে লিখিবলৈ ছয়গাওঁ মহাবিদ্যালয়ৰ বিশেষকৈ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে কৰা কামসমূহৰ খতিয়ান ডাঙি ধৰিব পৰাকৈ কিবা কৰিছোঁনে নাই সেয়া আপোনালোকৰ বিচাৰ্য্য।

সম্পাদক হৈ বহুতো কিবাকিবি কৰাৰ আশা কৰিছিলো যদিও অৰ্থৰ অভাৱত বিশেষ একো কৰিব নোৱাৰিলো মোৰ কাৰ্য্য-কালছোৱাত মহাবিদ্যালয় সপ্তাহ ভালদৰে পালন কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিলো আৰু মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি এটি শ্ৰমদান কাৰ্য্যসূচীৰ আয়োজন কৰিছিলোঁ। এই শ্ৰমদান কাৰ্য্যসূচীত শ্ৰেষ্ঠ সমাজকৰ্মীৰ সন্মান লাভ কৰা শ্ৰীতপন দাস আৰু ধৰিত্ৰী দাসলৈ এই চেগতে ধন্যবাদ জনাইছোঁ।

মোৰ কাৰ্য্যকালছোৱাত বিভিন্ন দিশত দিহা-পৰামৰ্শ দিয়া সমূহ বন্ধু-বান্ধৱী তথা মোৰ তত্বাবধায়ক ভূষণ কলিতাদেৱৰ ওচৰত কৃতজ্ঞ।

মোৰ প্ৰতিবেদনৰ জৰিয়তে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ক সমাজসেৱা বিভাগৰ অৰ্থ দিশটো টনকীয়াল কৰিবলৈ অনুৰোধ জনালোঁ।

সদৌশেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু ছয়গাওঁ মহাবিদ্যালয়

শ্ৰীবিনোদ মেধী



# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯৩-৯৪ ইং চন

১৯৯৩-৯৪ ইং চনৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্ব্বাচনৰ সময়ত ছয়গাঁও মহাবিদ্যালয়ৰ "আছু" গোটৰ মোননীত প্ৰাৰ্থী হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক পদত অধিষ্ঠিত কৰাৰ বাবে বন্ধু-বান্ধৱীসকললৈ কৃতজ্ঞতা জনাছোঁ।

মোৰ কাৰ্য্যকালত কলেজ সপ্তাহ লগতে শংকৰদেৱৰ তিথি আৰু ৰাজহুৱা ভাৱে 'প্ৰতিষ্ঠা দিৱস' পালন কৰা হয়। আমাৰ কাৰ্য্যকালৰ স্মৰণীয় দিশটো হ'ল যেহি ভাগ সময় থানালৈ যোৱা আৰু পলাই ফুৰা। ইয়াৰ কাৰণ শিক্ষা জগতৰ কলংক স্বৰূপ বিতৰ্কিত অধ্যক্ষ শ্ৰীঅনিল বড়াই পুলিচ বাহিনীলৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ নষ্ট কৰাৰ প্ৰতিবাদ কৰিবলৈ যাওঁতেই এনেদৰে নিৰ্যাতন ভুগিব লগীয়া হয়। মই এই প্ৰতিবেদন যোগে শিক্ষাধিকৰ্ত্তাক দাবী জনাওঁ যে ছয়গাঁও মহাবিদ্যালয়ত অধ্যক্ষ শ্ৰীঅনিল বড়াক বাদে অন্য এজন উপযুক্ত অধ্যক্ষ নিযুক্তি দিবলৈ। মোৰ কাৰ্য্যকালত এখন ৰাজহুৱা সভা আহ্বান কৰা হয়। ইয়াত আমি কিমান দূৰ ফলৱতী হব পাৰিছো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

এইবাৰ আমাৰ মহাবিদ্যালয়ৰ কেইটিমান অভাৱলৈ আঙুলিয়াইছোঁ। যিবোৰ আমাৰ শৈক্ষিক দিশৰ উন্নতিৰ হেঙাৰ স্বৰূপ হৈ আছে। ছাত্ৰ-জিৰণী কোঠা, পৰ্যাপ্ত পৰিমাণৰ কিতাপ পত্ৰ আৰু আহল-বহল গ্ৰন্থগাৰ ভাল, খেলপথাৰ আৰু আধুনিক ধৰণৰ খেলৰ সঁজুলি চাৰিসীমাত দেৱালৰ ব্যৱস্থা কৰা আৰু মহাবিদ্যালয়ৰ প্ৰত্যেক শ্ৰেণীকোঠাত বিজুলী পাংখাৰ যোগান, শৈক্ষিক পৰিৱেশ গঢ়াত নিতান্তই প্ৰয়োজন। এই প্ৰতিবেদনৰ জৰিয়তে অভাৱসমূহ পূৰণ কৰিবলৈ কৰ্ত্তৃপক্ষক অনুৰোধ জনালোঁ। মোৰ কাৰ্য্যকালত প্ৰতিটো মূহুৰ্ত্ততে দিহা পৰামৰ্শ আগবঢ়োৱা বাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উপেন কুমাৰ দেৱ আৰু সাধাৰণ তত্বাৱধায়ক অধ্যাপক শ্ৰীপৰেশ অধিকাৰী দেৱৰ লগতে শিক্ষা-গুৰু সকললৈ শ্ৰদ্ধাৰে শলাগিছোঁ। মহাবিদ্যালয়ৰ কৰ্মচাৰী সকললৈ শ্ৰদ্ধাৰে শলাগছোঁ। ছাত্ৰ--বন্ধু সৰ্ব্বশ্ৰী ভদ্ৰেশ্বৰ, পুষ্প, অশ্বিনী, জয়ন্ত, তপন, দেৱ (১), দেৱ (২), দেৱানন্দ, জোন আৰু ছাত্ৰী বান্ধৱী চন্দ্ৰলেখা, মণিমা জোনালী, আইভি, গীতা, তৰু, মামনি, জোনালী প্ৰমুখ্যে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা আৰু আন্তৰিক মৰম যাচিছোঁ।

সদৌ শেষত আটাইকে বৈপ্লৱিক অভিনন্দন জনাই ছয়গাঁও মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

বিনম্ৰভাৱে —

শ্ৰীবুবুল চৌধুৰী



# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯৩-৯৪ ইং চন

প্ৰতিবেদনৰ পাতনিৰে অস্তিত্বৰক্ষাৰ আন্দোলনৰ শ্বহীদ তথা বৰ্ত্তমানৰ মুক্তি সংগ্ৰামত শান্তি স্থাপনৰ নামত চলা চৰকাৰী সন্ত্ৰাসত প্ৰাণাহুতি দিয়া সকলৈলে সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

১৯৯৩-৯৪ ইং চনৰ মহাবিদ্যালয় ছাত্ৰ-সভাৰ মনোনীত গুৰু খেল বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যক্ষেত্ৰত কিমানদূৰ সফলকাম হ'ব পাৰিছো, বিচাৰ্যতা আপোনালোকৰ।

ক্ৰীড়াৰ ক্ষেত্ৰত অতিপূৰ্ব্বৰে পৰা ছয়গাওঁ অঞ্চলৰ এক সুনাম আছে। কিন্তু আমাৰ মহাবিদ্যালয়খনে এই সুনাম ধৰি ৰখাত সম্পূৰ্ণ কৃতকাৰ্য্যতা লাভ কৰিছে বুলি মনে নধৰে। তাৰ বাবে নিশ্চয় আমি মহাবিদ্যালয় কৰ্তৃপক্ষকে দায়ী কৰিব লাগিব। এইটো স্বীকাৰ্য্য যে খেলপথাৰৰ অভাৱ, তাকৰীয়া খেলৰ সামগ্ৰী হেতুকে মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ প্ৰতিভাৰ অধিক বিকাশ সম্ভৱ হোৱা নাই। আশাকৰো মহাবিদ্যালয় কৰ্তৃপক্ষই এই দিশত ব্যৱস্থা গ্ৰহণ কৰিব।

মোৰ কাৰ্য্যকালত বিশেষ ধৰণে হিদাপৰামৰ্শ দি কাৰ্য্যপৰিচালনাত সহায় কৰা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত উপেন কুমাৰ দেৱ, তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত বিপিন পাঠক, অধ্যাপক মাননীয় শ্ৰীযুত পৰেশ অধিকাৰী ছাত্ৰ বন্ধু সৰ্বশ্ৰী ভদ্ৰেশ্বৰ, ৰাজীৱ, নিৰঞ্জন, বাবুল, মনোজ, অতুল হিতেশ, গোপাল মজনুৰ, অশোক, সুভাষ, অনিল, পঙ্কজ, তিলক, পুষ্প, ৰুণু পূৰ্ণিমা, মঞ্জু, জোনালী, অঞ্জু, দিপ্তীক মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত ছয়গাওঁ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

ধন্যবাদেৰে—
শ্ৰীউজ্জ্বল কুমাৰ কলিতা

# উপ সভাপতিৰ প্ৰতিবেদন

## ১৯৯৩-৯৪ ইং চন



প্ৰতিবেদনৰ পাতনিতেই মই ছয়গাওঁ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ/ছাত্ৰী তথা শিক্ষাগুৰু আৰু সমূহ কৰ্মচাৰীলৈ সশ্ৰদ্ধা প্ৰণিপাত জনাইছোঁ। প্ৰতিবেদন লিখিবলৈ গৈ ভাবিছো ক'ৰ পৰানো আৰম্ভ কৰো কি লিখো, মই লিখিবলৈ বহুতেই আছে। আমাৰ মহাবিদ্যালয়খনৰ জ্বলন্ত সমস্যাৰ প্ৰতিবেদন লিখিবলৈ আৰু ন হাজাৰটা পৃষ্ঠা বঢ়াব লাগিব।

সেইবোৰ যি কি নহওক। থুলমূল ভাবে মই আপোনালোকক কিছু কথা জনাব খুজিছো। আপোনালোকে জানে যে এটা বিৰাট জটিল সন্ধিক্ষণত আমাৰ কাৰ্য্যকাল আৰম্ভ হৈছিল। কাৰ্য্যকালৰ আৰম্ভণিৰে পৰা এটাই মাথো চিন্তা কৰি আহিছো সেইটো হ'ল মহাবিদ্যালয়খনৰ উন্নতিৰ প্ৰচেষ্টা। কেনেকৈ জ্বলন্ত সমস্যাবোৰৰ অৱসান ঘটাই এখন নিকা শিক্ষানুষ্ঠান গঢ়িব পাৰি সেই চেষ্টাৰ অকণো ত্ৰুটি কৰা নাই। হাজাৰ বাধা বিঘিনি মূৰ পাতি লৈ আমি কৰ্ত্তব্যত ব্ৰতী হৈ আছো। আপোনালোকেইটো আমাৰ কৰ্ত্তব্যৰ উৎস।

আপোনালোকে জানে যে একাংশ কুচক্ৰান্তকাৰীৰ বলি হব লগা হৈছে এই মহাবিদ্যালয়খন। ব্যক্তি স্বাৰ্থৰ কঠীয়া তলী কৰি কিছু স্বাৰ্থন্বেষী মানুহে নিজৰ মুনাফা আদায়ৰ প্ৰচেষ্টা চলাইছে। যাৰ বাবে বৰ্ত্তমান মহাবিদ্যালয়খন অচল অৱস্থাত পতিত হৈছে। যি একাংশই এই মহাবিদ্যালয়খনক কু-ৰাজনীতিৰ কঠীয়াতলী কৰি ধ্বংসৰ গৰাহলৈ ঠেলি দিছে সিহঁতৰ লৰা-ছোৱালী কিন্তু এইখন মহাবিদ্যালয়ত নপঢ়ে, পঢ়িছে কোনোবা চহৰৰ আভিজাত্যৰ সোৱাদ থকা মহাবিদ্যালয়ত। য'ত আমাৰ দৰে গৰীব ভিকহুৰ স্থান নাই ধনৰ অভাৱত।

মাৰ্কচিট জাল কৰা; মহাবিদ্যালয়ৰ ধন আত্মসাৎ কৰা আৰু অনেক গুৰুত্বপূৰ্ণ কেলেংকাৰীত লিপ্ত থকাৰ বাবে শ্ৰীঅনিল বৰাক ছয়গাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ পদৰ পৰা নিলম্বিত

কৰা হৈছিল। এখন শিক্ষানুষ্ঠান মুৰব্বী পদত থাকি এনে কেলেংকাৰীত লিপ্ত থকা বাবে ছয়গাওঁবাসী ৰাইজ তথা ছাত্ৰ-ছাত্ৰীয়ে শ্ৰীবৰাক ছয়গাওঁ মহাবিয়্যালয়ৰ অধ্যক্ষ পদৰ পৰা অপসাৰনৰ দাবী জনাই আহিছে। কিন্তু উৰ্ধতম কৰ্তৃপক্ষই ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ দাবী আওকাণ কৰি ৰাজনৈতিক ভাবে শ্ৰীবৰাক অধ্যক্ষ পদত পুনৰ নিযুক্তি দিবলৈ ওলোৱাত মহাবিদ্যালয়ত এক জটিল পৰিস্থিতিৰ সৃষ্টি হয়। শ্ৰীবৰাই পুলিচ বাহিনী লগত লৈ বাৰে বাৰে মহাবিদ্যালয়ত প্ৰবেশ কৰি শিক্ষানুষ্ঠানৰ পৱিত্ৰতা ক্ষুন্ন কৰিছে। ৰাজহুৱা সভাৰ প্ৰস্তাৱৰ প্ৰতি সন্মান জনাই ছাত্ৰ একতা সভাই শ্ৰীবৰাৰ এনে কুকাৰ্য্যৰ তীব্ৰ প্ৰতিবাদ জনায় আৰু তেওঁ মহাবিদ্যালয়লৈ অহাত বাধা প্ৰদান কৰে। যাৰ ফলত আমাৰ মহাবিদ্যালয়ৰ বহুতো ছাত্ৰ-ছাত্ৰী অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ গৈ নিৰ্য্যাতন ভূগিছে। আমি ঐক্যবদ্ধ ভাবে এই অন্যায়ৰ প্ৰতিবাদ কৰি আহিছো আৰু কৰিবই লাগিব। দুৰ্নীতিত লিপ্ত ব্যক্তি এজন এইখন মহাবিদ্যালয়ত পুনৰ অধ্যক্ষ হব নোৱাৰা এক ঐক্যবদ্ধ সংগ্ৰাম গঢ়িবই লাগিব। আমাৰ কাৰ্য্যকালৰ পিছত একাংশ নতুন ছাত্ৰ ছাত্ৰীয়ে মহাবিদ্যালয়খনত পৰিচালনাৰ দায়িত্ব লব লাগিব। সেইসকল ছাত্ৰ বন্ধু তথা ছাত্ৰী বান্ধৱীক অনুৰোধ জনাওঁ তেওঁলোকে যেন দুৰ্নীতিৰ লগত আপোচ নকৰি সদায় অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে।

সেয়ে সমূহ ছাত্ৰ-ছাত্ৰীৰ ঐক্যবদ্ধ প্ৰচেষ্টাত মহাবিদ্যালয়খনত উন্নতিৰ জখলাত আগুৱাই যাওক। শেষত মোৰ লগত যিসকল ছাত্ৰ বন্ধু তথা ছাত্ৰী বান্ধৱীয়ে অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰবলৈ গৈ জেল হাজোতত থাকিব লগীয়া হৈছে আৰু নিৰ্য্যাতন ভূগছে সেই সকললৈ মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। আৰু যিসকল ব্যক্তিয়ে মোৰ কাৰ্য্যকালত বিভিন্ন সু-পৰামৰ্শৰে মোক কৃতাৰ্থ কৰিলে সেই সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। সৰ্বশেষত ছয়গাওঁ মহাবিদ্যালয়ৰ উজ্জল ভৱিষ্যৎ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ছয়গাওঁ মহাবিদ্যালয়।

শ্ৰীঅতুল কলিতা
উপ সভাপতি
ছয়গাওঁ মহাবিদ্যালয়।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯৩-৯৪ ইং চন



প্ৰতিবেদনৰ পাততনিতে যিসকল ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত ছয়গাওঁ মহাবিদ্যালয় গঢ়ি উঠিল সেইসকল মহান আদৰ্শবান ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগতে ১৯৯৩ ৯৪ ইং চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্ব্বাচনত মোক জয়ী কৰি সাধাৰণ সম্পাদকৰ দৰে গুৰু দায়ীত্ব দি মহাবিদ্যালয়খনৰ লগতে ছাত্ৰ ছাত্ৰী সকলৰ সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ তেওঁলোকৰ জীৱন জ্যোতিষ্মান হওঁক।

মোৰ সম্পাদকীয় বছৰটো আনবোৰ সম্পাদকৰ লেখিয়া নহয়। নিৰ্ব্বাচন হৈ যোৱাৰ পিছৰ পৰাই এক জটিল পৰিস্থিতিৰ মাজেৰে অগ্ৰসৰ হবলৈ ধৰে। নিৰ্ব্বাচন হৈ যোৱাৰ পিছত বিভিন্ন খেলিমেলিৰ কাৰণে প্ৰায় এমাহ পাছতহে মই কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে প্ৰথম কাৰ্য্যসূচী কলা দিৱস পালন কৰিব লগীয়া হৈছিল। দেৰিকৈ কাৰ্য্যভাৰ পোৱাৰ বাবে ছাত্ৰ একতা সভাৰ আভ্যন্তৰীন কাম-কাজবোৰ অতি ততাতৈয়াকৈ চলাব লগা হৈছিল। প্ৰত্যেকটো কাৰ্য্যসূচী চলাওঁতে আৰ্থিক দিশৰ ফালৰ পৰা যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলোঁ। অতি কষ্টৰ মাজেৰেহে প্ৰতিটো কাৰ্য্যসূচী অতিক্ৰম কৰিব লগীয়াত পৰিছিলোঁ। এইবোৰ অসুবিধাৰ উপৰিও কিছুমান কাৰ্য্যসূচী পুলিচ প্ৰশাসনৰ লগতো যুঁজ বাগৰ কৰি চলাব লগীয়া হৈছিল। এই আটাইবোৰৰ মূলতে হ'ল মহাবিদ্যালয়ৰ অধ্যক্ষ সম্পৰ্কীয় খেলিমেলি। এই সমস্যাটোৱে মহাবিদ্যালয়খনক ধ্বংসৰ মুখলৈ ঠেলি দি আহিছে। আজিৰ পৰা ছ-বছৰ আগতে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীঅনিল বৰাই তেওঁৰ নিজ পত্নী ৰাজলক্ষী দত্ত (বৰা) আৰু তৰুণ মহন্তৰ মাৰ্কচিট জাল কৰি ক্ৰমে মহাবিদ্যালয় গ্ৰন্থগাৰীকা আৰু প্ৰবক্তা হিচাবে নিযুক্তি দিয়াৰ অভিযোগ উত্থাপিত হোৱাত শ্ৰীমতী দত্ত

( বৰা ) আৰু শ্ৰীমহন্তৰ মাৰ্কচিট সম্পূৰ্ণ ভাৱে নকল বুলি প্ৰমাণিত হোৱাৰ পিছত শিক্ষাধিকৰ্ত্তাই তেওঁলোকক চাকৰিৰ পৰা বৰ্খাস্ত কৰে। মাৰ্ক-চিট জালিয়াতি আৰু মহাবিদ্যালয়ৰ বিত্তীয় খেলি মেলি আদিকে ধৰি কেবাটাও কেলেংকাৰীত লিপ্ত থকাৰ অভিযোগত বৰাকো ১৯৮৮ চনৰ ১২ আগষ্ট তাৰিখে অধ্যক্ষ পদৰ পৰা নিলম্বিত কৰে। এনেকুৱা জঘন্য কেলেংকাৰীত লিপ্ত থকা বাবে ১৯৯১ চনত দুখন ১৯৯৪ চনত এখন ৰাজহুৱা সভা আহ্বান কৰি ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে সৰ্ব্বসন্মতিক্ৰমে এনেকুৱা দুৰ্নীতি পৰায়ণ ব্যক্তিক মহাবিদ্যালয়খনত আইনে দিলেও পুনৰবাৰ অধ্যক্ষ হিচাবে গ্ৰহণ নকৰাৰ সিদ্ধান্ত লয়। ইয়াৰ উপৰিও ১৯৯৩ চনত দক্ষিণ কামৰূপৰ সাতখন মহাবিদ্যালয়ক লৈ এখন যৌথ সভা আহ্বান কৰা হৈছিল আৰু সেই সভাখনতো শ্ৰীবৰাক অধ্যক্ষ হিচাপে গ্ৰহণ নকৰাৰ সিদ্ধান্ত লয়। কিন্তু নিলম্বিত অধ্যক্ষ শ্ৰীবৰাক একচত্ৰী শাসন চলোৱা বৰ্ত্তমান চৰকাৰখনে আৰু কেইজনমান স্থানীয় ব্যক্তিয়ে ৰাইজক বিশ্বাস ঘাটকতা কৰি তওঁলোকৰ নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে শ্ৰীবৰাৰ কাষ চাপে আৰু তেখেতক পুনৰ অধ্যক্ষ পদত অধিস্থিত কৰাৰ ষড়যন্ত্ৰ চলায়, যাৰ ফলত নিলম্বিত অধ্যক্ষ গৰাকীয়ে দেহৰক্ষী আৰু পুলিচ প্ৰশাসন লগত লৈ মহাবিদ্যালয়ত বাৰে বাৰে উপস্থিত হৈ বিশৃঙ্খলতাৰ সৃষ্টি কৰাৰ লগতে শৈক্ষিক পৰিৱেশত আঘাত হানিছে। কিন্তু পূৰ্ব্বৰ ৰাজহুৱা সভাৰ সিদ্ধান্ত মৰ্মে ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে শ্ৰীবৰাক মহাবিদ্যালয়ত প্ৰৱেশ কৰাত বাধা প্ৰদান কৰে। আৰু এইদৰে অন্যায়ৰ বিৰুদ্ধে মাত মাতি অহা বাবে মহা-বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উপেন কুমাৰ দেৱ কাৰ্য্যালয়ৰ মুখ্য সহায়ক শ্ৰীযুত সত্যৰাম দাস, ছাত্ৰ একতা সভাৰ উপ সভাপতি শ্ৰীঅতুল কলিতা, প্ৰাক্তন উপ সভাপতি শ্ৰীভদ্ৰেশ্বৰ দাস আৰু মহাবিদ্যালয়ৰ বহুকেইজন ছাত্ৰ লগতে আঞ্চলিক ছাত্ৰ সন্থাৰ।বয়য়ববীয়। আৰু ৰাইজৰ প্ৰতিনিধি আদিকে ধৰি প্ৰায় ৫০ জনমান নিৰিহ ব্যক্তিক চোৰ, ডকাইত, গুণ্ডা সজাই জেইল খুওৱাৰ লগতে ছয় সাতটাকৈ কেছ ( Cess ) জাৰি কৰিছে আৰু এইসকল ব্যক্তিৰ লগতে ময়ো এবাৰ জেইল খোৱাৰ লগতে বৰ্ত্তমান সাতটা কেছ বহন কৰিব লগাত পৰিছোঁ। যাহওক এই আটাইবোৰ কষ্ট স্বীকাৰ কৰিও এজন দুৰ্নীতিকাৰীৰ বিৰুদ্ধে এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি অহা বাবে ছয়গাওঁ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে ছয়গাওঁ আঞ্চলিক ছাত্ৰ সন্থা আৰু স্থানীয় ৰাইজক মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আনপিনে মহাবিদ্যালয়ৰ বৰ্ত্তমান যিখন পৰিচালনা সমিতি আছে তেওঁ-লোকৰ আজিলৈ মহাবিদ্যালয়খনৰ লগত সাক্ষাত হোৱা নাই। আজি দু-বছৰ ধৰি পৰিচালনা সমিতিখনৰ অমনোযোগিতাৰ বাবেই মহাবিদ্যালয়-খনৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰী সকলৰ আজি পানীত হাঁহ নচৰা অৱস্থা। অসমীয়াত এযাৰ প্ৰবচন আছে যে "আছে গৰু নাবায় হাল হোৱাতকৈ নোহোৱাই ভাল।" ঠিক মহাবিদ্যালয়ৰ পৰিচালনা সমিতিখনৰ ক্ষেত্ৰটো

…কে অৱস্থা হৈছে। তেওঁলোকে মহাবিদ্যালয়ৰ এই অচলা অৱস্থা চাই নাকত তেলদি শুই থকাটো আমি নিবিছাৰো।

হে মহামান্য সুধিবৃন্দ মহাবিদ্যালয়খনৰ এই ভয়ানক সমস্যাটোৰ বিষয়ে ব্যক্ত কৰি ওৰপেলাব পৰা নাযাব। সেয়ে ততালিকে আমাৰ কাৰ্য্যকাল অতীত হোৱা সময় চোৱাৰ ভিতৰত কি কৰিব পাৰিলোঁ তাৰ এটি চমু কাৰ্য্যবিৱৰণী ডাঙি ধৰিলো।

ক) **মহাবিদ্যালয় সপ্তাহ :**– ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা আৰু দক্ষতাক জোখ-মাপ কৰিবলৈ প্ৰতি বছৰে মহাৰিদ্যালয় সপ্তাহ পালন কৰা হয়। এই বেলিও সেই একে উদ্দেশ্যৰে ছাত্ৰ-ছাত্ৰী সকলৰ শাৰীৰিক আৰু মানসিক প্ৰতিভা বিকাশ জুখি চোৱাৰ মানসেৰে ৩-১০-৯৪ইং তাৰিখত বিভিন্ন খেল ধেমালিৰে আৰম্ভ কৰি ১০-১০-৯৪ ইং তাৰিখত সামৰণি মৰা হয়। এই বেলিৰ বিভিন্ন প্ৰতিযোগীতা সমূহৰ ভিতৰত 'মাৰাথন দৌৰ' প্ৰতিযোগীতাখন বিশেষ আকৰ্ষণীয় হৈ পৰিছিল।

উক্ত-প্ৰতিযোগীতাত সৰহ সংখ্যক খেলুৱৈয়ে যোগদান কৰাৰ উপৰিও অধ্যাপক শ্ৰীযুত যোগেন্দ্ৰ কুমাৰ দাস আৰু শ্ৰীযুত বিপিন পাঠকে খেলত অংশ গ্ৰহণ কৰি খেলখনৰ সৌষ্ঠৱ বঢ়ায় খেলুৱৈ সকলক অধিক উৎসাহিত কৰাৰ লগতে তেখেত-সকলৰ খেলুৱৈ সুলভ মনৰ পৰিচয় দিয়ে। অধ্যাপক ক্ৰমে শ্ৰীযুত পৰেশ অধিকাৰী শ্ৰীযুত নগেন কলিতা আৰু শ্ৰীযুত মৃনাল বৰাইও খেলখন পৰিচালনা কৰাত আমাক বিভিন্ন প্ৰকাৰে সহায় সহযোগীতা আগ বঢ়োৱাৰ বাবে মই তেখেতসকলক কৃতজ্ঞতা জনাইছোঁ।

খ) **সৰস্বতী পূজা :**—এই বেলিও আমি আমাৰ মহাবিদ্যালয়ত সৰস্বতী পূজাখন ১৫-২-৯৪ ইং তাৰিখত অতি উলহ মালহেৰে পাতো। এই বাৰৰ সৰস্বতী পূজাত বহু সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা আমি দেখা পাওঁ। পূজা কমিটিৰ সভাপতি অধ্যাপক শ্ৰীযুত যোগেন্দ্ৰ কুমাৰ দাস আৰু সাধাৰণ সম্পাদক হিচাপে মোক বাচনি কৰিছিল।

গ) **যুৱ মহোৎসৱ :** ১) ১৬-২-৯৪ ইং তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ত যুৱমহোৎসৱ আৰম্ভ হয়। এই মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰো এটি দলে যোগদান কৰে। কিন্তু অতি পৰিতাপৰ বিষয় ইয়াত আমাৰ মহাবিদ্যালয়ে কোনো বিশেষ পাৰদৰ্শিকতা দেখুৱাব নোৱাৰিলে।

**কাৰ্য্যসূচী পালন:** —১) মহাৰিদ্যালয়ত অধ্যক্ষৰ খেলিমেলিৰ সুযোগলৈ মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়ত্ৰী আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰী সকলে নিজ নিজ দায়ীত্বৰ প্ৰতি অৱহেলা কৰা বাবে ১২-৪-৯৪ ইং তাৰিখত ছাত্ৰ একতা সভাই মহাবিদ্যালয়ত তলা বন্ধ কাৰ্য্যসূচী পালন কৰি শিক্ষক-শিক্ষয়ত্ৰী বৃন্দক নিজ কৰ্ত্তব্যৰ প্ৰতি অৱহেলা নকৰিবলৈ সকিয়াই দিয়া হয়।

২) নিলম্বিত অধ্যক্ষ গৰাকীয়ে মহাবিদ্যালয়ত সঘনে পুলিচ বাহিনী প্ৰৱেশ কৰোৱাৰ প্ৰতিবাদত ২৯'৭৷৯৪ ইং তাৰিখে ছাত্ৰ-একতা সভাই মহাবিদ্যালয়ত তলা বন্ধ কাৰ্য্যসূচী হাতত লৈছিলোঁ। কিন্তু সেইদিনাখনেই নিলম্বিত অধ্যক্ষ গৰাকীয়ে দেহৰক্ষী আৰু পুলিচ প্ৰশাসন লগতলৈ

পুনৰ মহাবিদ্যালয়ত উপস্থিত হয় আৰু বলপুৰ্বক ভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ বাধাক আওকান কৰি পুলিচ বাহিনীৰ দ্বাৰাই অকথ্য নিৰ্যাতন চলাই ছাত্ৰ-ছাত্ৰী সকলক বন্দুৱাই মূল গেটৰ তলা আৰু অধ্যক্ষৰ কোঠাৰ তলা ভাঙি মহাবিদ্যালয়ৰ অধ্যক্ষৰ কোঠাত প্ৰৱেশ কৰি কাঠৰ আচবাব-পত্ৰ লণ্ড ভণ্ড কৰি গুচি যায়।

ঙ) ৩০-৭-৯৪ ইং তাৰিখে শ্ৰীবৰাৰ এনে কুকাৰ্য্যৰ তীব্ৰ প্ৰতিবাদ জনাই ছাত্ৰ একটা সভাই অৱস্থান ধৰ্মঘট পালন কৰে।

ঘ) **ৰাজহুৱা সভা আহ্বান** :—নিলম্বিত অধ্যক্ষ গৰাকীয়ে বাৰে বাৰে ছাত্ৰ ছাত্ৰী সকলক হাৰা-শাস্তি কৰাৰ বাবে বিষয়টো পুণৰ পৰ্য্যালোচনা কৰাৰ বাবে ৬-৮-৯৪ ইং তাৰিখত এখন ৰাজহুৱা সভা আহ্বান কৰা হয়। এই সভাখনটো তেখেতক পুনৰ অধ্যক্ষ হিচাবে মহাবিদ্যালয়ত গ্ৰহণ নকৰাৰ সিদ্ধান্ত লয়।

ঙ) **নৱাগত আদৰণি সভা** :—মহাবিদ্যালয়ত পদাৰ্পন কৰা ন ন ছাত্ৰ-ছাত্ৰী সকলক বছৰি বছৰি আদৰণি জনাই আহিছো আৰু সেই উদ্দেশ্যেৰে আমিও এই বেলি বিভিন্ন কাৰ্য্যসূচীৰে নৱাগত আদৰণি সভাখন পতাৰ সিদ্ধান্তলৈ ৭-১২-৯৪ ইং তাৰিখত দিন ধাৰ্য্য কৰা হৈছিল। কিন্তু ইয়ো এক দুখৰ বিষয়। সেইদিনা ৮-৩০ বজাৰ পৰা কাৰ্য্যসূচী আছিল যদিও আমি ২-৩০ বজাতহে কাৰ্য্যসূচী আৰম্ভ কৰিব লগা হয়। নিলম্বিত অধ্যক্ষৰ আদেশ মতে সেইদিনা ৮-০০ বজাতেই গোটেই মহাবিদ্যালয়খন পুলিচ বাহিনীয়ে ঘেৰি ৰাখিছিল। আৰু মহাবিদ্যালয়লৈ অহা ছাত্ৰ-ছাত্ৰী সকলক খেদি পঠিয়াইছিল। মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীউপেন কুমাৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি শ্ৰীঅতুল কলিতা সহসাধাৰণ সম্পাদক বুবুল চৌধুৰী আৰু মোক ধৰাৰ বাবে চোকা পহৰা ৰাখিছিল। যাৰ ফলত আমি সভাৰ কাৰ্য্যসূচী চলোৱাৰ পৰিবৰ্তে পলাই থাকিব লগাত পৰিছিলোঁ। সভালৈ আমন্ত্ৰণ জনোৱা বিশিষ্ট ব্যক্তি শ্ৰেষ্ঠ উপন্যাসিক মাননীয় শ্ৰীযুত হিতেশ ডেকা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰৱক্তা ডঃ সৈত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, স্থানীয় বিধায়ক ডাঃ কমলা কলিতা আৰু আছুৰ নেতৃবৃন্দ মহাবিদ্যালয়ত প্ৰৱেশ কৰাৰ পৰা আতৰি থাকিব লগীয়া হৈছিল।

উপায় বিহীন হৈ ছাত্ৰ-ছাত্ৰী সকলে স্থানীয় ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় ঘেৰাও কৰি মহাবিদ্যালয় খনক পুলিচৰ হাতৰ পৰা মুকলি কৰি দিবলৈ ধৰ্ণাদি প্ৰতিবাদ জনায়। প্ৰায় এঘণ্টা সময় বৰষুণত তিতি তিতি এনেদৰে ধৰ্ণা দি থকাৰ পিছত ৰাজহ চক্ৰ বিষয়া গৰাকীয়ে মহাবিদ্যালয়ৰ পৰা পুলিচ বাহিনী আতৰাই অনাৰ কথা সদৰি কৰাত ছাত্ৰ-ছাত্ৰী সকলে ঘেৰাও কাৰ্য্যসূচী প্ৰত্যাহাৰ কৰে আৰু ছাত্ৰ-ছাত্ৰী সকল মহাবিদ্যালয়ত মিলিত হয়। এনে এক দুৰ্যোগৰ মুহূৰ্ত্তত নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। এনেকুৱা দুৰ্যোগ পূৰ্ণ অৱস্থাৰ মাজতো অতিকষ্ট আৰু ধৈৰ্য্যৰে সভাখন চলাই নিয়াত শ্ৰীযুত ডেকা দেৱ ডঃ গোস্বামী দেৱ বিধায়ক মহোদয় আছুৰ নেতৃবৃন্দৰ লগতে স্থানীয়

ৰাইজ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

চ) উৎসৱ :– আমাৰ কাৰ্য্যকালত (২০-৮-৯৪ ইং তাৰিখত 'ফাটেহা ই দোৱাজ দাহম' ৬-৯-৯৪ ইং তাৰিখত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আৰু ৭-৯-৯৪ ইং তাৰিখে মহাপুৰুষ শংকৰ দেৱৰ তিৰোভাৱ তিথি আদি উলহ মালহেৰে পালন কৰা হয়।

পুলিচ বাহিনীক উভতাই নিয়াৰ বাবে প্ৰতিবাদ :– নিলম্বিত অধ্যক্ষ গৰাকীয়ে দেহ-ৰক্ষী আৰু পুলিচ বাহিনী লগতলৈ ৭-১১-৯৪ ইং তাৰিখত পুণৰ শেহতীয়া ভাৱে মহাবিদ্যালয়ত প্ৰৱেশ কৰে। শ্ৰীবৰাই ছাত্ৰ ছাত্ৰী সকলক চত্ৰ-ভংগ কৰাবলৈ পুলিচ বাহিনীৰ হতুৱাই লাঠীচালনা কৰে। যাৰ ফলত কেবাজনো ছাত্ৰ-ছাত্ৰী গুৰুতৰ ভাৱে আহত হয়। কিন্তু লাঠিচালনা কৰাৰ স্বত্বেও ছাত্ৰ ছাত্ৰী সকল প্ৰতিবাদ সাব্যস্ত কৰ'ৰ পৰা বিচলিত নহৈ শ্ৰীবৰাক মহাবিদ্যালয়ৰ পৰা খেদি পঠিয়াই। শ্ৰীবৰাই উভতি যাওতে ছয়গাওঁ আৰক্ষী চকীত ২৮ জন নিৰ্দোষী ছাত্ৰৰ ওপৰত কেচ দি যায়। যি সকল ছাত্ৰ সেইদিনাখন মহাবিদ্যালয়ত উপস্থিতেই নাছিল। আমি ছাত্ৰ একতা সভাই লাঠীচালনাৰ ন্যায়ীক তদন্তৰ দাবী জনাওঁ।

শ্ৰীবৰাৰ এনে কুকাৰ্য্যৰ প্ৰতিবাদ জনাই ১০-১১-৯৪ ইং তাৰিখে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে কামৰূপ জিলাৰ অন্তৰ্গত সমূহ শিক্ষানুষ্ঠানত কলা পতকা উৰুৱাই প্ৰতিবাদ সাব্যস্ত কৰে। এইখিনিতে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থালৈ মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

ঞ) ছাত্ৰসন্থাৰ কাৰ্য্য সূচী : এই আটাইবোৰ কাৰ্য্যসূচীৰ উপৰিও সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ মহকুমা ছাত্ৰ সন্থাৰ আৰু আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিটো কাৰ্যসূচীতে আমি শক্ৰিয় অংশ গ্ৰহণ কৰি আহিছোঁ।

ঝ) ছয়গাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ সম্পৰ্কীয় বিতৰ্কৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে আৰু মহাবদ্যালয়খনৰ পৰা অনিল বৰাক আতৰ কৰা দাবী লগতে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাংগঠানিক সম্পাদক শ্ৰীমুকুন্দ দাস, ছয়গাওঁ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীঅঞ্জন গোস্বামীকে ধৰি কেৱাজনো ছাত্ৰ নেতা, স্থানীয় ব্যৱসায়ী শ্ৰীপ্ৰদীপ দাসক পুলিছে বিচাৰি হাৰাশাস্তি কৰাৰ প্ৰতিবাদত সদৌ গুৱাহাটী মহ-কুমা ছাত্ৰ সন্থাই ৮.৮.৯৪ ইং তাৰিখত ছয়গাওঁ মহাবিদ্যালয় আৰু গুৱাহাটী সদৰ স্থানত ৮ ঘণ্টা জোৰা অৱস্থান ধৰ্মঘটৰ কাৰ্য্যসূচী ঘোষণা কৰে। ছয়গাওঁ মহাবিদ্যালয়ত পালন কৰা উক্ত কাৰ্য্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীসমুজ্বল কুমাৰ ভট্টাচাৰ্য্য দেৱ আৰু আছু শিক্ষা আৰু সাংস্কৃতিক সম্পাদক শ্ৰীদিপাংক নাথ দেৱে মহা-বিদ্যালয়লৈ আহি পৰিস্থিতিৰ বুজ লয়। এই অৱস্থান ধৰ্মঘটত ছয়গাওঁ আঞ্চলিক ছাত্ৰ সন্থা, দক্ষিণ কামৰূপ ছাত্ৰ সন্থা আৰু দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ প্ৰতিনিধি সকলে মহাবিদ্যা-লয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগত সহযোগ কৰি কাৰ্য্যসূচী সফল কৰি তোলে।

## (ঞ) অভাৱ অভিযোগঃ

১৯৯৫ ইং বছৰটোত ছয়গাওঁ মহাবিদ্যালয়ে কুৰি বছৰৰ দেওনা পাৰ কৰি ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়াৰ পথত আগ বাঢ়িছে। কিন্তু আজিলৈ মহাবিদ্যালয়খনৰ কোনো বিশেষ উন্নতি পৰিলক্ষিত হোৱা দেখা নাই। সৌ সিদিনা আমাৰ পাছত প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয় সমূহ দোপতদোপে উন্নতিৰ পথত অগ্ৰসৰ হৈছে। আজি কুৰি বছৰ অতিক্ৰম কৰাৰ পিছতো আমাৰ মহাবিদ্যালয়ত অভাৱৰ অন্ত নাই। এই অভাৱ বোৰৰ প্ৰতি লক্ষ্য ৰাখিয়েই আমি বিভিন্ন সভাৰ জৰিয়তে প্ৰস্তাৱ লৈ কৰ্তৃপক্ষৰ ওচৰত স্মাৰক দাখিল কৰিছিলোঁ। কিন্তু কি হব 'গটিয়াই নিয়া মানুহ নাই আমি ড'লাত যাব খুজো।'' মহাবিদ্যালয়ৰ অধ্যক্ষৰ খেলি মেলিটোৰ বাবে কোনো এটা কামেই বাস্তৱত ৰূপ নাপালে। আমাৰ মহাবিদ্যালয়ত বৰ্ত্তমানে দূৰ নোহোৱা প্ৰধান প্ৰধান অভাৱবোৰ সংক্ষেপে দাঙি ধৰিলো।

(১) ছাত্ৰ-ছাত্ৰী অনুপাতে শ্ৰেণী কোঠাৰ অভাৱ।

(২) বাণিজ্য শাখাতো অতি কম সংখ্যক শিক্ষকেৰে পৰিচালিত হব লগা হৈছে। যাৰ ফলত ছাত্ৰ সকলে এটা বৃজাব নোৱাৰা অসুবিধাৰ সন্মুখীন হৈ আহিছে।

(৩) ছাত্ৰ-ছাত্ৰী অনুপাতে এটা উন্নতমানৰ গ্ৰন্থগাৰৰ লগতে পৰ্য্যাপ্ত পৰিমাণৰ কিতাপৰ অভাৱ।

(৪ গৰমৰ দিনত ছাত্ৰ-ছাত্ৰী সকলে মাত্ৰ কেইটামান কোঠাৰ বাহিৰে বিজুলী বিছনী নোহোৱাকৈ অসহ্য গৰমত শ্ৰেণীসমূহ কৰিব লগা হয়।

(৫) মহাবিদ্যালয়ৰ চাৰিও ফালৰ পকী বেৰ (wall) নোহোৱা বাবে গৰু, ছাগলীৰে মহাবিদ্যালয়খন ভৰি থাকে। যাৰ ফলত মহাবিদ্যালয়খনত এটা আচহুৱা পৰিবেশৰ সৃষ্টি হয়।

(৬) মহাবিদ্যালয়ত উন্নতমানৰ মুত্ৰাগাৰ আৰু শৌচগাৰৰ অভাৱ।

(৭) মহাবিদ্যালয়ৰ ছাত্ৰ-জিৰণি কোঠাটো আজিলৈ হৈ উঠা নাই। ছাত্ৰী জিৰণি কোঠাটো আছে যদিও তাৰ অৱস্থা অতি শোচনীয়।

(৮) পাঁচটা বিষয়ৰ বাহিৰে বাকী বিষয়বোৰত প্ৰধান (Major) বিষয় নোহোৱা বাবে ছাত্ৰ ছাত্ৰী সকলে ইচ্ছামতে বিষয় বাছি অধ্যয়ন কৰাৰ পৰা বঞ্চিত হৈছে।

(৯) আমাৰ মহাবিদ্যালয়ৰ কেণ্টিনখনৰ অৱস্থা অতি শোচনীয়।

(১০) ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়টোৰ অৱস্থা অতি দুখ লগা।

(১১) মহাবিদ্যালয় খেল পথাৰখনৰ অৱস্থা অতি শোচনীয়; অৱশ্যে এই সম্পৰ্কে আমি স্থানীয় বিধায়ক ডাঃ কমলা কলিতাদেৱক অৱগত কৰোঁতে ৫০,০০০ (পঞ্চাশ হেজাৰ) টকাৰ এটি অনুদান দিয়াৰ আশ্বাস দিয়ে। মহাবিদ্যালয়ৰ এই চিৰদিনীয়া অভাৱটো দূৰ কৰিব বুলি আশা কৰি বিধায়ক মহোদয়লৈ কৃতজ্ঞতা জনালোঁ।

(১২) বৰ্দ্ধিত সংখ্যক ছাত্ৰ ছাত্ৰীৰ তুলনাত ডেস্ক-বেঞ্চৰ সংখ্যা বহুপৰিমাণে কম। যাৰ

ফলত ছাত্ৰ ছাত্ৰীসকলে থিয় হৈ শ্ৰেণীসমূহ কৰিব লগা হয়।

**কৃতজ্ঞতা স্বীকাৰঃ**

মোৰ কাৰ্য্যকালৰ ভিতৰত বিভিন্ন ধৰণে দিহা-পৰামৰ্শৰে দায়িত্ব পালনত যথেষ্ট ধৰণে সহায় সহযোগ আগবঢ়োৱা বাবে শ্ৰদ্ধাৰ ভাবপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উপেন কুমাৰ দেৱ, মোৰ শ্ৰদ্ধাৰ তত্বাৱধায়ক শ্ৰীযুত পৰেশ অধিকাৰী দেৱ, মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা, মহাবিদ্যালয়ৰ মুখ্য কাৰ্য্যালয় সহায়ক শ্ৰীযুত সত্যৰাম দাসৰ লগতে সমূহ কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, মহাবিদ্যালয় আছু গোটৰ বিষয়ববীয়াৰ লগতে সমূহ সদস্য, ছয়গাওঁ আঞ্চলিক ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়া, ছয়গাওঁবাসী ৰাইজ আৰু ছয়গাওঁ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীক শ্ৰদ্ধাৰে শলাগিছোঁ। ছয়গাওঁ মহাবিদ্যালয়ৰ ভৱিষ্যৎ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ছয়গাওঁ মহাবিদ্যালয়।

ধন্যবাদেৰে—

শ্ৰীৰঞ্জিৎ কুমাৰ ঠাকুৰীয়া
সাধাৰণ সম্পাদক,
ছাত্ৰ একতা সভা,
ছয়গাওঁ মহাবিদ্যালয়।
২২/১/৯৫ ইং

# KALAHI

**8th and 9th Issue**

**1992-93/1993-94**

# ENGLISH SECTION

## CONTENTS


1. A Talk To My Student Friends

   Baharul Islam Saikia.

2. A Passage on Drama

   Sri Sormila Roy.

3. Hope

   Reema Das.

4. Shadow

   Mr. Rabin Boro.


0 0 0 0

# A TALK TO MY STUDENT FRIENDS

BAHARUL ISLAM SAIKIA
TDC 2nd yr. Eng. ( Major )

Friends, I stand before you to express my thoughts on 'study' which is one of the factors responsible for our achievement in the exam. of course, my approach is somewhat introspective and not analytic. I would not be wrong to say that every conscientions person can naotice the despairing friluse of our students in the examinations. Here, I donot want to mean the qual ty but the quantity when more than 65% students fail in the examination. But do my student friends ever think of it ? While the peaple are going with discoveries and adventurons deeds, we fail to obtain 30% marks reading for the whole year. How ritiable ! How dispuately we are going to harm ourselves along with our family and the country ! Shall we not stop its wide leg ? No doubt, we can bar the way dut before going to that point I want to teach the reasons.

After passing the HSLC examination we step quickly into a college, from a circumscr bed surround ng to an open field Naturally, the new comers express abnormal ty being self willed. A good number of students run af'er love affairs, vain heroism etc. They gather in group and waste valuable time for nothing. As a result they miss their classes and fail to complete the courses for them Moreover we have numerous interruptions which snatch away our classes. It is needless to say that they experience the political unrest day by day. There is excit-

ment everywhere, the entire country is engulled by variagated problems. We get superfl us holidays besides official hol days. In a rough measure, we donot get more than a hundred & twenty days for an academic session. Thus having no nexus with our course we become serious to think about the examination. In this case, the condition of our irregular students can be alliel to the proverb—"A sleeping fox catches no poultry". Do they have any means except copying ? They donot hesitate to adopt the unfair means in the examinations and this is no less than a violence in education.

Apart from the negligence of our students, we must be aware of our defective educational system. In our state few colleges are taken by the government while the other ones suffers under difficulties. We donot have competent teachers, class rooms, standard library, apparatus etc etc. There is no classification of students, all types of students are taught by the same teacher who has to take care of the common students, the largest part of the class; As a result the taletned students are generally deprived of their due in the class.

Teachers are the builders of the nation in the sense that they make us perfect by their teaching and we make our nation perfect. Thus teaching means some scrt of reciprocation. But some teachers soem to show little regard to the mutual process. Some of them donot hesitate to discourage the students. In this case, how can we expect effrctive education ? How will a student approach the teacher ?

Moreover, there are teachers who express their political attiiude which acts like poison in the institution. They are enthusiastic persons to involve themselves in politics.

Now let's turn a bit to our guardians. To day, our guardians are fully aware of the need education and they take a lot of troubles to get us educated but in return cannot have the gratification that we have done our duty.

Dear friends, if you are not self conscious then all my arguments given above would be worthless. You must take steps yourselves to make your life prosperous. Nothing is impossible

to you if you think that life is a challenge. I should tell you that the d.sappointing results in the examination can never be a recurring problem If my student friends make the habit of study. It is hardly an exaggreation to say that the students who cannot follow such a rule can never do anything in life. Friends, we should not involve ourselves in politics in the name of patriotism. To make ourselves perfect thrcugh education is the best way of servirg our home along with our ccuntry. We should not be fatal.sts but sh uld study hard and this can provide with the surest success.

— o —

"Reading maketh a full man, Conference a ready man."

"Some books are to be tasted, others to be swallowed, and some few to be chewed and digested."

Frahcis Bacon.

# A passage on Drama

Sri Sormila Roy
Dipartment of English

The history of English drama dates from the II th century, first drama came as the form of miracle, or mystery plays or interluder, they were all deeply connected with the Bifle and the language was Latine, it was the work of the priests who used it to convey the truths of their rellig'on to the illiterate rasses.

They were staged outside the church and acted mostly by males. But with the coming of prominent writers, the idea of drama under went a great change. Dramas got new life imbibed in them. The touch of cotour and freshness in dramas attracted more and more audiences it was no more monotonous for people. Dramas were no more confined to Godly stories of the Bifle or other religious books, but they started taking the form of either tragedy or comedy or the blend of both i.e. tragi-comedy, The first comedy was by Nicholas Udall Known as Ralph-Roister Doister and first tragedy 'Gorbodue' by Thomas Saekville and Norton respectively. Dramas would represent their respective ages. Down the posterity people have been find ng new sorts of inspiration for their day to day life. According to that son epic was composed for recitation. the modern novel is written to be read, the drama is designed for representation by actors who impersonate the characters of its story ; and among

whom the narrative and di a logue are distributed.

William Shakes Peare was one of the greates dramatist who has succeeded in surpassing others by his gallent dramas. His contribution to this art from of literature is really praiseworthy. His dramas were mostly borrowed pieces but with his great skill of handling, he could give them new form, new colour, new style and dialogues: He could portray both imaginary and historical characters with surpassing vividness. His characters are at once living and true. His sense of humour was also superb. His clowns prattled but they never seemed to be foolish or vulgur. His heroes were brane, chivalrous and manly. His heroins were always naive, simple and charming. His other was quite exulting.

His contemporaries all tried to be in their best. Ben Jonson, christopher Marlow, John wefster all needs special creation. They all tried to enrich English literature with their contributions.

Dramas did not come to stop with the Elizabethan period. It is a continuing process, so the work was carried on by Bernard shaw, J. B, priestly, T. S. Eliot, John osborne as many others, with out whom this art form would have come to a stand-still.

So, we see right from the early age's dramas have been attaining a prominent place and played a great role in inspiring man spiritually and mentally. Dramas are exitariting for its colourful and attractive. Prior only males took active part in the stage but now females have gained equal right to aet on the stage. Dramas are out standing feature in the cuttnral field also. So drama has been serving us with social and cultural and educational relevence right from early ages.

# CHANGING ECONOMIC STRUCTURE AND POPULATION GROWTH OF ASSAM.

Dr. S. Das.
Department of Economies

Development of any country or any state is generally measured with the help of national or state income or per capita income. The higher is the national or state income the higher is the development and vice versa. Although these two things are not real indicators of economic development every country of the globe regards these two indicators for measuring economic development.

Changing structure of economy implies the level of development of the people as well as the standard of living of the people of any year with the previous year. The article is an attempt to discuss the changing economic structure and population growth of Assam for the last twenty years (1970-71 to 1990-91). Along with its changing strueture of state domestic product, it attempts to analyse the changing nature of some important sectors of the economy like agriculture, industry etc. For the convenience of the discussion only the state income at current prices has been taken into consideration.

Daring the study it was observed that there was no estimation regarding inflow and out flow of income of the state. However, inspite of all these limitations secondary data available in different sources show that state domestic product haa been increased from Rs. 758 crores in 1970-71 to to Rs. 8680 crores in 1990-91 at current prices. The rate of increase was 1045 percent during the period, while the per capita SDP was increased from Rs. 539 in 1970-71 to Rs. 3932 in 1990-91 with a rise of only 629 percent during the period which was far below the increase of SDP perce-

ntage. Moreover, it was below the national figure at Rs. 4252 in 1990. It was felt that SDP was increased at higher rate due to the inflation generally after 1990 and cause of the low growth rate of per capita inceme was due to the higher growth rate of population which rose from 146 lakhs in 1971 to 224 lakhs in 1991 with an ibcrease ef 53.43 percent during the period.

Occupational distribution of state income shows that primary sector which includes agriculture and allied services occupy an important place in the state economy with a declining trend, 57.4 percent in '70-71 to 47.9 percent in '90-91. On the other hand contribution of both the secondary and tertiary sectors have been increasing favourably. But the progress is very slow.

The ecenomy of the state was basically agrarian in nature as about 77 perceaf of the total working population was engaged in agriculture in 1971. Of course, dependence on agriculture declined significantly in the last twenty years. According to census 1991 the percentage of working population engaged in agriculture was 64.14 percent of the total working populntion.

Productivity of any crop shows its state of development. Rice wheat is the main crop of the state is being cultivated in an area of 2526 thousand heetares. Productivity of this crop was 1022 kg per hectare in 1970-71 and rose to 1300 kg in '9091. But it deelined to 1126 kg in 1985-86. Although overall foodgrains prodction is the state shows a significant increase during the period rising from 20.34 lakh tonne in 1970-71 to 33.74 lakh tonne in 1990-91. But it is interesting to note that Assam produces only 2 percent of the country's total foodgrains production. Foodgrains production would have incaeased during the period, but the almost regular occurrence of flood every year causes heavy damnges to the production particularly rice. Value of crops damaged was Rs. 8.65 crores in 1976 and it rose to Rs. 14.74 crores in 1983.

Although Assam entered the industrial age many decades ago with the production of tea, petroleum and

coal products Assam is still very backward in industries even with immese possibilities of industries due to the availability of various natural resources. Even North Lakhimpur and N. C. Hills Districts were declared as no industry districts'.

Howver, the tatal no of factories in the state increased from 1604 in 1971 to 2677 in 1990 and index of indsutrial production ( base 1970-100 ) was 103 in 1971 and rose to 189 in 1990.

Undoubtedly, slow rising price level is regarded as a tonic to the economy; but against this, rise in price level in the state during the period was almost galloping after 1980. Price index ( base 1953-100 ) in the state was 250 in 1970 and it rose to 1405 in 1991 which affected the lower income group of people badly. This happened due to the slow rise in production on the one hand and increasing demand for food production due to the higher growth rate of population on the other. Because propulation growth in the state was 36.3 during the period 1971-81. This unnatural growth rate of population has ereated so many problems. Among these, unemployment inflation, shortage of food, education etc deserve mention. According to live register total no. of unemployment in the state was about 13.56 lakh in 1991 and it is now a great burden to the economy. Although the state g0vt. has taken some measures in solving the unemployment problem and others practically it is impossible to solve the problom, if special measures are not taken to control the poPulation. Therefore, it is said that control of population will be the main solution to the problems so far faced by the state.

Therefore, I would like to suggest that as in China which adopted the norm of one couple to one child, the family norm in India can be liberalised upto two. Further, govt. should provide facilities and other services only for children of a family, make two children compulsory for the govt. Service holder strictly implement two maternity -leave for govt. women employces. Further, orthodox beliefsof some religious persons must be removed through education besides controlling or intiltration from Banglandesh which has created many socio-econmic problems in the state.

# HOPE

Reema Das.
H.S. 2nd year ( Arts )

A night of hails and thundering
The disfiguring wind comes whirling
Over my broken roofs.

The growing paddy
The flowery garden
All bloosomed with hopes
Bent down head upon head
The frail bird still sat on the eaves.

An unpleasant and weary night
I pass here
Dreaming and thinking
The storm blown over
Leaving me on wreckage

In the far beyond eastern sky.
I behold the reddish night
Spreading in glowing bright
My heart leaps up
For, the sun is my hope.

# Shadow

Mr. Rabin Boro.
T D C 3rd yr. ( Arts )

Oh friend, what an ugly path you have choosen
Blood ! ... ... ... ... ...
It is full of hazards.
It is full of despair.

Try ... ... .. - try to remember the past.
Hirosima and Nagasaki.
Where thousands of people suffered from
pain and death.

Call back the memories of pathuarghat
Where thousands of British people warned
Their hands with human blood.
Friend, come back from those paths
Which are full of dangers and despair.
Those shadows identify us as human dragon,
Those shadows identify us as wild animals.

# মহাবিদ্যালয় সপ্তাহৰ কৃতি



১৯৯৩-৯৪ ইং চনৰ মহাবিদ্যালয় সপ্তাহত 'অনুনাদ' নাটৰ বাবে বিবেচিত শ্ৰেষ্ঠ নাট্যদল—
থিয় হৈ : শ্ৰীঅৰূপ মেধি শ্ৰীনৱজং দাস।
বহি থকা : শ্ৰীতপন দাস, শ্ৰীৰীমা দাস।



১৯৯২-৯৩ ইং আৰু ১৯৯৩-৯৪ ইং চনৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা অভিনেত্ৰী
শ্ৰীৰীমা দাস।



১৯৯৩-৯৪ ইং চনৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ অভিনেতা শ্ৰীঅনুপ চৌধুৰী




১৯৯`-৯৩ ইং চনৰ মহাবিদ্যালয় সপ্তাহত 'দ্বীপ' নাটত অভিনয় কৰি শ্ৰেষ্ঠ অভিনেতা ও দল পৰিচালক—
শ্ৰীঅতুল কলিতা।

# মহাবিদ্যালয়ৰ গৌৰৱ



১৯৯২-৯৩ ইং চনৰ মহাবিদ্যালয় সপ্তাহৰ "দীপ" নাটৰ বাবে বিবেচিত শ্ৰেষ্ঠ নাট্যদল—
থিয় হৈ : শ্ৰীবিপুল কলিতা, শ্ৰীমুকুল কলিতা, শ্ৰীঅতুল কলিতা।
বহি : শ্ৰীবিপুল নাথ, মিচ্ চুন্নু মেধি, মিচ্ ভান্নু দাস।
ফটোত নাই : মিচ্ বিনিতা ঠাকুৰীয়া।



১৯৯২ ৯৩ চনৰ ২৯/৩০/৩১ অক্টোবৰত "মির্জা" নিউ কুংফু একাডেমীৰ সৌজন্যত সদৌ অসম ভিত্তিত মুকলি কুংফু প্ৰতিযোগিতাত ৫৪ ৰ পৰা ৫৮ কেজি ওজনৰ শ্ৰীৰাজা ৰাম ৰাভাই প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদক লাভ কৰে। শ্ৰীৰাভা বৰ্ত্তমান আমাৰ মহাবিদ্যালয়ৰে বাণিজ্য শাখাৰ উঃ মাঃ দ্বিতীয় বাৰ্ষিকৰ নিয়মীয়া ছাত্ৰ।




১৯৯২-৯৩ ইং চন আৰু ১৯৯৩ ৯৪ ইং চনৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা গায়িকা — শ্ৰীতুলুমণি দাস।



১৯৯২-৯৩ ইং চনৰ মহাবিদ্যালয় সপ্তাহত বেডমিণ্টনৰ শ্ৰেষ্ঠ দল—শ্ৰীমোহনলাল বাচফোৰ শ্ৰীবাবুল ঠকুৰীয়া।

## ছাত্ৰ একতা সভা ১৯৯২-৯৩ ইং চন




বহি ( সোঁ ফালৰ পৰা ) : সৰ্ব্বশ্ৰী ভদ্ৰেশ্বৰ দাস ( ছাঃ এঃ সভাৰ উপ-সভাপতি ) যোগেন্দ্ৰ কুমাৰ দাস ( তত্বঃ সাধাৰণ ) নগেন কলিতা ( তত্বাঃ আলোচনী ) তাৰিণি কলিতা ( তত্বাঃ লঘুখেল বিভাগ ) উপেন কুমাৰ ( ভাৰপ্ৰাপ্ত অধ্যক্ষ ) পৰেশ অধিকাৰী ( তত্বাঃ তৰ্ক আৰু আলোচনা চক্ৰ ) হাৰুণ ৰচীদ ( তত্বাঃ শৰীৰ চৰ্চা ) ভূষণ কলিতা ( তত্বা সমাজ সেৱা ) খৰমিলা ৰয় ( তত্বাঃ ছাত্ৰী জিৰণী কোঠা ) এস দামোদৰ সিং ( উপ-সভাপতি ) বাতুল কলিতা ( সাধাৰণ সম্পাদক ) ।

থিয় হৈ ( সোঁ ফালৰ পৰা ) : সৰ্ব্বশ্ৰী সত্য পাঠক ( সম্পাঃ আলোচনী ) দিলিপ সাউদ ( সঃ লঘু খেল ) নৃপেন দাস ( সম্পাঃ ছাত্ৰ জিৰণী কোঠা ) প্ৰদীপ সাউদ ( সম্পা সমাজ সেৱা ) অঞ্জুমণি দাস ( সম্পাঃ ছাত্ৰী জিৰণী কোঠা ) চৈতন্য মেধি ( সহঃ সাধাৰণ সম্পাঃ ) বিজু মহন্ত ( সম্পাঃ ছাত্ৰী জিৰণী কোঠা ) সুভাষ কলিতা ( সম্পাঃ গুৰু খেল ) সুভাষ মেধি ( সম্পাদক শৰীৰ চৰ্চা ) তিলক দাস ( সম্পাঃ তৰ্ক বিভাগ ) ।

ফটো নাই — শ্ৰীবিপিন পাঠক ( তত্বাঃ গুৰু খেল বিভাগ ) ।

ছাত্র একতা সভা ১৯৭৩-৭৪ ইং চন




বহি ( বাওঁ ফালৰ পৰা ) : সৰ্ব্বশ্ৰী বিপিন পাঠক ( তত্বা: গুৰু খেলবিভাগ ) ভূষণ কলিতা ( তত্বা: সমাজ সেৱা ) ইচ্ ৰতুন নেচা ( তত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা ) হাৰুন ৰছিদ. ( তত্বাবধায়ক, সাংস্কৃতিক বিভাগ ) পৰেশ অধিকাৰী ( তত্বা: সাধাৰণ বিভাগ । উপেন কুমাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ) যোগেন্দ্ৰ কুমাৰ দাস ( তত্বা: তৰ্ক আৰু আলোচনা চক্ৰ ) এল, দামোদৰ সিং ( উপ-সভাপতি ছা: এ সভা ) তাৰিণী কলিতা ( তত্বা: লঘু খেলবিভাগ ) অতুল কলিতা ( উপ-সভাপতি ) ৰঞ্জিত কুমাৰ ঠাকুৰীয়া ( সা: সম্পাদক ) ।

থিয় হৈ ( বাওঁফালৰ পৰা : সৰ্ব্বশ্ৰী বিনোদ মেধী ( স:. সমাজ সেৱা ) প্ৰদীপ সাউদ ( স: শৰীৰ চৰ্চা ) জোনালী ৰাজবংশী ( স: ছাত্ৰী জিৰণী কোঠা ) মাধৱ দাস ( স: প্ৰাচীৰ পত্ৰিকা সুকুমাৰ কলা-সাহিত্য বিভাগ ) পুষ্প কুমাৰ সাউদ ( স: আলোচনী ) নিৰঞ্জন বৰুৱা ( স: লঘু খেল বিভাগ ও ছাত্ৰ জিৰণী কোঠা ) হিতেশ কলিতা ( স: তৰ্ক, আলোচনা চক্ৰ ) বুবুল চোধুৰী ( সহ: সা: সম্পাদক ) উজ্জ্বল কলিতা ( স: গুৰুখেলবিভাগ ।।

ফটোত নাই সৰ্ব্বশ্ৰী নগেন কলিতা ( তত্বা: আলোচনী ) [illegible]

## সম্পাদনা সমিতি



থিয় হৈ ( বাওঁফালৰ পৰা ) সদস্যসকল : সৰ্বশ্ৰী জয়ন্ত মেধি, বুবুল দাস, পংকজ ঠাকুৰীয়া, ৰঞ্জিত ঠাকুৰীয়া ।

বহি থকা ( বাওঁফালৰ পৰা ) সৰ্ব্বশ্ৰী ৰঞ্জিত চক্ৰৱৰ্তী ( সদস্য ), পুষ্প সাউদ (সম্পাদক) নগেন কলিতা (তত্বাৱধায়ক, আলোচনী)

ফটোত নাই : সভাপতি উপেন কুমাৰ, ভূষণ কলিতা ( সদস্য )

---

## মহাবিদ্যালয়ৰ প্ৰতিভা



১৯৯২-৯৩ ইং চনৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ সাহিত্যিক আৰু ১৯৯৩-৯৪ ইং চনৰ শ্ৰেষ্ঠ তাৰ্কিক শ্ৰীকমল ঠাকুৰীয়া



১৯৯৩-৯৪ ইং চনৰ শ্ৰেষ্ঠ সাহিত্যিক শ্ৰীনৱজিৎ দাস

# মহাবিদ্যালয় সপ্তাহৰ প্ৰতিভা বিচাৰি যাওঁতে—



১৯৯২-৯৩ ইং চনৰ
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা
খেলুৱৈ শ্ৰীপূৰ্ণিমা চৌধুৰী।



১৯৯২-৯৩ ইং চনৰ
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ পাঞ্জা
খেলুৱৈ শ্ৰীপুলিন কলিতা।



১৯৯৩-৯৪ ইং চনৰ
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা
খেলুৱৈ শ্ৰীমঞ্জু দাস।



১৯৯৩-৯৪ ইং চনৰ মহাবিদ্যালয়
সপ্তাহৰ শ্ৰেষ্ঠ খেলুৱৈ
শ্ৰীসুভাষ মেধী।



মহাবিদ্যালয় সপ্তাহত একেৰাহে তিনিবাৰ শ্ৰেষ্ঠ
দ'বা খেলুৱৈ শ্ৰীপবিত্ৰ কলিতা।

# CHHAYGAON COLLEGE AT A GLANCE

## Name – Chhaygaon College

Date of Establishment : 6 th September, 1974.

Courses of studies : It provides education in

two faculties : Arts and Commerce.

Major Subjects : Assamese, Political Science, Hindi, Economics and English.

## Present Staff :

THE TEACHING STAFF :

Principal In-Charge :

Mr. Upen Kumar, M. A.

Department of Assamese :

Mrs. Hiran Chaudhury, M. A.
Mrs. Ismatun Nessa, M. A.
Mrs. Anupama Deka. M. A. ( Double )
Mr. Nagen Kalita, M. A.
*M*r. Brajen Barman, M. A.

Department of English :

Mr. L. Damodar Singh, M, A.
Mrs. Sarmila Roy, M. A.
*M*r. Santosh Kumar Das, *M.* A.

Department of Economics :

Mr. Upen Kumar. M. A.
Mr. Sarbeswar Das, M. A.
Mr. Paresh Chandra Adhikari, M. A.

Department of Education :

Mrs. Kanika Dalal, M. A.
Mrs. Dipali Dutta, M. A.

Department of Hindi :

Mr. Tarini Kalita, M. A.
Mr, Bipin Pathak, M. A.

Department of History :

Mrs. Anima Chaudhury, M. A.
Mr. Mrinal Kumar Bora. M. A. B. T.

Department of Political Science :

Mr. Nabin Suthar, M. A.
Mr. Baneswar Das, M. A.
Mr, Jogendra Kumar Das, M. A.
Mrs. Aparna Goswami, M. A.

Department of Philosophy :

Mrs. Prabha Saud, M. A.

Commerce Faculty :

Mr. Samsuddin Ahmed, *M*. Com.
Mr. Harunur Rashid, *M*. Com.
*M*r. Pradip Das, *M*. Com.

Grade III Staff ( office )

Mr. Satya Ram Das, ( Head Asstt. )
Mr. Kanak Kalita, ( Assistant )
Mr. Pratap Ch. Boro, ( ,, )
Mr. Dhiren Dewan ( ,, )

Library

Mrs. Prativa Das, ( Librarian )
Mr. Praphulla Kalita,
( Assist. Librarian )

Grade IV Staff

Mr. Kamaleswar Kalita, ( Peon )
Mr Kajiram Das, ( Choukidar )
Mr. Lohit Rajbangshi ( ,, )
Mr. Bhupen Das, ( ,, )
Mr. Sabin Ch. Das, ( Night Choukidar )

The Present Governing Body.

Dr. Kamala Kalita. ( President )
Mr. Upen Kumar ( Secretary )
Mr. Hem Ch. Choudhury. ( member )
Mr. Manoj Kumar Deka. ( ,, )
Mr. Bharat Chandra Das ( ,, )
Mrs. Anjali Kakati. ( ,, )
Mr. Jatindra Nath. ( ,, )
Mr. Hareswar Saud ( ,, )
Mr. Bipin Ch. Thakuria ( ,, )
Mr. Mrinal Kumar Bora. ( ,, )
Mr. Anupama Deka. ( ,, )
Mr. Ghanasyam Choudhury ( ,, )



# স্মৃতিৰ পটত

## কলহীৰ প্ৰাক্তণ সম্পাদকসকল

| | | |
|---|---|---|
| ১। | শ্ৰীঘনশ্যাম ডাকুৱা | ১৯৮৫ – ৮৬ ইং চন |
| ২। | মঃ ৰফিকউদ্দিন আহমেদ | ১৯৮৬—৮৭ ইং চন |
| ৩। | শ্ৰীযতীন কলিতা | ১৯৮৭—৮৮ ইং চন |
| ৪। | শ্ৰীটিকেন শালৈ | ১৯৮৮—৮৯ ইং চন |
| ৫। | শ্ৰীফণীন্দ্ৰ দাস | ১৯৮৯—৯০ ইং চন |
| ৬। | শ্ৰীপ্ৰভাত চন্দ্ৰ দাস | ১৯৯০ – ৯১ ইং চন |
| ৭। | শ্ৰীকমল ঠাকুৰীয়া | ১৯৯১ – ৯২ ইং চন |

ছয়গাওঁ মহাবিদ্যালয়ৰ ইং ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ ইং চনৰ ছাত্ৰ একতা সভাৰ হৈ শ্ৰীপুষ্প কুমাৰ সাউদৰ দ্বাৰা প্ৰকাশিত ও সম্পাদিত, বেউলা প্ৰিণ্টাৰ্চ'ত, ছয়গাওঁত মুদ্ৰিত।